হেমাঙ্গ বিশ্বাস

জীৱন আৰু কৃতি

সম্পাদক

শশী শৰ্মা

প্ৰকাশক

সমন্বয় গ্ৰন্থালয়

নলবাৰী- ৭৮১৩৩৫

'হেমাঙ্গ বিশ্বাস ঃ জীৱন আৰু কৃতি' প্ৰবীণ মুক্তি সংগ্ৰামী আৰু বিশিষ্ট গণশিল্পী হেমাঙ্গ বিশ্বাসৰ জীৱন আৰু কৃতি বিষয়ক আলোচনা মূলক প্ৰবন্ধৰ সংকলন ; সংকলন- সম্পাদনা- শ্ৰীশশী শৰ্মা, অধ্যাপক, নলবাৰী কলেজ, নলবাৰী, প্ৰকাশক শ্ৰীজিতেন ডেকা, সমন্বয় গ্ৰন্থালয়, নলবাৰী- ৭৮১৩৩৫

সংকলন-সম্পাদনা ঃ

শ্ৰীশশী শৰ্মা, অধ্যাপক নলবাৰী কলেজ

নলবাৰী-৭৮১৩৩৫

প্ৰকাশক ঃ

শ্ৰীজিতেন ডেকা, সমন্বয় গ্ৰন্থালয়

নলবাৰী- ৭৮১৩৩৫

প্ৰথম প্ৰকাশ ঃ

১২ নৱেম্বৰ / ১৯৮৮

মুদ্ৰণ ঃ

পৱন প্ৰিণ্ট হাউচ

ষ্টেচন ৰোড

নলবাৰী- ৭৮১৩৩৫

বেটুপাট ঃ

খালেদ চৌধুৰী (ডিজাইন)

দেবেন দেৱান (আখৰ)

মূল্য ঃ ২৫·০০ টকা

সূচীপাত ঃ

পুথিখনত আছে— পৃষ্ঠা

১।	সম্পাদকীয়		
২।	হেমাঙ্গ বিশ্বাসৰ জীৱন-আলেখ্য	শ্ৰীসু[illegible] শৰ্মা	১
৩।	সংগ্ৰামী গণশিল্পী হেমাঙ্গ বিশ্বাসৰ সোঁৱৰণত	শ্ৰীঅচিন্ত্য ভট্টাচাৰ্য	১১
৪।	হেমাঙ্গ বিশ্বাসক মই যিদৰে জানোঁ।	শ্ৰীপ্ৰাণেশ বিশ্বাস	২০
৫।	গণশিল্পী হেমাঙ্গ বিশ্বাস	শ্ৰীউত্তম বৰুৱা	৩১
৬।	আমাৰ মৰমৰ হেমাঙ্গ বিশ্বাস	শ্ৰীদিলীপ শৰ্মা	৩৮
৭।	আঁতৰত থকা পৰিয়ালৰ মানুহজন	শ্ৰীশৰৎ নেওগ	৪৮
৮।	আপোচহীনতাৰ আন এটা নাম হেমাঙ্গ বিশ্বাস	শ্ৰীবিবেক গুহ	৫৯
৯।	গণনাট্য সংঘৰ সৰ্বভাৰতীয় পুনৰ জাগৰণ আৰু হেমাঙ্গ বিশ্বাস	শ্ৰীনগেন কাকতি	৬৪
১০।	মোৰ বিৰোধী বান্ধৱ হেমাঙ্গ বিশ্বাস	শ্ৰীপৰিতোষ দত্ত	৭৬
১১।	হেমাঙ্গ বিশ্বাস মহান	শ্ৰীপৰমানন্দ মজুমদাৰ	৮১
১২।	অম্ৰাণ	শ্ৰীমৈনাক বিশ্বাস	৯৮
১৩।	গণসংগীত শিল্পী হেমাঙ্গ বিশ্বাস	শ্ৰীখালেদ চৌধুৰী	১০৭
১৪।	লোককণ্ঠ আৰু গণকণ্ঠৰ মিলন সাধক হেমাঙ্গ বিশ্বাস	ড° মালিনী ভট্টাচাৰ্য	১২২
১৫।	গণকাব্য কুলখুৰাৰ চোতাল	শ্ৰীভোবেশ্বৰ চেতিয়া	১৩১
১৬।	হোৱাংহোৰ পাৰত সুৰমাৰ গঙাচিলনী	শ্ৰীনলিনীধৰ ভট্টাচাৰ্য	১৪২
১৭।	গ্ৰন্থপঞ্জী	শ্ৰীৰঞ্জিনী বিশ্বাস	১৫৭

সম্পাদকীয়

হেমাঙ্গ বিশ্বাস নামটো অসমৰ সমাজ-সচেতন সংগ্ৰামী কুলখুৰা, ৰত্নেশ্বৰ ৰাভা আদি কৰি জনগণৰ মাজত বৰ প্ৰিয়। অবিভক্ত অসমৰ ছিলেট জিলাৰ হবিগঞ্জ মহকুমাৰ মিৰাছী গাঁৱত ওপজিছিল কাৰণে, বা ডিব্ৰুগড়ৰ হাইস্কুলত কিছুদিন শিক্ষা লাভ কৰিছিল কাৰণে বা অসমৰ শ্ৰমকাৰী জনগণৰ চেনেহৰ বিত লোকগীত, বিহুগীত শিকিছিল কাৰণে আৰু বিহুগীত, লোকগীত আদিৰ বিষয়ে বিজ্ঞান সন্মত আলোচনা লেখি বিহুক এটা বিশেষ মৰ্যাদা দিয়াৰ উপৰি আলোচনা-গৱেষণাৰ বাট মুকলি কৰি দিয়া কাৰণে, বা অসমত গণনাট্য সংঘ প্ৰতিষ্ঠা কৰি একাংশ শিল্পীক গণনাট্য সংঘৰ মঞ্চত সমবেত কৰোৱাৰ উপৰি বিশ্বমুখী কৰি তুলিবলৈ সমৰ্থ হোৱা কাৰণেই অকল হেমাঙ্গ বিশ্বাস অসমত জনপ্ৰিয় নহয়; প্ৰকৃততে অসমৰ জনগণৰ সামগ্ৰিক বিকাশৰ অৰ্থে তথা জনগণক জনগণতন্ত্ৰৰ প্ৰতি উন্মুখ কৰাৰ সংগ্ৰামত আত্মনিয়োগ কৰিছিল কাৰণেহে হেমাঙ্গ বিশ্বাস অসমত ইমান জনপ্ৰিয় আছিল।

শেষলৈ ৰাজনৈতিক মতাদৰ্শৰ ব্যতিক্ৰম ঘটা কাৰণে বিশেষকৈ গণনাট্য সংঘৰ সন্দৰ্ভত, তেওঁৰ লগত বহুতৰেই হয়তো মতদ্বৈধতা ঘটিছিল। সম্ভৱৰ আৰম্ভৰে পৰা তেওঁ পতিয়ন নিয়াবলৈ চেষ্টা কৰিছিল যে ভাৰতীয় গণনাট্য সংঘ কোনো ৰাজনৈতিক দলৰ অঙ্গ নহয়। অথচ ব্যাখ্যা প্ৰসংগত ক'বলৈ দ্বিধাবোধ কৰা নাছিল যে মাৰ্ক্সবাদ-লেনিনবাদেই গণনাট্য সংঘৰ আদৰ্শ। একে উশাহতে আৰু একে প্ৰসঙ্গতে পিছত কিন্তু কয় বোলে গণনাট্য সংঘৰ শিল্পী সকলে যিকোনো ৰাজনৈতিক মতাদৰ্শ অবলম্বন কৰিব পাৰে, কেৱল

গণনাট্য সংঘৰ নিয়মাৱলী মানি চলিলেই হয়। এই একেজন হেমাঙ্গ বিশ্বাসে গণনাট্য সংঘৰ অসম ৰাজ্যিক তৃতীয় সন্মিলনৰ সম্পাদকীয় প্ৰতিবেদনত আকৌ গভীৰ দুখেৰে ক্ষোভ প্ৰকাশ কৰে যে গণনাট্য সংঘৰ শিল্পী সকলৰ আদৰ্শগত দুৰ্ব্বলতা আছে। এই প্ৰতিবেদনখনত শিল্পীসকলৰ মাৰ্ক্সবাদী আদৰ্শৰ আৱশ্যকতাৰ কথাই স্বীকাৰ কৰিছে আৰু মাৰ্ক্সবাদ-লেনিনবাদক জীৱন-দৰ্শন হিচাবে গ্ৰহণ কৰিবলৈ অসমৰ্থ শিল্পী হিচাবে সফল হ'ব নোৱাৰাই স্বাভাৱিক বুলিও অভিমত প্ৰকাশ কৰিছে। মাৰ্ক্সবাদ-লেনিনবাদেই শিল্পী-সাহিত্যিকৰ জীৱন-দৰ্শন বাঞ্চনীয় বুলি সত্তৰৰ দশকৰ আগৰ প্ৰায় আটাইবোৰ নিবন্ধতে তেওঁ নিশ্চিত অভিমত দাঙি ধৰিছে। বৰ আচৰিত কথা যে এই একেজনা বিপ্লৱী শিল্পী-সাহিত্যকে জীৱনৰ শেষৰ ফালে গণনাট্য সংঘৰ ১৯৪৫ চনৰ সৰ্ব্বভাৰতীয় অধিবেশনত গৃহীত এটা প্ৰস্তাৱৰ কথা য'তে ত'তে উল্লেখ কৰি গণনাট্য সংঘ ৰাজনৈতিক দল নিৰপেক্ষ হ'ব লাগে বুলি দাবী কৰিব ধৰিলে আৰু লগে লগে দাবী কৰিব ধৰিলে শিল্পীৰ স্বাধীনতাৰ কথা। অথচ অসম ৰাজ্যিক গণনাট্য সংঘৰ তৃতীয় সন্মিলনত তেওঁ নিজে ক্ষোভ প্ৰকাশ কৰিছিল যে মাৰ্ক্সবাদী-লেনিনবাদী মতাদৰ্শৰ অভাৱৰ কাৰণেই গণনাট্য সংঘৰ একাংশ শিল্পীয়ে ৰাইজৰ মাজত প্ৰভাৱ বিস্তাৰ কৰাত ব্যৰ্থ হৈছে।

মতাদৰ্শগত এনে বিভ্ৰান্তি যে ডাঙৰ ত্ৰুটি সেই বিষয়ে সন্দেহৰ থল নাই। কিন্তু জমিদাৰ পুত্ৰ হেমাঙ্গ বিশ্বাসে জনগণ-প্ৰীতিৰ যি নিদৰ্শন দেখুৱাই গ'ল, ভাব-ভাষা-সংস্কৃতিৰে জনগণক জানিবলৈ-শিকিবলৈ আমৰণ যি অকৃত্ৰিম আগ্ৰহ দেখুৱাই গ'ল, জনগণৰ সাংস্কৃতিক মান উন্নয়নৰ কাৰণে, সমাজতান্ত্ৰিক বাস্তৱবাদৰ আদৰ্শেৰে অনুপ্ৰাণিত কৰি শ্ৰেণীহীন, শোষণহীন সমাজ ব্যৱস্থা গঢ়ি তোলাৰ অৰ্থে জনগণক সংগ্ৰামী কৰি তুলিবলৈ আমৰণ যি অৰিহণা যোগালে, তাৰ প্ৰতি বিবেকবান মানুহ মাত্ৰেই শ্ৰদ্ধাবান নহৈ নোৱাৰে। জাতি

বৰ্ণ-ধৰ্ম্ম সম্প্ৰদায়ৰ বিভেদৰ নামত জনগণক উত্তেজিত কৰি ভাতৃঘাতী সংঘাতত লিপ্ত কৰা সুবিধা সন্ধানী তথাকথিত নেতাই হেমাঙ্গ বিশ্বাসৰ প্ৰাণৰ ধমনিৰ উমান নোপোৱাই স্বাভাৱিক। অপসংস্কৃতি বা কুকৃতিৰ লগত সহ অৱস্থান কৰা তথাকথিত এই শ্ৰেণীৰ নেতা যে সমাজ-সংস্কৃতিৰ প্ৰতিভূ বা প্ৰতিনিধি নহয়, তাকো সচেতন মানুহ মাত্ৰেই অনুভৱ কৰে।

হেমাঙ্গ বিশ্বাস আগশাৰীৰো আগশাৰীত ঠাই পোৱা মুক্তি সংগ্ৰামী, বিশিষ্ট মাৰ্ক্সবাদী-লেনিনবাদী বিপ্লৱী, আগশাৰীৰ গণকবি, মহান গণশিল্পী, গণজীৱনক সবল, সুস্থ, সাহসী, মুক্ত আৰু যথাৰ্থ সংস্কৃতি সম্পন্ন ৰূপে গঢ়ি তোলাৰ সংগ্ৰামৰ দুৰ্দ্ধৰ্ষ সংগ্ৰামী, গণজীৱনৰ কৃতি বা সৃষ্টিৰ গৱেষক পণ্ডিত। গণ-মুক্তিৰ সংগ্ৰামত দেহ-মন পাৰি দিয়া হেমকান্তিৰ হেমাঙ্গই যে কেৱল বৈষয়িক সুখ-সম্ভোগকে বিসৰ্জন দিছিল তেনে নহয়, এই সংগ্ৰামতে চঞ্চল যৌৱন কালতে দেহো ঘুণীয়া কৰিব লগাত পৰিছিল। ৰুগ্ন আৰু দুৰ্বল দেহেৰেই তেওঁ যি সবল সাহসী মন আৰু দুৰ্দ্ধৰ্ষ সংগ্ৰামীৰ পৰিচয় দি গ'ল তাক যুগমীয়া কৰি ৰখাৰ আকাঙ্ক্ষাৰেই এই স্মৃতিগ্ৰন্থ 'হেমাঙ্গ বিশ্বাস : জীৱন আৰু কৃতি' শ্ৰদ্ধাৰে ৰাইজৰ মাজলৈ আগবঢ়ালোঁ।

সংগ্ৰামী গণশিল্পী জনাৰ জীৱন আৰু-কৃতিৰ সকলো দিশৰ যথাযথ বিচাৰ দাঙি ধৰাই আছিল আমাৰ লক্ষ্য; কিন্তু চেষ্টা কৰা সত্বেও আশানুৰূপ সফল হ'ব পৰা নগ'ল। এই ত্ৰুটিৰ কাৰণে আমি দুঃখীত। অৱশ্যে অনুসন্ধিৎসু জনৰ কাৰণে বুলি গ্ৰন্থপঞ্জী এখন সংযোগ কৰিব পৰা কাৰণে কিছু আশ্বস্ত হ'ব পাৰিছোঁ।

পুথিখনৰ প্ৰায় প্ৰতিটো আলচতে ন ন সত্য আৰু তথ্যৰ সন্ধেদ আছে; অৱশ্যে একাধিক আলচত একে সত্য আৰু তথ্যৰ সন্ধেদ নথকা নহয়। কিন্তু আলচটোইত ক্ষত হোৱাৰ আশংকাত তেনে পুনৰুক্তি বাদ দিয়া হোৱা নাই। শব্দচয়ন বা শব্দশৈলীৰ

ক্ষেত্ৰতো প্ৰতিগৰাকী লেখকৰ নিজস্ব ভঙ্গীক অবিকৃত ভাবে ৰাখিবলৈ চেষ্টা কৰা হৈছে।

যিসকল গুণীৰ লেখাৰে এই স্মৃতিগ্ৰন্থ সমৃদ্ধ হৈছে, সেই সকলৰ ওচৰত আমি কৃতজ্ঞ। বেটুপাতৰ ছবিৰ আৰ্হি বিশিষ্ট চিত্ৰ শিল্পী খালেদ চৌধুৰীৰ, সজাই দিছে তৰুণ শিল্পী দেবেন দেৱানে। দুয়োৰে ওচৰত আমি কৃতজ্ঞ। পুথিখনত সন্নিবিষ্ট কৰিবলৈ যি সকলৰ পৰা আলোক চিত্ৰ পোৱা হৈছে, সেই সকলৰ ওচৰতো আমি কৃতজ্ঞ। সংগ্ৰামী শিল্পীজনাৰ জীয়াৰী ৰঙিলী আইটীয়ে বহু কষ্ট কৰি গ্ৰন্থপঞ্জী খন প্ৰস্তুত কৰি দি আমাৰ সকলোৰে শলাগৰ পাত্ৰী হৈছে। প্ৰবন্ধ-পাতি সংগ্ৰহত অযাচিত ভাবে আগবঢ়োৱা সহায় সাহায্য আৰু দিহা পৰামৰ্শৰ কাৰণে সুপণ্ডিত ড° অমলেন্দু গুহৰ ওচৰতো আমি ঋণী। সমন্বয় গ্ৰন্থালয়ৰ স্বত্বাধিকাৰ শ্ৰীজিতেন ডেকাই আগ্ৰহেৰে পুথিখন প্ৰকাশৰ দায়িত্ব বহন কৰি শিল্পীত মনৰ পৰিচয় দিছে। নিচেই কম সময়ৰ ভিতৰতে ছপাকাম সমাপ্ত কৰি দি নলবাৰীৰ 'পৱন প্ৰিণ্ট হাউচ'ৰ শ্ৰীপৱন কুমাৰ জৈন আৰু তেওঁৰ কৰ্মীসকল শলাগৰ পাত্ৰ হৈছে।

কিন্তু দুখ পাইছোঁ যে অনিচ্ছা সত্বেও পুথিখনৰ ছপাত ভুল বৈ গ'ল। ইয়াৰ কাৰণে লেখক সকলে আৰু লগতে সহৃদয় পঢ়ুৱৈ সমাজে ক্ষমিব বুলি মিনতি জনালোঁ।

আমাৰ দৃঢ় বিশ্বাস যে এই পুথিখন আদৰি লৈ মহান সংগ্ৰামী শিল্পী হেমাঙ্গ বিশ্বাসকে ৰাইজে আদৰি ল'ব।

শ্ৰদ্ধাৰে—

লক্ষ্মীকুটিৰ
নলবাৰী-৭৮১৩৩৫

শশী শৰ্মা
২২ নবেম্বৰ'৮৮

হেমাঙ্গ বিশ্বাসৰ জীৱন— আলেখ্য

সংকলন আৰু সম্পাদনা ঃ

শ্ৰীসুভাষ সাহা

আগষ্ট ১৯১২ : শ্ৰীহট্ট জিলাৰ মিৰাছী গাৱঁত জন্ম। পিতাৰ নাম হৰকুমাৰ বিশ্বাস আৰু মাতৃদেৱীৰ নাম সৰোজিনী বিশ্বাস। বাপেক আছিল ক্ষুদ্ৰ জমিদাৰ। পৰিয়ালত আছিল ৰক্ষণশীল পুৰোহিত তন্ত্ৰ আৰু জাতি বিচাৰৰ প্ৰাবল্য। কিন্তু মাকৰ পৰিয়াল আছিল উদাৰ। সংগীতৰ প্ৰাথমিক শিক্ষা মাকৰ ওচৰত। মাক আছিল সুকণ্ঠী গায়িকা। মোমায়েকৰ ঘৰত সংগীত শিক্ষাৰ আৰু চৰ্চ্চাৰ পৰিৱেশ আছিল। ককাক ৰাজমোহন চৌধুৰী আছিল সেই সময়ৰ এজন বিখ্যাত তবলাবাদক। সেই সূত্ৰে ওস্তাদ আলাউদ্দিন খাঁ আৰু তেওঁৰ ককায়েক আফতাব-উদ্দিন খাঁ প্ৰায়েই আহিছিল তেওঁলোকৰ ঘৰলৈ। সম্পৰ্কীয় ককাক জয়নাথ নন্দী আছিল বিখ্যাত কবিয়াল, ঘৰখনত কবিগানৰ ঐতিহ্য আছিল।
মিৰাছী গাৱঁৰ সৰ্বত্ৰ আছিল আন দহোটা প্ৰাণৱন্ত গাৱঁৰ দৰে সংগীতমুখৰ। কবিগান, গাজনৰ গান, মনসামঙ্গল আৰু আইসকলৰ গীতৰ সুৰ বাটে-পথে, পথাৰে-সমাৰে, ঘৰে-বাহিৰে ৰজনজনাই আছিল।

১৯১২-৩০ : মিৰাছী গাৱঁৰ মিড্‌ল স্কুলৰ শিক্ষা শেষ কৰি শ্ৰীহট্টৰ মুৰাৰীচাঁদ কলেজত অধ্যয়ন। স্কুলীয়া অৱস্থাত কিছুদিন ডিব্ৰুগড়ৰ জৰ্জ্জ ইঞ্চটিটিউটত শিক্ষা গ্ৰহণ। সুৰমা ভেলি ফুটবল টিমতো খেলিছিল।

১৯৩০-৩৩ : আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰাৰ

'অপৰাধ'ত কলেজৰ পৰা বহিস্কৃত আৰু ১৯৩২ চনত কাৰাৰুদ্ধ। নগাওঁ আৰু গুৱাহাটী জেলত বন্দী। আঢ়ৈ বছৰ কাল হাজতত বাস। জেলত থকা অৱস্থাতেই বিমলা প্ৰসাদ চলিহাৰ সৈতে পৰিচয় আৰু বিহুগীত আৰু বনগীত তেওঁৰ কণ্ঠত শুনি অসমীয়া সংগীতৰ প্ৰতি আকৰ্ষিত হয়। জেলত থকা অৱস্থাতেই যক্ষ্মা ৰোগত আক্ৰান্ত, স্বাস্থ্য ভাঙি পৰে। তথাপিও ইংৰাজ শাসকৰ ওচৰত বশ্যতা স্বীকাৰ কৰা নাছিল। শেহত ভীষণ অসুস্থ হৈ পৰাত জেল কৰ্তৃপক্ষই বিনাচৰ্ত্তে মুক্তি দিয়ে আৰু যাদবপুৰ যক্ষ্মা হাচপতালত চিকিৎসা গ্ৰহণ কৰে। প্ৰায় তিনিবছৰ পিছত সুস্থ হৈ উভতি যায় মিৰাছী গাওঁৰ ঘৰলৈ।

১৯৩৩—৩৮ : গান্ধীবাদী অহিংসা ৰাজনীতি সম্পৰ্কে সন্দেহ প্ৰকাশ। এই সময়তে ইংৰাজ শাসকসকলে কমিউনিষ্টসকলৰ বিৰুদ্ধে ভুৱা মিৰাট মামলা কৰে। এই মামলাৰ পৰা কমিউনিষ্টৰ কাম কাজ আৰু আদৰ্শ সম্পৰ্কে ভাৰতীয় জনগণে জানিবলৈ পায়। যুৱক হেমাঙ্গ বিশ্বাস কমিউনিষ্টসকলৰ প্ৰতি আকৃষ্ট হয়। ফলত বাপেকৰ কোপদৃষ্টিত পৰিব লগা হয়। গৃহত্যাগ কৰি আশ্ৰয় ললে কমিউনিষ্টৰ 'আড্ডা'ত।

***কৃষক আন্দোলন* আৰু *সংস্কৃতি চৰ্চা* :** এই সময়তেই চিলেট জিলাত গঢ়ি উঠে দুৰ্ব্বাৰ কৃষক আন্দোলন। হেমাঙ্গ বিশ্বাসে সক্ৰিয় ভাৱে জড়িত হয়। সাংস্কৃতিক কৰ্মী হিচাপে। কবিগান, ভাটিয়ালী, বাউল আদি গানৰ সুৰত দেশপ্ৰেমৰ গান ৰচিবলৈ আৰু গাবলৈ ধৰে।

কবিয়াল হৰিআচাৰ্যৰ গান, সুৰল নামৰ মাছমৰীয়া এজন লৰাৰ গান, কৈলাস ঢুলি আৰু ঘৰামী মীৰ দাদাৰ গানে ৰবকৈ অনুপ্ৰাণিত কৰে। বিশেষকৈ হৰি আচাৰ্যৰ গান– 'ঐ সুৰে আছেৰে বন্ধু অশ্বথ বটেৰ ছায়া। এই সুৰে বিছাইয়া দেয়ৰে শীতল মাটিৰ মায়া। বন্ধু অশ্বথ বটেৰ ছায়া' এই গীতটিয়েই হেমাঙ্গ বিশ্বাসৰ মনপ্ৰাণ হৰি নিছিল। নিজৰ আত্মজীৱনীত লিখিছে— 'লোক সংগীতৰ সুৰ, লোক গাথাদি মই বিচাৰিব লগা হোৱা নাছিল, এই বোৰৰ মাজতেইতো মই ডাঙৰ হৈছোঁ'।

১৯৩৮ : খাজনা আৰু জমিদাৰ তন্ত্ৰ বিৰোধী কৃষক আন্দোলন, ৰাজধানী চিলঙলৈ কৃষকৰ বিক্ষোভ মিছিল। বিশ্বাসৰ গান 'আগে আগে চল মজুৰ কিষাণ' তেতিয়া কৃষকৰ মুখে মুখে।

১৯৩৯ : ৭ নৱেম্বৰ তাৰিখে কংগ্ৰেছ সভাপতি সুভাষ বসুৰ চিলেটৰ পৰা হবিগঞ্জ ভ্ৰমণ। ৰাজহুৱা সম্বৰ্দ্ধনা। সম্বৰ্দ্ধনা পত্ৰ পাঠ কৰে হেমাঙ্গ বিশ্বাসে। শ্ৰমিক সকলৰ আন্দোলনৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত হয়। কাছাৰ জিলাৰ অৰুনাবন্দ চাহ বাগিছাৰ শ্ৰমিকসকলৰ সংগ্ৰামত অংশ গ্ৰহণ। ডিগবৈ তেল কোম্পানীৰ শ্ৰমিক সকলৰ ওপৰত চলোৱা গুলি চালনাৰ প্ৰতিবাদত ৰাজহুৱা সভাৰ আয়োজন কৰে চিলেট টাউনত—১৯৩৯ চনৰ ২৯ এপ্ৰিল তাৰিখে। একে সভাতেই গুলিচালনাৰ গৰিহণা প্ৰস্তাৱ সহ ভাটিপাৰা কৃষকসকলৰ ওপৰত' চলোৱা (Section

145 Cr P C) আইন উঠাই লোৱাৰ দাবী কৰা হয় হেমাঙ্গ বিশ্বাসৰ নেতৃত্বত।

১৯৪২ : কমিউনিষ্ট পাৰ্টিৰ নিৰ্দ্দেশত হেমাঙ্গ বিশ্বাসৰ পৰিচালনাত গঠিত হয় ভ্ৰাম্যমাণ সাংস্কৃতিক দল 'সুৰমা ভেলি কালচাৰেল স্কোৱাড।'' ৰেলৱে ট্ৰেড ইউনিয়ন আন্দোলনৰ লগতো সক্ৰিয় অংশ গ্ৰহণ। ১৯৪২ চনৰ ১৮ জুলাই তাৰিখে গোবিন্দ চৰণ পাৰ্কত (চিলেট টাউন) হেমাঙ্গ বিশ্বাসৰ সভাপতিত্বত বাজহুৱা সভা। এই সভাত ৰাজনৈতিক আতক বন্দী সকলৰ মুক্তিৰ দাবী আৰু ফেচীবাদ বিৰোধী প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

১৯৪৩ : প্ৰগতি লেখক সংঘৰ আৰ্হিত চিলেট 'সাহিত্য চক্ৰ' গঠন। এই সময়তে লিখিলে তেওঁৰ বিখ্যাত গান 'কাস্তে তাৰে দিও জোৰে শান। কিষাণ ভাইৰে। কাস্তে তাৰে দিও জোৰে শান। কমল কাটাৰ সময় হলো কাটবে সোনাৰ ধান। দস্যু যদি লুটতে আসে। কাটবে তাহাৰ জান ৰে। এক হয়ে আজ দাঁড়াও দেখি মজুৰ কিষাণ। এক নিমেষে আসবে স্বৰাজ। ঘুচবে অপমান ৰে।'

ভাৰতীয় গণনাট্য সংঘৰ জন্ম : ১৯৪৩ চনৰ ২৩ মেৰ পৰা ১ জুনলৈ বোম্বাইত অনুষ্ঠিত হয় ভাৰতীয় গণনাট্য সংঘৰ প্ৰথম সৰ্ব্বভাৰতীয় সম্মিলন। সুৰমা ভেলি কালচাৰেল স্কোৱাডৰ অংশ গ্ৰহণ। কিন্তু শাৰীৰিক অসুস্থতাৰ বাবে হেমাঙ্গ বিশ্বাসে তাত যোগদান কৰিব নোৱাৰিলে।

কলিকতাৰ লগত সংযোগ ঃ প্ৰগতি লেখক সংঘ আৰু গণনাট্য সংঘৰ কাম কাজৰ মাজেদি প্ৰথম কলিকতাৰ লগত যোগাযোগ। কলিকতাত অনুষ্ঠিত ফেচীবাদ বিৰোধী লেখক আৰু শিল্পী সম্মিলনত (১৯৪৩ চনৰ ২০ জুন) অংশগ্ৰহণ কৰিবলৈ গৈ চিনাকী হয়—নাট্যকাৰ অভিনেতা বিজন ভট্টাচাৰ্য্য, কবি সুকান্ত ভট্টাচাৰ্য্য, গীতিকাৰ জ্যোতিৰিন্দ্ৰ মৈত্ৰৰ সৈতে। চিনাকী হয় ৰবীন্দ্ৰসংগীত শিল্পী দেৱব্ৰত বিশ্বাসৰ সৈতে।

১৯৪৫ ঃ সাংস্কৃতিক স্কোৱাড লৈ এমাহ দহ দিন জোৰা কাৰ্য্যসূচী লৈ সমগ্ৰ অসমত সাংস্কৃতিক অভিযান। তেজপুৰ, নগাওঁ, যোৰহাট, ডিব্ৰুগড় আদিত মুঠ ২৭টা অনুষ্ঠান কৰে, যি অনুষ্ঠানত কুশলকোঁৱৰৰ ফাঁচী, কেবিনেট মিচনৰ কাৰ্টুন নৃত্য, নৌ বিদ্ৰোহ আদিও আছিল। তেজপুৰত এই অনুষ্ঠানৰ বাতৰি পাই শিল্পী জ্যোতিপ্ৰসাদে (অসুস্থ অৱস্থাত) ইমান মুগ্ধ হৈছিল যে গণনাট্য সংঘৰ লগত জড়িত হোৱাৰ ইচ্ছা প্ৰকাশ কৰে। হেমাঙ্গ বিশ্বাসৰ লগত এয়ে প্ৰথম জ্যোতি প্ৰসাদৰ সাক্ষাৎ।

১৯৪৬ ঃ ৰেলৱে আৰু ৰিক্সাচালক শ্ৰমিক আন্দোলনৰ লগত ঘনিষ্ঠ ভাৱে জড়িত। ১৯৪৬ চনৰ ১৫ জুনৰ পৰা হেমাঙ্গ বিশ্বাসৰ নেতৃত্বত কমিউনিষ্ট পাৰ্টিৰ পৰিচালনাত ৰিক্সাচালক সকলৰ পুলিচী নিৰ্য্যাতনৰ বিৰুদ্ধে আন্দোলন। তেলেঙ্গনা আৰু তেভাগাৰ ত্বৰ্বাৰ কৃষক বিদ্ৰোহ। গণনাট্য সংঘৰ ওপৰত এই আন্দোলনৰ ব্যাপক প্ৰভাৱ।

১৯৪৬ : এপ্ৰিল মাহত শিলচৰত অনুষ্ঠিত হয় মহামিলনৰ সাংস্কৃতিক উৎসৱ। এই উৎসৱত অসমৰ সকলো লোকসংস্কৃতিৰ অনুষ্ঠান পৰিবেশিত হয়। এই উৎসৱৰ মাজেদিয়েই গঠিত হয় ভাৰতীয় গণনাট্য সংঘৰ অসম প্ৰাদেশিক সমিতি। জীৱন শিল্পী জ্যোতি-প্ৰসাদক সভাপতি (অসুস্থতাৰ বাবে তেওঁ অনুপস্থিত থকা সত্বেও সম্মতি সাপেক্ষে) আৰু হেমাঙ্গ বিশ্বাসক সম্পাদক হিচাবে নির্বাচিত কৰা হয়।

১৯৪৬-৪৮ : তেলেঙ্গানা আৰু তেভাগা কৃষক বিদ্ৰোহ দমনৰ নামত নেহেৰু চৰকাৰে কমিউনিষ্ট পাৰ্টিক নিষিদ্ধ ঘোষণা কৰে। বিপ্লৱী সকলৰ ওপৰত ব্যাপক ৰূপত অমানুষিক অত্যাচাৰ আৰু গ্ৰেপ্তাৰ।

১৯৪৭ : দেশ বিভাজনৰ মাজেদি স্বাধীনতা ঘোষণা। গণনাট্য কৰ্মীসকল বিভাজনৰ বলি। গণনাট্য আন্দোলনো দ্বিখণ্ডিত। নবেম্বৰত ডিব্ৰুগড়ত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনীৰ সাংস্কৃতিক অনুষ্ঠানৰ দায়িত্ববহন।

১৯৪৮ : হেমাঙ্গ বিশ্বাসৰ আত্মগোপন। এই সময়তে গোপনে জ্যোতিপ্ৰসাদৰ লগত সাক্ষাত। মাউণ্টবেটন আৰ্হিৰ স্বাধীনতাৰ প্ৰতি জ্যোতিপ্ৰসাদৰ অনাস্থা প্ৰকাশ। কংগ্ৰেছ দলৰ জনগণ বিৰোধী অত্যাচাৰী ভূমিকা সম্পৰ্কে সন্দিহান হৈ কয়— 'There is something wrong in the state of Denmark'. এই উক্তিৰ শৰা হেমাঙ্গ বিশ্বাসে ৰচনা কৰে তেওঁৰ আলোড়নকাৰী বিখ্যাত গান 'মাউণ্টবেটেন মঙ্গল-কাব্য' ব্যঙ্গাত্মক গীত, যি গীতৰ মাজেদি দেশৰ

স্বাধীনতাৰ স্বৰূপ উদঙাই দেখুৱায় আৰু ভাৰতৰ প্ৰায় সকলো প্ৰদেশৰ লোকসংগীতৰ সুৰ ব্যৱহাৰ কৰি সৃষ্টি কৰে এককালজয়ী সংগীত ।

১৯৪৯ : ইতিমধ্যে সভাপতি জ্যোতিপ্ৰসাদৰ শাৰীৰিক অসুস্থতাৰ বাবে গণনাট্য সংঘৰ কেন্দ্ৰীয় কাৰ্য্যালয় ডিব্ৰুগড়লৈ স্থানান্তৰিত (জ্যোতিপ্ৰসাদৰ তামোলবাৰী চাহবাগিছাত) কৰা হয় । ডিব্ৰুগড় নালিয়াপুলত শান্তি সম্মিলনৰ লগতে অনুষ্ঠিত হয় প্ৰাদেশিক গণনাট্য সংঘৰ ২য় ৰাজ্যিক সন্মিলন । অসুস্থতাৰ বাবে হেমাঙ্গ বিশ্বাস যাব নোৱাৰিলে । শান্তি সন্মিলনৰ ওপৰত পুলিচৰ গুলি চালনা । তিতাবৰৰ কৃষক জীয়াৰী বীণা বৰা আৰু শ্ৰমিক জীয়াৰী ষোড়শী নাগৰ নিহত । গুলিচালনাৰ প্ৰতিবাদত জ্যোতিপ্ৰসাদৰ প্ৰতিবাদ, বাতৰি কাকতলৈ বিবৃতি প্ৰেৰণ , কিন্তু অপ্ৰকাশিত ।

১৯৫১ : ১৭ জানুৱাৰীৰ দিনা জ্যোতিপ্ৰসাদৰ মৃত্যু । হেমাঙ্গ বিশ্বাস গভীৰ ভাৱে মৰ্মাহত । দুই এঠাইত বাদে ক'তো শোকসভা নহ'ল । পুনৰ গ্ৰেপ্তাৰ কিন্তু অসুস্থতাৰ বাবে মুক্তিলাভ ।

১৯৫২ : জুন জুলাই মাহত গুৱাহাটীত গণনাট্য সংঘৰ ২য় ৰাজ্যিক সন্মিলন অনুষ্ঠিত । বিষ্ণুপ্ৰসাদ ৰাভাক সভাপতি আৰু হেমাঙ্গ বিশ্বাস পুনৰ সম্পাদক হিচাবে নিৰ্ব্বাচিত । সন্মিলনৰ পিছতেই গুৱাহাটীত বহা সভাত হেমাঙ্গ বিশ্বাসৰ পৰামৰ্শমতে ১৯৫৩ চনৰ ১৭ জানুৱাৰীৰ দিনটো অসম জুৰি 'ৰূপকোঁৱৰ দিবস' হিচাবে পালনৰ সিদ্ধান্ত গ্ৰহণ ।

১৯৫৩ : ১৭ জানুৱাৰী। নবীন বৰদলৈ (গুৱাহাটী) হলত অসমত পোন প্ৰথমবাৰৰ বাবে গণনাট্য সংঘৰ উদ্যোগত 'ৰূপকোঁৱৰ দিৱস' পালন। হেমাঙ্গ বিশ্বাসৰ দ্বাৰা 'জ্যোতিপ্ৰপাত' কবিতা ৰচনা আৰু উক্ত সভাত পঠিত।

১৯৫৫ : গণনাট্য সংঘৰ তৃতীয় ৰাজ্যিক সন্মিলন গুৱাহাটীত অনুষ্ঠিত। হেমাঙ্গ বিশ্বাস পুনৰ সম্পাদক নিৰ্বাচিত। হেলচিঙ্কিত বিশ্ব শান্তি সন্মিলন আৰু ওৱাৰ্চত বিশ্ব যুৱ-উৎসৱ। এই উৎসৱত হেমাঙ্গ বিশ্বাসৰ পৰামৰ্শ মতে অসমৰ একমাত্ৰ গণনাট্য প্ৰতিনিধি হিচাবে গায়ক দিলীপ শৰ্মাৰ অংশ গ্ৰহণ।

১৯৫৭ : যক্ষ্মা ৰোগৰ আক্ৰমণত শৰীৰ ভাঙি পৰে। এপ্ৰিল মাহত চিকিৎসাৰ বাবে কমিউনিষ্ট পাৰ্টিৰ উদ্যোগত চীন যাত্ৰা। প্ৰায় আঢ়ৈ বছৰ কাল চিকিৎসা গ্ৰহণ।

১৯৫৯ . চীনৰ পৰা প্ৰত্যাৱৰ্ত্তন। শ্ৰীমতী ৰাণুঘোষৰ সৈতে বিবাহ। চোভিয়েত কনচুলেট কলিকতাস্থ কাৰ্য্যালয়ত যোগাযোগ বিষয়া হিচাবে যোগদান।

১৯৬০ : অসমত ভ্ৰাতৃঘাতী সংঘৰ্ষ। হেমাঙ্গ বিশ্বাসৰ নেতৃত্বত ২৭ আগষ্ট তাৰিখে শান্তি সম্প্ৰীতিৰ সাংস্কৃতিক অভিযান। অন্যান্য গণনাট্য কৰ্মীসহ ভূপেন হাজৰিকা আৰু হেমাঙ্গ বিশ্বাসৰ যৌথ কণ্ঠৰ বিখ্যাত প্ৰেৰণাদায়ী গীত 'হাৰাধন-ৰংমনৰ কথা'ৰ সৃষ্টি আৰু পৰিবেশন। সমগ্ৰ অসমত অনুষ্ঠান। সম্প্ৰীতি অনুষ্ঠানে

দাঙ্গা-বিধ্বস্ত নিৰীহ মানুহৰ মনত আশাৰ সঞ্চাৰ কৰে ।

১৯৬১ : বাংলা কাব্য গ্ৰন্থ সীমান্ত প্ৰহৰী প্ৰকাশ ।

১৯৬১ ৬৮ : কলিকতাত নাট আৰু চিনেমাত সংগীত পৰিচালনা। কল্লোল, তীৰ, ১৭৯৯, লাললণ্ঠন, লেনিন, পদ্মানদীৰ মাঝি, তেলেঙ্গানা, বিছন, ৰাইফেল, ৰাহুমুক্ত, ৰাশিয়া, মানুষেৰ অধিকাৰে, কাঙ্গাল হৰিশ আদি নাটক, চাঁদ মনসাৰ নৃত্যনাট্য যাত্ৰা আৰু লালনফকিৰ চিনেমা। এই চিনেমাত দিয়া সুৰৰ বাবে গায়ক হেমন্ত মুখাৰ্জীয়ে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছিল ।

১৯৬৮ : হেমাঙ্গ বিশ্বাসৰ উদ্যোগত কলিকতাত বেজবৰুৱা শত বাৰ্ষিকী পালন ।

১৯৬৯ : নক্সালপন্থী আন্দোলনৰ প্ৰতি সমৰ্থন ।

১৯৭০ : অসমীয়া কাব্যগ্ৰন্থ 'কুল খুৱাৰ চোতাল' প্ৰকাশ।

১৯৭১ : মাচ চিংগাৰ্ছ গঠন।

১৯৭৪ : কোটনিশ মেমোৰিয়েল কমিটিৰ প্ৰতিনিধি হিচাপে চীন ভ্ৰমণৰ আমন্ত্ৰণ। চেভিয়েত দেশ পত্ৰিকাৰ চাকৰি ত্যাগ। দ্বিতীয়বাৰৰ বাবে চীন যাত্ৰা।

১৯৭৫ : জুন মাহত 'আকৌ চীন চাই আহিলোঁ', ৰ প্ৰথম খণ্ড প্ৰকাশ। বাংলা অনুবাদ 'আবাৰ চীন দেখে এলাম' প্ৰকাশ ।

১৯৭৭ : মে' মাহত 'আকৌ চীন চাই আহিলোঁ'ৰ ২য় খণ্ড প্ৰকাশ। বাংলা অনুবাদ 'চীন থেকে ফিৰে' প্ৰকাশ।

১৯৭৮ : 'লোক সংগীত সমীক্ষা : বাংলা ও আসাম'।

১৯৭৯ : চীন চৰকাৰৰ অতিথি হিচাবে সস্ত্ৰীক ৩য় বাৰৰ বাবে চীন যাত্ৰা।

১৯৮০ : 'Witnessing China with my own eyes' আৰু 'হেমাঙ্গ বিশ্বাসের গান' গ্ৰন্থ প্ৰকাশ।

১৯৮৩ : অশান্ত অসম। শান্তি সম্প্ৰীতিৰ বাবে সাংস্কৃতিক অভিযানৰ প্ৰচেষ্টা। শেষ পৰ্য্যন্ত বিফল।

১৯৮৫ : জানুৱাৰীত 'কুল খুৰাৰ চোতাল' দ্বিতীয় সংস্কৰণ প্ৰকাশ।

১৯৮৭ : গণনাট্য আন্দোলন পুনঃ উজ্জীৱিত কৰাৰ উদ্যোগ গ্ৰহণ। হায়দৰাবাদত জাতীয় অভিবৰ্তনত অংশ গ্ৰহণ।

১৯৮৭ : আত্মজীৱনী প্ৰথম খণ্ড প্ৰকাশ।

১৯৮৭ : ২২ নবেম্বৰ কলিকতাত নিশা ৮-৫৫ বজাত S S K M হাচপাতালত শেষ নিশ্বাস ত্যাগ ★

★এই টোকাৰ সংকলক সম্পাদক সুভাষ সাহা এজন প্ৰগতিবাদী যুৱ কবি, নিষ্ঠাবান গৱেষক আৰু অসম ৰাজ্যিক গণনাট্য সংঘৰ বিশিষ্ট সংগঠক।

সংগ্ৰামী গণশিল্পী হেমাঙ্গ বিশ্বাসৰ সোঁৱৰণত

শ্ৰীঅচিন্ত্য ভট্টাচাৰ্য্য

হেমাঙ্গ বিশ্বাসৰ লগত মোৰ সাক্ষুষ পৰিচয় ঘটিছিল ১৯৩৮ চনত। কংগ্ৰেছ ছ'চিয়েলিষ্ট পাৰ্টিৰ সুৰমা ভ্যালী ৰাজ্যিক কমিটিৰ অধিবেশনত যোগ দিবলৈ হবিগঞ্জ চহৰলৈ গৈছিলোঁ। তাত সুদৰ্শন তৰুণ হেমাঙ্গৰ লগত দেখা হৈছিল।

হেমাঙ্গ বিশ্বাসে ছাত্ৰ অৱস্থাত ১৯৩০ চনত আইন অমান্য আন্দোলনত যোগ দি কাৰাবৰণ কৰিছিল। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ওঠৰ বছৰীয়া তৰুণ সত্যাগ্ৰহীৰ ঘৃণা আছিল অসীম। উনৈশ শ বত্ৰিশ চনত দ্বিতীয় বাৰৰ আইন অমান্য আন্দোলনত সত্যাগ্ৰহীৰ সংখ্যা আছিল তাকৰ। দ্বিতীয় বাৰৰ কাৰণে আইন অমান্য কৰাৰ অপ-ৰাধত আদালতে তেওঁক কঠোৰ দণ্ড বিহিছিল। দ্বিতীয়বাৰৰ কাৰাবাসৰ সময়ত তেওঁ যক্ষ্মাত আক্ৰান্ত হৈছিল। সেই যুগত এই কালব্যাধিৰ সুনিৰ্দিষ্ট চিকিৎসা নাছিল। অদম্য প্ৰাণশক্তি আৰু চিকিৎসাৰ বলত তৰুণ মুক্তি সংগ্ৰামীৰ প্ৰাণ ৰক্ষা পৰিল যদিও, স্বাস্থ্যৰ স্থায়ী ক্ষতি হ'ল: ডাক্তৰে হেমাঙ্গৰ হাওঁফাওঁ এটা বাদ দিলে।

ৰোগৰ কৰাল গ্ৰাসৰ পৰা মুক্ত হৈ হেমাঙ্গই এপাত নতুন অস্ত্ৰ লৈ আকৌ মুক্তি আন্দোলনৰ ৰণভূমিলৈ উভতি আহিল। ১৯৩৬ চনটো আছিল ভাৰতৰ ৰাজনীতিত বাওঁপন্থাৰ পিনে ভাঁজ লোৱাৰ যুগ। এই চহৰটোতেই সদৌ ভাৰত কৃষক সভা গঠিত হয়। ছাত্ৰ ফেদাৰেছনেও এই বছৰতেই জন্মলাভ কৰিছিল। তাৰ দুই বছৰ আগতে কংগ্ৰেছ সমাজতন্ত্ৰী দল গঠিত হৈছিল আৰু কমিউনিষ্ট পাৰ্টিৰ সদৌ ভাৰত কেন্দ্ৰীয় নেতৃত্ব প্ৰতিষ্ঠিত হৈছিল। পাৰ্টি অৱশ্যে চৌত্ৰিশ চনত

বে-আইনী হৈ গৈছিল। সেই দশকৰ অগণন তৰুণৰ দৰে হেমাঙ্গ বিশ্বাসও বাওঁপন্থী মতবাদ আৰু সংগঠনৰ সম্পৰ্কলৈ আহিছিল।

তিয়াল্লিশ চনতে অবিভক্ত অসমৰ কমিউনিষ্ট সংগঠনৰ প্ৰথম জিলা সন্মিলন ছিলেট জিলাৰ গ্ৰামাঞ্চলত অনুষ্ঠিত হৈছিল। মই বিয়াল্লিছৰ আন্দোলনৰ সময়ৰ পৰা জেলত থকাৰ কাৰণে সন্মিলনত যোগ দিব পৰা নাছিলোঁ। অৱশ্যে সন্মিলনৰ বিতং বাতৰি যথাসময়তে আহি পালে। এই সন্মিলনত পাৰ্টিৰ দৰদী হিচাবে হেমাঙ্গ বিশ্বাসে গীতমাত পৰিবেশন কৰিছিল। সম্ভৱতঃ তেওঁ সন্মিলনত এটা স্বৰচিত কবিতাও আবৃত্তি কৰিছিল।

এই বছৰটোতেই নাইবা চৌচল্লিশত হেমাঙ্গই পাৰ্টিৰ সদস্য পদ লাভ কৰিছিল বুলি মোৰ ধাৰণা। ষাঠিৰ দশকৰ আৰম্ভণিত ছোভিয়েত দূতাবাসৰ কলিকতা কনচুলেটৰ কামত নিযুক্ত হোৱাৰ আগলৈকে তেওঁ পাৰ্টিৰ সদস্য আছিল আৰু ছাপন্ন চনত পাৰ্টিৰ ৰাজ্যিক কমিটিৰ সভ্য নিৰ্বাচিত হৈছিল।

মাৰ্ক্সবাদৰ ভাৱাদৰ্শ আৰু পাৰ্টিৰ নেতৃত্বত গঢ়ি উঠা কৃষক শ্ৰমিকৰ গণসংগ্ৰাম আছিল হেমাঙ্গ বিশ্বাসৰ শিল্পী সুলভ গুণাৱলীৰ বিকাশৰ উপযুক্ত পটভূমি। দৰাচলতে কবি আৰু সংগীত শিল্পী হিচাবে তেওঁৰ সৃজনীশক্তিৰ এয়ে আছিল উৎস। পাৰ্টি তেওঁৰ প্ৰেৰণাৰ উৎস হোৱা সত্বেও তেওঁ ৰাজনৈতিক কামকাজক উপজীব্য হিচাবে লোৱা নাছিল। হেমাঙ্গই সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰাম তথা জনগণৰ শোষণমুক্তিৰ সংগ্ৰামত শ্ৰমজীৱী মানুহৰ জীৱনৰ যুগ যুগৰ অভিজ্ঞতাৰ গভীৰতাৰ পৰা উদ্ভুত লোকসংগীতক অস্ত্ৰ হিচাপে বাছনি কৰি লৈছিল। প্ৰাণবন্ত লোকসংগীতৰ আঙ্গিকক তেওঁ সমকালীন মুক্তিসংগ্ৰাৰ বিষয়বস্তুৰ লগত যুক্ত কৰি এই পাত অস্ত্ৰক শাণিত কৰি লৈছিল। গণনাট্য আন্দোলনে লোকসংস্কৃতিক গণসংগ্ৰামৰ লগত সাফল্যেৰে যুক্ত কৰি

মুক্তিযুদ্ধৰ বাণী অগণন মানুহৰ চেতনাৰ দুৱাৰদলিলৈ লৈ গৈছিল। এই আন্দোলনৰ ভেটি বন্ধাত হেমাঙ্গ বিশ্বাসৰ অৱদান আছিল লেখতলবলগীয়া।

এই পাত অস্ত্ৰৰ পৰীক্ষাৰ সময় অনতিপলমে আহি পালে। বৃটিছৰ যুদ্ধকালীন অৰ্থনীতিৰ অনিবাৰ্য্য ফল স্বৰূপ বঙ্গদেশৰ জনগণ দুৰ্ভিক্ষৰ কবলত পৰিল, লক্ষ লক্ষ নৰনাৰীয়ে সৰ্বস্ব হেৰুৱাই খাদ্যৰ সন্ধানত ঘৰবাৰী এৰি বাটলৈ ওলাবলৈ বাধ্য হল। অগণন মানুহে অকালতে প্ৰাণ হেৰুৱালে। বৃটিছৰ দুৰ্ভিক্ষ সৃষ্টিৰ নীতিৰ বিৰুদ্ধে যুঁজ দিয়া আৰু আৰ্তক ৰক্ষাৰ বাবে ত্ৰাণ কাৰ্য্য সংগঠনৰ প্ৰয়োজনে দেখা দিলে। পাৰ্টি আগ বাঢি আহিল। দেশবাসীৰ বিবেক জাগৰিত কৰাৰ বাবে লগতে ওলাই আহিল গণনাট্য সংঘ। তিয়াল্লিশ চৌচল্লিশত গঢ়ি উঠিল 'সুৰমাভ্যালী গণনাট্য স্কোৱাড।" হেমাঙ্গ বিশ্বাসে গান লিখিলে "ঘোৰ কলিকাল আইল আকাল সোনাৰ বাংলাতে'। পাৰ্টি আৰু গণনাট্য সংঘৰ আহ্বানলৈ সহাৰি দি এচাম তৰুণ গায়ক গায়িকা ওলাই আহি হেমাঙ্গ বিশ্বাসৰ কাষত থিয় দিলে। বৃটিছৰ বিৰুদ্ধে ঘৃণা আৰু আৰ্ত·দেশবাসীক ৰক্ষা কৰাৰ কাৰণে দেশপ্ৰেমিক কৰ্ত্তব্য বোধৰ সংঘাতে গণনাট্য শিল্পী সকলৰ চেতনা আৰু সৃজনী শক্তি দ্ৰুত বিকাশিত হল। এই শিল্পীসকলৰ মাজত আছিল পৰবৰ্তী যুগৰ ভাৰত বিখ্যাত লোকসংগীত শিল্পী নিৰ্ম্মলেন্দু চৌধুৰী (প্ৰয়াত), খালেদ চৌধুৰী (বৰ্ত্তমানে প্ৰখ্যাত চিত্ৰ শিল্পী আৰু লোক সংগীতৰ গবেষক), গোপাল নন্দী (প্ৰয়াত) হেমন্ত দাস (বৰ্ত্তমানে ত্ৰিপুৰা ৰাজ্যত পাৰ্টিৰ অন্যতম নেতা) আদি।

এই স্কোৱাদে সমগ্ৰ অসম পৰিভ্ৰমণ কৰিছিল আৰু ৰাজ্যজুৰি গণনাট্য আন্দোলনৰ ভেটি বান্ধিছিল। স্কোৱাডে সৰ্বত্ৰ বিপুল জন-সমৰ্থন লাভ কৰিছিল।

ছয়চল্লিশ চনত শিলচৰত অসম ৰাজ্যিক গণনাট্য সংঘৰ প্ৰথম সম্মিলন অনুষ্ঠিত হয়। সময় ছোৱা আছিল তীব্ৰ সাম্ৰাজ্যবাদ বিৰোধী জনঅভ্যুত্থানৰ যুগ। শিলচৰ সম্মিলনে সাৰ্থকতাৰে জনগণৰ এই সংগ্ৰামী চেতনাক প্ৰতিফলিত কৰিছিল। এই সম্মিলনত প্ৰথম-বাৰৰ বাবে প্ৰগতিশীল আন্দোলনৰ মঞ্চত অসমৰ বাৰেবৰনীয়া লোক সংস্কৃতিৰ সমাবেশ হ'ল। সুৰমা উপত্যকাৰ লোকসংগীতৰ লগত মিছলি হ'ল অসমীয়া বিহু-বনগীত আৰু পেপাৰ সুৰ, ৰঙা লোকনৃত্যৰ ছন্দ, জয়ন্তীয়া পাহাৰৰ সংগীত। সাম্ৰাজ্যবাদ বিৰোধী ৰণধ্বনি প্ৰতিধ্বনিত হল বঙ্গদেশৰ বিখ্যাত শিল্পীসকলৰ গীতমাত নৃত্যত। সম্মিলনত যোগ দিছিল প্ৰয়াত (পিছত মস্কো ৰেডিঅ'ৰ শিল্পী আৰু দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক), ৰেবা ৰায়, প্ৰীতি বন্দোপাধ্যায়, নৃত্যশিল্পী শম্ভু ভট্টাচাৰ্য্য (ৰাণাৰ নৃত্য), পামু পাল (ভুখা নৃত্য), উষা দত্ত (অসমত প্ৰবাসী গণনাট্যৰ শিল্পী,—ধৰতি কি লাল' ছায়া ছবিৰ অন্যতম অভিনেত্ৰী) আদি প্ৰখ্যাত গণনাট্য শিল্পী সকলে। শিলচৰৰ শিল্পীসকলে নিবেদন কৰিছিল সমৰেশ বসুৰ বিখ্যাত গল্প 'আদাব'ৰ নাট্যৰূপ। ১৯৪৬ চনৰ হিন্দু মুস্লিম দাঙ্গা সৃষ্টিৰ বৃটিছ-চক্ৰান্তৰ বিৰুদ্ধে ই আছিল অতি শক্তিশালী প্ৰতিবাদ।

ছয়চল্লিশৰ উগ্ৰ কমিউনিষ্ট বিৰোধিতাৰ বতৰত কংগ্ৰেছৰ প্ৰভাৱত ৰাইজৰ এটা অংশই এই সম্মিলনৰ সাংস্কৃতিক প্ৰোগ্ৰেম বৰ্জন কৰিছিল; পিছে প্ৰথম ৰাতিৰ প্ৰদৰ্শনৰ সাম্ৰাজ্যবাদ বিৰোধী আবেদন আৰু গীত মাত নাটক আদিৰ উচ্চমান আৰু বাৰেবৰণীয়া ৰূপে বাধা আৰু কিছুমানৰ ৰাজনৈতিক পূৰ্ব-পক্ষপাতক উটাই ভহাই লৈ গ'ল। দ্বিতীয় ৰাতিৰ টিকটৰ কাৰণে হাহাকাৰ লাগিল। কংগ্ৰেছ কৰ্মী বহুতৰে লগত উচ্চ পৰ্য্যায়ৰ চৰকাৰী বিষয়া, আনকি জিলাৰ পুলিচ অধিকৰ্ত্তা পৰ্য্যন্ত আহি হলত ঠাহ খাই পৰিল।

এই সম্মিলনত জ্যোতিপ্ৰসাদক সভাপতি আৰু হেমাঙ্গ বিশ্বাসক সম্পাদক হিচাপে লৈ ৰাজ্যিক সমিতি নিৰ্বাচিত হল। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ অৱশ্যে সম্মিলনত উপস্থিত নাছিল।

তিয়াল্লিশৰ পৰা সাতচল্লিশৰ কালছোৱা আছিল হেমাঙ্গ বিশ্বাসৰ সৃজনীশক্তিৰ সৰ্বশ্ৰেষ্ঠ কাল। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আকণ্ঠ-ঘৃণা আৰু জ্বলন্ত দেশপ্ৰেমৰ লগত শ্ৰমজীৱী শোষিত নিৰ্য্যাতিত মানুহৰ জীৱন সংগ্ৰামৰ মহৎ ভূমিকাৰ উপলব্ধিয়ে কবি, লোকসংগীতৰ ভঁৰালী আৰু শক্তিশালী গায়ক হেমাঙ্গৰ কণ্ঠ আৰু লিখনীত নতুন শক্তি আৰু গতিশীলতা সঞ্চাৰিত কৰিছিল।

তেওঁৰ বহুপৰিচিত গাণসমূহৰ সৰহ ভাগ এই সময়ছোৱাত ৰচিত। ছয়চল্লিশৰ স্বাধীনতা দিবসৰ বন্দনাত "দুখেৰে ৰাতেৰ ঘোৰ তমসা ভেদি স্বাধীনতাৰি দিন এলো ৰে ওৰে, জাগো,' বন্দীমুক্তিৰ দাবীত "অন্ধকাৰাৰ বন্দী আলোকমল, তোমাদেৰে ভুলি নাই, ভুলি নাই," কাছাৰৰ তে ভাগা সংগ্ৰামৰ ছহিদ মাধৱ নাথৰ সোঁৱৰণত—' তোমাকে ভুলিনি শ্বহীদ, আমৰা ত ভুলব না, কলেজাৰ খুনে ৰাঙাইলায় আন্ধাৰ জেলখানা,'

নৌবিদ্ৰোহৰ জয়গান— 'নীলসমুদ্ৰ লাল কৰে গেল নাবিকৰ ৰক্তধাৰা",

ৰচীদ আলী দিৱসৰ ছহিদ সকলৰ বন্দনাত "মহানগৰীৰ ৰাজ-পথে যত ৰক্তেৰ স্বাক্ষৰ, অগ্নিশিখায় অংকিত হল লক্ষ বুকেৰ পৰ...."

বৃটিছক খেদি নৱ-জীৱনৰ আহ্বানত— "বাঁচব বাঁচবৰে ৰে আমৰা বাঁচব বাঁচব, ভাঙাবুকেৰ পাঁজৰ দিয়া নয়া বাংলা (ভাৰত) গড়ব।" ....আদি দীপশিখাৰ দৰে দেদীপ্যমান অকপট দেশপ্ৰেমৰ পোহৰত উদ্ভাসিত গীতৰ সোঁত এই সময়ত অনৰ্গল ধাৰাত প্ৰবাহিত হৈ গৈছিল।

সাতচল্লিশৰ স্বাধীনতা আৰু দেশৰ বিভাজনৰ পিছত, হিন্দুমুছলিমৰ ৰক্তাক্ত বিৰোধ আৰু দেশবিভাগৰ প্ৰতিবাদত ''মন কান্দেৰে আমাৰ পদ্মাৰ পাৰেৰ লাইগ্যা'' আৰু সুবিখ্যাত "মাউণ্টবেটেন মঙ্গল কাব্য" আদিও আছিল ওপৰোক্ত সাম্ৰাজ্যবাদ বিৰোধী ধাৰাৰেই অনুসৰণ।

পঞ্চাশত এই যুগটো উকলিল।

আঠচল্লিশত পাৰ্টিৰ দ্বিতীয় কংগ্ৰেছৰ পিছত পাৰ্টি আৰু ঘাই গণসংগঠন সমূহক বেআইনী নাইবা কাৰ্য্যতঃ বেআইনী কৰিলে। পাৰ্টি কমৰেডৰ সৰহভাগক ক্ৰমাৎ জেলত ভৰালে। আমি কিছুমানে আত্মগোপন কৰি কাম চলাই যোৱাৰ প্ৰয়াস কৰিছিলোঁ। হেমাঙ্গইও আত্মগোপন কৰিছিল। এই সময়ত তেওঁ গুৰুতৰ ভাৱে অসুস্থ হৈ পৰিল। হাওঁফাওঁ আগৰে পৰা দুৰ্ব্বল আছিল, এইবাৰ তেজ বমি হব ধৰিলে। উনপঞ্চাশত গণনাট্য সংঘৰ সন্মিলন শান্তি সন্মিলন হিচাপে ডিব্ৰুগড়ৰ নালিয়াপুলৰ ৰেলকলোনীত অনুষ্ঠিত হ'ল। সন্মিলনৰ ৰাজহুৱা সভাত পুলিচে গুলী চলাই কৃষকসভাৰ কৰ্মী বীণা বৰাক হত্যা কৰিলে। এজন শ্ৰকিকো নিহত হল। তাত এজন পুলিচ কৰ্মচাৰীয়েও প্ৰাণ হেৰুৱালে আৰু লগে লগে চলিল দমন নীতিৰ তাণ্ডব।

১৯৫১ চনত কলিকতাত আকৌ হেমাঙ্গ বিশ্বাসৰ লগত দেখা হ'ল। গুৰুতৰ ভাবে অসুস্থ হৈ তেওঁ চিকিৎসা আৰু বিশ্ৰামৰ কাৰণে কলিকতাৰ বিখ্যাত সুৰকাৰ সলিল চৌধুৰীৰ মেছত গৈ আছিল। অসম ৰাজ্যিক কমিটিৰ অন্যতম নেতা জ্যোতিৰ্ময় নন্দী আৰু মই মেছটোক গোপন যোগাযোগৰ কেন্দ্ৰ হিচাবে ব্যৱহাৰ কৰি আছিলোঁ। মেছত কমৰেড ডেভিড কোহেনো আছিল। কোহেনে লণ্ডনত ডেইলী ৱৰ্কাৰ পত্ৰিকাত সাংবাদিকৰ কাম কৰিছিল। তেওঁ কলিকতাত এখন সাংস্কৃতিক-ৰাজনৈতিক ইংৰাজী মাহিলী পত্ৰিকা প্ৰকাশৰ বাবে যো-জা কৰি আছিল। হেমাঙ্গই নৰীয়া পাটীত পৰি থাকিও ডেভিডক সাহায্য কৰিছিল। শেহত "ইউনিটী" নামৰ

পত্ৰিকাখন ওলাইছিল। হেমাঙ্গৰ হেঁচাত পৰি মইও প্ৰথম সংখ্যাত প্ৰবন্ধ এটা লিখিছিলোঁ।

এই মেছুতেই এদিন হেমাঙ্গ ধৰা পৰিল। মইও যথাৰীতি হেমাঙ্গক চাবলৈ গৈ ধৰা পৰিলোঁ। আঠচল্লিশৰ পৰোৱানা বৈ আছিল, গতিকে মোক নেৰিলে। শয্যাশায়ী হেমাঙ্গক অৱশ্যে পুলিচে এৰি দিছিল।

সাতচল্লিশ চনত ক্ষমতা হস্তান্তৰৰ লগত ভাৰতত সমাজবিপ্লৱৰ প্ৰথম স্তৰ, অৰ্থাৎ সাম্ৰাজ্যবাদ বিৰোধিতাৰ স্তৰৰ ওৰ পৰিল। সংবিধান গ্ৰহণ আৰু তাৰে ভিত্তিত ১৯৫২-ত প্ৰথম সাধাৰণ নিৰ্ব্বাচনৰ পিছত দেশৰ পৰিস্থিতিত পৰ্য্যান্তৰ ঘটিল। বৈপ্লবিক শক্তিসমূহৰ আগত নতুন পৰিস্থিতিত নতুন কৰ্ত্তব্য আহি দেখা দিলে। সমাজ প্ৰগতিৰ সংগ্ৰামৰ সাংস্কৃতিক বেহুৰ যুঁজাৰু হিচাপে গণনাট্য সংঘৰ শিল্পীসকলৰ আগতো নতুন দৃষ্টিভঙ্গী আৰু কৰ্মনীতিৰ প্ৰশ্ন উদয় হ'ল। এই কৰ্ত্তব্য সাধনৰ কামটো আছিল সময় সাপেক্ষ আৰু জটিল।

হেমাঙ্গ বিশ্বাসক চিকিৎসাৰ কাৰণে পাৰ্টিয়ে ১৯৫৭ চনত চীনলৈ পঠিয়ালে। তিনি বছৰ তাত থাকি তেওঁ ১৯৫৯ত উভতি আহিল।

পৰবৰ্ত্তী কোনো এটা বছৰত (১৯৬১?) তেওঁ কলিকতাত ছোভিয়েতৰ কনচাল অফিছত বোধকৰোঁ জনসংযোগ বিষয়া হিচাপে কাম ললে। গতিকে তেওঁ অসমৰ পৰা নিলগ হ'ল। তেওঁৰ কৰ্ম ক্ষেত্ৰও বেলেগ হ'ল। কোনোবাই বিদেশী ৰাষ্ট্ৰৰ দূতাবাসত কাম ললে কোনো ৰাজনীতিক দলৰ সদস্য হৈ থকাৰ নিয়ম নাই। দ্বিতীয় বাৰৰ চীন ভ্ৰমণৰ আগতে ১৯৭৪ত হেমাঙ্গ বিশ্বাসে দূতাবাসৰ কামৰ পৰা অবসৰ গ্ৰহণ কৰে।

এই কালছোৱাত তেওঁৰ সৃজনশীল কামকাজৰ পৰিমাণ তুলনামূলক ভাবে তাকৰ হলেও বন্ধ হৈ যোৱা নাছিল। কাব্যৰ নিজৰা অন্তঃসলিলা ফল্‌গুৰ দৰে সদায় তেওঁৰ অন্তৰত প্ৰবাহিত হৈ আছিল। এই কালছোৱাৰ সৃষ্টি "ফুলখুৰাৰ চোতাল" তাৰে চানেকি। ফুলখুৰা

আছিল গুৱাহাটীৰ ফটাশিল অঞ্চলৰ কৃষক। আন্দোলনৰ অবিসংবাদী নেতা। খুৰাৰ চোতাল আছিল ফটাশিল অঞ্চলৰ বহু জঙ্গী কৃষক আন্দোলনৰ উৎস। কবি হেমাঙ্গই খুৰাৰ চোতালত শ্ৰমজীৱী মানুহৰ অনাগত মুক্ত জীৱনৰ অদৃশ্য ছঁা দেখা পাইছিল। হেমাঙ্গৰ কাব্যত খুৰা আজিও অম্লান ৰঙা পতাকা হাতত লৈ আমাৰ মাজত বাচি আছে।

হেমাঙ্গই সাধাৰণ মানুহৰ গীত মাত সংস্কৃতি ভাল পাইছিল। জনগণৰ সংগীত আৰু সংস্কৃতিৰ প্ৰতি তেওঁৰ গভীৰ অনুৰাগ আৰু শ্ৰদ্ধাই তেওঁক জাতি, ভাষাৰ আঁৰবোৰ অৱলীলাক্ৰমে চেৰাই যাবলৈ প্ৰেৰণা দিছিল। নিজৰ মাতৃভাষাৰ সাহিত্য সংস্কৃতিৰ দৰে তেওঁ অসমীয়া ভাষা কৃষ্টি শিল্প সাহিত্য সমান নিষ্ঠাৰে আত্মস্থ কৰিছিল। প্ৰকৃত শিল্পী আৰু এজন কমিউনিষ্টৰ দৰে হেমাঙ্গই জাত্যাভিমানৰ পৰা নিজকে মুক্ত ৰাখিছিল। ভাষা শিক্ষাত তেওঁৰ দক্ষতা আছিল স্বভাৱজাত। তেওঁ চীন প্ৰবাসৰ কালছোৱাত চীনাভাষাত, অন্ততঃ কথ্য চীনাভাষাত, উচ্চমানৰ দক্ষতা অৰ্জ্জন কৰিছিল। তেওঁৰ সংগীতৰ দৰে এই গুণেও চীনত লোকৰ অন্তৰ জয় কৰিছিল। সাতাশী চনতে চীন ভ্ৰমণৰ সময়ত আমি তাৰ পৰিচয় পাইছিলোঁ।

তেওঁৰ ভাৱাদৰ্শৰ দৰে শিল্পী জীৱনো অসমৰ পাৰ্টি আৰু শ্ৰমজীৱী মানুহৰ আন্দোলনৰ বিকাশৰ লগত জৰিত আছিল। এই উৎস দুটাৰ পৰা তেওঁ প্ৰেৰণা লাভ কৰিছিল। প্ৰতি-দানত তেওঁ সংগীতৰে জনগণক সমাজ পৰিবৰ্ত্তনৰ সংগ্ৰামৰ ভাৱাদৰ্শ আৰু লক্ষ্যৰে জাগৰিত কৰিবলৈ জীৱনজোৰা প্ৰয়াস কৰি গৈছে। তেওঁৰ কৰ্মধাৰাৰ প্ৰভাৱ পাৰ্টিৰ বাহিৰেও প্ৰগতিশীল শিল্পানুৰাগীৰ মাজত বিয়পি পৰিছিল।

জীৱনৰ শেষ অধ্যায়ত পাৰ্টিৰ ৰাজনীতিৰ লগত তেওঁ মতভেদ ঘটিছিল। এই কালছোৱাত তেওঁ পাৰ্টিৰ সদস্য নাছিল। ৰাজনীতি তেওঁৰ কৰ্মক্ষেত্ৰ নাছিল। তেওঁৰ জীৱন আৰু অৱদানৰ মূল্যায়নৰ এই প্ৰসঙ্গটো গৌণ। এজন প্ৰখ্যাত গণশিল্পী হিচাবে তেওঁ নিজৰ

সংগ্ৰামী ভূমিকা সাৰ্থকভাৱে পালন কৰি গৈছে। শ্ৰমজীৱী আৰু নিৰ্য্যাতিত মানুহৰ মুক্তিৰ সংগ্ৰামত লোকসংগীত আৰু লোক সংস্কৃতিৰ আন সৃষ্টিবোৰক সফলভাবে প্ৰয়োগ কৰাত সৃজনীশক্তি আৰু গভীৰ নিষ্ঠাই আছিল তেওঁৰ জীৱন আৰু কৃতিৰ ভেটি স্বৰূপ।

ইমানতেই এই স্মৃতি চাৰণৰ সামৰণি মাৰিব বিচাৰিছোঁ। হেমাঙ্গবিশ্বাসৰ গানৰ ফাকি কিছুমান স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰি উদ্ধৃত কৰিলোঁ। ভুলৰ সম্ভাৱনা নোহোৱা নহয়। উপসংহাৰত অনিচ্ছাকৃত ভুলৰ কাৰণে আগতীয়াকৈ মাৰ্জনা বিচাৰিলোঁ।। ৮.৩.৮৮★

★এই স্মৃতি চাৰণকাৰ শ্ৰীঅচিন্ত্য ভটাচাৰ্য অসমৰ প্ৰবীণ মাৰ্ক্সবাদী নেতা আৰু বিপ্লৱী সাংবাদিক।

হেমাঙ্গ বিশ্বাসক মই যিদৰে জানোঁ

শ্ৰীপ্ৰাণেশ বিশ্বাস

হেমাঙ্গ বিশ্বাসে তেওঁৰ অসমাপ্ত আত্মজীৱনীত উল্লেখকৰা এটি গানত নিজক 'হবিগঞ্জৰ জালালী কইতৰ' বুলি পৰিচয় দিছে। 'জালালী কইতৰ'ৰ বিষয়ে এটা কাহিনী আছে। ছিলেট অঞ্চলৰ লোক বিশ্বাস অনুসৰি আওৰংগজেবৰ ৰাজত্ব কালত আৰবদেশৰ পৰা ছাহজালাল নামে পীৰ এজন ছিলেটলৈ আহিছিল। তেওঁ এটা দৰগা (মছজিদ) সজোঁৱাইছিল। এই মছজিদটোৰ খাপবোৰত বাঁহবন্ধা পাৰ চৰাইবোৰক বোলা হয় 'জালালী কইতৰ'। এই 'কইতৰ বোৰে সময়ে সময়ে জাক পাতি পাতি দূৰ দূৰান্তত ঘূৰি ফুৰে। শেষত আকৌ ঘূৰি আহে এই মছজিদলৈ।

হেমাঙ্গ বিশ্বাস (আৰু মোৰো) নিজৰ সদৰ মহকুমা আছিল হবিগঞ্জ। এই হবিগঞ্জলৈও 'জালালী কইতৰ' বোৰ সময়ে সময়ে আহিছিল, কিন্তু স্থায়ীভাবে নাথাকিছিল। এই 'জালালী কইতৰ'ৰ লগত নিজক তুলনা কৰাৰ পৰা সহজে অনুমান কৰিব পাৰি, নিজৰ চহৰখনৰ প্ৰতি তেওঁৰ প্ৰাণৰ কি গভীৰ টান আছিল। এইজন 'জালালী কইতৰ' হেমাঙ্গ বিশ্বাসে উৰামাৰি শেষত "কইলকাত্তাৰ" ওপৰত "ডানা ভাইঙ্গা" পৰিলেও নিজৰ জন্মভূমিৰ মৰমৰ কথা কোনো দিন পাহৰা নাছিল ; শেষলৈও জন্মঠাই মিৰাশী আৰু হবিগঞ্জৰ প্ৰতি আছিল প্ৰবল দৰদ।

হেমাঙ্গ বিশ্বাসক আটায়ে লোকশিল্পী বা গণশিল্পী বুলিয়ে জানে। তাত্বিক দৃষ্টি অনুসৰি শিল্পীৰ জাত নাই, ঘৰ নাই, দেশ নাই। কিন্তু বস্তুতঃ শিল্পীবো যে নিজৰ মানুহ, নিজৰ গাওঁ, নিজৰ দেশৰ প্ৰতি বিশেষ আগ্ৰহ, আনুগত্য বা দায়বোধ থাকে বা থাকিব পাৰে তাৰ

অনুপম নিদর্শন হেমাঙ্গ বিশ্বাস আৰু এই কাৰণেই তেওঁ নিজক 'হবিগঞ্জৰ জালালী কইতৰ' বুলি পৰিচয় দি আনন্দ পাইছিল।

হেমাঙ্গ বিশ্বাস বিশিষ্ট গণশিল্পীৰূপে প্ৰতিপন্ন হোৱাৰ মূলত আছে আশৈশৱ গঢ় লৈ উঠা গণ-সংযোগৰ প্ৰেৰণা। তেওঁ জমিদাৰ পুত্ৰ; কিন্তু তেওঁৰ সম্পৰ্ক শোষিত-নিৰ্যাতিত কৃষক-শ্ৰমিকৰ লগত। ইয়াৰ কাৰণে তেওঁ জমিদাৰ পিতৃ হৰকুমাৰৰ দ্বাৰা নিগৃহীত হৈছে, চিৰ দিনৰ কাৰণে জন্মঘৰ ত্যাগ কৰিছে; কিন্তু সৰ্বহাৰা কৃষক-শ্ৰমিকৰ লগত তেওঁ কোনো দিন সম্পৰ্ক ত্যাগ কৰা নাছিল। সাধাৰণ মানুহৰ মৰম-স্নেহ, সাধাৰণ মানুহৰ দুখ-শোক, আশা-আকাঙ্ক্ষা আৰু জীৱন-সংগ্ৰামেই তেওঁৰ শিল্পী-জীৱনৰ মূল প্ৰেৰণা, ইয়েই তেওঁক ৰাজনৈতিক সংগ্ৰামী কমিউনিষ্ট ৰূপেও গঢ়ি তুলিছিল।

তেওঁৰ লগত মোৰ পৰিচয় বহুদিনীয়া। আমি একেখন হবিগঞ্জ হাইস্কুলতে পঢ়িছিলোঁ। তেওঁ যেতিয়া দশম শ্ৰেণীত মই তেতিয়া সপ্তম শ্ৰেণীত। সেই সময়ত (১৯৩০) হবিগঞ্জৰ প্ৰাণ ৰাজনৈতিক আন্দোলনত চঞ্চল হৈ উঠিছিল, পূৰ্ণ স্বাধীনতাৰ দাবী, কেন্দ্ৰীয় আইন সভাৰ কক্ষত ভগৎ সিঙৰ বোমা নিক্ষেপ, ৰাজনৈতিক বন্দীৰ বিশেষ মৰ্যাদাৰ দাবীত যতীন দাসৰ ৬৪ দিনীয়া অনশন আৰু জীৱনাবসান, চট্টগ্ৰাম অস্ত্ৰাগাৰ আক্ৰমণ, গোপন বিপ্লৱীদলৰ স্বদেশী ডকাইতি, ইত্যাদিয়ে ছাত্ৰ যুৱকৰ মাজত প্ৰবল উত্তেজনাৰ সৃষ্টি কৰিছিল। পঢ়াশুনা কৰাৰ লগতে ছাত্ৰসকলে ভিন ভিন ঠাইত ক্লাব—লাইব্ৰেৰী আদি প্ৰতিষ্ঠা কৰি ব্যায়াম আৰু লাঠি-তৰোৱাল চালনাৰ শিক্ষা কৰি শাৰীৰিক আৰু মানসিক ভাৱে মুক্তি সংগ্ৰামত অংশ গ্ৰহণ কৰাৰ কাৰণে উপযোগী কৰি তোলাৰ অৰ্থে প্ৰস্তুতি চলাইছিল। একাংশ ছাত্ৰই স্বামী বিবেকানন্দৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ মিচনলৈ আহা যোৱা আৰু সমাজ সেৱাতো নিজক সংযুক্ত কৰিছিল। স্বদেশ চেতনাৰে উদ্বুদ্ধ হৈ এনেবোৰ কাৰ্য্যত হেমাঙ্গ বিশ্বাসেও যোগদান কৰিছিল, আমাক লাঠি খেল, তৰোৱাল চালনা আদিৰ শিক্ষাও দিছিল। মোৰ

সহপাঠী মৃণালদেবৰ দেউতাক উকীল যোগেন্দ্র দেব আছিল স্বদেশ প্রেমী। খোয়াই নদীখন তেওঁলোকৰ বাৰীৰ কাষেদি বৈ গৈছে। এইখন বাৰীৰ পাছফালে খোয়াই নদীৰ পাৰৰ এই আওঁহতীয়া ঠাইখনেই আছিল আমাৰ প্রশিক্ষণৰ স্থান। হেমাঙ্গ বিশ্বাস স্কাউট দলতো আছিল। স্কাউট মাত্রেই "ৰজা আৰু দেশৰ প্রতি আনুগত্য"ৰ শপত গ্রহণ কৰা দস্তুৰ আছিল। হেমাঙ্গ বিশ্বাসৰ মানত ৰজাতকৈ দেশ ডাঙৰ হোৱা কাৰণে আনুষ্ঠানিক ভাবে শপত গ্রহণ কৰা নাছিল। সেই সময়তে হবিগঞ্জলৈ লাটচাহাব আহিছিল। লাটচাহাবক সম্বর্দ্ধনা জনাবলৈ বুলি স্কাউটৰ দলক 'গার্ড অব অনাৰ' জনোৱাৰ অৰ্থে নিযুক্ত কৰা হৈছিল। হেমাঙ্গ বিশ্বাস কিন্তু যোৱা নাছিল, আনকি স্কুলৰ পৰা বহিষ্কাৰ কৰাৰ ভাবুকি দিয়া সত্বেও' আত্মজীৱনীত এই কথা তেওঁ নিজেই বৰ্ণাই গৈছে।

ৰজাৰ প্রতি অনুগত্য প্রদর্শন কৰাৰ বিপৰীতে জমিদাৰ পুত্র হেমাঙ্গ বিশ্বাসে মুক্তি আন্দোলনৰ লগতহে নিজক ঘনিষ্ঠ ভাবে জড়িত কৰিলে; শোভাযাত্রা আদিৰ আগশাৰীত ঠাই লৈ পৰিচালনা কৰিব ধৰিলে, মুক্তিসংগ্রামৰ স্বদেশী গান গাই গাই তেওঁ মুক্তিকামী ৰাইজক কিদৰে উটলা কৰি তুলিব পাৰিছিল তাৰ স্মৃতি আজিও আমাৰ মনত অম্লান হৈ আছে। অৱশ্যে তেতিয়া বেছিকৈ গাইছিল নজৰুলৰ আৰু স্থানীয় মোক্তাৰ হৰি বাবুৰ গান। হৰি বাবুই ৰচনা কৰা এটা গান এতিয়াও মনত পৰে,—

গান্ধীৰ সজ্জিত বিৰাট বাহিনী
নির্ভয়ে চলিছে বাধা নাহি মানি
ভাৰতেৰ মুক্তি কাম্য আমাদেৰ
উঠ উঠ সৈনিক ডাকিছে সেনানী
বৰ্জন কৰগো বিলাতী বস্ত্র
ছেড়ে দাও অসি, ছেড়ে দাও অস্ত্র
অহিংসা মন্ত্রে দীক্ষিত আমৰা
দেওগো সাজায়ে জননী ভগিনী

বিদেশীৰ সনে সাজাইব ৰণে
চৰকাৰূপী কামান খানি।

সম্প্ৰতি এনে গানৰ প্ৰাসঙ্গিকতাৰ বিষয়ে প্ৰশ্ন উঠা তেনেই স্বাভাৱিক কথা; কিন্তু সেই সময়ত এনেবোৰ গানৰ মাজত নিহিত আছিল অদ্ভুত জনজাগৰণী শক্তি,—বিশেষকৈ হেমাঙ্গ বিশ্বাসৰ মৰ্ম্ম-স্পৰ্শী সুললিত কণ্ঠত গোৱা গানৰ।

তেতিয়াৰ দিনৰ কথাই আছিল ভিন্ন। মুক্তি আন্দোলনৰ সভা-সমিতি আদিৰ জাননী দিয়া হৈছিল খোজকাঢ়ি বা বাই-চাইকেলেৰে বাইজৰ মাজত ঘূৰি ঘূৰি গানৰ মাধ্যমত হে। এনে ঘোষণা কাৰ্য্যত লাখাই গাওঁৰ অমিয় দত্তৰ হৃদয় বিদাৰক উদাত্ত কণ্ঠৰ কথা আমি আজিও পাহৰিব পৰা নাই। ১৯৩০ চনৰ ঐতিহাসিক লোণ সত্যাগ্ৰহ সন্দৰ্ভত হোৱা সংগ্ৰামৰ কাল ছোৱাত ছাত্ৰ স্বেচ্ছাসেৱক সকলক লাঠি আৰু তৰোৱালৰ শিক্ষা দানত বা শোভাযাত্ৰা আদি পৰিচালনা কৰাত হেমাঙ্গ বিশ্বাস আছিল আমাৰ নেতা—কেপ্টেইন। আইন ভঙ্গ কৰি নোৱাখালিৰ সাগৰ পাৰৰ পৰা অহা লোণ পুৰিয়া কৰি বিক্ৰী আৰু প্ৰচাৰ কৰিবলৈ স্বেচ্ছাসেৱক সকলক ক্ষুদ্ৰ ক্ষুদ্ৰ দলত বিভক্ত কৰা হৈছিল। দক্ষিণ হবিগঞ্জ অঞ্চলৰ দলটোত হেমাঙ্গ বিশ্বাসৰ লগত কাম কৰাৰ সুযোগ মেয়ো পাইছিলোঁ। মন কৰিব লগা কথা আছিল এয়ে যে তেতিয়াৰ কংগ্ৰেছ আছিল এক প্ৰকাৰ জাতীয় ৰাজনৈতিক দলৰ মোৰ্চা, আনকি বিপ্লৱী দলবোৰো কংগ্ৰেছৰ লগতে আছিল। আমাৰ সহকৰ্মী স্বেচ্ছাসেৱক সকলৰ ভিতৰত অজিত চক্ৰৱৰ্ত্তী আছিল বিপ্লৱী। এওঁ পিছত ছিলেটৰ কালীঘাট ডকাইতি মোকৰ্দমাৰ লগত জৰিত থকা বুলি পৰিগণিত হৈছিল আৰু কাৰাবৰণ কৰিব লগাত পৰিছিল। মাধব মিত্ৰ, যাদব মিত্ৰ, আদি কৰি অন্যান্য স্বেচ্ছাসেৱকৰ কথাও মনত পৰে। আমি সমগ্ৰ দক্ষিণ হবিগঞ্জ অঞ্চলত গান গাই গাই আৰু বক্তৃতা কৰি নিষিদ্ধ লোণৰ পুৰিয়া বেচি ৰাইজক মুক্তি আন্দোলনৰ লগত জৰিত কৰাৰ চেষ্টা কৰিছিলোঁ।

আনকি আমি খোয়াই নৈ পাৰ হৈ তেতিয়াৰ স্বাধীন ত্ৰিপুৰাতো সোমাই প্ৰচাৰ কাৰ্য চলাবলৈ যত্নপৰ হৈছিলোঁ। কিন্তু লগে লগে ত্ৰিপুৰাৰ পুলিচে গ্ৰেপ্তাৰ কৰি আমাক সীমা পাৰ কৰি থৈছিল হি। দেশৰ স্বাধীনতা আন্দোলনৰ প্ৰতি এয়েই আছিল স্বাধীন ত্ৰিপুৰা চৰকাৰৰ দৃষ্টিভঙ্গি।

তেতিয়ালৈকে হেমাঙ্গ বিশ্বাস বিপ্লৱীদল ভুক্ত হোৱা নাছিল। অৱশ্যে শ্ৰীপ্ৰসাদ উপাধ্যায় আদিকৰি বিপ্লৱীৰ লগত তেওঁৰ সম্পৰ্ক আছিল। তেওঁ কংগ্ৰেছী স্বেচ্ছাসেৱক হিচাবেই স্বাধীনতা আন্দোলনত যোগ দিছিল। তেতিয়াৰ হবিগঞ্জৰ যুগান্তৰ দলৰ সৈতে যুক্ত 'ওৱেলফেয়াৰ গ্ৰুপ'ৰ লগত মই নিজেহে যুক্ত আছিলোঁ, তেওঁ নাছিল। তেওঁ তেতিয়া অনুশীলন দলৰ কাম-কাজৰ বিষয়েও সন্দেহ ৰাখিছিল বুলি জনা নাছিলোঁ। তেতিয়া হেমাঙ্গ বিশ্বাসে ইয়াকো জনা নাছিল যে ১৯৩১ চনত কলিকতা বিশ্ববিদালয়ৰ প্ৰৱেশিকা মহলাত প্ৰথম স্থান লাভ কৰা সুধাংশু দত্ত মজুমদাৰ হবিগঞ্জ যুগান্তৰ ওৱেল-ফেয়াৰ বিপ্লৱীদলৰ অন্তৰ্ভুক্ত আৰু আনকি হবিগঞ্জ শ্মশান ট্ৰেইন ডকাইতিতো অংশ গ্ৰহণকাৰী আছিল। তেতিয়াব হবিগঞ্জত গুণেন মিত্ৰ আৰু মাখন চক্ৰৱৰ্ত্তী পৰিচালিত আন এটা দলো আছিল। ছিলেট, সুনামগঞ্জ মৌলবী বাজাৰ আদিত এই দলৰ শক্তিশালী ঘাটী আছিল আৰু এই দলে কেইবাটাও স্বদেশী ডকাইতি সংগঠিত কৰিছিল। হেমাঙ্গ বিশ্বাসে তেওঁৰ আত্মজীৱনীত উল্লেখ কৰা কথা— ছিলেটত পূৰ্ববঙ্গৰ কোনো বিপ্লবী দলৰ সংগঠন গঢ়ি উঠিব পৰা নাছিল বা হবিগঞ্জত তেওঁলোকৰ একো সংগঠন নাছিল— আদি সমৰ্থন যোগ্য নহয়। তেওঁৰ এনে অনুমানৰ কাৰণ এয়ে হ ব পাৰে যে সেই সময়ত তেওঁ কেৱল উদীয়মান কংগ্ৰেছী যুৱ নেতাহে আছিল।

হেমাঙ্গ বিশ্বাস জেলৰ পৰা ওলাই আহি দেখিছিল যে গান্ধী আৰউইন চুক্তিৰ ফল স্বৰূপ আন্দোলন স্তিমিত হৈ পৰিছিল। সেয়ে তেওঁ গৈ ছিলেটৰ মুৰাৰিচাঁদ কলেজত ভৰ্ত্তি হৈছিল। কিন্তু চুক্তি

ভঙ্গ হোৱাত কলেজ এৰি হুবিগঞ্জলৈ ঘূৰি আহে আৰু পুনঃ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। চৰকাৰ বিৰোধী বক্তৃতাৰ অপৰাধত তেওঁ পুনৰ গ্ৰেপ্তাৰ হয় আৰু অসমৰ নগাওঁ-গুৱাহাটী প্ৰভৃতি কাৰাগাৰত নিকাৰ ভুঞ্জিব লগাত পৰে। কাৰাগাৰত তেওঁ যক্ষ্মাৰোগত আক্ৰান্ত হোৱাত বিনা চৰ্তে মুক্তি লাভ কৰি কলিকতাৰ যাদবপুৰত থকা হস্পিতালত কিছুদিন চিকিৎসাধীন হৈ আছিল। কিছু আৰোগ্য হোৱাত মিৰাশী গাওঁৰ নিজৰ ঘৰলৈ ঘূৰি আহি থাকিবলৈ লৈছিল।

এই কাল ছোৱাতে বিশ্বাসৰ লগত মোৰ ঘনিষ্ঠ সম্পৰ্ক গঢ় লৈ উঠে। মই তেতিয়া গ্ৰেপ্তাৰ হৈ অন্তৰীণ অৱস্থাত ঘৰতে থাকিব লগাত পৰিছিলোঁ। আমাৰ ঘৰৰ পৰা বিশ্বাসৰ ঘৰ আছিল প্ৰায় তিনি মাইল দূৰত অৱস্থিত আৰু সদৌ ভাৰত গণনাট্য সংঘৰ পৰৱৰ্ত্তী কালৰ সাধাৰণ সম্পাদক নিৰঞ্জন সেনৰ ঘৰ আছিল প্ৰায় ডেৰ মাইল দূৰত। আমি সমভাবাপন্ন হোৱা হেতুকেই আমাৰ মাজত ঘনিষ্ঠতা বঢ়া সম্ভৱপৰ হৈছিল।

শাৰীৰিক অসুস্থতাৰ কাৰণে হেমাঙ্গ বিশ্বাস ঘৰতে আবদ্ধ হৈ থাকিব লগাত পৰিছিল। মই প্ৰায়েই তেওঁৰ ওচৰলৈ গৈছিলোঁ। মোৰ সান্নিধ্যই তেওঁক আনন্দ দিছিল ; কিন্তু পিতাক-ককায়েক আদিয়ে মোক ভালকৈ গ্ৰহণ কৰিব পৰা নাছিল। এদিনৰ কথা মনত আছে। মই হেমাঙ্গ বিশ্বাসৰ সৈতে তেওঁৰ কোঠালিত কথা পাতি আছোঁ। ককায়েক হিৰন্ময় বিশ্বাসে মই তাত কথা পাতি থকা সহ্য কৰিব নোৱাৰিলে। তেওঁ আছিল উকীল আৰু পোষণ কৰিছিল হাকিম হোৱাৰ আকাঙ্ক্ষা। তেওঁ মোক দেখি জকজকাই উঠিল, যিহেতু মোৰ পিছত পুলিচ ঘূৰি ফুৰে, গতিকে মই তেওঁলোকৰ ঘৰৰ পৰা ওলাই যোৱা উচিত। ককায়েকৰ কথাত হেমাঙ্গ বিশ্বাস জ্বলি উঠি প্ৰতিবাদ কৰিলে, "প্ৰাণেশ মোৰ অতিথি, মোৰ ওচৰলৈ আহিছে।। তাক উলিয়াই দিয়াৰ তোমাৰ কোনো অধিকাৰ নাই।" অৱশ্যে দুই ককাই-ভাইৰ কাজিয়া চাই থাকিবলৈ মই তাত বৈ থকা নাছিলোঁ।

জেলৰ পৰা যক্ষ্মাৰোগ লৈ অহাত আৰু বিশেষকৈ কৃষক প্ৰজাৰ লগত সম্পৰ্ক ৰখা পিতাকে সমূলি ভাল নাপালে। মোৰ দৰে বিপ্লৱীৰ উপস্থিতিও তেওঁলোকৰ মানত আতংকৰ কাৰণ আছিল। পিতাকে পুত্ৰ হেমাঙ্গ বিশ্বাসক সাবধান কৰি দিলে যাতে কৃষক প্ৰজাৰ লগত কোনো সম্পৰ্ক নাৰাখে। পিতাকে তেওঁক প্ৰায় নজৰবন্দীকৈ ৰাখিবলৈও বাদ নিদিলে। আনকি ঘৰৰ ককায়েক ভায়েকহঁতকো হেমাঙ্গৰ লগত কথা-বতৰা আদি নাপাতিবলৈ সকিয়াই দিছিল।

কিন্তু তেওঁ প্ৰিয়পৰিজনৰ উপৰি কৃষক প্ৰজাৰ লগতো সম্পৰ্ক ৰক্ষা কৰিহে চলিছিল। এদিনৰ কথা। হেমাঙ্গ বিশ্বাসে সৰু ভায়েক হিমেন্দুৰ লগত কথাপাতি থকা দেখি জমিদাৰ বাপেক হৰকুমাৰ জকি উঠিল, হেমাঙ্গক 'কুকুৰৰ পোৱালী' বুলি গালি পাৰিলে। পুতেক হেমাঙ্গই লগে লগে বাপেকক সুধিলে— 'এই গালি কাক পাৰিলা ?' তেতিয়া বাপেক উত্তেজিত হৈ উঠে আৰু মাৰিবলৈ বুলি ভৰিৰ খৰম হাতত লৈ খেদি যায়। অৱশ্যে পুতেক হেমাঙ্গয়ো আত্মৰক্ষাৰ কাৰণে নিজেও হাতত এপাট খৰম তুলি লবলৈ দ্বিধাবোধ কৰা নাছিল। জানিবা মাজু ভায়েক কালু বিশ্বাস দৌৰি আহি হেমাঙ্গক ককায়েক সুকুমাৰৰ ঘৰলৈ টানি নি পৰিস্থিতি শান্ত কৰাৰ চেষ্টা কৰিলে। বাপেক হৰকুমাৰ কিন্তু শান্ত নহ'ল ; হেমাঙ্গৰ কোঠালিত সোমাই তেওঁৰ পুথি-পত্ৰ, কাপোৰ-কানি বাহিৰলৈ দলিয়াই দি জুই লগাই পুৰিবলৈও নেৰিলে। ইয়েই হ'ল হেমাঙ্গ বিশ্বাসৰ চিৰদিনৰ কাৰণে ঘৰ এৰাৰ কাৰণ। এই ঘটনাৰ স্বৰূপ তেওঁৰ পৰিয়ালবৰ্গ আৰু নিচেই দুই এক ঘনিষ্ঠ সম্পৰ্কীয়ৰ বাহিৰে আন কোনেও নাজানে। কিন্তু জমিদাৰ পুত্ৰ হেমাঙ্গ বিশ্বাসে কেৱল আদৰ্শ আৰু আত্ম-সন্মানবোধৰ কাৰণেই যে ঘৰ এৰিলে আৰু অন্তিম কাললৈ যে আদৰ্শত অটল হৈ থাকিব পাৰিলে, ই সামান্য কথা নহয়।

· এনে দৰেই জমিদাৰ পুত্ৰ হেমাঙ্গ বিশ্বাস প্ৰকৃত অৰ্থতে সৰ্বহাৰা স্বৰূপ গৃহহাৰাত পৰিণত হৈছিল ; 'জালালী কইতৰ'ৰ দৰে নানা

ঠাইত নানা ভাষা-ভাষী, নানা বেশ নানা আদৰ্শৰ মানুহৰ মাজত ঘূৰি ফুৰিব লগাত পৰিছিল ; কিন্তু লক্ষ্যহীন ভাবে নহয়, —সেইসকল লোকৰ দুখ-যন্ত্ৰণা আৰু মৰ্মবেদনাৰ লগত সুপৰিচিত হৈ সংগীতৰ মাজেদি তাকেই প্ৰতিধ্বনিত কৰি তাৰ দ্বাৰা তেওঁলোককেই বিপ্লৱী সংগ্ৰামী ৰূপে গঢ়ি তোলাৰ অৰ্থে সংকল্পবদ্ধও হৈছিল ।

মুকলি আকাশৰ তলত থিয় দিয়া হেমাঙ্গ বিশ্বাসৰ আশ্ৰয় আৰু চিকিৎসাৰ দায়িত্ব স্বাভাৱিকতেই আমাৰ ওপৰত পৰিছিল । ছিলেট জিলা সমিতিৰ পাৰ্টিৰ সম্পাদক চিত্ত দাসক সকলো কথা জনাই অনুৰোধ কৰিলোঁ। যাতে চিকিৎসা আৰু থকাৰ কাৰণে চিলঙত ব্যৱস্থা কৰা হয় । চিলং পাৰ্টিৰ কৰ্মী অঞ্জলী দাস (লাহিড়ী) ৰ তৎপৰতাৰ ফলত নিচেই কম সময়ৰ ভিতৰতে ই সম্ভৱপৰো হ'ল । প্ৰকৃততে এই শ্বিলঙতে ৰাজনৈতিক ভাবে তেওঁ কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত সাংস্কৃতিক ফ্ৰণ্টত থাকি সংগীত ৰচনা, সুৰদান, শিল্পী সকলক সংগঠিত কৰি পাৰ্টিৰ আদৰ্শেৰে উদ্বুদ্ধ কৰা প্ৰভৃতি কামত শাৰীৰিক অসুস্থতা সত্বেও যথাসম্ভৱ গুৰুত্বৰে দায়িত্ব পালন কৰে । হেমাঙ্গ বিশ্বাসৰ কাৰণেই জ্যোতিৰ্ময় নন্দীৰ ভাই গোপাল নন্দী, বাৰীন দত্তৰ ভাগিনীয়েক মায়াগুপ্ত, ভনীয়েক হেমাদত্ত, শান্তাসেন, সন্ধ্যা দাস (লাহিড়ী) আদি বিশিষ্ট শিল্পীসকল আগবাঢ়ি ওলাই আহে । এওঁলোকে বিভিন্ন সভা সমিতি আৰু সাংস্কৃতিক অনুষ্ঠানত অংশ গ্ৰহণ কৰে, আনকি সময়ে সময়ে এওঁলোকৰ সৈতে ওলাই গৈ বাহিৰৰ অনুষ্ঠানতো অংশ গ্ৰহণ কৰিবলৈ লয় । তাৰ আগৰে পৰা শ্বিলঙত ৰবীন্দ্ৰ নাট্য সংঘ আছিল । বিশ্বাসে এই সংঘৰ শিল্পীসকলৰ লগতো সম্পৰ্ক পাতে । অঞ্জলী দাস (লাহিড়ী) ৰ ভনী বাদলা দাস (দত্ত), উমাৰায় (বিশ্বাসৰ নিজা ভাগিনীয়েক), সুৰমা ভট্টাচাৰ্য (পিছত ঋত্বিক ঘটকক বিয়া কৰায়), প্ৰভৃতি ৰবীন্দ্ৰ নাট্য সংঘৰ শিল্পীক গণনাট্যৰ আদৰ্শৰ প্ৰতি আকৃষ্ট কৰিবলৈ সমৰ্থ হয় । সেই সময়ৰ শ্বিলঙত গণনাট্যৰ কাম-কাজ আগ বঢ়াই নিয়াত প্ৰধান

ভাবে উৎসাহ আৰু পৰামৰ্শ যোগাইছিল বিজন ৰায় এ। অৱশ্যে তাৰ আগতে ভাৰতীয় গণনাট্য সংঘৰ ফালৰ পৰা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক নিৰঞ্জন সেন, পান্নুপাল, উষাদত্ত আদিয়ে ছিলেট আৰু শ্বিলং ভ্ৰমণ কৰি গণনাট্য সংঘ প্ৰতিষ্ঠাৰ ব্যৱস্থা কৰে। শ্বিলং পাৰ্টিৰ লোকেল কমিটিৰ তেতিয়াৰ সম্পাদকৰ মতে সম্ভৱতঃ গণনাট্য সংঘৰ শ্বিলং সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল অধ্যাপক সত্যেন মজুমদাৰ আৰু সম্পাদক হীৰু দত্ত। শ্বিলঙৰ বিশিষ্ট নাগৰিক বিজন ৰায়ৰ উপৰি শ্বিলং শাখা গণনাট্যৰ সংগঠন আৰু সংবৃদ্ধিত তেতিয়া শ্বিলঙত অন্তৰীণ হৈ থকা অসমৰ বিশিষ্ট কংগ্ৰেছ নেতা প্ৰফুল্ল বৰুৱাৰ উৎসাহ, উদ্দীপনা আৰু পৃষ্ঠপোষকতাৰ ভূমিকাও আছিল গুৰুত্বপূৰ্ণ।

হেমাঙ্গ বিশ্বাসৰ সাংগঠনিক শক্তি আছিল অনুপম। ছিলেট আৰু শ্বিলং উভয় ঠাইতে সাংস্কৃতিক দল আৰু পৰিৱেশ গঢ়াত তেওঁৰ অৰিহণা অতুলনীয় আছিল। এই সাংস্কৃতিক কৰ্মীসকলে আনকি জোৱাইৰ বীৰ যুঁজাৰু কিয়াং নং বা আৰু খাছিয়া স্বাধীনতাৰ সংগ্ৰামী তিৰৎ সিঙৰ জীৱন বৃত্তৰ ভেঁটিত ছাঁয়ানাট্য সংগঠিত কৰিবলৈও এৰা নাছিল। শ্বিলঙৰ উপৰি সমগ্ৰ খাছিয়া আৰু জয়ন্তীয়া পাহাৰৰ ভিন ভিন ঠাইত অন্যান্য সাংস্কৃতিক অনুষ্ঠানৰ লগত এই বীৰ যুঁজাৰু সকলৰ জীৱন বৃত্তৰ ভেঁটিত ৰচিত ছাঁয়ানাট্য প্ৰদৰ্শন কৰি অভূতপূৰ্ব সমাদৰ আৰু সফলতা লাভ কৰিবলৈ সমৰ্থ হৈছিল। এই সফলতাৰ কাৰণে হেমাঙ্গ বিশ্বাসো আছিল গৌৰৱৰ ভাগী।

এই সফলতাই তেওঁলোকক সুৰমা উপত্যকা কালচাৰাল স্কোৱাড সংগঠন কৰি সমগ্ৰ অসমত পৰিভ্ৰমণ কৰিবলৈও অনুপ্ৰেৰণা যোগায় আৰু প্ৰকৃততে অসম ৰাজ্যিক গণনাট্য সংঘ প্ৰতিষ্ঠাৰ মূলতো আছিল বহুপৰিমাণে শ্বিলঙৰ এই সফলতা। সুৰমা উপত্যকা কালচাৰাল স্কোৱাডৰ নেতৃত্বত আছিল ৰীবেশ মিশ্ৰ আৰু অনুষ্ঠান পৰিচালনাৰ নেতৃত্বত আছিল হেমাঙ্গ বিশ্বাস। শ্বিলঙৰ অঞ্জলী দাস, সন্ধ্যা দাস প্ৰভৃতি শিল্পী সকলো এই স্কোৱডত আছিল। এই স্কোৱাডে যুদ্ধ

বিধ্বস্ত অসমৰ বুকুত এক প্ৰবল আলোড়নৰ সৃষ্টি কৰিবলৈ সমৰ্থ হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰধান প্ৰধান চহৰবোৰত সফলতাৰে সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰাৰ আনন্দেৰে গৌৰৱান্বিত হৈ সেই বছৰৰে এপ্ৰিল মাহত শিলচৰত অনুষ্ঠিত ৰাজ্যিক সভাত সংগঠিত হয় অসম ৰাজ্যিক গণনাট্য সংঘ । এই সংঘৰ প্ৰতিষ্ঠাপক সভাপতি ৰূপকোঁৱৰ জ্যোতি-প্ৰসাদ আৰু প্ৰতিষ্ঠাপক সম্পাদক হেমাঙ্গ বিশ্বাস।

তেতিয়াৰ অসমৰ ৰাজধানী শ্বিলঙত হেমাঙ্গ বিশ্বাসৰ এক দৃঢ় খোপনি গঢ় লৈ উঠিছিল, ভিন ভিন জনগোষ্ঠীৰ মাজত তেওঁ নতুন চেতনাৰে আলোড়নৰ সৃষ্টি কৰিবলৈও সমৰ্থ হৈছিল। ১৯৬০ চনত ৰাজ্যিক ভাষাৰ নামত অসম ব্যাপি গঢ় লৈ উঠা ভাতৃঘাতী আন্দোলনৰ সময়তো তেওঁ শ্বিলঙলৈ লৰি আহিছিল। ইয়াতেই ভূপেন হাজৰিকাৰ সৈতে লগলাগি ভিন ভিন জনগোষ্ঠীৰ শিল্পীৰ সহযোগত গঢ়ি তুলিছিল এক সাংস্কৃতিক স্কোৱাড। সংঘাত বিধ্বস্ত অসমৰ জনগণৰ মাজলৈ শান্তি সম্প্ৰীতি আৰু বিশ্বাসৰ পবিৱেশ ঘূৰাই অনাত এই সংস্কৃতিক স্কোৱাডে অৰিহণা যোগাবলৈ সমৰ্থ হোৱা কাৰণেই হেমাঙ্গ বিশ্বাস অসমৰ ৰাইজৰ প্ৰাণৰ প্ৰিয়। এই কাৰণেই তেওঁক পাৰ্টিয়ে ৰাজ্যিক সমিতিলৈও নিৰ্বাচন কৰিছিল। নৃত্য গীতেৰে মুগ্ধ কৰি তেওঁ কৃষক-শ্ৰমিক আবাল-বৃদ্ধ-বনিতাক দলীয় আদৰ্শেৰে সংগঠিত কৰাতো আগভাগ ল'ব পাৰিছিল। ঘটনাক্ৰমে তেওঁ শেষত কলিকতাত থাকিবলৈ লৈছিল সঁচা, কিন্তু যেন তেওঁৰ মন পৰি থাকিছিল অসমৰ জনগণৰ মাজত হে।

পিছলৈ কিন্তু তেওঁ পাৰ্টিৰ পৰিৱৰ্তিত নীতিৰ লগত নিজক খাপ খুৱাবলৈ অসমৰ্থ হৈ পৰে। প্ৰথমবাৰৰ চীন ভ্ৰমণ কৰি অহাৰে পৰা তেওঁ মাও চে তুঙৰ প্ৰতিও অন্ধ আনুগত্য প্ৰদৰ্শন কৰিবলৈ ধৰে। ছোভিয়েত দূতাবাসত কাম কৰিবলৈ লোৱাৰে পৰা তেওঁ সক্ৰিয় ৰাজনীতি পৰিহাৰ কৰিবলৈও বাধ্য হয়। গণনাট্য সংঘৰ ওপৰত পাৰ্টিয়ে কৰ্তৃত্ব প্ৰতিষ্ঠা কৰা বুলি দোষাৰোপ কৰি আনকি তেওঁ

গণনাট্য সংঘৰ পৰাও এসময়ত আঁতৰি গৈছিল। শেষত তেওঁ ব্যক্তিকেন্দ্ৰী সাংস্কৃতিক কেন্দ্ৰ 'মাছ চিঙ্গাৰচ' সংগঠন কৰি তাৰ মাজতেই আবদ্ধ হৈ থাকিবলৈ ললে। আনকি তেওঁ নক্সালপন্থী সকলৰ সভা সমিতিত যোগদান কৰিবলৈও লৈছিল।

তেওঁ শেষৰ বছৰবোৰত সংস্কৃতিক ৰাজনীতিৰ পৰা মুক্ত কৰি ৰখাৰ অৰ্থে যুক্তি পোষণ কৰি ফুৰিছিল; অথচ তেওঁ নিজে ৰাজনৈতিক দল প্ৰকৃত অৰ্থত কোনো দিনেই ত্যাগ কৰা নাছিল। তেওঁ সঠিক ভাবেই যেন নিজক 'জালালী কইতৰ' বুলি পৰিচয় দিছিল, তেওঁ যেন 'জালালী কইতৰ'ৰ দৰে ভাবাবেগৰ দ্বাৰা পৰিচালিত আৰু চিৰ অস্থিৰ হৈ আছিল। আনকি অসমৰ বিদেশী বিতাড়নৰ নামত হোৱা আন্দোলন বিষয়ক আদৰ্শৰ ক্ষেত্ৰতো যুক্তিতকৈ আবেগক আগ-স্থান দিছিল যেন অনুমান হয়। কিন্তু আমি দেখিলোঁ যে তেওঁৰ সকলো চিন্তা, চেষ্টা, আৰু যত্ন আছিল দেশৰ সাধাৰণ মানুহ শ্ৰমকাৰী জনগণ কেন্দ্ৰী। ইয়াৰ কাৰণেই আদৰ্শগত বিৰোধ সত্বেও আমাৰ দৰে আন বহুতৰ কাৰণে তেওঁ আছিল এক বিৰাট আকৰ্ষণ।

তেওঁৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা জনাই লেখাৰ সামৰণি মাৰিলোঁ। ★

★ এই স্মাৰক নিবন্ধৰ লেখক শ্ৰীপ্ৰাণেশ বিশ্বাস বৰ্ত্তমান শিলঙৰ এগৰাকী বিশিষ্ট আইন জীৱী; তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ৰো অধিবক্তা।

গণ-শিল্পী হেমাঙ্গ বিশ্বাস

শ্ৰীউত্তম বৰুৱা

পৃথিৱীখন নাটঘৰ— জনগণ অৰ্থাৎ সমাজ মানৱ সমাজ ভাৱৰীয়া— এয়া এক মনীষীৰ উক্তি। হেমাঙ্গ বিশ্বাসো এজনা ভাৱৰীয়া—এজনা বিশ্ব-শিল্পী। এই শিল্পীজনাক আকৌ বোলা হৈছে গণ-শিল্পী।

এজন লোক 'গণ-শিল্পী' লৈ ৰূপান্তৰিত হব লাগিলে, কেবাটাও স্তৰৰ বুকুৰে পদচিহ্ন ৰাখি পাৰ হৈ আহিব পাৰিলেই গণ-শিল্পী আখ্যা পায়। এই স্তৰ কেইটানো কি আৰু কেনে তাৰ প্ৰভাৱ— তাক আগতে পণক গুচোৱাদি গুচাই চোৱাৰ হেঁপাহ হ'ল হেমাঙ্গ বিশ্বাসক— এৰা হেমাঙ্গ বিশ্বাস বোলা মানুহজনক— সংস্কৃতিৰ প্ৰবক্তাজনাক।

হেমাঙ্গৰ পিতৃ হৰকুমাৰ বিশ্বাস এক নৈষ্টিক—ৰক্ষণশীল মনোবৃত্তিৰ পৰিয়ালৰ লোক। জাতিহীন— শ্ৰেণীহীন— বৰ্ণহীন সমাজৰ বিৰুদ্ধবাদী—পৰিপন্থী। পুৰোহিত তন্ত্ৰত পুষ্ট আৰু তুষ্ট। এয়া পিতৃ কুলৰ প্ৰভাৱ। তন্ত্ৰৰ লগত সংগীতৰো সংগম—সমন্ধ আছে। সেয়ে হেমাঙ্গই সমন্বয় কৰিছিল।

হেমাঙ্গৰ মাতৃ সৰোজিনী বিশ্বাস। চৌধুৰী পৰিয়ালৰ জীয়ৰী। মাতুল কুল (হেমাঙ্গৰ) উদাৰ আৰু সংগীত-সমুদ্ৰ-মন্থন কৰি অমৃত পান কৰে। মাতুল কুলত সংগীতৰ ওস্তা আলাউদ্দিন খাঁ, আফতাব উদ্দিন খাঁৰ আতিথ্য আৰু বন্ধুত্ব অবিচ্ছেদ্য ধাৰা। এক সম্পৰ্কীয় ককাদেউতাক জয়নাথ নন্দী আছিল অবিভক্ত বংগৰ বিখ্যাত কবিয়াল। মাতুল গৃহ মুখৰিত হৈছিল বাউল-সংগীতেৰে। বংগৰ বাউল আৰু অসমৰ 'বীণ বৰাগী-গীত স্থানীয় শ্ৰীহট্টৰ লোক গাঁথা-বেলাড-বৰৈগীত

গোপী চন্দ্ৰৰ গীত, কবি-গানৰ প্ৰভাৱে হেমাঙ্গ বিশ্বাসৰ শিশু মনত ৰৰকৈ খুন্দিয়াইছিল ।

পিতৃকুলৰ—পিতৃগৃহৰ তন্ত্ৰৰ আৰু মাতুলকুলৰ সংগীতৰ গৰ্ভত হেমাঙ্গ বোলা ল'ৰাজন থিয়দণ্ডা দিছিল ।

জন্মৰ পাচত মাতৃ সৰোজিনীয়ে দিলে কাণত সুৰ। পিতৃয়ে দিলে সৰু-ৰৰৰ প্ৰভেদৰ এখন প্ৰাচীৰ।

পিতৃৰ আভিজাত্যৰ ভেটিটোত, মাতৃৰ সংগীতৰ ঘৰত হেমাঙ্গ বিশ্বাস নামৰ এক মহা-বিপ্লৱীৰ জন্ম। তন্ত্ৰ, সংগীত, বিপ্লৱ এই তিনিৰ সমন্বয়ত হেমাঙ্গ বিশ্বাস এজনা অমল গণ-শিল্পী ।

স্বাধীনতা আন্দোলনৰ সময়ত হেমাঙ্গ, চাৰণকবি মুকুন্দ দাসৰ ৰচিত গীত, নাটৰ অভিনয় আদিত মুগ্ধ হোৱা আৰু প্ৰভাৱান্বিত হোৱা এক স্বাভাৱিক বাতাবৰণ ।

সদ্য যৌৱনত বিশ্বনাথ মুখোপাধ্যায়, বীৰেন মিত্ৰ, বাৰীণ দত্ত, লালা এইসকল সাম্যবাদী বিপ্লৱীৰ প্ৰেৰণাতে হেমাঙ্গ বিশ্বাসে বিপ্লৱৰ গীত ৰচনা কৰিবলৈ প্ৰয়াস কৰে--

'বাঁচ্‌বো ৰে বাঁচ্‌বো
ভাঙা বুকেৰ পাজৰ দিয়া
নয়া বাঙ্‌লা গড়বো............ ''

—

"কাস্তে তাৰে দিও জোৰে শান্‌গো................ "

মহাত্মা গান্ধীৰ আইন অমান্য আন্দোলনত জপিয়াই পৰিছিল লাক্ষ লক্ষ ভাৰতবাসীৰ মুক্তিৰ বাবে। স্বাধীনতা পালে প্ৰজাপুঞ্জৰ মুক্তি হ'ব— দুখ বিমোচন হ'ব ....। কাৰাবাস হ'ল ওঠৰ বছৰীয়া হেমাঙ্গৰ। অম্লান বদনে বৰণ কৰিছিল জনতাৰ বাবে ।

জমিদাৰীৰ বিৰুদ্ধে শোষিত কৃষকক লৈ বিক্ষোভ কৰিছিল— বিদ্ৰোহ কৰিছিল— উদাত্ত কণ্ঠেৰে গাইছিল— "আগে আগে চলা মজুৰ কিষাণ" নামৰ স্বৰচিত গীত ।

বিয়াল্লিছৰ গণ-বিপ্লৱত স্নান কৰা অখ্যাত শিল্পীসকলক লৈ (অসমৰ সুৰমা উপত্যকা) ১৯৪৩ চনত বোম্বাইত অনুষ্ঠিত হোৱা ভাৰতীয় গণ-নাট্য সংঘৰ সৰ্ব্বভাৰতীয় সম্মিলনত যোগ দিবলৈ যাত্ৰা কৰে। এই মঞ্চতে "গণনাট্য, গণবিপ্লৱৰ ধাৰা"ত স্নাত হৈ নতুন আলোকত উদ্ভাসিত হৈ অসম পায়হি।

অসমত গণনাট্য সংঘৰ শাখা প্ৰতিষ্ঠাৰ বীজ এই সম্মিলনতে হৈছিল। মাথোঁ দিনবাৰ লৈ ক্ষণ গণি আছিল।

১৯৪৫ চনত ক্ষুৰধাৰ প্ৰতিভাৰ মহামনীষাৰে সমুজ্জ্বল গণশিল্পী মহান বিপ্লৱী জ্যোতিপ্ৰসাদৰ সান্নিধ্য লাভ হয় হেমাঙ্গ বিশ্বাসৰ। জ্যোতিৰ সান্নিধ্যই বিমুগ্ধ কৰে- কপাহ ধুনা দি ধুনি পেলায়।

জ্যোতিপ্ৰসাদৰ প্ৰভাৱে হেমাঙ্গ বিশ্বাসক গাঁৱলীয়া বাটেৰে লুইতৰ ঘাটেৰে পৃথিৱীৰ সৰাহলৈ গৈ বিশ্ব নাগৰিক হোৱাৰ প্ৰচণ্ড ইঙ্গিত দিয়ে। এইজনা শাস্ত্ৰবেত্তা-সংস্কৃতিৰ প্ৰবক্তাৰ ওচৰত হেমাঙ্গ বিশ্বাসৰ মূৰ দোঁ খাই পৰিল।

জ্যোতি-মন্ত্ৰ-শিষ্য হেমাঙ্গ বিশ্বাসে মনৰ বনত খুন্দিয়াই থকা ভাৰতীয় গণনাট্য সংঘৰ শাখা অসমত প্ৰতিষ্ঠা কৰে ১৯৪৬ চনৰ এপ্ৰিলত—শিলচৰত। প্ৰথম সভাপতি হয় ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু প্ৰথম সম্পাদক ৰূপে সভাই মনোনীত কৰে হেমাঙ্গ বিশ্বাসক।

গণনাট্য সংঘৰ মঞ্চত বংগ আৰু অসমৰ গণশিল্পীসকলক থিয় কৰোৱা হ'ল। গীত-নাচ-নাট কবিতা, কথিকা, বক্তিতা সকলোখিনিয়ে হ'ল গণদেৱতাৰ পূজাৰ ফুল। মুখ্য পূজাৰী হেমাঙ্গ বিশ্বাস।

গাঁৱৰ পথাৰৰ বোকা গচকি-খচকি থকা, নাম-গোন্ধ নোহোৱা লোক শিল্পীসকলক জগাই তুলিলে —মৰ্যাদা দিলে অভিজাত শিল্পী সমাজত।

আভিজাত্যৰ পিঠিত চমটা মাৰি প্ৰজাক মুখ খুলি তেওঁলোকৰ দুখৰ-শোকৰ-বেদনাৰ-ক্ষোভৰ-অত্যাচাৰৰ গান গাব দিলে।

বিশ্ব জনতাৰ এখন চোতাল, এখন আকাশ, এটা ঘৰ, এখন কুটী, এখন নদীৰ পানী।

এই চোতালতে কুলখুড়া আছে, কাতিৰাম ৰাভা আছে, বীণা বৰা আছে, ষোড়শী নাগ আছে, ৰত্নেশ্বৰ ৰাভা আছে, বিষ্ণুৰাভা আছে, জ্যোতি প্ৰসাদ আছে আৰু আছে হেজাৰ হেজাৰ কৃষক-শ্ৰমিক-বনুৱা-জালোৱা-খৰিভাৰী-ঢুলীয়া-কালীয়া-ডুলীয়া—খুলীয়া-ওজা-পালী।

আৰু আছে— মঘাই ওজা— হেমাঙ্গ বিশ্বাস।

১৯৫১ চনৰ প্ৰাৰম্ভণতে জ্যোতিপ্ৰসাদৰ মৃত্যু হোৱা শুনি এপিনে হেমাঙ্গ বিশ্বাস আৰু আনপিনে আন্দাৰ গ্ৰাউণ্ডত বিষ্ণুৰাভা বলিয়া হোৱাদি হয়— যেন নিজৰ মগুহ নিজেই কামুৰি ছিঙি নি দেশৰ বৰ-মৰীয়াহঁতৰ মুখত গুজি দিব।

আৰু ক্ষুব্ধ হ'ল— "নতুন অসমীয়া" (১৮ জানুৱাৰী ১৯৫১ ৰ প্ৰথম পৃষ্ঠাৰ সোঁফালে দীঘলে ৩″ ইঞ্চি বহলে ১½″ ইঞ্চিমান") জ্যোতি প্ৰসাদ আগৰৱালাৰ মৃত্যু' শীৰ্ষক বাতৰি পঢ়ি।

ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ দৰে ক্ষুৰধাৰ প্ৰতিভাৰ মনীষীৰ মৃত্যুত বাতৰি কাকতৰ এনে ভূমিকা দেখি লাজতে অসমীয়া জাতি ম্ৰিয়মান হ'ল। সেয়েহে জ্যোতিপ্ৰসাদে এই চৰিত্ৰ দেখিয়ে লেখিছিল—

"অ' পৃথিৱী! কবিৰ কথা
কেতিয়া বুজিবি তই?
কত কবি গ'ল টুকি চকু পানী
ছুৱাৰে ছুৱাৰে বৈ
অ' পৃথিৱী! কবিৰ কথা
কেতিয়া বুজিবি তই?"

জ্যোতিপ্ৰসাদৰ মৃত্যু তিথি পালন অথবা জ্যোতি দিৱস বছৰে পতাৰ ব্যৱস্থা গণশিল্পী হেমাঙ্গ বিশ্বাসেহে প্ৰৱৰ্তন কৰাৰ কাৰণে আজি জ্যোতিপ্ৰসাদ জনতাৰ প্ৰাণে প্ৰাণে। হেমাঙ্গ বিশ্বাসৰ এই

ক্রেডিটক লৈ আজি অসমত বহুতেই আগ আসনত বহি আছে। এতিয়া তেওঁলোক হ'ল জ্যোতিযুগৰ প্ৰবক্তা— যি সকলৰ, জ্যোতি প্ৰসাদৰ সান্নিধ্য লাভৰো জীৱনত সুযোগ নঘটিল।

অসম আৰু বংগৰ গাওঁ-নগৰ-প্ৰান্তৰৰ পাৰে পাৰে ঘূৰি ফুৰিলে জনতাৰ দুখৰ বোজা কঢ়িয়ায়। অৱহেলিত শিল্পী মঘাই ওজাক ভাৰতৰ শিল্পীৰ মঞ্চত চিনাকি কৰি প্ৰতিষ্ঠা কৰিলে হেমাঙ্গ বিশ্বাসে— লগতে ড° ভূপেন হাজৰিকাকো।

নিজৰ ঘৰৰ ভাতৰ কথা চিন্তা নকৰি—ল'ৰা-ছোৱালী-তিৰোতাৰ ভৱিষ্যত চিন্তা নকৰি টাকুৰী ঘূৰাদি ঘূৰি ফুৰিলে কৃষক— জনতাৰ উদ্ধাৰৰ হকে।

স্বাধীনতাৰ পিচত সৰ্ব্বহাৰা জনতাৰ দুখ বিমোচন নহ'ল— যি আছিল সৰ্ব্বহাৰা— সি আৰু হ'ল নগ্ন সৰ্ব্বহাৰা। বক্তৃতাৰে ভৰি পৰিল স্বাধীন ভাৰত। যেন নাটকৰ একশ্বন্ কমি ডায়লগে চূড়া পোৱা অৱস্থা। সেয়ে নাট্যবিদ সকলে কৈছিল— "Actions are Louder than voice."

এই বেদনাইও গণশিল্পী হেমাঙ্গ বিশ্বাসক খুলি খুলি খাইছিল। জনতাৰ বেদনা দেখিও প্ৰতিকাৰ কৰিব নোৱাৰা দেশৰ বাবে চৰম ট্ৰেজেদি।

যি সকলৰ হাতত ঢাল-তৰোৱাল আছে তেওঁলোকক হেমাঙ্গ বিশ্বাসে নিধিৰাম চৰ্দ্দাৰ হবলৈ আহ্বান কৰিছিল—যেন তেওঁলোকে প্ৰজাৰ দুখ হৰণ কৰে। কিন্তু কোনো ওলাই নহা কাৰণেই গণশিল্পী হেমাঙ্গ বিশ্বাসে ঢাল তৰোৱাল নোহোৱাকৈয়ে জনতাৰ ওচৰলৈ গৈছিল— নিধিৰাম হিচাবে নহয়— নিপীড়িত জনতাৰ চোতালৰ দুখৰ চমজ্দাৰ হিচাবে।

হেমাঙ্গ বিশ্বাসক মই উদাস ভাৱত দেখিছিলোঁ। তেখেতে কৈছিল যে, অসমৰ লোকসংস্কৃতিৰ ৰাজহাড় ডাল ভেমেচা হৈছে আৰু বংগৰো লোকসংস্কৃতিৰ দোতাঁৰাৰ দুয়োডাল তাঁৰ ছিগি গৈছে।

আজি মাথোঁ স্মৃতি— মাথোঁ ইতিহাস— মাথোঁ কিম্বদন্তিলৈ ৰূপান্তৰিত হৈছে। চিন্তা-চৰ্চা-সাধনা গৱেষণা নাথাকিলে জাতিৰ দাপোণস্বৰূপ লোকসংস্কৃতিৰ মৃত্যু হবই। বহুজনে কান্ধ পাতি নললে, এজনে জীয়াই ৰাখিব নোৱাৰে। নতুন পুৰুষ সংস্কৃতি সংৰক্ষণ কৰাৰ ভূমিকাৰ প্ৰতি বিমুখ— উদাসীন—বীতশ্ৰদ্ধ।

প্ৰজাপুঞ্জৰ বেদনাৰ কথা ভাবি ভাবিয়ে, চীন-ৰাচিয়াৰ জনতাৰ দৰে মুখৰ ভাত পোৱাৰ লেখিয়া ব্যৱস্থা কৰাৰ কথা ভাবি ভাবিয়ে প্ৰতিকাৰ কৰিব নোৱাৰাৰ বেদনাত— ক্ষোভত ক্ষুভিত হৈ ২২ নবেম্বৰৰ দিনা (১৯৮৭) কলিকতাত শেষ নিশ্বাস পেলালে।

অসমৰ বাতৰি কাকতে জ্যোতিপ্ৰসাদৰ মৃত্যুত যি ভূমিকাৰে বাতৰি পৰিবেশন কৰিছিল, গণশিল্পী হেমাঙ্গ বিশ্বাসৰ মৃত্যুতো তেনে নিৰ্লজ্জ ভূমিকাকে গ্ৰহণ কৰি বাতৰি পৰিবেশন কৰিলে। যাৰ ফলত গণকণ্ঠত প্ৰতিবাদৰ —ধিক্কাৰৰ ধ্বনি-প্ৰতিধ্বনিতহৈ ৰজন্‌জনাই গ'ল।

জ্যোতিৰ ভাষাৰে যেন, হেমাঙ্গ বিশ্বাসে—গণশিল্পী হেমাঙ্গ বিশ্বাসে আমাক কৈছেঁ—

"কোনে ক'লে তোক
মোৰ জীৱনত
দুখৰ আলোক
নায়েই জ্বলা বুলি ?
কোনে ক'লে তোক
এবাৰো লেখনী
বুকুৰ তেজেৰে—
ছবি আঁকিবলে'
মই লোৱা নাই তুলি ?
কোনে ক'লে তোক
মোৰ কপালত
নাই সনা বুলি
জন-চৰণৰ ধূলি ?

কোনে ক'লে তোক
নৱ জীৱনৰ
গান গাওঁতে
প্ৰাণ দিয়া নাই বুলি ?
মই যে মোকেই বিলাই দিয়া মই
মই ধূলি হৈ উৰি গলেও
সেই ধূলিয়েই
পৃথিৱীকে কৰে জয় ।"

গণ-জীৱনৰ মুক্তি আৰু শান্তিয়েই আছিল শিল্পী হেমাঙ্গ বিশ্বাসৰ জীৱনৰ ধ্যান-ধাৰণা ; সেয়ে তেওঁ গণ-শিল্পী। তেওঁ গণ-জীৱনকো শিল্পীৰূপে গঢ়ি তোলাৰ অৰ্থে অহোপুৰুষাৰ্থ কৰিছিল।

হেমাঙ্গ বিশ্বাস অসম আৰু বংগৰ মানুহ আৰু ভাষাৰ, সংস্কৃতি আৰু সংহতিৰ আছিল মহাসমন্বয়ৰ সেতু— যিদৰে সৈনিক শিল্পী বিষ্ণুৰাভা আছিল পৰ্ব্বত আৰু ভৈয়ামৰ মিলনৰ অক্ষয় শিকলি। ★

★ বৰ্ত্তমান গুৱাহাটীৰ উজান বজাৰৰ উত্তম বৰুৱা এগৰাকী বিশিষ্ট নাট্যকাৰ, নাট্য সমীক্ষক লেখক।

আমাৰ মৰমৰ হেমাঙ্গ বিশ্বাস

শ্ৰীদিলীপ শৰ্মা

হেমাঙ্গ বিশ্বাস অসমত এটা বহুল প্ৰচাৰিত নাম। বিংশ শতাব্দীৰ পঞ্চাশৰ দশকত অসমৰ সংস্কৃতি জগতত এটা প্ৰগতিশীল আন্দোলনক কেন্দ্ৰ কৰি অসমীয়া সংগীত, নাটক আৰু সাহিত্যাত যি খলকনি উঠিছিল তাত প্ৰেৰণা যোগোৱাৰ অৰিহণা হেমাঙ্গ বিশ্বাসৰ পৰ্য্যাপ্ত পৰিমাণৰ আছিল বুলি কব পাৰি। এই দশকটো প্ৰগতিশীল আন্দোলনৰ বাবে এটা স্বৰ্ণোজ্জ্বল অধ্যায় হিচাবে চিহ্নিত হব পাৰে। অসম তথা অসমীয়া সংস্কৃতিৰ প্ৰতি তেখেতৰ অকৃত্ৰিম মৰম আছিল। তাৰেই নিদৰ্শন স্বৰূপে তেওঁৰ ঘৰৰ নাম 'জিৰণি আৰু ছোৱালীৰ নাম 'ৰঙিলী' থৈছিল।

হেমাঙ্গ বিশ্বাসৰ লগত মোৰ প্ৰথম পৰিচয় ঘটে ১৯৫২ চনত বম্বেৰ শিবাজী পাৰ্কৰ ওচৰত কোনোবা বিদ্যালয়ৰ ক্ৰীড়াভূমিত অনুষ্ঠিত সৰ্ব ভাৰতীয় গণনাট্য সংঘৰ সম্মিলনত। এই সম্মিলন ৪ এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ হৈছিল (১৯৫২ চন)। প্ৰথম দিনৰ সাংস্কৃতিক অনুষ্ঠানত অসমৰ 'নাওখেলৰ গীত' আৰু এটি 'জ্যোতিপ্ৰসাদৰ গীত' সন্নিবিষ্ট কৰাৰ বাবে সম্মিলনৰ কৃষ্টি-শাখাত বহুতো অনুৰোধ কৰাৰ পাছতহে হেমাঙ্গ বিশ্বাসে কৃতকাৰ্য্য হৈছিল। সিদিনাখন নৃত্যশিল্পী উদয়শঙ্কৰৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন, মহাৰাষ্ট্ৰৰ অমৰ শ্বেখ আৰু তেওঁৰ দলৰ গণসংগীত, সুৰিন্দৰ কাউৰৰ পঞ্জাবী লোকগীত, হেমন্ত মুখাৰ্জী, হেমাঙ্গ বিশ্বাসৰ প্ৰিয় শিষ্য নিৰ্মলেন্দু চৌধুৰী, গীতিকাৰ প্ৰেম ধৱান, সলিল চৌধুৰী আৰু বিভিন্ন গীত-মাত-নৃত্যাদিৰ উপৰিও বোলছবি জগতৰ বলৰাজ চাহানীৰ যোগদান আদিয়ে অনুষ্ঠানৰ ৰহণ

চৰাইছিল। মোৰ নেতৃত্বত 'জ্যোতিপ্ৰসাদৰ গীত' ছুটি সাফল্যমণ্ডিত কৰাৰ বাবে তেখেতৰ স্ব-ইচ্ছাত দোতোৰা বাদনে আমাৰ সকলোৰে কৃতজ্ঞতা অৰ্জন কৰিছিল।

ইয়াৰ পিছত তেওঁ গুৱাহাটীলৈ আহি অসম গণনাট্য সংঘৰ সম্পাদক হিচাবে দায়িত্ব লয়। ক্ষীণ দেহ-ধাৰী, দীঘল চুলি, চকুত চছমা, পাঞ্জাবী, পাইজামা আৰু প্ৰায়েই জহৰ-কোট (হাত নথকা কোট) পিন্ধা মানুহজনেই হ'ল হেমাঙ্গ বিশ্বাস। সেই সময়ত তেওঁ মোক বৰ মৰম কৰিছিল। ময়ো তেখেতক মোৰ এজন অতি বিশ্বাসী সহযোগী বুলি গ্ৰহণ কৰিছিলোঁ। অসম গণনাট্য সংঘৰ সংগঠনৰ কামত হেমাঙ্গ বিশ্বাসৰ অবদান অপৰিসীম। মূল সংগঠক হিচাবে তেওঁৰ দক্ষতাৰ পৰিচয় সকলোৱে পাইছে। তেওঁৰ সু-ব্যৱহাৰ আৰু আদৰ্শৰ দ্বাৰা তেওঁ বিষ্ণুপ্ৰসাদ ৰাভা, ভূপেন হাজৰিকা, মঘাই ওজা, ব্ৰজেন বৰুৱা আদিৰ দৰে শিল্পীসকলক একেটা মঞ্চত তুলি অনুষ্ঠান কৰাব পাৰিছিল। অসমৰ শিল্পীসকলৰ সমুখত তেওঁ জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ আদৰ্শক অনুসৰণ কৰিবলৈ শিকাইছিল। আচৰিত কথা অসমৰ এই দুজন মহৎ ব্যক্তি সভাপতি থকা কালছোৱাতহে তেওঁ সম্পাদক হৈ আছিল। প্ৰকৃতপক্ষে নিষ্ঠাবান সাংস্কৃতিক কৰ্মী হিচাবে সমাজত প্ৰতিষ্ঠা হবলৈ তেওঁ গণনাট্যৰ শিল্পীসকলক শিকাইছিল। অকল পইচা ঘটিবলৈ সংস্কৃতিৰ সেৱা কৰাৰ তেওঁ ঘোৰ বিৰোধী আছিল। মানুহৰ কল্যাণৰ বাবেহে সংস্কৃতিৰ প্ৰয়োজন, এই কথাটো তেওঁ আমাক বুজাইছিল। এই অনুষ্ঠানত ব্যক্তিত্ববাদ, ৰক্ষণশীলতা বা গোড়ামিৰ কোনো স্থান নাই। ই ত্যাগৰহে পথ। ভোগৰ পথ নহয়। অসমৰ শিল্পীসকলক বহিৰ্বিশ্বত অসমৰ ঐতিহ্যক বহন কৰি লৈ যাবলৈ তেওঁ যৎপৰোনাস্তি চেষ্টা কৰিছিল। কৃষক-শিল্পী ঢোলৰ ওজা ৺মঘাই ওজাক ভাৰতৰ বিভিন্ন প্ৰান্তত নি অসমৰ ঐতিহ্যৰ পৰিচয় দিছিল। ১৯৫৫ চনত পঞ্চম বিশ্ব-যুৱ-উৎসৱ পোলেণ্ডৰ ৰাজধানী ৱাৰশ্বত (Warsaw) অনুষ্ঠিত হৈছিল। তাত অসমৰ একমাত্ৰ প্ৰতিনিধি হিচাবে মোক বিনা খৰচত পঠিয়াবলৈ তেওঁ

খাটিছিল আৰু শেষত তেওঁ সফলতা লভিছিল।

ড° ভূপেন হাজৰিকাৰ লগতে অসমৰ বহুতো শিল্পীকেই তেওঁ গণসংগীত গাবলৈ উদগনি দিছিল। ভূপেন হাজৰিকাদেৱে সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক হিচাবে কাম কৰিছিল। সেই সময়ত এবাৰ এখন বিহুতলিত গণনাট্য সংঘক ভূপেন হাজৰিকাৰ গীত গাবলৈ নিদিয়া বাবে তেখেতে একে ৰাতিৰ ভিতৰত হাজৰিকাই বিহুৰ বাবে যুগুতোৱা "দলদোপ হেন্দোলদোপ" গীতটি ছপা কৰি উলিয়াই সেইখন পিছ দিনা গণনাট্যৰ কৰ্মীসকলৰ হতুৱাই বিলাই দিলে আৰু বিহু সমিতিৰ আচৰণ সম্পৰ্কে ৰাইজক অৱগত কৰালে। এইদৰে অন্যায়ৰ বিৰুদ্ধে সক্ৰিয় হৈ তেওঁ যুঁজ দিছিল।

১৯৫৩ চনৰ ১৭ জানুৱাৰী তাৰিখে জ্যোতিপ্ৰসাদৰ মৃত্যুদিৱসত গণনাট্য সংঘৰ উদ্যোগত গুৱাহাটী আৰু বৰপেটাত ৰূপকোঁৱৰ দিৱস উদ্‌যাপিত হৈছিল। তেখেতৰ পৰামৰ্শমতে ১৭ জানুৱাৰীৰ দিনটো ৰূপকোঁৱৰ দিৱস হিচাবে ,গোটেই অসম জুৰি পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই সভাত জ্যোতিপ্ৰসাদৰ ওপৰত ৰচনা কৰা তেওঁৰ কবিতা "জ্যোতিপ্ৰপাত" তেওঁ নিজে পাঠ কৰিছিল। জ্যোতি প্ৰসাদৰ সৃষ্টি সমূহৰ প্ৰতি থকা তেওঁৰ গভীৰ শ্ৰদ্ধাৰ কথাটি ইয়াতেই সূচায়। তেতিয়াৰ পৰা জ্যোতিপ্ৰসাদৰ মৃত্যু দিৱসটি ৰাজ্যৰ বহু ঠাইত ক্ৰমান্বয়ে বিয়পি পৰে আৰু আজি ই 'শিল্পী দিৱস' হিচাবে জনাজাত।

১৯৫৫ চনত অসম গণনাট্য সংঘৰ তৃতীয় ৰাজ্যিক সন্মিলন গুৱাহাটীত বৰ উলহ-মালহেৰে উদ্‌যাপিত হয়। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অতিথি শিল্পীসকল, গণনাট্য কৰ্মীসকল, প্ৰতিনিধি সকল আহি ইয়াত যোগ দিছিলহি। তাৰ ভিতৰত ৺বিষ্ণু প্ৰসাদ ৰাভা, ৺বলৰাজ চাহানী, ৺অমৰ শেখ, ভূপেন হাজৰিকা, মঘাই ওজা, ৺ব্ৰজেন বৰুৱা, ৺নৰহৰি বুঢ়াভকত, হেমন্ত মুখাৰ্জী, ৺দেবব্ৰত বিশ্বাস, সুচিত্ৰা মিত্ৰ, নৃত্যবিদ শম্ভু ভট্টাচাৰ্য্য, গায়ক মণ্টু ঘোষ, কলিকতাৰ

গণনাট্য সংঘ, অসমৰ বহু ঠাইৰ লোকগীত আৰু নৃত্য, চাহ বাগানৰ ঝুমুৰ নৃত্য-নাটিকা আদি অনুষ্ঠান সমূহ উল্লেখযোগ্য। কটন কলেজৰ সমুখত চাৰ্চ্চ ফিল্ডত ৰভা তৰি এই সন্মিলন পতা হৈছিল। ধাঁহৰ ওপৰত খেৰ পাৰি দৰ্শকসকলক বহুৱাৰ ব্যৱস্থা কৰা হৈছিল। এই সন্মিলনৰ টিকেটৰ হাৰ অতি কম আছিল। দৰ্শকে কম খৰচেৰে অসম তথা ভাৰতৰ বাৰে-বৰণীয়া অনুষ্ঠান উপভোগ কৰিব পাৰিছিল। এই সন্মিলনৰ আৰম্ভণিতে ৺লক্ষ্মীনাথ বেজবৰুৱা ৰচিত 'আমি অসমীয়া নহওঁ দুখীয়া' গীতটি মই আৰু সহধৰ্মিণী শ্ৰীমতী সুদক্ষিণী শৰ্ম্মাই উদ্বোধনী গীত হিচাবে গাইছিলোঁ। হেমাঙ্গ বিশ্বাসেই এই গীতটি গাবলৈ আমাক পৰামৰ্শ দিছিল। তাৰ পৰাই বুজিব পাৰি যে, অসমৰ কাব্য-সাহিত্যৰ স্ৰষ্টাসকলৰ সম্পৰ্কে তেওঁৰ ধাৰণা স্পষ্ট আছিল।

এই সন্মিলনৰ সিংহ-দ্বাৰ বাঁহ-বেত-জাপি আদি অসমীয়া কৃষ্টিৰ চানেকিৰে সজোৱা হৈছিল। গণনাট্যৰ শিল্পী-কৰ্মীসকলে দিনে-নিশাই কাম কৰি অতি কম খৰচেৰে ইয়াক সাজি উলিয়াইছিল। নিমন্ত্ৰিত অতিথিসকল, প্ৰতিনিধিসকল আৰু স্বেচ্ছাসেৱক সকলক সমূহীয়া আহাৰ-গৃহত খোৱা-বোৱাৰ ব্যৱস্থা কৰা হৈছিল আৰু সকলো ক্ষেত্ৰতে সম্প্ৰীতিৰ এটা আহিঁ ৰচনা কৰা হৈছিল। সন্মিলনৰ আলোচনা সভাবোৰ সময়মতে হৈছিল। সেই কালত চৰকাৰে গণনাট্য সংঘ কমিউনিষ্ট বিলাকৰ কিবা অনুষ্ঠান বুলি গণ্য কৰিছিল। সেয়ে, বহুতো বাধাৰ সন্মুখীন হবলগীয়া হৈছিল। সৰ্ব্ব ভাৰতীয় গণনাট্য সংঘৰ সাধাৰণ সম্পাদক শ্ৰীনিৰঞ্জন সেনো সন্মিলনৰ আগতে আহি দিহা-পৰামৰ্শবোৰ দিছিল। যিসকলে দেখিছে তেওঁ-লোকে সেই সন্মিলনখনিৰ কথা পাহৰিব পৰা নাই, এতিয়াও শ্ৰদ্ধাৰে সোঁৱৰে। সকলো দিশতেই এই সন্মিলনে অসমৰ বাইজক এক নতুনত্বৰ সম্ভেদ দিছিল আৰু এটি সৰ্বভাৰতীয় ৰূপ জনমলাই উঠিছিল। ইয়াৰ কৃতিত্ব ৰাজ্য সমিতিৰ সম্পাদক হেমাঙ্গ বিশ্বাসে বাককৈয়ে দাবী কৰিব পাৰে।

গণনাট্যৰ শিল্পীসকলৰ দৈনন্দিন জীৱনৰ সুখ-দুখৰ মাজতো তেওঁ সোমাইছিল। শিল্পীসকলৰ অভাৱ অভিযোগৰ কথা মন দি শুনিছিল আৰু তাৰ প্ৰতিকাৰৰ অৰ্থে পৰামৰ্শ দিছিল। কেতিয়াবা কাৰোবাৰ চাকৰিৰ ক্ষেত্ৰত প্ৰয়োজন বোধে নিজে গৈও সংশ্লিষ্ট মহলত খাটিছিল। জৰুৰী ক্ষেত্ৰত কোনো শিল্পীৰ টকা-পইচাৰ প্ৰয়োজন হ'লে দিব পৰা মানুহৰ লগ লগাই দিছিল আৰু শিল্পীজনৰ সপক্ষে ওকালতি কৰিছিল। মোৰ নিজৰ শুভ-বিবাহৰ আগে আগে এটা উত্তপ্ত পৰিৱেশৰ সৃষ্টি হৈছিল। হেমাঙ্গ বিশ্বাসে কেইজনমান গণনাট্যৰ কৰ্মীৰে সৈতে গোটেই ৰাতি উজাগৰে থাকি পহৰা দিছিল আৰু ফলস্বৰূপে দুৰ্বৃত্তৰ হাতত তেওঁ লাঞ্ছিত হবলগীয়া হৈছিল। এইখিনি কথাত অকণো বঢ়াই কোৱা হোৱা নাই আৰু ইয়াৰে পৰাই সহজে অনুমান কৰিব পাৰি কিদৰে শিল্পীসকলক তেওঁ ভাল পাইছিল আৰু পৰহিতৈষী আছিল।

লোকসংগীতৰ ওপৰত তেওঁৰ পাণ্ডিত্য আছিল অগাধ। এই বিষয়ে তেওঁৰ লিখা "লোকসংগীত সমীক্ষা; বাংলা ও আসাম' গ্ৰন্থখনত উমান পোৱা যায়। লোকসংস্কৃতিৰ গবেষণাৰ বাবে ই এক অভিনব অবদান। ইয়াৰ উপৰিও অসমীয়াত লিখা "কুল খুৰাৰ চোতাল" নামৰ পুথিখন সাহিত্য-প্ৰতিভাৰ নিদৰ্শন। বেলতলাৰ কৃষক আন্দোলনৰ নেতা কুল খুৰাই হ'ল এই পুথিৰ নায়ক। গতিকে সংগীত, সাহিত্য আৰু বিপ্লৱ—এই তিনি উপাদানেই তেওঁৰ মাজত আছিল। ইয়াৰ উপৰিও চীন দেশ ভ্ৰমণৰ ওপৰত মূল্যবান কিতাপ, কবিতাৰ পুথি, জ্যোতিপ্ৰসাদৰ ওপৰত প্ৰবন্ধাদি লিখি থৈ গৈছে। অসমৰ বিখ্যাত পুৰণি মাহেকীয়া আলোচনী 'আৱাহন'ৰ দ্বিতীয় পৰ্য্যায়ৰ প্ৰকাশত সম্পাদক মণ্ডলীত ঔপন্যাসিক চৈয়দ আব্দুল মালিক সাহিত্যিক আৰু দাৰ্শনিক ৺ভবানন্দ দত্ত, শিল্পী ড° ভূপেন হাজৰিকা আৰু অধ্যাপক পৰমেশ্বৰ শৰ্ম্মাৰ সৈতে তেওঁ এজন সদস্য হিচাবে আছিল আৰু আলোচনীখনৰ শ্ৰীবৰ্দ্ধনত যথেষ্ট সাহায্য আগ-

বঢ়াইছিল। গতিকে, উপৰোক্ত কথাবোৰৰ পৰা স্পষ্ট প্ৰতীয়মান হয় যে, তেওঁ এজন গায়ক, গীতিকাৰ, সুৰকাৰ, সাহিত্যিক, সংগঠক—আৰু নো কি নহয় ?

গায়ক, গীতিকাৰ আৰু সুৰকাৰ হিচাবেও হেমাঙ্গ বিশ্বাস উল্লেখনীয়। তেওঁৰ দৰদী কণ্ঠই মানুহৰ মন স্পৰ্শ কৰিছিল।

এবাৰ কামৰূপ জিলাৰ বকো অঞ্চলত এক কৃষক সম্মিলনত অনুষ্ঠান কৰিবলৈ যাওঁতে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত আকাশবাণীৰ শ্ৰীপুৰুষোত্তম দাস ৰচিত "ৰাতি পুৱাইলৰে কুকুৱাই পাৰে ৰাৱ" গীতটি ভূপেন হাজৰিকা, হেমাঙ্গ বিশ্বাস আৰু মই মিলি গাইছিলোঁ। গীতটি কামৰূপী লোকগীতৰ আধাৰত ৰচিত আছিল। গীতটিৰ অন্তৰাৰ পিনে গাওঁতে গীতৰ এটি শাৰী তেওঁ দীঘলকৈ সুৰ টানি লৈ যাওঁতে আমি থমকি ৰলোঁ আৰু প্ৰতিবাৰেই তেনেকুৱা কৰাত শেষত আমি দুজনে 'দোহৰ ৰহে কাম কৰিলোঁ। শ্ৰোতৃমণ্ডলীয়ে এই কাৰ্য্যত বৰ আনন্দ পাইছিল। শাৰীৰিক দুৰ্বলতা থকা সত্বেও তেওঁ উচ্চ গ্ৰামৰ স্বৰ স্পৰ্শ কৰিব পাৰিছিল। এনে জীৰ্ণ-শীৰ্ণ দেহা লৈ কিদৰে ই সম্ভৱপৰ হৈছিল তাক ভাবিলে আচৰিত যেন লাগে। আৰম্ভো তেওঁ দুৰ্বল শৰীৰ লৈও নিয়মানুবৰ্তিতাৰ মাজেৰে চলিছিল। পৰিমিত আহাৰ আৰু নিয়মিত বিশ্ৰাম তেওঁ পালন কৰিছিল। ধূমপান, মদ্যপান, চাদা-ধপাত আদি সেৱন কৰা নাছিল।

মোৰ এটা কাহিনীৰ কথা মনত পৰিল। ১৯৫৩ চনৰ প্ৰায় মাজ ভাগত মই চীন দেশৰ পৰা ঘূৰি আহোঁতে গুৱাহাটীৰ পল্টন বজাৰত অৱস্থিত 'গ্ৰেণ্ড হোটেল' নামৰ এখনি পুৰণি হোটেলৰ (সেই হোটেল আজি নাই) বোৰ্ডাৰ (Boarder) সকলে মিলি এটা ঘৰুৱা মজলিছত আমাক নিমন্ত্ৰণ জনাইছিল। তাত মোৰ চীন দেশৰ অভিজ্ঞতাসমূহৰ বৰ্ণনা দিয়াৰ পিছত এখনি সৰু-সুৰা সংগীতানুষ্ঠান হ'ল। তাত মই চীন দেশীয় এটি গীত, কবি হাৰীন চেটাৰ্জীৰ হিন্দী গীত 'হিন্দী চিনি ভাই ভাই' আৰু ভূপেন হাজৰিকা ৰচিত 'ঝক্ ঝক্

ৰেল চলে' গীত কেইটা গাই উপস্থিত সমজুৱাৰ প্ৰশংসা পাইছিলোঁ। পিছত আৰু দুই-এৰে আবৃত্তি, গীত আদি গোৱাৰ পিছত অনুৰোধ আহিল হেমাঙ্গ বিশ্বাসে তেওঁৰ ৰচিত মাউণ্টবেটেন মঙ্গলকাব্য গীতটি গাব লাগে। তেওঁ গালে। কি অপূৰ্ব সেই গীতৰ সুৰ সংযোজন আৰু বক্তব্য। বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ব্যঙ্গোক্তি এনে সুন্দৰ ভাবে আৰু সহজভাবে পৰিস্ফুট হৈছে যে তাক যি কোনো ব্যক্তিয়ে অনুধাৱন কৰিব পাৰিব। বংগদেশৰ লোকগীতৰ সুৰ ইয়াত প্ৰয়োগ কৰা হৈছে। কথা যেনে, সুৰো তেনে। অপূৰ্ব্ব সংমিশ্ৰণ।

১৯৫৭ চনত তেওঁৰ শৰীৰ ভাঙি পৰে আৰু সেই বছৰৰে এপ্ৰিল মাহত তেওঁ চীন দেশলৈ চিকিৎসাৰ বাবে যায়। তাত প্ৰায় তিনি বছৰ কাল চিকিৎসাৰ বাবে কটায়। সেই সময়ত চীন দেশৰ বহু গীত তেওঁ শিকিছিল। তাৰ পৰা উভতি আহি অসমত যি ভ্ৰাতৃ-ঘাতী সংঘৰ্ষ হৈছিল তাত ডঃ ভূপেন হাজৰিকাৰ সৈতে অসম চৰকাৰৰ সহযোগিতাত শান্তি-সম্প্ৰীতিৰ সাংস্কৃতিক অভিযান কৰি অসমৰ প্ৰায় সকলো ক্ষতিগ্ৰস্ত অঞ্চলত তেওঁলোকে পৰ্যটন কৰে। সেই ভ্ৰমণত তেওঁলোক দুয়ো গোৱা "হাৰাধন-ৰংমনৰ কথা" গীতটিয়ে হানি হোৱা মানুহৰ মাজত অপাৰ আশাৰ সঞ্চাৰ কৰিছিল। গীতটো শুনাৰ পাছত মানুহৰ দুচকুৰে দুধাৰি চকুলো বৈ গৈছিল। গীতটোত দুই ৰকমৰ সুৰ আছিল। হাৰাধনৰ কথা গাওঁতে হেমাঙ্গ বিশ্বাসে বাংলাৰ লোকগীত আৰু ৰংমনৰ কথা গাওঁতে ভূপেন হাজৰিকাই অসমৰ লোকগীতৰ সুৰত গাইছিল। এই শ্ৰেণী বিভক্ত সমাজত সকলো ঠাইৰ দুখীয়া মানুহৰ দুখ একেই— সেই কথা এই গীত দুটাত ব্যক্ত হৈছে।

ইয়াৰ পিছত তেওঁ কলিকতাৰ "ছোভিয়েট দেশ" কাৰ্য্যালয়ত যোগদান কৰে আৰু আমাৰ লগত সম্পৰ্ক ক্ষীণ হৈ আহে। মোক "ছোভিয়েট দেশ"ত কাম কৰিবলৈ তেওঁ চিঠি দি মাতিছিল। কিন্তু মই সেই সময়ত অসম এৰি যাব খোজা নাছিলোঁ। আৰু সেই বিষয়ে

তেওঁক জনাই দিছিলোঁ। কিন্তু মাজে মাজে কলিকতালৈ গ'লে মই তেওঁক লগ ধৰিছিলোঁ। তেওঁ মোক আৰু মোৰ সহধৰ্মিনীক তেওঁৰ ঘৰলৈ মাতি নি তেওঁৰ সহধৰ্মিনীৰ সৈতে আদৰ-যত্ন কৰি খুৱাইছিল আৰু অসমৰ বিষয়ে সকলো কথা জানিবলৈ বিচাৰিছিল। অসমৰ শিল্পীসকলে কোনে ক'ত কিদৰে আছে, কোনে ভাল গীত ৰচনা কৰিছে, কোনে ভাল গান গাইছে, কোনে ভাল সুৰ দিছে ইত্যাদি বাৰেকুৰি প্ৰশ্ন সুধিছিল। কোনোবাই নতুন গীত ৰচনা কৰিলে তেওঁ ভাল পাইছিল আৰু উৎসাহ দিছিল। অসমীয়া বাতৰি কাকত, আলোচনী আদি ঘৰত ৰাখিছিল। কেতিয়াবা কলিকতাৰ টালি-গঞ্জত অৱস্থিত ভূপেন হাজৰিকাদেৱৰ ঘৰলৈ গ'লে —সময় থাকিলে হাজৰিকাদেৱেও হেমাঙ্গ বিশ্বাসক টেলিফোনেৰে খবৰ কৰি গাড়ী পঠিয়াই মাতি আনিছিল আৰু আমি একেলগে বহুতো আলোচনা কৰিছিলোঁ। এনে এটি সাক্ষাতত এবাৰ হাজৰিকাদেৱৰ ভিতৰ-চ'ৰা-ঘৰত ৰঙীণ দূৰদৰ্শনত পণ্ডিত জেচৰাজৰ উচ্চাংগ সংগীতৰ অনুষ্ঠান দেখিবলৈ পালোঁ। সিদিনা জেচৰজে বৰ ভাল গাইছিল। তেতিয়া লোকসংগীতৰ পৃষ্ঠপোষক বিশ্বাসে কৈ উঠিল, 'উচ্চাঙ্গ সংগীতো ভাৰতৰ নিজস্ব সুৰ। ই পৰম্পৰাভাৱে ভাৰতৰ সংস্কৃতিৰ লগত জীয়াই থাকিব।' আমি হয়ভৰ দিলোঁ। ভূপেন হাজৰিকাইয়ো তেখেতক যথেষ্ট মৰম আৰু শ্ৰদ্ধা কৰিছিল।

শেষৰ পিনে তেওঁ চোভিয়েট দেশৰ কাম এৰি দিছিল আৰু 'মাছ ছিংগাৰ্ছ' (Mass Singers) নামৰ এটা অনুষ্ঠান গঠন কৰি ভাৰতৰ বিভিন্ন ঠাইত প্ৰগতিশীল গীতসমূহৰ অনুষ্ঠান কৰি ফুৰিছিল। আজি কিছুদিনৰ পৰা তেওঁৰ কমিউনিষ্ট পাৰ্টিবোৰৰ লগত মতান্তৰ ঘটিছিল। কিন্তু এটা কথা ঠিক যে, তেওঁ কেতিয়াও ধনী সমাজৰ হৈ মাত মতা নাই। সৰ্ব্বহাৰাৰ কাৰণেই মানৱীয় চিন্তাধাৰা সকলো সময়তে ধাৰণ কৰিছিল আৰু নতুন সমাজ গঠন কৰাৰ মানসিকতাও এৰা নাছিল।

১৯৮৩ চনত বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত শান্তি-সম্প্ৰীতিৰ বাবে এটা সাংস্কৃতিক অভিযানৰ চেষ্টা চলাবলৈ তেওঁ অসমলৈ আহিছিল। কিন্তু এইবাৰ তেওঁ সফল নহ'ল আৰু দুখেৰে সৈতে উভতি গৈছিল। অসমক তেওঁ মনে-প্ৰাণে ভাল পাইছিল। অসমীয়া সুৰ তেওঁৰ আপোন আছিল। শেষৰ ফালে বহুতো গীতত অসমৰ সুৰ আৰু চীন দেশৰ সুৰৰ প্ৰভাৱ পৰিছিল।

১৯৮৭ চনত হায়দৰাবাদত অনুষ্ঠিত ভাৰতীয় গণনাট্য সংঘৰ সৰ্ব্বভাৰতীয় সন্মিলনত তেওঁক শেষ বাৰৰ বাবে লগ পাইছিলোঁ। তেওঁ মঞ্চৰ সভাপতিমণ্ডলীৰ আসনত সৰ্ব্বশ্ৰী কাইফি আজমি আৰু বোলছবি জগতৰ এ, কে, হাংগল, দীনা পাঠক, ফাৰুক শেখ আদিৰ সতে একেলগে মঞ্চত বহি সভা পৰিচালনাত সহায় কৰিছিল। সন্মিলনত এদিন অকলে গীত গাইছিল আৰু এদিন তেওঁৰ দলৰে সৈতে গাইছিল। 'আমৰা তো ভুলি নাই শহীদ' আৰু 'মন কাদে পদ্মাৰ লাইগা' গীত দুটা অতি মন দি গাইছিল। সুৰ টানি ৰাখিছিল বহু সময় ধৰি। এইখিনিতে নকৈ নোৱাৰিলোঁ যে, তেওঁৰ কিছুমান গীত আঞ্চলিক বা সাধাৰণভাৱে (Collo-Quial) চলিত ভাষাত ৰচিত বুলি বেছি মনোৰঞ্জক হৈছে। আহিবৰ সময়ত ট্ৰেইনত একেলগে আহিছিলোঁ। আমাৰ অসমৰ দলটিত শিল্পীসকলৰ লগত ঔপন্যাসিক চৈয়দ আব্দুল মালিক, কবি কেশৱ মহন্ত আৰু গণনাট্যৰ সংগঠক নগেন কাকতিও আহিছিল। তেওঁ আমাৰ আগত অসমলৈ আহিবলৈ বৰকৈ ইচ্ছা প্ৰকাশ কৰিছিল।

হঠাতে ২২ নবেম্বৰৰ (১৯৮৭ চন) দিনা তেওঁ শেষ নিশ্বাস এৰি আমাক এনেদৰে এৰি থৈ যাব বুলি ভাবিবই পৰা নাছিলোঁ। মৃত্যুৰ পিছত যোৱা বছৰৰ ডিচেম্বৰ মাহৰ মাজ ভাগত কলিকতাত তেখেতৰ সহধৰ্মিনী আৰু কন্যা ৰঙিলীক লগ পাই আহিছোঁ। সিদিনাখন তেওঁৰ 'জিৰণি' ৰহাত পুনৰ কান্দোনৰ ৰোল উঠিছিল। ৰঙিলীয়ে আমাক কৈছিল, 'দেউতাই হঠাতে বেমাৰত পৰাত আমাক কৈছিল,

মোৰ কথা অসমত জনাই দিলে অসমৰ জনসাধাৰণে মোক সকলো ফালৰ পৰা সহায় কৰিব।' অসমৰ মানুহৰ প্ৰতি তেওঁৰ আত্ম-বিশ্বাস অতিশয় গভীৰ আছিল। তেওঁৰ অন্তৰ্দ্ধানত অসম, বংগ তথা ভাৰতৰ প্ৰগতিবাদী জনসাধাৰণৰ কাষৰ পৰা এজন বিৰাট প্ৰতিভাৱান আৰু লোকসংগীতৰ প্ৰতি সহানুভূতিশীল শিল্পী নাইকীয়া হৈ গ'ল। তেওঁক অনুসৰণ কৰি এই অভাৱ পূৰণৰ দায়িত্ব ৰ'ল ভৱিষ্যতৰ প্ৰগতিবাদী শিল্পীসকলৰ ওপৰত।★

★ শ্ৰীদিলীপ শৰ্মা সম্প্ৰতি 'আৱাহন'ৰ সম্পাদক, গণনাট্য সংঘৰ বিশিষ্টকৰ্মী, গায়ক আৰু গীতিকাৰ।

আঁতৰত থকা পৰিয়ালৰ মানুহজন

শৰৎ চন্দ্ৰ নেওগ

হেমাঙ্গদা অসমৰ পৰা দূৰত বা আঁতৰত আছিল যদিও তেখেত অসম বা বৃহত্তৰ অসমীয়া পৰিয়ালটোৰ এজন যেন হৈ আছিল। সেই আঁতৰত থকা পৰিয়ালৰ মানুহজনৰ ঘৰলৈ যিদিনা মই প্ৰথম যাওঁ, সেই দিনাই মোৰ মনত এক প্ৰচণ্ড অনুশোচনাৰ সৃষ্টি হৈছিল। ঘটনা বুলিবলৈ একোৱেই নাছিল যদিও সিয়েই মোৰ বাবে এটা ঘটনা হৈ ৰ'ল। মোৰ লগত গৈছিল মোৰ মোমাইদেউ। মোৰ যোৱাৰ উদ্দেশ্যৰ লগত তেওঁৰ কোনো সম্বন্ধ নাছিল যদিও হেমাঙ্গদাক তেওঁৰো দেখা কৰাৰ ইচ্ছা আছিল। দুয়ো গৈ পুৱা ১০ মান বজাত কলিকতাৰ নাকতলাৰ তেখেতৰ ঘৰ "জিৰণি" ৰ দুৱাৰত টোকৰ দিলোগৈ। এজনী ছোৱালী ওলাই আহি ভিতৰলৈ মাতি নি বহিবলৈ কৈ গুচি গ'ল। ঘৰটো একপ্ৰকাৰ সৰু আৰু সেই অনুযায়ী আমাক প্ৰথমে বহিবলৈ দিয়া কোঠাটোও ডাঙৰ নাছিল। কোঠাটোৰ এটা চুকৰ এটা সৰু আলমিৰাৰ ওপৰত এখন হাৰমনিয়াম, এজোৰ তবলা, কাষতে দোতাৰা এখন। আনটো চুকৰ আন এটা আলমিৰাত কিছুমান কিতাপ। হঠাৎ চকু গল অন্য পুথিৰ লগতে হেমাঙ্গদাৰ আন এখন সদ্য প্ৰকাশিত গীতৰ পুথি "হেমাঙ্গ বিশ্বাসেৰ গান।"

হেমাঙ্গদা ওলাই আহিল এখন লুঙী আৰু এটা ৰগা পঞ্জাবী চাৰ্ট পিন্ধি।

—"দাদা আপোনাৰ ভালনে?"

—মোৰ প্ৰশ্নলৈ বাট নেচাই অলপ তলকা মাৰি বৈ "আৰে, শৰৎ তুমি আহিলা" বুলি হাঁহি-হাঁহি কৰমৰ্দ্দন কৰিলে।

—"এওঁ কোন ?" —মই মোমাইদেউক চিনাকি কৰি দিলোঁ। মাত্ৰ সক-সুৰা দু-আষাৰমান কথা পাতিয়েই সুধিলে— "এতিয়া আহিলা ক'ৰ পৰা ?"

মই কলোঁ— "ঘৰৰ পৰা, মানে অসমৰ পৰা।"

—"মোলৈ কি আনিছা ?" অলপ অপ্ৰস্তুত হোৱা হেন দেখি পুনৰ হাঁহি-হাঁহিয়েই অলপ জোৰেৰে কলে—"অসমৰ পৰা মোলৈ কি আনিছা ?"

—সঁচা কথা কবলৈ গলে ঘৰৰ পৰা আহিবৰ সময়ত মায়ে মোক হেমাঙ্গদাক দিবলৈ এখন গামোছা লৈ আহিবলৈ কৈছিল। মোৰ উৰণীয়া মনটোত নোসোমাল। অলপ কিংকৰ্তব্যবিমূঢ় হৈ পৰিলোঁ। দুয়োজন। অসমৰ পৰা গৈছোঁ, এখন গামোছা নিয়া নাই। এক প্ৰবল অনুশোচনা। তাত ভাত খোৱাৰ ইচ্ছা নাছিল যদিও হেমাঙ্গদাৰ ইচ্ছা হ'ল যেতিয়া ৰক্ষা নাই। ভাত খাই ১ মান বজাত আমি থকা "আচাম হাউচ" লৈ ঘূৰি আহি কাষতে থকা এম্পৰিয়ামৰ কাপোৰবোৰ দেখি মনতে ভাব হ'ল ইয়াৰ পৰাই এখন গামোছা কিনি দি আহোগৈ নেকি। মোমাইদেৱে একপ্ৰকাৰ ধমকি দিয়েই কলে— "হেমাঙ্গদাই কি এখন গামোছাৰ কাৰণে মাতিছে নেকি ? ইয়াৰ পৰা এতিয়া কিনি দিয়াৰ ফল কি হব ? তোক সুধাই এৰিব ?' মোৰ চেতনা ঘূৰি আহিল। কি যে ভুল কৰিবলৈ ওলাইছিলোঁ।

তথাপিও কিয় জানো সেই সক ঘটনাটোৱেই মোক বাককৈয়ে পীড়িবলৈ ধৰিলে। ব্যক্তিগত কামত মই যোৱা নাছিলোঁ ; গৈছিলোঁ গণনাট্যৰ কামত। আৰু অসমত গণনাট্যৰ বাবেই কিয় অসমৰ সাংস্কৃতিক জীৱনলৈ হেমাঙ্গদাৰ যি অসীম ত্যাগ তাক কোনেই বা অস্বীকাৰ কৰিব পাৰে ? কিন্তু মৃত্যু পৰ্যন্ত আমি অসমীয়াই যোগ্য মৰম দিব নেজানিলোঁ। মোৰ সুদা হাত দুখন তাৰেই যেন প্ৰতীক।

হেমাঙ্গদাৰ লগত ঘনিষ্ঠতা বাঢ়ি যোৱাৰ লগে লগে মোৰ মনত ভাব হ'ল, যেন এজন গাধা ছাত্ৰৰ লগত এজন কাঢ়া শিক্ষকহে

সম্বন্ধ হৈছে। তাৰ কাৰণ হল ডেকাশক্তিৰ ওপৰত তেখেতৰ আছিল অভাৱনীয় বিশ্বাস। তেখেতৰ বাকীবোৰ কাম যেন এই ডেকাশক্তিয়েহে বলে পাৰিব। কিন্তু মোৰ ব্যক্তিগত অভিমত স্পষ্ট হৈ পৰিছিল যে বৃদ্ধ হেমাঙ্গদাৰ জোৰ তথাকথিত আজিৰ ডেকাশক্তিয়ে নেপায়। কাৰণ গাৰ বলেই শক্তি নহয়; আজিৰ শক্তি হ'ল— সুস্পষ্ট এটা ধাৰণা, প্ৰণালীবদ্ধ অনুশীলন আৰু ধাৰণাক কাৰ্যকৰী কৰিবলৈ এটা দায়বদ্ধ মনৰ অধিকাৰী। তেনে অৰ্থত হেমাঙ্গদা ডেকা। আজীৱন ডেকা। কিন্তু ডেকা ল'ৰা পালে তেখেতে বহুত দায়িত্ব সপি দিব বিচাৰে। ১৯৮৫ চনৰ এটা দিন। দিনটো আছিল চেপ্তেম্বৰ মাহৰ ২৯ তাৰিখ। আগ্ৰা চহৰৰ এখন হোটেল "গোবৰ্দ্ধন হোটেলৰ" ১০ নে ১১ নং কোঠাত হেমাঙ্গদাৰ লগত বহি আছোঁ মই আৰু শ্ৰীনগেন কাকতি। ১৯৫৮-৫৯ চনৰ পৰাই ক্ৰমান্বয়ে স্তিমিত হৈ অহা ভাৰতীয় গণনাট্য সংঘক পুনৰ জীয়াই তুলিবলৈ, নবম সৰ্ব্বভাৰতীয় সম্মিলন পাতিবলৈ বিতং আলোচনাৰ অৰ্থে আগ্ৰাত তেতিয়া আয়োজিত উক্ত অভিৱৰ্ত্তন থলিত হেমাঙ্গদাৰ লগত আলোচনা কৰিছোঁ। অসমত কেনেকৈ ব্যাপক হাৰত গঢ়ি তুলিব পাৰি। কথাৰ মাজত নগেনদাকো নিজৰ ফলীয়া কৰি মোক হেমাঙ্গদাই কলে— "আমিতো বুঢ়া হৈ আহিছোঁ, তুমিতো ইয়ং। তোমালোকৰ ওপৰতেই ভাৰষা। কৰাচোন কিবা। কিজানি দেখি যাবেঁই।' —এটা কথা কিন্তু ঠিক, দেখি যোৱা নোখোৱালৈ তেখেত ব্যস্ত নহলেও উত্তৰ পুৰুষৰ বাবে কিবা এটা এৰি যোৱাৰহে প্ৰয়াস আছিল অধিক। অসমত কেনে পন্থাৰে ঐক্যবদ্ধ কৰি আগবাঢ়িব পৰা যায় তাৰ বিতং আলোচনা চলিল। তেখেতে মত দিলে—"গুৱাহাটী শাখাই একমাত্ৰ পূৰ্ব্বৰ ধাৰাবাহিকতা ৰক্ষা কৰি আহিছে আৰু লগতে দুই এটা শাখাই।" কিন্তু সামগ্ৰিক ভাবে অসমত আগৰদৰে কৰ্মঠ কৰিবলৈ হলে সকলো একগোট হব লাগিব আৰু বিভিন্ন ঠাইত শাখা গঠন কৰিব লাগিব। কিছুমান পৰামৰ্শ দি এখন গোহাৰি পত্ৰও ছপা

কৰাৰ সিদ্ধান্ত ললে। গোহাৰি পত্ৰখন তেতিয়াই লেখিবলৈ কলে। মই কাগজ-কলম ললোঁ। হেমাঙ্গদাই কৈ গল— মই লেখি গলোঁ। আকৌ মোৰ হাতৰ পৰা লৈ এবাৰ নিজে পঢ়ি চালে— তাৰ পাছত নিজে চহী দিলে আৰু কাৰ কাৰ চহী লব লাগে এটা আভাষো দিলে। সেই মতে তাৰ পৰা আহি নগেনদাৰ উদ্যোগতে বছা বছা লোকৰ চহীবোৰ সংগ্ৰহ কৰা হল। গোহাৰিখনৰ মূল বিষয় আছিল অসমৰ বৰ্ত্তমান চুকে-কোণে সজীৱ-নিৰ্জীৱ যিমানবোৰ গণ-নাট্যৰ শাখা আছে, যিমানবোৰ প্ৰগতিবাদী চিন্তাৰ সাংস্কৃতিক সংগঠন, সংঘ আদি আছে, সকলোবোৰ একেলগ হৈ অসমৰ গণনাট্য সংঘক পুনৰ সঞ্জীৱিত কৰাৰ প্ৰচেষ্টা চলাব লাগে, আৰু প্ৰাথমিক ভাবে ডিব্ৰুগড়ত এখন অভিবৰ্দ্ধন পতাৰ যো-জা কৰিব লাগে। অৱশ্যে গোহাৰিখন অলপ সংযোজন কৰে নগেনদাই আৰু হেমাঙ্গদালৈ পাছত জনাই দিয়ে। মোলৈ এই বিষয়ে হেমাঙ্গদাই এদিন ২-১২-৮৫ তাৰিখে লেখিলে—

"মৰমৰ নেওগ,

ইতিমধ্যে মোৰ এখন চিঠি পাইছা ছাগৈ, আমাৰ মূল draft ৰ লগত আৰু সংযোজন প্ৰয়োজন আছিল। নগেনৰ চিঠিত সেই সংযোজনৰ কথা জানিবলৈ পাইছোঁ। ইয়াৰ বাবে মোক consult কৰাৰ কোনো দৰ্কাৰ নাই। শুভবুদ্ধি সম্পন্ন সকলো শিল্পীকেই বিশেষকৈ আমাৰ অতীতৰ IPTA শিল্পী সকলক approach কৰিব লাগিব। .... বিশেষকৈ মোৰ লগত যোগাযোগ ৰাখিবা সদায়।

অভিনন্দন

হেমাঙ্গদা"

যি কি নহওক, গণনাট্যক তেতিয়া পুনৰ গঢ়ি তোলাৰ ক্ষেত্ৰত (আগ্ৰাত) দেখিছিলোঁ—বৃদ্ধ আৰু ৰুগ্ন হেমাঙ্গদাৰ চকুত উজ্জ্বল দৃষ্টি। কিবা এটা কৰাৰ উচ্ছাস। হয়তো পুনৰ তেওঁৰ চকুত ভাঁহি উঠিছিল

অসমৰ ইমূৰৰ পৰা সিমূৰলৈ গণনাট্যৰ সংগঠনত গীত গাই ঘূৰি ফুৰাৰ দিনবোৰৰ ছবি, মঘাই ওজাৰ ছবি, জ্যোতি-বিষ্ণুৰ ছবি, ছাঁ নাটৰ দৃশ্যবোৰ, গীতবোৰ আৰু বহুতো। সেই দিনাই ৰাতি সাংস্কৃতিক অনুষ্ঠানত অতি উচ্ছাসেৰে হেমাঙ্গদাই হেজাৰ-হেজাৰ দৰ্শকৰ আগত গীত গাই অসমৰ কথা কলে। অসমতে সাংস্কৃতিক জীৱনৰ বহু সময় অতিবাহিত হোৱাৰ কথা ৰাইজক জনালে। দৰ্শকৰ আসনৰ পৰা আমি পুলকিত হৈ পৰিছিলোঁ,—গৌৰৱ অনুভৱ কৰিছিলোঁ।

তাৰ পাছৰে পৰা আৰু ৰক্ষা নাই। মাহে একোখনকৈ— কেতিয়াবা দুখনকৈও চিঠি তেখেতৰ পৰা আহিবলৈ ধৰিলে। এখন চিঠিৰ উত্তৰ নিদিলেও লেখে—"তোমাৰ কোনো খা-খবৰ নেপাই বৰ উদ্বিগ্ন হৈ পৰিছোঁ।" বেছিভাগ চিঠিৰ বিষয়বস্তু গণনাট্য সংঘৰ, লগতে অসমৰ ৰাজনৈতিক পৰিস্থিতিও আছিল অন্যতম। নতুন চৰকাৰ অসমত প্ৰতিষ্ঠা হোৱাৰ পাছৰ পৰিস্থিতিৰ বুজ লবলৈ তেখেত আছিল উদ্‌গ্ৰীৱ। একেধৰণৰে একাধিক চিঠি। ৫।২।৮৬ তাৰিখে দিয়া এখন চিঠিৰ প্ৰথম পেৰেগ্ৰাফটো পঢ়িলেই সকলোবোৰ অনুমান হব। তেখেতে উক্ত চিঠিত লিখিছিল।

মৰমৰ শৰৎ

মই লিখা আগৰ চিঠিখন পাইছা চাগে। তোমাৰ পৰা এটা report পাম বুলি আশা কৰিছিলোঁ। নতুন চৰকাৰ গঠনৰ পিছত অসমৰ পৰিস্থিতি কেৱল বাহ্যিক পৰিস্থিতি নহয়, মানসিক অৱস্থা কি এবাৰ জানিব বিচাৰোঁ। অসমীয়া আৰু অনা-অসমীয়া বিভিন্ন section ৰ চিন্তা চৰ্চ্চা কি প্ৰকাৰৰ?............ ইত্যাদি। সকলোবোৰ চিঠিৰ উত্তৰ হিচাবে প্ৰায়বোৰতে মই কেৱল সেই সময়ত বিভিন্ন ঠাইত প্ৰকাশ পোৱা মোৰ লেখা মেলাবোৰকে বাতৰি কাকতৰ পৰা কাটি কিম্বা আলোচনী আদিকে পঠাই দিছিলোঁ, নহলে দুকীয়াকৈ চিঠিৰে উত্তৰ দি জনাইছিলোঁ।

উল্লেখ কৰা ভাল হ'ব যে, আগ্ৰাত প্ৰস্তুত কৰা গোহাৰিখন প্ৰকাশত আনিবাৰ্যভাৱে পলম হোৱাৰ মাজতে এবাৰ তেখেতৰ খবলৈ যাব লগা হ'ল। গোহাৰিখন ছপা হোৱাত পলম হোৱাৰ বাবে তেতিয়া ধৰি লৈছিল কেইটামান মাত্ৰ টকাৰ অভাৱ বুলিহে। কাৰণ সংগঠনৰ অভিজ্ঞতা তেখেতৰ আছে। সেইদিনা হেমাঙ্গদাই ভিতৰৰ পৰা আনি মোৰ হাতত ১০০ টকা (এশ) টকা তুলি দি কলে—"তুমি কলিকতাৰ পৰা ঘূৰি গৈয়েই এই টকাৰে গোহাৰিখন ছপা কৰাই দিবা। পলম নকৰিবা। মোলৈ ২০/২৫ খনমান পঠাই দিবা। সেই দিনা কোনো মতেহে প্ৰতিশ্ৰুতি দি টকা কেইটা নোলোৱাকৈ আহিব পাৰিলোঁ। জীৱনৰ এই শেষ প্ৰান্তত থিয় হৈও তেখেতৰ মাজত দেখা পোৱা এই কৰ্ম প্ৰেৰণা, গণনাট্যৰ প্ৰতি অসীম আবেগত মই হতভম্ব নহৈ নোৱাৰিলোঁ। গণনাট্য সংঘক পুনৰ সঞ্জীৱিত কৰাৰ প্ৰচেষ্টাৰ মাজত আমাৰ দৰে বহু যুৱকৰ শক্তি যে তেখেতৰ বৃদ্ধ সৰু বুকুখনিত লুকাই আছে মই মৰ্মে-মৰ্মে উপলব্ধি কৰিলোঁ। কাঢ়া শিক্ষকজনলৈ সেয়েহে মোৰ অন্তিম দিনলৈ ভয় থাকি গ'ল।

তাৰ পাছত আহিল হায়দৰাবাদৰ নবম সৰ্ব্বভাৰতীয় অধিৱেশন। ২০ ৰ পৰা ২৪ নৱেম্বৰ ১৯৮৬। অসমৰ পৰা এটা শক্ত প্ৰতিনিধি দল গৈছিলোঁ। দলটোত আছিল—
চৈয়দ আব্দুল মালিক, কেশৱ মহন্ত, নগেন কাকতি, দিলীপ শৰ্মা, মই আৰু দুজনমান। লগত ডিব্ৰুগড়ৰ এটা সংস্কৃতিক দল গৈছিল— হাচান চৰিফ আহমদ আৰু মুনিন শেনচোৱাৰ নেতৃত্বত। হায়দৰাবাদৰ এখন কলেজৰ মুকলি পথাৰৰ মুকলি মঞ্চত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিলে হেমাঙ্গদাই কেইটামান গীতেৰে। তেতিয়া সন্ধ্যা হৈ আহিছিল, আৰু অলপ অলপ জাৰো লাগিছিল। ভাবিলে আচৰিত হ'ব লাগে— ৰুগ্ন, বৃদ্ধ, ক্ষীণকায় চেহেৰাৰ হেমাঙ্গদা মানুহজনৰ যি কণ্ঠ গীতৰ সময়ত ভাঁহি আহে, মানুহজন নেদেখিলে ৩০/৩৫ বছৰীয়া

যুৱক যেনহে অনুমান কৰিব পাৰি। সেইদিনা হেমাঙ্গদাই গালে আমেৰিকাৰ বিভিন্ন লোক-সংগীতৰ পৰা বুটলি আনি গোৱা সেই বিখ্যাত বাংলা গীতটি—

"নাম তাঁৰ ছিল জনহেনৰী
ছিল যেন জীৱন্ত ইঞ্জিন
হাতুৰিৰ তালে তালে গান গেয়ে শিস্ দিয়ে
খুশি মনে কাজ কৰে ৰাতদিন।"

আমেৰিকাৰ বিশ্ববিখ্যাত গায়ক পিট্ চিগাৰৰ বিশ্বখ্যাত "Where have all the flowers gone" গীতৰ বাংলা অনুবাদ গীতটিও তেওঁৰ কণ্ঠৰ পৰা মসৃন হৈ নিগৰি আহিল—

"ফুলগুলি কোথায় গেল
কত দিন কেটে গেল........।"

তাৰ পাছত আৰু এটা নে দুটা গাই শেষত গালে আমেৰিকাৰ বর্ণ-বিদ্বেষী নীতিৰ বিৰুদ্ধে আৰু কৃষ্ণাঙ্গ মানুহৰ নাগৰিক অধিকাৰৰ দাবীৰ আন্তর্জাতিক গীত— "We shall over come" এই গীতটো বাংলা, ইংৰাজী আৰু হিন্দীতো গালে। সেইদিনা মঞ্চত যেতিয়া শ-শ দর্শকৰ আগত উদ্দাত্ত কণ্ঠে অসমৰ কথাও গীতৰ মাজতে কলে, অসমৰ মাটিত তেখেতৰ জীৱনৰ এছোৱা মিহলি হৈ থকাৰ কথা যেতিয়া স্মৰণ কৰিলে, তেতিয়া বাৰে বাৰে মোৰ ভাব হৈছিল—আজি ভাৰতৰ যিঠাইতেই হেমাঙ্গদাই গীত নেগাৱক সকলোতে অসমৰ কথা কৈছে· অসমৰ লোকগীতৰ বর্ণাঢ্য সুৰৰ কথা কৈ ভাৰতৰ আন আন ৰাজ্যৰ ৰাইজৰ আগত কৈ ফুৰিছে, কিন্তু আমি অসমত সাহিত্য-সংস্কৃতিৰ জয়ঢোল পিটি থকাবোৰে কৰিছোঁ কি? আনকি কৰোঁতাজনৰো যথোচিত কৃতজ্ঞতা জনাবলৈ অপাৰগ (লজ্জাৰ বিষয়, অসমৰ সম্প্রীতি বিনষ্ট হোৱা যেন ভাব হলেই হেমাঙ্গদা দৌৰি যায় কলিকতাৰ পৰা গুৱাহাটীলৈ, বিমুখ হৈ ঘূৰি আহিব লাগে।)

মনত পৰিছে, এবাৰ তেখেতৰ ঘৰত গোৱালপৰীয়া লোকগীত

এটি গুণগুণাই গাইছে। গীতটি আগতেও মই শুনিছোঁ।–

"অ' মোৰ দান্তাল হাতীৰ মাহুতৰে

অ' মোৰ মাখ্‌না হাতীৰ মাহুতৰে

যেদিন মাহুত শিকাৰ যায় নাৰীৰ মন মোৰ ঝুৰিয়া ৰয়ৰে—"

অলপমান গুনগুনাই বৈ মোক সুধিলে—"ভাল লাগিছে?" মোৰ কিন্তু ভাল নেলাগিলেও ক'ত বেয়া লাগিল বা কিয় বেয়া লাগিছে আদি মন্তব্য দিবলৈ তেনেকৈ একোৱেই মচলা নাই। তাতে হেমাঙ্গদাৰ আগত?

সেয়েহে চমুকৈ কলোঁ।—"ভালেই লাগিছে।"

মই যে, এই ক্ষেত্ৰত বেলবুং তেখেতে ভালকৈয়ে জানে। সেয়েহে কলে—"যেতিয়ালৈকে অটব্য অৰণ্যৰ মাজত নিজৰ জীৱন বিপন্ন কৰি জীৱিকাৰ বাবে, নিজৰ পৰিয়ালৰ পোহ-পালৰ বাবে মাহুত বন্ধুৱে কেনেকৈ হাতী ধৰে, তাৰ মাজত মিশ্ৰিত হৈ থকা হাঁহি আৰু কান্দোনক তুমি নিজে এবাৰলৈও প্ৰত্যক্ষ নকৰা— কি বুজিবা এই লোকগীতৰ মৰ্ম!"

—হেমাঙ্গদাই কথাবোৰ যেনেকৈ কয়, তেতিয়াই আমাক ভৱাই তোলে যে লোকগীতৰ স্ৰষ্টা, দ্ৰষ্টা, গীতিকাৰ, গায়ক কোনো শিক্ষানুষ্ঠান, মঞ্চ, নতু কোনো ব্যক্তিবিশেষ নহয়। এই সকলোবোৰ হ'ল গ্ৰামীন জীৱনৰ স্বাভাৱিক মুকলি ক্ষেত্ৰখন। তেখেতৰ এখন পুথিতো এই কথা এনেকৈ লিখিছে—''গোৱালপাড়াৰ যে মাহুত বাঘবসতি জঙ্গলে জীৱন বিপন্ন কৰে জীৱিকাৰ তাগিদে বন্যহস্তীৰ পাল খুজেঁ বেড়ায়–আবাৰ বন্দী বন্য হস্তীকে একদিকে অঙ্কুশেৰ ঘা অন্যদিকে সুৰেলা মৰমী গানেৰ চামৰ বুলিয়ে যে বশ মানায় তাৰ জীবনেৰ একদিকে শৌৰ্যবীৰ্য অন্যদিকে দাৰিদ্ৰ্য ও ঘৰেৰ প্ৰিয়জনেৰ সঙ্গে চিৰন্তন বিৰহ সব মিলিয়ে সামগ্ৰিক জীৱনেৰ উপলব্ধি নাথাকিলে

কি সেই ভাওৱাইয়াৰ বেশটানা গোয়ালপড়ীয়া মাহুতেৰ গানেৰ সমজদাৰী সম্ভব ?”

“ব্ৰহ্মপুত্ৰেৰ ৰূপালী বালিচৰ, কাশফুলেৰ ঢেউ, পাহাড়তলী উপত্যকাৰ বুকেৰ সাতনৰীহাৰ, দিখৌ, দিশাং, ধনশিৰি, কপিলী নদীৰ প্ৰচ্ছদপটে মাঠেৰ ধানবোয়া যুবতীটি, কিংবা প্ৰাঙ্গণে তাঁতশালে নক্সা-বনা মেখেলা পৰা গ্ৰাম্য কিশোৰী মেয়েটিকে যদি ভালবাসতে না পাৰি তবে বিহুগীতেৰ পুৰো আস্বাদন কি কৰে পাবো !” (লোক-সংগীত সমীক্ষা : বাংলা ও আসাম : পৃষ্ঠা-৩)

হায়দৰাবাদৰ পৰা ঘূৰি আহিছোঁ বেলত একেলগে। মাজে মাজে দুই এটাৰ চিৰিয়াচ আলোচনাও চলে। তাৰ মাজতে হেমাঙ্গদাই মোক কলে—“তোমাৰ জ্যোতিপ্ৰসাদ কিতাপখনৰ বিষয়ে মই লিখিছোঁ। ভাল কিতাপ হৈছে। মইও এখন কিতাপ লিখিছোঁ, তাতে।’ —মনটো ভাল লাগি গৈছিল, —মোৰ কিতাপখনেও যে তেখেতক অলপ হলেও সহায় কৰিছে এই ভাবি। কিন্তু সেইবোৰ অপ্ৰকাশিত হৈয়ে বল। তেখেতৰ ৰচনাৱলী প্ৰকাশ কৰাৰ ব্যৱস্থা হলে নিশ্চয় এনে বহুত কথাই ওলাই পৰিব।

এদিন এখন চিঠি পালোঁ হেমাঙ্গদাৰ পৰা “জ্ঞানমালিনী” কিতাপখন বিচাৰিছে মোৰ পৰা। অৱশ্যে মোক আগতেও কৈছিল। লগতে “১৫ আগষ্টৰ আহ্বান” শীৰ্ষক ছাঁ নাটৰ সৰু পুস্তিকাখন। গণনাট্য সংঘৰ ছাঁ নাটৰ এই সৰু একমাত্ৰ পুথিখন নগেনদাৰ হাতৰ পৰা আনি মোৰ হাততেই মাত্ৰ আছেগৈ। দুদিনমানৰ পাছত গম পালোঁ, একেধৰণৰ চিঠি নগেনদালৈকো দিছে। তেখেতে বৰ জোৰকৈ খুজি পঠোৱাত পঠাবলৈ যা-জোগাৰ কৰি লওঁতেই নগেনদালৈ আন এখন বঙালী ভাষাতে দীঘল চিঠি দিলে হেমাঙ্গদাই। তেখেতে আমালৈ দিয়া চিঠিবোৰ সকলো অসমীয়াতেই দিয়ে। কিন্তু এইবাৰৰ ব্যতি-

ক্ৰমী চিঠিখনৰ গুৰুত্ব নগেনদাই অলপ বেলেগ ধৰণে দি কলে—"হেমাঙ্গদা আৰু বেছিদিন নেথাকিব।" —মনটো উগুল-থুগুল লাগিল। দুদিনমানৰ পাছত এটা সৰু খবৰ কলিকতাৰ এখন বাংলা কাকতত পঢ়িবলৈ পালোঁ।—"হেমাঙ্গ বিশ্বাস অসুস্থ।"

"প্রবীণ গণসংগীত শিল্পী হেমাঙ্গ বিশ্বাস এখন গুরুতর অসুস্থ। ফুসফুসের রোগ। তিনি ভর্ত্তি আছেন এস্. এস্. কে এম হাস্পাতালের ম্যাকেঞ্জি ওয়ার্ডের তিন নং কেবিনে তার চিকিৎসা করছেন ডাঃ এম-বি-চ্যাটার্জি। এছাড়া আরো কয়েকজন প্রবীণ ও প্রতিষ্ঠিত চিকিৎসক ও তাঁকে দেখেছেন।"

ৰাতিয়েই এখন দীঘল চিঠি লেখিলোঁ হেমাঙ্গদালৈ। পঢ়িব পৰা অৱস্থাত থাকিলে নিশ্চয় পঢ়িব পাৰিব। অন্য কথালৈ নহয় একান্ত তেখেতৰ মানসিক অৱস্থা—মনোবল অটুট ৰখাৰ কথালৈহে। জানোঁ সেইজন দৃঢ় মনোবলৰ অধিকাৰী লোকৰ মনত আমাৰ দৰে সাধাৰণ মানুহে মনলৈ একোৱেই বল আনিব নোৱাৰে, তথাপিতো লেখি পোষ্ট কৰিবলৈ লৈ যাওঁতেই খবৰ পালোঁ হেমাঙ্গদা আৰু নাই। কি এক মৰ্মান্তিক বাতৰি। অন্য বাতৰিৰ দৰে বিশ্বাস লগে লগেই হৈছিল। কেৱল ভাবিব পৰা নাছিলোঁ— তেখেতে ইমান সোনকালে আমাক এৰি থৈ যাব। অসমৰ লোক-সংগীতৰ কথা ভাৰতৰ আন মানুহৰ আগত বিলাই ফুৰোঁতা, অসমৰ সম্প্রীতি সুৰক্ষাৰ পিতৃ আৰু অভিভাৱক স্বৰূপ হেমাঙ্গদা ইমান সোনকালে আঁতৰি যাব! যিমানেই বেমাৰী নহওঁক, যিমানে বৃদ্ধ নহওঁক— মাত্ৰ জানিছিলোঁ হেমাঙ্গদা ইমান সোনকালে নমৰে। কেৱল ময়েই নহয়, যিজনে তেখেতক ওচৰৰ পৰা পাইছে, যিজনে অন্ততঃ তেখেতৰ উদ্দাত্ত কণ্ঠৰ গীত শুনিছে— অন্ততঃ তেওঁৰ বিশ্বাস হব যে, সেইকণ্ঠ ইমান সহজে ৰুদ্ধ হ'ব নোৱাৰে। কিন্তু হ'ল। আমাক মৰ্মান্তিক আঘাত দি তেওঁ

চিৰ দিনৰ কাৰণে আঁতৰি গ'ল। কুলখুৰাৰ কবিজন যেন নিজেই কুলখুৰা হ'ল। অসমৰ ভালেমান কাকতে আনকি তেওঁৰ বিয়োগ বাতৰিকে পৰিবেশন কৰাৰ আৱশ্যকতা অনুভৱ নকৰিলে। কাৰণ তেওঁ আছিল 'কমৰেড হেমাঙ্গদা'।

কিন্তু আমাৰ দৃঢ় বিশ্বাস যে তেওঁ নিজে কুলখুৰাক "শতশতিকাৰ" বিপ্লৱী শিল্পীৰূপে প্ৰতিপন্ন কৰি যোৱাৰ দৰে তেওঁ নিজেও যে ইতি-হাসৰ বুকুত 'শতশতিকাৰ' বিপ্লৱী শিল্পীৰূপে জীয়াই থাকিব সেই বিষয়ে এধানিমানো সন্দেহ নাই। ★

★ ডিব্ৰুগড়ৰ বৰবৰুৱাৰ শ্ৰীশৰৎ চন্দ্ৰ নেওগ বৰ্ত্তমান অসমৰ অন্যতম প্ৰগতিবাদী লেখক-সাহিত্যিক কবি।

আপোচহীনতাৰ আন এটা নাম হেমাঙ্গ বিশ্বাস

শ্রীবিবেক গুহ

দেবব্রত বিশ্বাস স্মৃতিৰক্ষা কমিটিৰ উদ্যোগত প্রতি বছৰেই দেবব্রত বিশ্বাসৰ জন্মদিনৰ দিনা একো একোটা অনুষ্ঠানৰ আয়োজন কৰা হয়। যোৱা বছৰ ২৩ আগষ্টৰ দিনা এই অনুষ্ঠানত হেমাঙ্গদাই হঠাৎ কৈ উঠিল, "বিবেক, অহা বছৰ তোমালোকে দুই বিশ্বাসৰ স্মৰণ সভা একেলগেই কৰিবা।" এই কথাষাৰ কাণত বৰকৈ বাজিছিল, কাৰণ ইমান সোনকালে কথাষাৰ ফলিয়াব বুলি কোনেও ভবা নাছিলোঁ। খুব বেছি দিন আগৰ কথা নহয়। ১৯৮০ চনত জৰ্জদাৰ বিয়োগ ঘটাত স্মৃতিৰক্ষা কমিটি গঠন হয়। সেই সূত্রেই এই অসামান্য মানুহ জনৰ লগত পৰিচয় ঘটে। এওঁ আছিল এই স্মৃতিৰক্ষা কমিটিৰ প্রতিষ্ঠাতা— সভাপতি, সুদীৰ্ঘ সাত বছৰ। কমিটিৰ সম্পাদক হিচাবে নানা কাজ-কামৰ সূত্রে ক্রমে ঘনিষ্ঠতা গঢ় লৈ উঠে। এজন সৰল-সহজ অথচ বিৰাট হৃদয়ৰ শিল্পীৰ সান্নিধ্য লাভ কৰি ধন্য হলোঁ। অকামিলা এটা মাত্র ফুচফুচ সত্বেও, অসুস্থ শৰীৰৰ, এই শিল্পী গৰাকীয়ে কি অনমনীয় চাৰিত্রিক দৃঢ়তাৰে সকলো প্রকাৰৰ বাধাকেই অতিক্রম কৰিছিল, দেখি কেৱল দেহ-মন পুলকিত হৈ উঠিছিল।

ঘৰলৈ যাতায়াত আৰম্ভ হ'ল, টুকুৰা টুকুৰা ঘটনাৰ মাজেদিয়ে চিনিলোঁ হেমাঙ্গদাক। প্রতিটো স্তৰতে হেমাঙ্গদাৰ গভীৰ জীৱনবোধৰ পৰিচয় পাই বিস্মিত হৈছিলোঁ। সংগ্রাম কি তাকো দেখিলোঁ, যিকোনো অৱস্থাত যিকোনো পৰিস্থিতিত কিদৰেপেই যে সংগ্রাম কৰা নাছিল। গভীৰ উদাত্ত কণ্ঠেৰে গান গাই বা লোকসংগীতত মিঠা মিঠা সুৰ বান্ধি তেওঁ যেনেকৈ অগণন জনতাক মাতাল কৰি তুলি-ছিল, তেনেকৈ গণনাট্যৰ কাৰণে শ শ গান ৰচনা কৰিছিল, সাধাৰণ

মানুহক স্বদেশপ্ৰেমত উদ্বুদ্ধ কৰি তুলিবলৈ। দেবব্ৰত বিশ্বাসৰ কণ্ঠত তেওঁৰ সেই বিখ্যাত গান 'মাউণ্টব্যাটন সাহেবও, তোমাৰ সাধেৰ ব্যাটন কাৰ হাতে থুইয়া গেলা ও' আজিও কাণত বাজে। এই গানটো হেমাঙ্গদাৰ নিজৰো অতি প্ৰিয় আছিল। মনত পৰে, ১৯৮০ চনৰ ২৫ বহাগৰ দিনা জৰ্জদাৰ ঘৰলৈ গৈ সাক্ষাৎকাৰ গ্ৰহণ কৰাৰ সময়ত হেমাঙ্গদাই নিজে এই গানটো গাই শুনাবলৈ জৰ্জদাক অনুৰোধ জনাইছিল।

নিজৰ গাওঁ মিৰাশী আৰু চহৰ হবিগঞ্জত স্কুলীয়া শিক্ষা সাং কৰি গৈ শ্ৰীহট্টৰ মুৰাৰিচাঁদ কলেজত উচ্চ শিক্ষাৰ কাৰণে যোগদান কৰিছিল। যোগদান কৰিলে সঁচা, কিন্তু শিক্ষা শেষ কৰাৰ আগতেই জঁপিয়াই পৰিল দেশৰ স্বাধীনতা আন্দোলনৰ মাজত। লগে লগে কাৰাবাস, নগাওঁ আৰু গুৱাহাটী জেলত। জেলত সঙ্গী সকলকো গান শিকাইছিল আৰু সঙ্গী সকলৰ পৰা নিজেও গান শিকিছিল। জমিদাৰৰ ঘৰত ওপজা সত্ত্বেও তেওঁৰ প্ৰাণৰ টান সামান্য সাধাৰণ মানুহৰ লগত মিলি যোৱাৰ কাৰণেহে, তেওঁলোকৰ লগত এক হৈ থিয় দিয়াৰ যে কি গভীৰ আগ্ৰহেই নাছিল! মনেৰে তেওঁ জেলৰ প্ৰতিকূলতাক জয় কৰিলে সচাঁ, শৰীৰে কিন্তু সহিব নোৱাৰিলে। তেওঁ ৰাজৰোগত আক্ৰান্ত হ'ল। বিনা চৰ্ত্তে মুক্তি লাভ কৰিলে। যাদবপুৰ যক্ষ্মা হস্পিতালত ভৰ্ত্তি হ'ল। অকণমান সুস্থ হোৱাৰ লগে লগে কমিউনিষ্ট আন্দোলনৰ টানত কিন্তু গৃহত্যাগ কৰিব লগাত পৰিল। পুনঃ যক্ষ্মাৰোগত শয্যাশায়ী হ'ল। এই বিষয়ে কিবা সুধিলে তেওঁ প্ৰায়েই হাঁহি মাৰি উৰাই দিছিল—কৈছিল মাথোঁ, "একো নহয়।" এইবাৰ কিছু সুস্থ হোৱাৰ লগে লগে জঁপিয়াই পৰিল কৃষক আন্দোলনৰ মাজত। লগত পালে খালেদ চৌধুৰী, নিৰ্মলেন্দু চৌধুৰী, কুলখুৰা, বৰেশ্বৰ ৰাভা প্ৰমুখ্যে আৰু বহুতক। সাধাৰণ মানুহৰ লগত মিলি কাম কৰোঁতে কৰোঁতে আপোনা আপুনি যেন তেওঁৰ তুলিকা

নিগৰি ওলাই আহিছিল তেওঁলোকৰেই জীৱনৰ গান। সেই কাৰণেই তেওঁ 'কাস্তেটাৰে দিও জোৰে শান'ৰ দৰে মন মাতাল কৰি তুলিব পৰা গান ৰচনা কৰিব পাৰিছিল।

হেমাঙ্গদা আছিল শ্ৰীহট্ট গণনাট্য সংঘৰ প্ৰতিষ্ঠাপক সম্পাদক, ভাৰত প্ৰগতিশীল লেখক সংঘৰো তেওঁ প্ৰতিষ্ঠাপক সদস্য আছিল। ফেছী বিৰোধী লেখক শিল্পী সংঘৰ লগত যোগ দিয়াৰ লগে লগে তেওঁৰ সুপৰিচয় ঘটিল বিজন ভট্টাচাৰ্য্য, জ্যোতিৰিন্দ্ৰ মৈত্ৰ, দেবব্ৰত বিশ্বাস আৰু আন বহুতো বিশিষ্ট শিল্পী সাহিত্যিকৰ লগত। অসমত গণনাট্য সংঘৰ প্ৰতিষ্ঠাৰ মূলত আছিল তেওঁ, অসম ৰাজ্য গণনাট্য সংঘৰ তেওঁ আছিল প্ৰতিষ্ঠাপক সম্পাদক আৰু জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰতিষ্ঠাপক সভাপতি। ভূপেন হাজৰিকা, বিষ্ণুৰাভা, ৰমেন বৰুৱা, অনিল দাস, মঘাই ওজা প্ৰমুখ্যে বিশিষ্টসকল আছিল তেওঁৰ সহকৰ্মী। অসমৰ ভাষা আন্দোলনেও তেওঁক আঁতৰাই ৰাখিব পৰা নাছিল। নিজৰ সৰ্ব্বশক্তিৰে তেওঁ জঁপিয়াই পৰিছিল বঙালী-অসমীয়াৰ মাজত সম্প্ৰীতি অটুট ৰখাৰ কাৰণে। পৰৱৰ্ত্তী কালতো এই বিষয়ে কিবা আলোচনাৰ সূত্ৰপাত হলেই তেওঁক অত্যন্ত বিচলিত হোৱা দেখিছিলোঁ। কি পৰিস্থিতিৰ মাজত দ্বন্দ্বৰ সূত্ৰপাত হৈছিল তাক ধৈৰ্যেৰে অনুসন্ধান কৰিবলৈ যত্নপৰ হৈছিল। তেওঁ কোনোকেই দোষাৰোপ নকৰিছিল। কেৱল এক অব্যক্ত যন্ত্ৰণাত তেওঁৰ মুখ-কোঁচ খাই যোৱাহে দেখিছিলোঁ।

হেমাঙ্গদাই যেনেকৈ গান ৰচনা কৰিছিল, সুৰ দিছিল আৰু গান গাইছিল, তেনেকৈ ফাকে ফাকে যথেষ্ট সংখ্যক পুথিও ৰচনা কৰিছিল, এখনৰ পিছত এখন নাটকৰ সঙ্গীতো পৰিচালনা কৰিছিল। নিজে যদিও ৰবীন্দ্ৰ সঙ্গীতৰ লগত যুক্ত নাছিল, তথাপি শেষ বয়সত দেখিলোঁ জৰ্জদাৰ স্মৃতিৰক্ষাৰ্থে কত মূল্যবান সময়ে যে তেওঁ পাত কৰা নাছিল। দেবব্ৰত বিশ্বাসক কোনেও ৰবীন্দ্ৰ সঙ্গীত শিল্পী আখ্যা দিলে, এই সহজ সৰল মানুহজন যে কিদৰেই ক্ষুব্ধ হৈ

মুঠিছিল ! তেওঁ সজোৰে প্ৰতিবাদ কৰি কৈ উঠিছিল,-- "জৰ্জদা (অৰ্থাৎ দেবব্ৰত বিশ্বাস—অনুবাদক) একাধাৰে গণসংগীত শিল্পী এবং ৰবীন্দ্ৰসংগীত শিল্পী—ইয়াৰ কোনো এটা বাদ দিলে তেওঁৰ সঠিক মূল্যায়ন নহয় ।' কি অনুপম বিশ্লেষণ !

'জন হেনৰী' বা 'শঙ্খচিলেৰ গান'ৰ কাৰণে মানুহে যেনেকৈ হেমাঙ্গ বিশ্বাসক মনত ৰাখিব, তেনেকৈ এজন প্ৰত্যয়ী, দৃঢ়চেতা মানুহ হিচাবে, সদা-চলমান হাৰ নামানা সংগ্ৰামী হিচাবেও তেওঁক অৱশ্যে বহু দিনলৈ মনত ৰাখিব । প্ৰসঙ্গ ক্ৰমে এটা ঘটনা উল্লেখ কৰিব বিচাৰিছোঁ , কিছুদিন আগতে অৰ্থাৎ, তেওঁৰ মৃত্যুৰ আগে আগে উত্তৰ কলিকতাৰ এটা অনুষ্ঠানত তেওঁ গাবলৈ গৈছিল । তেওঁৰ গোৱাৰ সময় হৈ আহিছে, এনে সময়তে কোনোবা এজনৰ পৰা খুজি আনি তামোল (পান) এখন খালে । তামোলত যে জৰ্দা আছিল তালৈ মনেই কৰা নাছিল । ৰক্ষা ক'ত ? মূৰ ঘূৰাব ধৰিলে । ষ্টেজত গৈ থিয় দিয়া অসম্ভৱ হৈ পৰিল । এনে অৱস্থাত কোনো এজনে আনি অলপমান চেনি খাবলৈ দিলে । জানিবা কোনো ৰকমে নিজক চম্ভালি ললে আৰু বেচ আকৰ্ষণীয়কৈ গানো পৰিৱেশন কৰিলে । সকলো ব্যাপৰতেই আছিল হেমাঙ্গদা এনে নাছোড়বান্দা ।

সেয়ে সুদীৰ্ঘ কালযুৰি তেওঁক দেখি দেখি ধাৰণা হৈছে যেন আপোচহীনতাৰ আন এটা নাম হেমাঙ্গ বিশ্বাস । তেওঁৰ সাহিত্য, সংগীত আৰু ৰাজনৈতিক জীৱনৰ লগে লগে মানুহ হিচাবে হেমাঙ্গ বিশ্বাসৰ প্ৰকৃত আৰু সঠিক মূল্যায়ন কৰিলেহে এক মহান জাতীয় কৰ্ত্তব্য পালন কৰা হব । ১৯৮৭ চনৰ ২৩ নবেম্বৰৰ দিনা ৰাতিপুৱা সেই বিৰাট শোক যাত্ৰাত যেতিয়া গোৱা হৈছিল—'বাঁচবো, বাঁচবোৰে আমৰা.........' তেওঁৰেই গান, তেতিয়া সটাকৈয়ে ধাৰণা হৈছিল যে হেমাঙ্গদা এই কলিকতা, এই বাংলা এৰি বহু ওখ ঠাইলৈ গুচি গ'ল—য'ত নীচতা নাই, ধৰ্মান্ধতা নাই জাতিবৰ্ণ ভেদা-ভেদ নাই ।

আৰু আমি, অসাধাৰণ প্ৰতিভা আৰু অবিস্মৰণীয় ব্যক্তিত্বৰ অধি-কাৰী এই মানবদৰদী শিল্পীজনাৰ ৭৫ বছৰীয়া জীৱনত দুটাতকৈ বেছি কেছেট প্ৰকাশৰো ব্যৱস্থা কৰিব নোৱাৰিলোঁ। তাৰো প্ৰথমটো ৭২ বছৰ বয়সত। ভবিষ্যৎ পুৰুষৰ আগত ইয়াৰ কাৰণে আমি জবাবদিহি হ'ব লাগিব নেকি ! ★

★ কলিকতাৰ শ্ৰীবিবেক গুহ হেমাঙ্গ বিশ্বাসৰ অন্যতম ঘনিষ্ঠবন্ধু আৰু গণনাট্য আন্দোলনৰ প্ৰবীণ কৰ্মী।

গণনাট্য সংঘৰ সৰ্ব্ব-ভাৰতীয় পুনৰ জাগৰণ
আৰু
হেমাঙ্গ বিশ্বাস

শ্ৰীনগেন কাকতি

"দেশ বিভক্ত হোৱাত তেওঁৰ এখন হাওঁফাওঁক অকামিলা কৰিছিল আৰু আনখন কৰিছিল আই, পি, টি, এ আন্দোলনৰ বিভক্তিয়ে। যি দুৰ্বাৰ আশালৈ আই, পি, টি, এক পুনৰ জীৱিত কৰিবলৈ হেমাঙ্গ বিশ্বাসে আগ্ৰাৰ পৰা হায়দৰাবাদলৈ দৌৰিছে সেই তিনিভাগৰ এভাগ হাওঁফাওঁৰ প্ৰেৰণা, উৎসাহ আৰু আবেগ কল্পনাতীত। যি জীৱনবোধ, যি আদৰ্শ, যি অনুপ্ৰেৰণাই হেমাঙ্গ বিশ্বাসক উদ্বুদ্ধ কৰি কমিউনিষ্ট কৰিছে— আজিৰ দিনত কৰবাত যেন কিবা এটাৰ অভাৱ দেখা গৈছে— মোটিভেছনৰ অভাৱ।" হেমাঙ্গ বিশ্বাসৰ স্মৰণ সভাত সভাপতিৰ আসনৰ পৰা মাৰ্ক্সবাদী চিন্তাবিদ শ্ৰদ্ধেয় শ্ৰীহীৰেন মুখাৰ্জিয়ে কৰা এক অতি গুৰুত্বপূৰ্ণ মন্তব্যৰ অংশ।

হেমাঙ্গ বিশ্বাসৰ জীৱনবোধ আদৰ্শ আৰু অনুপ্ৰেৰণাৰ স্থল ভাৰতীয় গণনাট্য সংঘৰ (আই, পি, টি, এ) আন্দোলনৰ লগত এনে ওতঃপ্ৰোত ভাবে জড়িত হৈ আছে যে এটাক আনটোৰ পৰা পৃথক কৰা নাযায়। জীৱিত কালতেই তেওঁ তেনে এক প্ৰতিষ্ঠানত পৰিণত হৈছিল। শিল্পী গৰাকীৰ গণ-সংগীত-সৃষ্টিৰ সাধনাৰ ঘাই ভেঁটিটোৱেই আছিল দেশৰ অফুৰন্ত লোক-সংগীত আৰু লোক-সংস্কৃতি। তাৰ স্ৰষ্টাই হৈছে কৃষক জনগণ। ভৰ যৌৱনতে তেতিয়াৰ কমিউনিষ্ট পাৰ্টিৰ সদস্য হৈ কৃষক সংগ্ৰাম সমূহৰ লগত নিজক যুক্ত কৰে। লোক-সংস্কৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু ভালপোৱাই তাৰ স্ৰষ্টা খাটিখোৱা

মানুহৰ সংগ্ৰাম সমূহৰ প্ৰতি তেওঁক দায়বদ্ধ কৰে। যি কাৰণত তেওঁৰ চিন্তা-ভাৱনা কোনো বিশেষ দলীয় ৰাজনৈতিক মতাদৰ্শৰ পৰিধিৰ মাজত আবদ্ধ হৈ নাথাকিল।

সেয়ে আমি দেখিবলৈ পাইছোঁ যে ১৯৬৪ চনত ভাৰতৰ কমিউনিষ্ট আন্দোলনটো বিভক্ত হোৱাৰ পিচত তেওঁ কমিউনিষ্ট আদৰ্শৰ প্ৰতি থকা দায়বদ্ধতা আৰু আনুগত্য পৰিত্যাগ নকৰিএসময়ত আহি কোনো এটাও কমিউনিষ্ট দলৰ লগত তেওঁ যুক্ত হৈনাথাকিল।

গণনাট্য সংঘৰ আন্দোলনটোক প্ৰায় ২৮ বছৰৰ পিচত পুনৰ জীৱনদানৰ যি সৰ্বভাৰতীয় প্ৰচেষ্টা আৰম্ভ হ'ল তাত হেমাঙ্গ বিশ্বাসে এক অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অমূল্য অবদান আগবঢ়াই গৈছে। তাৰে তলত উল্লেখিত কেইটামান দিশহে দাঙি ধৰাৰ এক ক্ষুদ্ৰ প্ৰচেষ্টা ইয়াত কৰা হৈছে।

১৯৫৮ চনত দিল্লীত বহা ৮ম সম্মিলনেই সৰ্ব্বশেষ সৰ্ব্ব-ভাৰতীয় আৰু ১৯৫৯ চনত গুৱাহাটীত বহা ৪ৰ্থ ৰাজ্যিক সম্মিলনেই সৰ্বশেষ ৰাজ্যিক সম্মিলন আছিল। তাৰ পিচৰে পৰা যোৱা ২৮ বছৰে কোনো জাতীয় বা ৰাজ্যিক সম্মিলন অনুষ্ঠিত নহ'ল। আজিৰ পৰিবৰ্ত্তিত পৰিস্থিতি এটা সৰ্ব্ব-ভাৰতীয় সাংস্কৃতিক আন্দোলনৰ প্ৰয়োজনীয়তা আৰু আই, পি, টি, এক পুনৰ জীৱিত কৰাৰ কথাও আই, পি, টি, এৰ প্ৰৱীণ নবীন শিল্পী আৰু সাংস্কৃতিক কৰ্মীসকলে অন্তৰত পুহি ৰাখিছিল। ১৯৮৪ চনৰ চেপ্তেম্বৰ মাহত দিল্লীত আই, পি টি, এৰ প্ৰৱীণ কৰ্মীসকলৰ এখন সভা বহে, উদ্দেশ্য এখন জাতীয় অভিৱৰ্ত্তন আহ্বান কৰা। ১৯৮৫ চনৰ চেপ্তেম্বৰ মাহত আগ্ৰাত এই অভিৱৰ্ত্তন বহে। তাৰ আগতে তাত আলোচনাৰ্থে এখন খছড়া ঘোষণা পত্ৰ প্ৰচাৰ কৰাও হয়।

এনে পৰিস্থিতিত অসমত গণনাট্য সংঘৰ আন্দোলনৰ অন্যতম প্ৰতিষ্ঠাপক সম্পাদক হেমাঙ্গ বিশ্বাসৰ লগত এই বিষয়টো লৈ চিঠিপত্ৰৰে যোগাযোগ কৰোঁ। তেওঁ মোক সদায়ে অনুপ্ৰাণিত কৰি অহাৰ দৰেই এই বিষয়টোৰ ওপৰত তৎক্ষণাত সঁহাৰি জনায়।

২৪।৪।৮৫ তাৰিখে মোলৈ লিখা এখন চিঠিৰ পৰা আই, পি, টি, এক পুনৰ জীৱিত কৰাৰ প্ৰবল হেঁপাহৰ উমান পাইছিলোঁ। তেখেতে লিখিছে— "কেইদিনমান আগতে গুৱাহাটীৰ পৰা Re-direct কৰা এখন Cyclo কৰা appeal পালোঁ। তাত IPTA revive কৰাৰ বাবে পুৰণি All India IPTAৰ কেইগৰাকীমান শিল্পী আৰু সংগঠকৰ চহী থকা আবেদন এখন পালোঁ। তাত তোমাৰ নামও আছে। এই বিষয়ে তোমাৰ পৰা বিতংকৈ জনাৰ কাৰণে আজি তোমালৈ লিখিছোঁ। অসমৰ বৰ্ত্তমান পৰিস্থিতিত সদৌ অসম IPTAৰ পুৰণা কেজনমান নেতা ডিব্ৰুগড় বা আন কোনো ঠাইত মিলিত হৈ অসমত এটা পাৰ্টিনিৰপেক্ষ (তলৰ আঁচ হেমাঙ্গদাই নিজে দিয়া-ন কা.) প্ৰগতি সংস্কৃতিৰ সম্মিলন আহ্বানৰ প্ৰচেষ্টা চলোৱা উচিত বুলি মই ভাবোঁ।" বাওঁপন্থী পাৰ্টি কেইটাৰ প্ৰভাৱত চলি থকা IPTAৰ কথা উনুকিয়াই তাৰ পৰিধিৰ বাহিৰত থকা প্ৰগতিশীল শিল্পী আৰু সাংস্কৃতিক কৰ্মীক গণনাট্য সংঘত সমবেত কৰাৰ সন্দৰ্ভত তেখেতে লিখিছিল— ইয়াৰ বাহিৰেও Independent কিছু শিল্পী আছে। মই কিন্তু এতিয়া কোনো পাৰ্টিভুক্ত নহওঁ। কিন্তু কোনো পাৰ্টিভুক্ত নহলেও toiling massesৰ প্ৰতি মই loyal. আজি বিভিন্ন পাৰ্টিৰ সংকীৰ্ণ পৰিধিৰ বাহিৰে দুঃখকাৰী জনতাৰ সৰহ ভাগেই আছে। Minimum Programme লৈ আমি পাৰ্টি আৰু পাৰ্টিৰ বাহিৰত থকা প্ৰগতিশীল সংস্কৃতিবিদ সকলক গোট খুৱাব পাৰোঁ। এই বিষয়ে তুমি কি ভাবিছা মোক জানিবলৈ দিলে নথৈ সন্তোষ পাম।"

ইয়াৰ পিচতে আগ্ৰা অভিবৰ্ত্তনৰ উদ্দেশ্য আৰু লক্ষ্য সম্পৰ্কে বিতং কৈ জনাই তেখেতলৈ লেখিলোঁ।

লগে লগে এই কথাও তেখেতক জনালোঁ যে তেখেতৰ চিন্তাধাৰাই আগ্ৰাত IPTAৰ ভৱিষ্যত লক্ষ্য নীতি নিৰ্দ্ধাৰণ কৰাত যে অতীৱ সহায়ক হব আৰু তেখেতৰ উপস্থিতি যে একান্ত অপৰিহাৰ্য্য তাকো জনালোঁ। তেখেতৰ অতি দ্ৰুত সঁহাৰি'য় আমাৰ দুয়োকো

আকৌ আই. পি, টি, এ অসমত গঢ়াৰ পথত ওচৰ চপাই আনিলে। ১২।৯।৮৫ তাৰিখৰ চিঠিখনে মোক যথেষ্ট অনুপ্ৰেৰণা যোগালে। তেখেতে লিখিছে—“তোমাৰ চিঠিৰ উত্তৰ দিয়াত পলম হ'ল। তোমাৰ চিঠিৰ পৰা আৰু circularৰ পৰা আগ্ৰা National conferenceৰ বিষয়ে সকলো জানিছিলোঁ। ....বাৰ্দ্ধক্যৰ দুৰ্ব্বলতা সত্বেও যোৱাৰ প্ৰয়োজন উপলব্ধি কৰিছোঁ।”

আগ্ৰাত তেখেতক লগ পাবলৈ হেপাহঁৰে বাট চাই ৰলোঁ। ১৯৮৫ চনৰ চেপ্তেম্বৰ মাহৰ ২৭ তাৰিখৰ পৰা ৩০ লৈকে আগ্ৰাত আই, পি, টি, এ ক সৰ্ব্বভাৰতীয় আৰু অসমত পুনৰ জীৱনদানৰ বিষয়ে বিশদ আলোচনা কৰিলোঁ। আগ্ৰা অভিবৰ্ত্তনত ডিব্ৰুগড়ৰ পৰা মোৰ বাহিৰেও এজন উদীয়মান কবি আৰু সাংস্কৃতিক কৰ্মী শ্ৰীশৰৎ চন্দ্ৰ নেওগ আৰু সৰু এটা গীতৰ স্কোৱাদএ যোগদান কৰিছিল। অসমত IPTAৰ পঞ্চম ৰাজ্যিক সন্মিলন পতাৰ লক্ষ্য সমুখত ৰাখি ডিব্ৰুগড়ত এখন ৰাজ্যিক অভিৱৰ্ত্তন পতাৰ আহ্বান জনাই এখন আবেদন হেমাঙ্গ বিশ্বাসৰ লগত আলোচনা কৰি প্ৰস্তুত কৰোহঁক। সেইখনত হেমাঙ্গ বিশ্বাসে প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক, গণনাট্য সংঘ, অসম হিচাবে প্ৰথমেই স্বাক্ষৰদান কৰে। পৰবৰ্ত্তী কালছোৱাত এই আবেদনত কবি গীতিকাৰ কেশৱ মহন্ত, সংগীত শিল্পী দিলীপ শৰ্মা, মঞ্চশিল্পী অনিল দাস, কবি হীৰেন ভট্টাচাৰ্য, গীতিকাৰ গায়ক সূৰ্য্য ভাগৱতী, কণ্ঠশিল্পী নিকুঞ্জলতা মহন্ত আৰু গীতিকাৰ গায়ক আলাউদ্দিন চৰকাৰ আদি প্ৰবীণ-নবীন ভাৰতীয় গণনাট্য সংঘৰ শিল্পীসকলৰ স্বাক্ষৰ সহবহুল প্ৰচাৰৰ ব্যৱস্থা কৰা হয়।

আগ্ৰা অভিৱৰ্ত্তনত নৃত্য-গীতৰ যি আলোচনা চক্ৰ আছিল তাত হেমাঙ্গ বিশ্বাসে People's Music : A few questions ওপৰত এটা গুৰুত্বপূৰ্ণ আলোচনা দাঙি ধৰি লোক-সঙ্গীত,, শাস্ত্ৰীয়

সংগীতৰ ওপৰত ভৰদি আই, পি, টি, এ ই কেনেকৈ ভাৰতত এক গণসংগীতৰ ধাৰা বোৱাই আনিলে আৰু এই গণ-সংগীতৰ ধাৰাৰ ভৱিষ্যত সম্পৰ্কে এক তথ্য আৰু তত্বগধুৰ আলোচনা আগবঢ়ায়। অভিৱৰ্ত্তনত দাখিল কৰা আনখন আলোচ্য পত্ৰ (Paper) আছিল—Note on IPTA Convention। হেমাঙ্গ বিশ্বাস আৰু গণনাট্য সংঘক এই আশীৰ দশকত বুজিবলৈ তেখেতৰ চিন্তাধাৰাৰ বহুতো মূল্যবান কথা ইয়াত আমি পাম বুলি মোৰ ধাৰণা হয়। এই প্ৰবন্ধৰ (Paper) কিছুমান গুৰুত্বপূৰ্ণ অংশ ইংৰাজীৰ পৰা অনুবাদ কৰি তলত দিয়া হ'ল—

"আই, পি, টি, এ ক পুনৰ উদজীৱিত কৰাৰ প্ৰচেষ্টাটো মোৰ কাৰণে এক অতি ডাঙৰ খবৰ। যদিও মই এতিয়াও গীত-ৰচনা কৰিছোঁ, মোৰ "মাছ চিংগাৰছ" (Mass Singers) নামৰ স্কোৱাদটোৰ লগত গাইছোঁ। তথাপি মই প্ৰায়ে অনুভৱ কৰোঁ মই যেন ধ্বংসপ্ৰাপ্ত এখন জাহাজৰ জীয়াই থকা মহাসমুদ্ৰৰ মাজত একেবাৰে অকলশৰীয়া নাবিক-বেদনা মিহলি এক হেঁপাহেৰে গণনাট্য আন্দোলনৰ এৰি অহা দিনবোৰৰ প্ৰতীক্ষাত কাল কটাইছোঁ।"

আন এঠাইত লিখিছে-'দেশেই আমাৰ নাটঘৰ ৰাইজেই ভাৱৰীয়া (People's Theatre Stars the people) মন্ত্ৰেৰে দীক্ষিত হৈ প্ৰায় ছকুৰি বছৰ পূৰ্ব্বতে আমি এক গণনাট্য গঢ়ি তোলাৰ সংকল্প লৈছিলো। গণনাট্য সংঘৰ আন্দোলনৰ ইতিহাস ৰচোঁতা সকলৰ কিছু সংখ্যকে এই আন্দোলনটোক এক মাৰ্ক্সবাদী সাংস্কৃতিক আন্দোলন হিচাপে আমাক পতিয়ন নিয়াবলৈ চেষ্টা কৰিলেও ই তেনে নাছিল্। সন্দেহ নাই যে মাৰ্ক্সবাদী সকলে প্ৰাথমিক পৰ্য্যায়ত উদ্যোগ গ্ৰহণ কৰিলেও ই আছিল বহল ভিত্তিত গণতান্ত্ৰিক সাংস্কৃতিক সংগঠন। ইয়াত সাংস্কৃতিক জগতৰ এক বৃজন সংখ্যক মহান শিল্পীয়ে অংশ গ্ৰহণ কৰিছিল। যিসকল মাৰ্ক্সবাদী নাছিল নাইবা কোনো ৰাজনৈতিক দলৰ

প্ৰতি আনুগত্য নাছিল !”

আকৌ আন এঠাইত গণনাট্য সংঘৰ যে আজি সকলোতকৈ বেছি প্ৰয়োজন ব্যাপকতম ঐক্যবদ্ধ সাংস্কৃতিক মোৰ্চ্চা— দেশৰ সকলোতে সৰ্ব্বস্তৰত এক ঐক্যবদ্ধ ব্যাপক ভিত্তিত প্ৰগতিশীল সাংস্কৃতিক আন্দোলন গঢ়ি তোলা-তাৰ ওপৰত বিশেষ জোৰ দিছে। এই সন্দৰ্ভত হেমাঙ্গ বিশ্বাসে উক্ত আলোচনাতে এনে ধৰণে দাঙি ধৰিছে—“আমাৰ কাম যে কঠিন হব মই জানোঁ, যদি অতীতৰ পৰা আমি শিক্ষালাভ কৰোঁ, সংকীৰ্ণ দৃষ্টি ভঙ্গীৰ বিৰুদ্ধে সতৰ্ক হওঁ আৰু কলাৰ বিভিন্ন ধ্যান ধাৰণাৰ ক্ষেত্ৰত থকা ধাৰাসমূহৰ (হেমাঙ্গ বিশ্বাসে প্ৰগতিশীল ধাৰাসমূহৰ কথাই কৈছে- লেখক) একেলগে অৱস্থান কৰাটোত সন্মত হওঁ তেন্তে পৰ্য্যায়ক্ৰমে আমি আগবাঢ়িব পাৰিম। সেই সুদূৰ অতীত ১৯৪৫ চনতে তেতিয়াৰ সভাপতি এন, এম, জোশী আৰু তেতিয়াৰ সাধাৰণ সম্পাদক খাজা আহমেদ আব্বাচৰ দ্বাৰা স্বাক্ষৰিত যি প্ৰস্তাব গ্ৰহণ কৰা হৈছিল সি আজিও প্ৰাসংগিক। উক্ত প্ৰস্তাৱৰ পৰা মই কিছু উদ্ধৃতি দিব বিচাৰিছোঁ।”

এই খিনিতে হেমাঙ্গ বিশ্বাসে ১৯৪৫ চনত গৃহীত প্ৰস্তাৱৰ পৰা তলত দিয়া অংশ এটাৰ উদ্ধৃতি দিছে—

“সংগঠন হিচাপে আমি কোনো পাৰ্টিৰ ওচৰত দায়বদ্ধ নহয়, আমি আমাৰ দেশৰ জনসাধাৰণৰ ওচৰতেই দায়বদ্ধ। যি কোনো এটা বিশেষ, সংগঠন অথবা ৰাজনৈতিক পাৰ্টিৰ মতামত প্ৰচাৰাৰ্থে আই, পি, টি, এ মঞ্চ হব নোৱাৰে। কিন্তু IPTAৰ সদস্য হিচাবে থাকিও তেওঁলোকে যি কোনো ৰাজনৈতিক কাম-কাজ কৰিব পাৰে। কিন্তু আই, পি, টি, এ ৰ সদস্য হিচাবে আই, পি, টি, এ ৰ লক্ষ্য উদ্দেশ্য আৰু ইয়াৰ সংবিধান মানি চলিবই লাগিব। গণনাট্যই সকলোৰে প্ৰতি এক গণতান্ত্ৰিক দৃষ্টিভঙ্গী ৰাখিব লাগিব।”

আগ্ৰা অভিৱৰ্ত্তনত নৱম জাতীয় সন্মিলনৰ কাৰণে এখন প্ৰস্তুতি সমিতিও নিৰ্ব্বাচন কৰা হল, লগতে গ্ৰহণ কৰা হয় এখন ঘোষণাপত্ৰ।

হেমাঙ্গ বিশ্বাস জাতীয় সমিতিলৈ অন্যতম সহঃ সভাপতি ৰূপে নিৰ্বাচিত হয়। আগ্ৰা অভিবৰ্দ্ধনৰ সফল সমাপ্তিৰ পিচত অসমত গণনাট্য সংঘক পুনৰ গঠন কৰাৰ কাৰণে হেমাঙ্গ বিশ্বাসৰ ঔৎসুক্য আৰু হেঁপাহৰ অন্ত নাছিল, যদিও বয়স আৰু স্বাস্থ্যই কামত আগবঢ়াত তেখেতক বাৰে বাৰে বাধা দিছিল। তেখেতে লিখিছে, আগ্ৰাত ডাঙৰ পদক্ষেপ এটা আমি দিলোঁ। এতিয়া আগবাঢ়ি যোৱাৰ সমস্যা। আগবাঢ়িবলৈ হলে অসমৰ কঠিন পৰিস্থিতিৰ কথা মনত ৰাখিব লাগিব। আৰু তাৰ পৰিপ্ৰেক্ষিতত আমাৰ প্ৰস্তুতি চলাব লাগিব।

প্ৰথম কথা অসমত গণনাট্য অতীতৰ ঐতিহ্য বহন কৰি টুকুৰা টুকুৰ ৰূপত জীয়াই আছে। বিশেষ ক্লাব বা বিশেষ শিল্পী গোষ্ঠীয়েও গণনাট্যৰ ঐতিহ্যৰ চাকি জ্বলাই ৰাখিছে।" কিন্তু তেখেতে অতি বেদনাৰে সৈতে লক্ষ্য কৰিছিল, তাৰ মাজত পাৰ্টিৰ বিভাজন আমাৰ বাটৰ এক ডাঙৰ হেঙাৰ। এই হেঙাৰ আমি অতিক্ৰম কৰিবই লাগিব। আমাৰ appeal সকলো বাওঁপন্থী আৰু প্ৰগতিবাদী শিল্পী লৈ।"

চল্লিছ পঞ্চাছৰ দশকত অসমত গণনাট্য সংঘ গঢ়াৰ সময়ৰ দৰে এই আশীৰ দশকৰ হেমাঙ্গ বিশ্বাসৰ অন্তিমৰ কালছোৱাত গণনাট্য সংঘ পুনৰ গঠনৰ আকাঙ্ক্ষাৰে পুনৰ উদ্দীপ্ত, কৰ্মতৎপৰ আৰু সচেতন হৈ উঠা অনুভৱ কৰিছিলোঁ। অসমত ঐক্যবদ্ধ গণনাট্য সংঘ গঢ়ি তোলাৰ অৰ্থে যে তেওঁৰ কি সুগভীৰ হেঁপাহেই নাছিল। তেওঁ চিঠিত লিখিছিল, "আমি বিচাৰোঁ সকলো প্ৰগতিশীল শিল্পীৰ মিলিত গণনাট্য। ইয়াত কোনো factionalism নাই। অসমৰ বৰ্ত্তমান পৰিস্থিতিত ইয়াৰ বিকল্প নাই।........আমি বিচাৰোঁ re-united democratic cultural forum........বুঢ়া হলোঁ। ক্ৰমশঃ অচলহৈ পৰিছোঁ। তথাপি শেষবাৰৰ বাবে অসমলৈ গৈ IPTA re-organise কৰাৰ হেঁপাহ অপৰিসীম।"

ভাৰতীয় গণনাট্য সংঘৰ আগ্ৰা অভিবৰ্ত্তনৰ পিচত ১৯৮৬ চনৰ নবেম্বৰ মাহত অন্ধ্ৰ প্ৰদেশৰ হায়দৰাবাদ মহানগৰীত অনুষ্ঠিত নৱম জাতীয় সম্মিলনখনক হেমাঙ্গ বিশ্বাসে অতি গুৰুত্ব দিছিল। তেখেতে এখন চিঠিত লিখিছে—"............ অহা নবেম্বৰত হায়দৰাবাদত I P T A Congress হব বুলি থিৰাং কৰা হৈছে। Circular নিশ্চয় পাবা। এতিয়া মোৰ লগত তুমি regular contact ৰখা অতি জৰুৰী।"

এহাতে তেওঁৰ চিৰসঙ্গী ঘূণীয়া হাওঁফাওঁ আৰু বয়সৰ বাধা আনহাতে তাক অতিক্ৰম কৰি আগুৱাই যোৱাৰ কি প্ৰবল ধাউতি হেমাঙ্গ বিশ্বাসৰ অন্তিম বছৰ কেইটাত লক্ষ্য কৰিছিলোঁ। সি সঁচাকৈয়ে কল্পনাতীত। হায়দৰাবাদৰ উদ্বোধনীত পৰিবেশন কৰা হেমাঙ্গ বিশ্বাসৰ গণসংগীত সকলোৰে মনত চিৰস্মৰণীয় হৈ ৰব। সেই ঘূণীয়া, অকামিলা হাওঁফাওঁ কিখনৰেই হাতত দুতাৰাখনলৈ মুকলি মঞ্চত পূৰ্ব্ব-বংগৰ লোক সংগীতৰ আধাৰত ৰচিত তেখেতৰ বলিষ্ঠ গণসংগীতে হেজাৰ হেজাৰ তেলেগুভাষী শ্ৰোতাৰ হৃদয়ত শিহৰণ তুলিবলৈ সক্ষম হৈছিল। নানান ধৰণৰ আধুনিক যন্ত্ৰ সংগীতৰ সহায়েৰে যেতিয়া আন আন গীত সমূহ পৰিবেশন কৰা হৈছিল মাত্ৰ কণ্ঠ আৰু কথাৰ বলিষ্ঠ মাটিৰ গোন্ধ থকা সুৰে শ্ৰমজীৱী তেলেগু শ্ৰোতাৰ মন জয় কৰাটোৱেই স্বাভাৱিক। পিচদিনা দক্ষিণ-ভাৰতৰ সংবাদ-পত্ৰত প্ৰকাশিত হয়— "Hemango Biswas thrilled the audience by sheer strength of his vocal chord."

হায়দৰাবাদৰ নৱম ভাৰতীয় সম্মিলনৰ ঠিক আগে আগে ১৯৮৬ চনৰ অক্টোবৰ মাহত ডিব্ৰুগড়ত ৰাজ্যিক অভিবৰ্ত্তনৰ প্ৰস্তুতি চলিছিল সেই সময়ত হেমাঙ্গ বিশ্বাসৰ মন আৰু হৃদয় আছিল অসমৰ বুকুত। সেই সময়ত তেখেতে লিখিছিল "মোৰ লৰালিৰ উপবন (১৯২৭-২৮ চনত হেমাঙ্গ বিশ্বাসে ডিব্ৰুগড়ত থাকি তেতিয়াৰ জৰ্জ্জ স্কুলত পঢ়িছিল, লেখক) ডিব্ৰুগড়লৈ যাম। ৰাজ্য IPTA ৰ পুনৰ জীৱনৰ সূত্ৰপাত

কৰিবলৈ অতি হেঁপাঁহেৰে দিন গুনিছিলোঁ। কিন্তু অসুস্থতাৰ কাৰণে নোৱাৰিলোঁ। । প্ৰতিনিধিসকলৈ মোৰ অন্তৰসনা অভিনন্দন"। আন এখন চিঠিত তেখেতে আকৌ লিখিছে—"মোৰ চকুৰ আগত তোমাৰ শেষ চিঠি ৯-১০-৮৬ তাৰিখ। তাত বিতংকৈ সকলো লিখিছা। মোৰ মন উক উক। কিন্তু অতি হেঁপাহেৰে যি আশা বুকুত পুহিছিলোঁ। তাক পূৰণ কৰিব নোৱাৰিলোঁ। ....বয়সৰ হেঁচাত মোৰ iniciative আৰু energy স্তিমিত হৈ আহিছে। আকৌ ১৮ নবেম্বৰত ইয়াৰ Delegationৰ লগত হায়দৰাবাদলৈ ৰাওনা হব লাগিব। এই দুটাৰ মাজত এটা বাছি ললোঁ। National Conferenceক Preference দিলোঁ। যদিও মোৰ ওচৰত এই Convention ৰ (ডিব্ৰুগড় কনভেছন, লেখক) গুৰুত্ব কম নহয়, ডিব্ৰুগড়ে icebreaker হোৱাৰ গৌৰব অৰ্জন কৰিব।"

ডিব্ৰুগড়ৰ ৰাজ্যিক অভিৱৰ্ত্তনে অসমত গণনাট্য সংঘক ৰাজ্যিক স্তৰত পুনৰ উদ্‌জীৱিত আৰু নতুন দৃষ্টিভংগীৰে পুনৰ সংগঠন কৰাৰ যি প্ৰথম পদক্ষেপটো আগবঢ়ালে তাৰ খবৰ পাই আৰু অসমত তেখেতে চিন্তা কৰা ধৰণে গণনাট্য সংঘই আগবঢ়াৰ চেষ্টা কৰা শুনি হেমাঙ্গ বিশ্বাস কিমান যে অভিভূত হৈ পৰিছিল। মোলৈ ১১।১১।৮৬ তাৰিখে লিখা চিঠিৰ পৰা বুজিব পাৰি— 'কি অসীম উৎকণ্ঠায় আমি বসেছিলাম। তোমাৰ চিঠিতে ডিব্ৰুগড় অভিৱৰ্ত্তনে খবৰ পড়ে এই বুড়ো বয়সে আমি নেচেছি। তোমাৰ চিঠিটাকে চুমু খেয়েছি। এবাৰ হায়দৰাবাদেৰ প্ৰস্তুতি জোৰ কদম চালাও।"

এনে ধৰণৰেই আছিল হেমাঙ্গ বিশ্বাসৰ লগত গণনাট্য সংঘৰ সম্পৰ্ক। গণনাট্য সংঘৰ আন্দোলন আছিল হেমাঙ্গ বিশ্বাসৰ প্ৰাণৰো প্ৰাণ। ইটোৰ পৰা সিটোক আজুৰি পৃথক কৰিব নোৱাৰি।

আই, পি, টি, এ ৰ হায়দৰাবাদ সন্মিলনৰ সভাপতি মণ্ডলীৰ অন্যতম সভাপতি হিচাবে হেমাঙ্গ বিশ্বাসক নিৰ্ব্বাচিত কৰা হ'ল। সংগীতৰ ওপৰত হোৱা আলোচনা চক্ৰত প্ৰধান আলোচক। এই

সংগীত ছেমিনাৰত অসমৰ সংগীত শিল্পী দীলিপ শৰ্ম্মা আৰু গীতিকাৰ কবি কেশৱ মহন্তই প্ৰধান সাংস্কৃতিক সমাৰোহৰ মুকলি মঞ্চত গীত পৰিবেশন কৰে। সন্মিলনৰ গুৰুত্বপূৰ্ণ প্ৰায়খিনি কাৰ্য-সূচীত অংশ লোৱা হেমাঙ্গ বিশ্বাসৰ উপস্থিতি আৰু পৰামৰ্শ সকলোৱে গুৰুত্ব সহকাৰে উপলব্ধি আৰু বিবেচনা কৰাটোও দেখা পোৱা গৈছিল। তেখেতে বিষয়বস্তুৰ শিল্পায়নত উচ্চমান বিশিষ্ট উপস্থাপনাৰ ওপৰত বৰ জোৰ দিছিল। গণনাট্য সংঘৰ প্ৰ.তটো কাৰ্য্য-সূচী উচ্চমান বিশিষ্ট হোৱাটো লগে লগে চৌখীন শিল্পীদলৰ মনোবৃত্তি আৰু দৃষ্টিভঙ্গী এৰি গণনাট্যৰ শিল্পীয়ে পেশাদাৰী শিল্পীৰ শৈল্পিক মানদণ্ড বিশিষ্ট হোৱাটো বিচাৰিছিল। গণনাট্য সংঘৰ শিল্পীৰ উৎসৰ্গীকৃত আৰু জনসাধাৰণৰ ওচৰত দায়বদ্ধ শিল্পসাধনাৰ কঠোৰ অনুশীলনৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিছিল। লোক-নৃত্য, গীতৰ অথবা যিকোনো গণ-সংগীতৰ যথেষ্ট গভীৰ উপলব্ধি আৰু অনুশীলন অবিহনে "কোনোৰকম চলি চলি যাব" ধৰণৰ উপস্থাপন গণনাট্য সংঘৰ মঞ্চত কোনো দিনে সহ্য কৰা নাছিল। তাৰ এক প্ৰমাণ এইবাৰ আকৌ হায়দৰাবাদৰ সন্মিলনৰ মুকলি মঞ্চত আই, পি, টি, এ ৰ এজন অতি পুৰণা প্ৰবীণ শিল্পী জেছস্পিটাৰএ দিয়া খাছিনৃত্যৰ বেলিকা লক্ষ্য কৰিছিলোঁ।

হায়দৰাবাদ মহাসন্মিলনৰ মুকলি মঞ্চত। প্ৰতিদিন সন্ধিয়া ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা যোৱা সাংস্কৃতিক দলবোৰে প্ৰগ্ৰেম দিছে। ইতিমধ্যে এই দলবোৰে নিজ নিজ ৰাজ্যত হেজাৰ হেজাৰ দৰ্শক শ্ৰোতাৰ আগত তেওঁলোকৰ প্ৰগ্ৰেম দেখুৱাই হায়দৰাবাদত উপস্থিত হৈছে। ইমান কম সময়ৰ ভিতৰত সকলোকে সন্তুষ্ট কৰাটো সম্ভৱ নহয়। প্ৰগ্ৰেম কমিটি বিপাঙত পৰিছে। হেমাঙ্গ বিশ্বাস আছে প্ৰগ্ৰেম কমিটিত। অসমৰ দলটোত আই, পি, টি, এ ৰ প্ৰবীণ শিল্পী জেছস্পিটাৰৰ সৰু স্কোৱাদ এটাও গৈছে। তেওঁৰ নিজৰ লৰা ছুটা আৰু ছোৱালীজনীলৈয়ে স্কোৱাদ। তেওঁৰ এটা প্ৰগ্ৰেম দিবলৈ হেমাঙ্গদাক মই টানি অনুৰোধ জনালোঁ। কাৰণ সুদূৰ ছিলঙৰ পৰা গৈছে

আৰু জেছ্ আমাৰ পুৰণা শিল্পী। হেমাঙ্গ বিশ্বাসৰও অতি পুৰণা চিনাকী। হেমাঙ্গদা মান্তি হ'ল। কিন্তু ক'লে যে নৃত্য নহয়, গীত হব লাগে। জেছ ইফালে অধৈৰ্য্য হৈ পৰিছে। কাৰণ ইতিমধ্যে তেওঁ বহুতো আগৰে পৰা ডাঙৰ লৰা-ছোৱালীহালক পোছাকাদি পিন্ধাই সাজু কৰি থৈছে। অৱশেষত ইংৰাজীত ঘোষণা শুনা গল। মই দৌৰ মাৰি জেছ্‌ৰ দলটিক ষ্টেজৰ ভিতৰলৈ লৈ আহিলোঁ। তেওঁ কিন্তু কোনটো প্ৰগ্ৰেম দিব তেতিয়াও কব পৰা নাই। মাইকৰ সমুখত জেছ গীতাৰ লৈ থিয় হ'ল, কাষত তেওঁৰ সৰু ল'ৰাটো হাতত এটা ঢোল। আন ল'ৰা-ছোৱালীহাল খাছিয়া জাতীয় পোছাকত ষ্টেজত। পৰ্দ্দা উঠিল। জেছৰ গীটাৰৰ লগত গোৱা এটি সুন্দৰ গীতৰ লগত ল'ৰা-ছোৱালীহালে অতি বিলম্ব লয় আৰু গতিত লাহে লাহে ভৰি চালনা কৰি প্ৰকাণ্ড ষ্টেজটোত এমূৰৰ পৰা আনমূৰলৈ শৰীৰৰ বাকী অংশ লৰচৰ নকৰাকৈ অহা যোৱা কৰিছে। বোধ-কৰো জেছে খাছি জাতীয় নৃত্য "নংক্ৰেম"ৰ আহিৰে সেই নাচ দিবৰ চেষ্টা কৰিছিল। হেমাঙ্গদাৰ কাষত বহি মই উইংছৰ কাষৰ পৰা চাই আছিলোঁ। নাচটোত থকা আমনি লগা একেধৰণৰ ভংগীত দৰ্শক ভাগৰি পৰিব, কাৰণ গীতৰ কথাৰ এষাৰো শ্ৰোতাই বুজি নেপায়। হেমাঙ্গদাই মোক কলে —"এয়া খাচিয়াসকলৰ জাতীয় নৃত্য, ই এটা গ্ৰুপ নাচ। ১/১ এজনৰ কথা নহয়। অপূৰ্ব্ব এই নৃত্যক Misinterpret কৰাৰ অধিকাৰ আমাৰ নাই, মানুহে ভুল বুজিব, Stop him।" মোৰ বুকুৰ কঁপনি আৰম্ভ হ'ল। ইফালে হেজাৰ হেজাৰ দৰ্শকৰ হাতচাপৰিৰ শব্দ শুনিলোঁ। ইনো কিহৰ ইংগিত, প্ৰশংসাৰ নে আমনি লাগি চমু কৰিবলৈ দিয়াৰ, ধৰিব নোৱাৰিলোঁ। হেমাঙ্গ-দাই মোক টিঞৰি কলে— "ছীন পেলাবলৈ কোৱা।" উইংছৰ কাষলৈ গৈ জেছক চমুৱাই আনি শেষ কৰিবলৈ অনুৰোধ কৰিলোঁ। জেছে হয়তো এইবাৰ কিছু বুজিব পাৰি প্ৰগ্ৰেমটো চমুৱাই সমাপ্ত কৰিলে। পিছ দিনা অৱশ্যে জেছস্পিটাৰে হাতত এখন তেলেগু

ভাষাৰ দৈনিকত প্ৰকাশ পোৱা তেওঁলোকৰ নাচৰ ছবি এখন মোক অতি গৰ্ব্বেৰে দেখুৱালে ।

সি যি কি নহওক গণনাট্য সংঘৰ মঞ্চত কোনো জাতি-গোষ্ঠীৰ লোকগীত বা যৌথ লোকনৃত্য উপস্থাপনৰ বেলিকা তাৰ আবেদনত থকা প্ৰকৃত ৰূপটো যাতে কোনো ৰকমে বিকৃত নহয় তাৰ প্ৰতি হেমাঙ্গ বিশ্বাসে দিছিল অপৰিসীম গুৰুত্ব । সকলো ৰকমৰ সংকীৰ্ণ জাতীয়তাবাদ, জাত্যাভিমান লোক-সংস্কৃতিৰ পৰিপন্থী আৰু সমগ্ৰ বিশ্বৰ লোক-সংস্কৃতি সম্পৰ্কে শ্ৰদ্ধাবান হ'বলৈ হেমাঙ্গ বিশ্বাসে অহৰহ সকীয়নি দি গৈছে । এই সম্পৰ্কত গণনাট্য সংঘৰ শিল্পীসকলৰ গধুৰ দায়িত্ব আছে বুলি হেমাঙ্গ বিশ্বাসে বিবেচনা কৰিছিল ।

এই গৰাকী হেমাঙ্গ বিশ্বাস আমাৰ অতি আপোন ; আমি তেওঁক পাহৰিব নোৱাৰোঁ । তেওঁ আমাৰ কাৰণে এক জীৱন্ত প্ৰেৰণা । ★

★ শ্ৰীনগেন কাকতি (পুৰণি) অসম ৰাজ্যিক গণনাট্য সংঘৰ প্ৰবীণ কৰ্মী । ডিব্ৰুগড়ৰ পৰা গণনাট্য সংঘক পুনৰ গঠনৰ চেষ্টাত তেওঁ ব্ৰতী ।

মোৰ বিৰোধী বান্ধৱ হেমাঙ্গ বিশ্বাস

শ্ৰীপৰিতোষ দত্ত

হেমাঙ্গ বিশ্বাসৰ পৰিচয়ৰ কোনো আৱশ্যক নাই। কিন্তু এটা নামৰ লগত নানান বক্তব্য এনেদৰে আন ক'তো উত্থাপন হোৱা নাই যেন লাগে। তেওঁ গণনাট্য সংঘৰ আদি শিল্পী সকলৰ অন্যতম। গণনাট্য সংঘৰ পৰা বহুতো শিল্পী আঁতৰি গৈছে, তেওঁলোকো স্বনামধন্য। কিন্তু সুদীৰ্ঘ কালযুৰি যিটো পথেৰে আৰু যিটো দলৰ সৈতে আছি তেওঁ নানাভাবে নিৰ্যাতিত নিপীড়িত হৈছিল সেইপথ আৰু সেই দল তেওঁৰ মানত সঠিকেই নে ভয়ংকৰ ৰূপে প্ৰতীয়মান হ'ল, তাক অনুভৱ কৰাহে টান হৈ পৰিছে। মোৰ ব্যক্তিগত বিবেচনাত তেওঁ শেষৰ কথাটোহে বাছি লৈছিল— তেওঁৰ নিৰ্ব্বাচিত পথ তেওঁৰ নিজৰ মতে সঠিক আৰু আমাৰ মতে ভ্ৰান্ত। সেই কাৰণেই মই তেওঁক, সবিনয়ে, বিৰোধী বান্ধৱ বুলিব বিচাৰিছোঁ।

লোকসংগীতৰ অমৃত-সন্ধানী এই ব্যক্তিজনাৰ অভিজ্ঞতা কিমান ব্যাপক আৰু সুগভীৰ তাক একমাত্ৰ 'মাউণ্টব্যাটন' গানৰ সুৰ বৈচিত্ৰ্য আৰু লেখাৰ প্ৰখৰতাৰ মাজেদিও অনুভৱ কৰিব পাৰি। বাংলাদেশৰ উত্তৰ বঙ্গৰ বাদে আন সকলোবোৰ জিলাৰ সুৰৰ বিষয়ে তেওঁৰ জ্ঞান ইমান আছিল যে গানটোহঁত শুনাৰ লগে লগে কোন জিলাৰ, কি সুৰ তাক সঠিক ভাবে ক'ব পাৰিছিল। অসমৰ শ্ৰেষ্ঠ শিল্পী জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা, মঘাই ওজা, ভূপেন হাজৰিকা প্ৰভৃতিৰ লগত মিলি গাঁৱে গাঁৱে ঘূৰি তেওঁ তেওঁৰ মনৰ জুলি লুইতৰ দুপাৰৰ সুৰেৰে পৰিপূৰ্ণ কৰিবলৈও এৰা নাছিল। একে সময়তে আয়ত্ত কৰিছিলে চীনৰ সুৰ। চমুকৈ কবলৈ হলে তেওঁ আছিল বিশ্বসুৰৰ

ভাণ্ডাৰী। শাস্ত্ৰীয় সংগীততো তেওঁৰ হাত আছিল কাৰণেই সুৰবোৰৰ প্ৰয়োগ তেওঁৰ পক্ষে আছিল অতি সহজ।

লোকসংগীত আগেও আছিল, আজিও আছে। তেনেহলে গণনাট্য বা গণসংগীতৰ প্ৰয়োজন ক'ত? আমি জানোঁ যে লোক সংগীতত সকলো আছে, কিন্তু নাই সমাধানৰ ইংগিত। লোকসংগীতত মানুহে ভাগ্যৰ ওচৰতে আত্মসমৰ্পণ কৰে। গণনাট্য বা গণসংগীতেহে পোনপ্ৰথম ভাগ্য বা দৈৱৰ বিৰুদ্ধে থিয় দি মানুহক শোষণ মুক্ত কৰাৰ সমাধানৰ হিঙ্গিত দিলে। এই খিনিতে তাৰ মূল লক্ষ্য ধাজনৈতিক বিচাৰ বা বিশ্লেষণৰ।

মোলৈ লেখা এখন চিঠিত হেমাঙ্গদাই লেখিছিল যে গণনাট্য কোনো ৰাজনৈতিক মতবাদৰ নেগুৰ নহ'ব। অথচ তেওঁৰ সকলো বোৰ গানেই এটা বিশেষ মতবাদৰ পৰিস্কাৰ ৰূপায়ণ। শাকেৰে জানো মাছক লুকাই ৰখা যায়। যি সকলে গণনাট্য এৰিছে, সিসকলেও এক বিশেষ ৰাজনৈতিক কাৰণতে এৰিছে, যাক শ্ৰেণী ভিত্তিক বুলিব পাৰি।

শেষৰ ফালে হেমাঙ্গদা নক্সাল আন্দোলনৰ প্ৰতিও আগ্ৰহী হৈ পৰিছিল, অৱশ্যে পিছত এখন কাগজৰ এটা সাক্ষাৎকাৰত তাৰ নিন্দাও নকৰাকৈ থকা নাই। ১৯৬৮ চনত জলপাইগুৰি চহৰত প্ৰচণ্ড বানপানী হয়। বিখ্যাত গণসংগীতকাৰ নিবাৰণ পণ্ডিতে এই বানৰ বিষয়ে গান ৰচনা কৰে। বৰঝাৰ এয়াৰ পোৰ্ট'ত তেওঁক ব্যঙ্গ কৰি হেমাঙ্গদাই মোৰ আগত কৈছিল, "সেই খেতিয়কৰ পুতেকক কব যে তেওঁ খেতি-য়কৰ খুনৰ ওপৰত গান ৰচনাও কৰা নাই, সুৰো আৰোপ কৰা নাই, মই কিন্তু তীৰ নাটকত কৰিছোঁ।" এই অকাৰণ অহংকাৰে প্ৰমাণ কৰে যে মধ্যশিত্তৰ চিত্তৰ দুৰ্দান্ত প্ৰতাপ (দাপট) তেওঁৰ অন্তৰত আছিল, নহলে চিৰকাল খাটিখোৱা মানুহৰ সুৰকাৰ নিবাৰণ পণ্ডিতক অৱহেলা নকৰিলেহেঁতেন। সেই সময়ত তেওঁ নক্সাল আলোত (?) বিভ্ৰান্ত আছিল। অৱশ্যে পিছত এদিন তেনেদৰে কোৱা ভুল হৈছিল

বুলি দুখ প্ৰকাশো কৰিছিল আৰু ভুলো স্বীকাৰ কৰিছিল।

চীনৰ পাৰ্টিয়ে মাওৰ মতবাদৰ পৰিবৰ্ত্তন কৰিবলৈ লোৱাতো তেওঁ এদিন মোক কৈছিল যে তেওঁলোক ঠিক পথেৰে যোৱা নাই। এনেদৰে কথা কোৱা বাহিৰৰ মানুহৰ কাৰণে কিমান দূৰ সঙ্গত তাৰ বিষয়ে ভাবিলে দেখা যাব যে তেওঁ শিশুসুলভ বামমাৰ্গী হে যেন আছিল। এবাৰ আলোচনা প্ৰসঙ্গত মই তেওঁক প্ৰশ্ন কৰিছিলোঁ যে নক্সালইঁতে বহুতো মান্য নেতাৰ ডিঙি কাটিলে, কিন্তু আপুনি দেখোন কোনো প্ৰতিবাদ কৰা নাই। তেওঁ কেৱল নিৰুত্তৰ হৈ আছিল। যথাৰ্থতে তেওঁ তেতিয়া আৰু শেষলৈও নিজক এক ভ্ৰান্ত ৰাজনীতিত আবদ্ধ ৰাখিছিল, যদিও সংস্কৃতিত ৰাজনীতিৰ স্থান নাই বুলি তেওঁ বাৰে বাৰে উচ্চাৰণ কৰিছিল।

'অসমৰ জাতীয় উৎসৱ বিহু' বোলা প্ৰবন্ধৰ উপসংহাৰত তেওঁ যি লেখিছিল তাৰ পৰাই প্ৰমাণ হয় যে সুদীৰ্ঘকাল মাৰ্ক্সবাদ অধ্যয়ন কৰা সত্বেও তেওঁ আছিল কট্টোৰপন্থী, জনগণৰ চেতনাৰ বাহিৰত জ্বলিছিল তেওঁৰ মন আৰু সুৰৰ জুই।

তেওঁ লেখিছিল, "মণিৰাম (দেৱান) আছিল অসমৰ প্ৰথম শিল্পপতি আৰু ধনী পৰিয়ালৰ লোক। সেয়ে গীতত শুনোঁ—

কপৰ ধোঁৱা খোৱাত খালি ঐ মণিৰাম
সোণৰ ধোঁৱা খোৱাত খালি
কুম্পানীৰ ঘৰতে কিনো দায় লগালি
ডিঙিত চিপেজৰী ললি।

মণিৰাম দেৱানক এইদৰে বিশ্লেষণ কৰা সঠিক নে?

তেওঁ কবিতা ৰচনা কৰিছিল, কিন্তু আমাক কৈছিল হে তেওঁ গান ৰচনাৰ চেষ্টা কেতিয়াও কৰা নাছিল। কাৰণ হিচাবে কৈছিল যে গানত যি প্ৰাণ-স্পন্দনৰ আৱশ্যক তাক সহজে আয়ত্ত কৰা নাযায়। তেনেদৰেই শিল্পীসকলক লৈ তেওঁ ভাতৃত্ববোধ জগাই তুলিব বিচাৰিছিল।

হেমাঙ্গদাই গণনাট্যত ৰাজনীতি বিচৰা নাছিল। অথচ মযাই শুজাৰ বৰ্ণনাত তেওঁ লিখিলে— "চিৰাচৰিত গান গাওঁতে গাওঁতে কেতিয়াবা কেতিয়াবা উত্তেজিত মুহূৰ্ত্তত দেশৰ দুখ দাৰিদ্ৰ্য অবিচাৰৰ বিৰুদ্ধে মঞ্চৰ ওপৰতে স্বতঃস্ফূৰ্তভাৱে গান ৰচনা কৰি গাবলৈ ধৰে"—

মাজুলী দেশতে খোৱাৰ অভাৱতে
পেলায় পৰিয়ালক কাটি;
শিলং ৰোডতে দেখিবা ৰাইজসকল
মিনিষ্টাৰসকলৰ মাটি।

ই কাৰ "উত্তেজিত মুহূৰ্ত্ত' ? সঠিক ৰাজনৈতিক পথ পোৱাহেঁতেন, তেওঁলোকে নতুন দিগন্তৰ সন্ধেদ নিশ্চয় পালেহেঁতেন। এইখিনিতেই হেমাঙ্গদাইঁতৰ চৰম পৰাজয়।

তেওঁ কিন্তু মোৰ মানত পৰম শ্ৰদ্ধেয়ই আছিল, অথচ মই তেওঁৰ লগত তৰ্ক কৰিছিলোঁ। তেওঁৰ কণ্ঠ ইমান সোনকালে নীৰৱ হৈ যাব বুলি কেতিয়াও ভবা নাছিলোঁ। তেওঁ জানিছিল যে মই তেওঁৰ বিৰোধী মত পোষণ কৰোঁ; কিন্তু তথাপি হৃদয়ৰ প্ৰীতি দিবলৈ কাৰ্পণ্য কৰা নাছিল। সম্ভৱ ভুল ৰাজনীতিৰ কাৰণেই তেওঁৰ হৃদয়ত আছিল অফুৰন্ত অভিমান। ইয়েই তেওঁক লুইত আৰু গংগাৰ পাৰৰ মানুহৰ প্ৰকৃত সংগ্ৰামৰ পৰা বিচ্ছিন্ন কৰিছিল। ইয়াতেই হেমাঙ্গদাৰ প্ৰথম আৰু বহুদিনীয়া বিশ্বাস বতাহত বিলীন হৈ গৈছিল।

তেওঁ নিজে উদ্ধৃত কৰা এটা বিহু নামেৰে তেওঁৰ জীৱন চিত্ৰিত কৰা যায়—

উজাই নাচাবি ভটিয়াই নাচাবি
পথাৰত লাগিছে জুই।
সোণৰ মাটি মোৰ আজি নাইকীয়া
লোকক খুৱাইছোঁ কই॥

ৰাজনীতিৰ বিৰুদ্ধে কলেও হেমাঙ্গদা জীয়াই থাকিব সেই ৰাজনৈতিক

গান বিলাকৰ মাজতে। মিজৰ লগত সম্ভৱ আন কোনোৱে ইমান বিৰোধ কৰা নাই। জনতাৰ সংগ্ৰামত শ্ৰেণী ৰাজনীতি বাদে আন কি থাকিব পাৰে? বিয়াৰ পিছত বিহুনাচ নিষিদ্ধ হয়। কিন্তু তথাপি গাভৰু নাৰীৰ ইচ্ছা তেওঁক যেন বিহু মাৰিবলৈ দিয়া হয়। গণনাট্যলৈ আহি ৰাজনীতিৰ কথা নকলে বোধহয় ৰাজনীতি কৰাৰ কথাই কেৱল মনলৈ আহে—

কলীয়া কচুৰে শিয়া
জীয়াই থাকো মানে তোমাৰে তিৰোতা
বিহুলৈ পঠিয়াই দিয়া।

হেমাঙ্গদা জীয়াই থাকোঁতে কৈছিলোঁ— ৰাজনীতি কৰিবলৈ দিয়ক; তাতেইতো জীৱনৰ পৰশমণি। ৰাজনীতি নহয় বুলি তেওঁ যি ৰাজনীতি কৰিছিল সিয়ে তেওঁক পাছলৈহে টানিছিল। এইটোৱেই আছিল হেমাঙ্গদাৰ জীৱনৰ সবাতোকৈ ডাঙৰ ট্ৰেজেদি। ★

★ কলিকতাৰ শ্ৰীপৰিতোষ দত্ত গণনাট্য সংঘৰ এগৰাকী জীৱন যোৰা বিশিষ্ট কৰ্মী।

তদানীন্তন লোকচীনৰ ভাইচ্‌-চেয়াৰম্যান ইপে চিয়েন ইঙৰ সৈতে
ভাৰতীয় কোটনীছ প্ৰতিনিধি দল, সোঁ ফালৰ পৰা
২য় জন হেমাঙ্গ বিশ্বাস।

'তা হায় হাং শ্বিং' (সাগৰযাত্ৰা নাবিক-নিৰ্ভৰ) গাই থকা অৱস্থাত লিখকা
নানাকিঙত অকণিহঁতৰ স'তে কণ্ঠ মিলাই 'তুং ফাং হোং' (পূব দিশ ৰঙা)
গাই থকা অৱস্থাত হেমাঙ্গ বিশ্বাস।

ভাৰতীয় গণনাট্য সংঘৰ হায়দৰাবাদ অধিৱেশনত হেমাঙ্গ বিশ্বাস (১৯৮৬)
বাওঁ পিনৰ পৰা : ১ম শাৰী—শৰৎ চন্দ্ৰ নেওগ, কেশৱ চন্দ্ৰ মহন্ত।
২য় শাৰী—চৈয়দ আব্দুল মালিক, নগেন কাকতি, দিলীপ শৰ্মা, হেমাঙ্গ বিশ্বাস

হাতত কিতাপ লৈ হেমাংগ বিশ্বাস

হেমাঙ্গ বিশ্বাস- মহান

শ্রীপৰমানন্দ মজুমদাৰ

হেমাঙ্গ বিশ্বাস। এজন শিল্পী। উদ্যোক্তা। সাংস্কৃতিক কৰ্মী। ৰাজনীতিক কমিউনিষ্ট। লেখক বুদ্ধিজীৱী। সকল অৰ্থত তেওঁ পূৰ্ণ মানৱ। তেওঁ ভাবিছিল। কৰিছিল। আনকো ভাবিবলৈ- কৰিবলৈ শিকাইছিল। ক্ষীণ দেহ অথচ শক্তিশালী এটি সত্তা এটি প্ৰাণ প্ৰাচুৰ্যৰে ভৰা মন— যি সদায়ে এটি মহান আদৰ্শৰে পৰিচালিত। নিঃস্বাৰ্থ তাৰ সম্মোহন।

তথাকথিত বিখ্যাত শিল্পীৰ তালিকাত তেওঁৰ নাম নাছিল। ৰেডিঅ', দূৰদৰ্শন, চিনেমাৰো তেওঁ মানুহ নাছিল। অথচ আমাৰ চেতনাত বৈ গ'ল চিৰকাললৈ এইজন দৰদী শিল্পীৰ স্পৰ্শৰ উত্তাপ।

হেমাঙ্গ বিশ্বাস আজি আমাৰ বাবে ইতিহাস। সময়ৰ এক গৌৰৱময় অধ্যায়ৰ শিল্পী বিশ্বাস আছিল এক যুগান্তকাৰী সত্তা। তেওঁৰ মহান মানৱিকতাই মুহিছিল। শ্ৰীহট্টৰ এক আঢ্যবন্ত পৰিয়ালত জন্ম লোৱা তেওঁৰ মাতৃভাষা আছিল বঙালী। কিন্তু অসমৰ সাংস্কৃতিক ইতিহাসতো তেওঁ এতিয়া জ্বলন্ত চাকি। অসমৰ সংস্কৃতিৰ গতিশীল ইতিহাসৰ তেওঁ আছিল অগ্ৰগামী সৈনিক। সেই ইতিহাস গণনাট্য সংঘৰ ইতিহাস। খুচৰিলেই আহি পৰে হেমাঙ্গ বিশ্বাসৰ নাম। অসম সংঘৰ শাখা গঠন কৰোঁতে শ্ৰদ্ধেয় শিল্পী গৰাকীয়ে যি নিষ্ঠা আৰু নিঃস্বাৰ্থ একাগ্ৰতাৰে আত্মনিয়োগ কৰিছিল, সি অতুলনীয়।

তেওঁৰ চিন্তাত সদায় অনুভূত হৈছিল এক বলিষ্ঠ আদৰ্শবাদ। ব্যক্তিত্বত সদা উদ্ভাৱিত হৈছিল শিল্পী সুলভ প্ৰাণ। গণনাট্য সংঘৰ

মহান আদৰ্শক ৰাইজৰ মাজলৈ নৈ যাবলৈ তেওঁ কিছু ফৰমূলাধৰ্মী শিল্পসৃষ্টিত কাহানিও গুৰুত্ব দিয়া নাছিল। এনে দৃষ্টি কোণৰ বিপৰীতে তেওঁ থলুৱা সংস্কৃতিৰ ৰূপ ৰসৰ সন্ধানত মনোনিবেশ কৰিছিল আৰু তাৰ প্ৰভাৱত গণসংস্কৃতিৰ ফেহুজালিৰ পোহৰ পেলাবলৈ প্ৰয়াস কৰিছিল। তেওঁ বুজি উঠিছিল গণসংস্কৃতিৰ যদি কোনো গণ চৰিত্ৰ থাকে তেন্তে তাৰ উপাদান নিহিত থাকে লোকসংগীত আৰু লোক সংস্কৃতিৰ মাজত। গণনাট্য সংঘই পূৰ্ণতা বা ব্যাপ্তি লাভ কৰাৰ কাৰণেও প্ৰয়োজন আছিল প্ৰগতিশীলতাৰ লগত লোকসংস্কৃতিৰ সেতু-বন্ধনৰ। প্ৰগতিশীল দৃষ্টিকোণৰ লগত লোকসংস্কৃতিৰ সেতুবন্ধনৰ এই প্ৰয়োজনীয় কামটি উদ্যোগেৰে কৰিছিল শ্ৰদ্ধেয় হেমাঙ্গ বিশ্বাসে।

গণনাট্য সংঘৰ আদৰ্শক আৰু লক্ষ্যক মানুহৰ হৃদয়ত প্ৰতিষ্ঠা কৰিবলৈ লোকসংস্কৃতিৰ স্পৰ্শ লব লাগিবই। লোক সংস্কৃতিৰ ওপৰত ভেজা দিলেহে আমি গণসংস্কৃতিৰ দিক উন্মোচন কৰিব পাৰিম। মানু-হৰ অনুভূতি-ভাবনাক পৰিস্কাৰ কৈ বুজাকৈ আমি মানুহৰ সংস্কৃতি গঢ়িব নোৱাৰোঁ। লেনিনেও তাকেই ব্যাখ্যা কৰি কৈছিল— শিল্প সম্পৰ্কে আমি যি ভাবিছোঁ সেইটোৱে মুখ্য কথা নহয়। শিল্প জনগণৰ নিজস্ব সম্পদ। ব্যাপকতম শ্ৰমজীৱী মানুহৰ যথাৰ্থ গভীৰত তাৰ মৰ্মাৰ্থ প্ৰসাৰিত হল লাগে। শিল্প হব লাগে জনগণৰ বোধগম্য আৰু প্ৰিয়।

হেমাঙ্গ বিশ্বাসৰ দৃষ্টিকোণ আছিল অতি পৰিস্কাৰ : যারা হাল চষে, দাঁড় টানে, তাঁত বোনে, তাদের কণ্ঠে গান কিন্তু পেটে ক্ষুধাৰ টান। গ্ৰামের জমিদার, জোতদার, ধনী কৃষক, মহাজন এবং নানা রকম ফড়েরা কিভাবে শ্ৰম শোষণ করে নিচ্ছে— সে অনুসন্ধান ও অনুভূতিটা একান্ত হওয়ার প্ৰাথমিক কৰণীয়। শোষকের বিরুদ্ধে এদের প্ৰত্যক্ষ ও প্ৰচ্ছন্ন সংগ্ৰামের ইতিহাসটা জানতেই হবে। এই দৃষ্টিকোণের টেলিস্কোপটা হল মাৰ্ক্সবাদ- লেনিনবাদ। এটাই একমাত্ৰ ঐতিহাসিক ও সামাজিক দৃষ্টিকোণ যাৰ আলোতে

আমরা সব দেখতে পাব। শোষক-শোষিতের এই সংঘাতটা প্রচ্ছন্ন ভাবে প্রতিফলিত লোকগীতির জীবন দর্শনে, এমনকি, তার সুরের ক্ষেত্রেও'[১]।

লোকগীতিৰ সেই জীবন দর্শন বুটলি শ্রমজীৱী জনগণৰ মাজত জাগৰণ অনাৰ বাবে প্রয়োজন হৈছিল গণনাট্য সংঘৰ। অসমৰ বিশাল কৃষ্টিৰ পথাৰত হেমাঙ্গ বিশ্বাসে গণনাট্য সংঘৰ মাজেৰে সেই সংস্কৃতিৰ সন্ধান কৰিছিল। সন্ধান কৰিছিল প্রতিভাবান লোক শিল্পীৰ। সন্ধান কৰিছিল প্রতিভাবান সৰ্বৱহী শিল্পীৰ মাজতো বিপ্লৱী নেতা যিয়ে গণনাট্যৰ আদর্শক ৰাইজৰ ওচৰ চপাই নিবলৈ সক্ষম। হেমাঙ্গ বিশ্বাসৰ সেই প্রচেষ্টা সফল হৈছিল। অসমৰ বহু প্রখ্যাত শিল্পী সাহিত্যিকে গণনাট্য সংঘৰ প্রতি আকর্ষিত হৈছিল আৰু এটা সময়ত গণনাট্য আন্দোলনৰ লগত নিজকে জড়িত কৰি গৌৰৱবোধ কৰিছিল। জ্যোতিপ্রসাদ, বিষ্ণুৰাভা, ফণী শৰ্ম্মা, ৰঘুনাথ চৌধাৰী, চৈয়দ আব্দুল মালিক, ভূপেন হাজৰিকা, দিলীপ শৰ্মা, ব্ৰজেন বৰুৱা, ৰমেন বৰুৱা, কেশৱ মহন্ত আদি প্রতিভাবান শিল্পী সাহিত্যিকে গণনাট্যৰ মজিয়াত এদিন নতুন চেতনাৰ ঢল নমাবলৈ সক্ষম হৈছিল। জ্যোতিপ্রসাদ অসম শাখাৰ সভাপতি হৈছিল। জ্যোতিপ্রসাদৰ মানসিক উত্তৰণ আৰু চিন্তাৰ বিবর্তনত হেমাঙ্গ বিশ্বাসৰ ভূমিকা বিশেষ ভাবে স্মৰণীয়। জ্যোতিপ্রসাদৰ মন্তব্যত তাৰ স্বীকাৰোক্তি আছে। শেষ বয়সত তেওঁ শিল্প সম্পর্কে লেখা ৰচনাকেইখনিত গণনাট্যৰ দৃষ্টি ভংগীৰ প্রভাব স্পষ্ট।

জ্যোতিপ্রসাদৰ মাজত শিল্পী সংগঠক হেমাঙ্গ বিশ্বাসে আবিস্কাৰ কৰিছিল বিদ্রোহী সত্তা আৰু চিন্তা-দর্শনত লক্ষ্য কৰিছিল বলিষ্ঠ জীৱন বেদ। এনে এজন শিল্পী গণনাট্যৰ আদর্শৰ সহযাত্রী হব পাৰিব

১ হেমাঙ্গ বিশ্বাস, লোকসাহিত্য দৃষ্টিকোণ, হেমাঙ্গ বিশ্বাস সংখ্যা, অনীক, ফেব্রুৱাৰী-মার্চ ১৯৮৮।

বুলি তেওঁ বিশ্বাস কৰিছিল। গণনাট্যৰ অসম শাখাৰ প্ৰথম সভাপতি হবলৈ আহি জ্যোতিপ্ৰসাদে তেওঁৰ গভীৰ জীৱন দৰ্শনৰে পৰিচয় দিয়া নাছিল, তেতিয়া গণনাট্যৰ উদ্বোক্তাসকলো উৎসাহিত হৈছিল। জীৱন যুৰি হেমাঙ্গ বিশ্বাসে জ্যোতিপ্ৰসাদৰ সান্নিধ্যৰ কথা স্মৰণ কৰি গৈছে। হেমাঙ্গ বিশ্বাসে লিখি গৈছে জীৱনত তেওঁ বহু প্ৰখ্যাত শিল্পী সাহিত্যিকৰ সান্নিধ্য পাইছে, কিন্তু জ্যোতিপ্ৰসাদৰ দৰে জীৱন সংস্কৃতিৰ সমন্বয়ৰ বাবে অবিচ্ছিন্ন সংগ্ৰামশীল শিল্পীক কমেই লগ পাইছে। জাতিৰ মুক্তি সংগ্ৰাম, সমাজ বিপ্লৱ, সাহিত্য আৰু সংগীতক জ্যোতিপ্ৰসাদে এই একেই জীৱন ৰূপায়ণৰ বিভিন্ন অভিব্যক্তি হিচাবে দেখিছিল মানুহ আৰু শিল্পী—জ্যোতিপ্ৰসাদৰ ক'তো বৈষম্য নাই কতো বিভেদ নাই। ২

জ্যোতিপ্ৰসাদে এবাৰ হেমাঙ্গ বিশ্বাসক কৈছিল :

"বিশ্বাস, এইবোৰ দুখীয়া ৰাইজৰ ভিতৰত দকৈ শিপা নেমেলিলে গণনাট্য তথা আমাৰ প্ৰগতি-সংস্কৃতি আজিৰ ক্ষয়িষ্ণু নাগৰিক পৰিবেশত শুকাই মৰিব।"[৩]

এই গণদৃষ্টি আছিল জ্যোতিপ্ৰসাদৰ। আছিল গণনাট্য সংঘৰ। হেমাঙ্গ বিশ্বাসে এই দৃষ্টিৰেই গাঁৱৰ দাৰিদ্ৰ্যপীড়িত অনেক শিল্পীক গণনাট্যৰ মজিয়ালৈ লৈ আনিছিল। মঘাই ওজাৰ দৰে লোকশিল্পীৰ প্ৰতি তেওঁৰ দৃষ্টি পৰিছিল আৰু তেওঁক আকোঁৱালী লৈছিল। দাৰিদ্ৰ্য আছিল মঘাই ওজাৰ জীৱনৰ সহচৰ। ঢোল আছিল তেওঁৰ জীৱনৰ লগৰী। শিল্পী বিশ্বাসে সেই ঢোলৰ ছেৱতে শুনিবলৈ পাইছিল জীৱনৰ গতি। গণনাট্যৰ সি হব পাৰে এক যুগান্তকাৰী শক্তি। আৰু এদিন তাৰ ফল হেমাঙ্গ বিশ্বাসে পাইছিল। মঘাই ওজাৰ ঢোলে অসম জুৰি আলোড়ন তুলিলে। আলোড়ন তুলিলে ভাৰতৰ

২ হেমাঙ্গ বিশ্বাস, জীৱনশিল্পী জ্যোতিপ্ৰসাদ, ১৯৮৩, পৃঃ ৮
৩ ঐ, পৃঃ ২০, ২৯

বিভিন্ন প্ৰান্তত। গণনাট্যৰ গৌৰৱ উত্তোলিত হ'ল।

মঘাই ওজা হ'লগে হেমাঙ্গ বিশ্বাসৰ শিল্পী জীৱনৰ শ্ৰেষ্ঠ আৱিস্কাৰ।[8] মঘাই ওজাইও জীৱনযুৰি হেমাঙ্গ বিশ্বাসক শ্ৰদ্ধাৰ আসন দিলে। কিয়নো দুই জনৰ সম্পৰ্ক কেৱল মঞ্চতে আবদ্ধ নাথাকিল। তেওঁলোকৰ সম্পৰ্ক অতি ঘনিষ্ঠ হৈ পৰিল। এজন গণশিল্পী হিচাপে হেমাঙ্গ বিশ্বাসেও দায়িত্ব বুলি ভাবিলে মঘাই ওজাৰ পাৰিবাৰিক দুখ দাৰিদ্ৰ্যৰ খবৰ ৰখাৰ। চিঠিপত্ৰৰে দুয়োজনে ইজনে সিজনৰ খবৰ ৰাখিলে। গণনাট্যৰ জোঁৱাৰ যেতিয়া অস্তমিত তেতিয়াও দুয়ো এৰা-এৰি নহ'ল। মঘাইয়ে বিশ্বাসলৈ লিখা চিঠিপত্ৰৰ পৰা এই গভীৰ আন্তৰিকতাবোধৰ আমি সম্ভেদ লব পাৰোঁ।

নিজৰ অসুখৰ খবৰ দি মঘাই ওজাই বিশ্বাসলৈ লিখিছিল—

"......এতিয়া গাত বল নাই, ভাত খাব নোৱাৰোঁ। অকল গাখীৰ, চাকু আদি পণীয়া বস্তু খাই আছোঁ। আপুনি অহা কথা আছিল। আপোনাক মই কেতিয়া দেখা পাম—বাট চাই আছোঁ। আপুনি যদি নাহে মৰি-তৰি হলেও মই যাম। পাটনাৰ ডাক্তৰ সেনক দেখুৱাবলৈ মোৰ বৰ মন আছিল। আপোনাৰ মতামত জনাব।

........মোৰ কাৰণে ভূপেন হাজৰিকা আহি 'সুৰ সন্ধিয়া পাতিলেহি। কলিকতাৰ অ'ছি গাংগুলী আহিছিল। তেওঁবিলাকে কৈছে বোম্বাইলৈ যাব লাগিব। কিন্তু আপোনাৰ মতামত পালেহে মই কি কৰোঁ কব পাৰিম..........."

আন এখন চিঠিত ওজাদেৱে লিখিছে :

"..... আপোনাৰ শৰীৰ অসুস্থ হোৱা বুলি শুনি বেয়া লাগিছিল কিন্তু চিঠিৰ দ্বাৰা ভাল হৈছে বুলি জানিব পাৰি ভাল লাগিল। ....অহা ফেব্ৰুৱাৰী মাহত যে আপুনি অসমলৈ অহা কথা আছে

৪। হেমাঙ্গ বিশ্বাস, লোকসংগীত সমীক্ষা : বাংলা ও আসাম, উৎসৰ্গ উক্তি দ্ৰষ্টব্য

৫। হেমাঙ্গ বিশ্বাসলৈ ৩০।৮।৭৭ ইং তাৰিখে লিখা চিঠি

তেতিয়া নিশ্চয় মোৰ ভগা পঁজাত এখন্তেক জিৰণি লৈ গলে পৰম সন্তোষ পাম। মোৰ কাৰণে চিন্তা নকৰিব। এদিন ভাল এদিন বেয়া। এই ভাগেই চলি আছে। অৰ্থাৎ ৰাইজৰ মৰমত আৰু আশীৰ্ব্বাদত মই সদায়ে জীয়াই থকাৰ নিচিনা।........[৬]

মঘাই ওজালৈ শ্ৰদ্ধেয় বিশ্বাসে টকা পইচা পঠিয়াইও এজন গণ-শিল্পীৰ প্ৰতি থকা গভীৰ দায়িত্ববোধৰ পৰিচয় দিছিল। আনকি ওজাদেৱৰ মৃত্যুৰ পিছতো তেওঁ মঘাইৰ দৰিদ্ৰ পৰিয়াললৈ সহানুভূতি দেখুৱাইছিল। তেওঁ মঘাইৰ ছোৱালীলৈ নিয়মিত একশ/ডেৰশ টকা পঠিয়াইছিল। বিশ্বাসৰ আৰ্থিক অৱস্থাও বৰ সচ্ছল নাছিল। সেয়ে 'মাছ চিংগাঁচ'ৰ জনৈক শিল্পীয়ে সেই কথা কেতিয়াবা সকিয়াই দিলে তেওঁ তাত গুৰুত্ব দিয়া নাছিল : তোমৰা বুঝব না এ টান অন্তৰেৰ টান।[৭] মঘায়ে তেওঁৰ দুৰৱস্থাৰ কথা জনোৱাৰ পিছত, বিশ্বাসে পত্ৰিকাৰ মাধ্যমেৰে আবেদন জনাই কিছু অৰ্থ সংগ্ৰহ কৰি মঘাইৰ পৰিয়াললৈ পঠাইছিল। এনেকৈ দৰিদ্ৰ শিল্পীসকলৰ প্ৰতি হেমাঙ্গ বিশ্বাস সদায় বিশেষ সচেতন আছিল। আনকি বংগৰ অনেক প্ৰতিভাশালী দৰিদ্ৰ শ্ৰেণীৰ শিল্পীলৈ তেওঁ সাহায্য পঠিয়াইছিল। বঙ্গ পথ-নাটিকাৰ জনক পালু পালৰ অসুস্থতাৰ খবৰ পাই তেওঁ কাকতত ব্যক্তিগত উদ্যোগত চিঠি ছপাই অৰ্থ সাহায্যৰ আবেদন কৰিছিল। বংগৰ শিল্পী সুৰেশ বিশ্বাসৰ অসুখৰ খবৰ পাই তেওঁ তত্তালিকে তিনিশ টকা পঠাই কৈছিল সুৰেশ বিশ্বাসক সুকান্ত হবলৈ দিয়া নহ'ব।[৮]

গণনাট্যৰ উদ্যোক্তা হিচাপে শিল্পীসকলৰ এই দিশৰ প্ৰতি হেমাঙ্গ বিশ্বাসৰ সদায় দৃষ্টি আছিল। গণনাট্য আন্দোলনত বহু

৬। হেমাঙ্গ বিশ্বাসলৈ ৪।১২।৭৭ তাৰিখে লিখা চিঠি

৭। অঞ্জন চক্ৰবৰ্ত্তী, হেমাঙ্গ দা, অনীক, হেমাঙ্গ বিশ্বাস সংখ্যা, পৃঃ ৮

৮। ঐ, পৃঃ ৮

খ্যাত-অখ্যাত শিল্পীয়েই জঁপিয়াই পৰিছিল। এই শিল্পীবৃন্দৰ মাজত এভাগ আছিল গাঁৱৰ গৰীব শিল্পী আৰু আনভাগ আছিল চহৰৰ মধ্যবিত্ত বিদগ্ধ শ্ৰেণীৰ শিল্পী। গৰীব শ্ৰেণীৰ শিল্পীসকলৰ লগত শ্ৰদ্ধেয় বিশ্বাসে গভীৰ আত্মীয়তা গঢ়ি তুলিছিল। তেওঁ কৈছিল 'খাটি খোৱা মানুহৰ মাজৰ পৰা আমি কিমানজন শিল্পী গঢ়িব পাৰিছোঁ। গণনাট্যৰ সাফল্যৰ সেইটোৱেই হৈছে আচল মানদণ্ড।'[১]

[দুই]

সঁচাকৈ গণনাট্যই স্বাধীনোত্তৰ কালৰ অসমত যি জোঁৱাৰৰ সৃষ্টি কৰিছিল সি আমাৰ বাবে আজিও এক স্মৰণীয় অধ্যায়। অসমৰ পৰ্ব্বতে ভৈয়ামে সি নতুন উদ্যমৰ সঞ্চাৰ কৰিছিল। সি নাছিল কেৱল গণজীৱনৰ হাঁহি কান্দোন, আশা-আকাঙ্ক্ষাৰ প্ৰতিফলন, সেই হাঁহি কান্দোনৰ, আশা-আকাঙ্ক্ষাৰ আলম লৈ শিল্প কলাত গণনাট্যই নতুন দৃষ্টি কোণেৰে নতুন সৃষ্টিৰ দুৱাৰ মুকলি কৰিছিল।

অসমৰ সাংস্কৃতিক জগতত যেতিয়া জীৱন বিমুখী সুৰে আচ্ছন্ন কৰি আছিল, তেতিয়া গণনাট্যই আমাৰ সংস্কৃতিৰ পথাৰত জীৱন মুখী সুৰৰ কঠিয়া সিচিছিল। গণনাট্যই অসমীয়া আধুনিক সংগীতক নতুন দৃষ্টিৰে আলোকিত কৰিলে। জ্যোতিপ্ৰসাদে আধুনিক গীতত যি গতিশীল দিশ উন্মোচন কৰিছিল সেই পথেৰে গণনাট্য সংঘৰ মজিয়াত ভূপেন হাজৰিকাই এক বলিষ্ঠ পদক্ষেপ পেলাইছিল। জ্যোতিপ্ৰসাদৰ ৰোমান্তিক মানৱতাবাদক ভূপেন হাজৰিকাই সমাজতান্ত্ৰিক বাস্তৱতাৰ পোহৰেৰে আধুনিক গীতত এক আলোড়ন আনি দিলে। তেওঁৰ শিল ভাঙোতা, ৰেলচালক, চাহ বনুৱা, ৰংমন, দোলাভাৰী, সাগৰ সংগমত আদি গীতে প্ৰকৃতাৰ্থত মানুহৰ চেতনাক উদ্দীপিত কৰিলে।

১ ঐ পৃঃ ৭

সুৰ সৃষ্টিত নতুনত্বৰ বীজ কঢ়িয়াই আনিলে ব্ৰজেন বৰুৱা ৰমেন বৰুৱা, আদি সুৰকাৰে। আধুনিক গণজীৱনৰ বিষয়বস্তু লৈ নৃত্য-নাট্য অসম গণনাট্য সংঘই প্ৰথম সৃষ্টি কৰিলে। 'দুৰ্ভিক্ষ', 'নাৱিক বিদ্ৰোহ,' 'পাক মাৰ্কিন চক্ৰান্ত,' 'কেবিনেট মিছন,' আদি নৃত্যত ৰূপায়িত কৰি গণনাট্যই অসমত নতুন দৃষ্টান্তৰ পাতনি মেলিলে। সংখ্যাত কম আছিল যদিও নাটকৰ ক্ষেত্ৰতো গণনাট্যই 'সোণালী ধাননি,' 'সেউজীয়া কুঁহিপাত,' 'তুফান,' নবপ্ৰভাত,' ছপাশালৰ চেকা,' আদি নাটকেৰে অসমৰ মঞ্চত সামাজিক বাস্তৱতাক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।[১০]

অসমৰ বাবে ৰহণীয়া সংস্কৃতিৰ মেটমৰা বোজা লৈ সৰ্ব্বভাৰতীয় পৰ্য্যায়তো অসমৰ গণনাট্যই হেন্দোলনি তুলিছিল। ১৯৪৭ চনত আহমেদাবাদৰ সৰ্ব্বভাৰতীয় গণনাট্য সম্মিলনত মনোৰঞ্জন ভট্টাচাৰ্য, পৃথ্বিৰাজ কাপুৰ আদিৰ লগত অসমৰ জ্যোতিপ্ৰসাদো সভাপতিমণ্ডলীলৈ নিৰ্ব্বাচিত হৈছিল যদিও অসুস্থতাৰ বাবে সম্মিলনত জ্যোতিপ্ৰসাদে ভাগ লব নোৱাৰিলে। সম্মিলনত অসমৰ ত্ৰিশজনীয়া প্ৰতিনিধি দল এটাই গৈ অসমৰ লোকগীত, লোকনৃত্য আৰু গণনাট্য গীত পৰিবেশন কৰি সৰ্ব্বভাৰতীয় মঞ্চত জেউতি চৰাইছিল। ১৯৫৩ চনত বোম্বেৰ সৰ্ব্বভাৰতীয় সম্মিলনত হাজাৰ হাজাৰ জনতাৰ সমুখত ৰমেন বৰুৱাৰ নেতৃত্বত আমাৰ গীত মাতে বাইজক উত্ৰাবল কৰি তুলিছিল। আব্দুল মালিকৰ নেতৃত্বত আৰু ব্ৰজেন বৰুৱাৰ পৰিচালনাত গণনাট্যৰ সৰ্ব্ব-ভাৰতীয় সহ সভাপতি চিত্ৰ পৰিচালক সুব্ৰনিয়ামে মাদ্ৰাজত আয়োজন কৰা All India Folk dance & Music Festival ত যোগ দিয়া শিল্পীদলটিয়ে যথেষ্ট খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হয়। অসমৰ কৃষ্টিৰ বাহক হৈ তেতিয়াই দিলীপ শৰ্মাই নতুন চীনৰ জনতাৰ প্ৰাণত লহৰ তুলিছিলগৈ।

১০ হেমাঙ্গ বিশ্বাস, গণনাট্য ইতিহাসৰ আন এখন প্ৰামাণ্য দলিল (২), সাম্প্ৰতিক সাময়িকী, মে' ১৯৭৯, পৃঃ ১৯

অসমৰ গণনাট্যৰ এক ঐতিহ্য আছিল : অসম গণনাট্য সংঘই সকলো জাতিৰ সংস্কৃতিৰ মানমৰ্যাদা আৰু সমান অধিকাৰ স্বীকাৰ কৰি লৈছিল আৰু মিলিতভাৱে নিজৰ শিল্প সৃষ্টি কৰিছিল। অসমীয়া, বঙালী, মণিপুৰী, বড়ো, খাছিয়া আদি বিভিন্ন জাতি-উপজাতিৰ সদস্য লৈ অসমজুৰি একেই সংস্কৃতি প্ৰতিষ্ঠানত থকা আৰু পাৰস্পৰিক সংস্কৃতিৰ আদান প্ৰদানৰ যোগেদি এক মিলন সৃষ্টি কৰা প্ৰতিষ্ঠান আৰু নাছিল বুলি ক'লেও বঢ়াই কোৱা নহয়। উল্লেখযোগ্য অৱদানেৰে গণনাট্যক মহীয়ান কৰিছিল। খাছিয়া পাহাৰৰ বীৰ টিৰট সিং আৰু জয়ন্তীয়া পাহাৰৰ বিদ্ৰোহী কিয়াং নাংবাৰ জীৱন ছাঁয়া নাট্যৰ যোগেদি এওঁলোকে প্ৰথম স্থানীয় পৰ্বতীয়া দৰ্শকৰ আগত দাঙি ধৰি তেওঁলোকে পাহৰি যোৱা নিজৰে সাম্ৰাজ্যবাদ বিৰোধী উজ্জ্বল গৌৰৱময় ঐতিহ্য উদ্ধাৰৰ সন্ধান কৰিছিল। ১১

গণনাট্যৰ যি ঐতিহ্যৰ সূত্ৰপাত কৰিছিল, তাৰ লগে লগে হেমাঙ্গ বিশ্বাসে সংঘৰ শিল্পী কৰ্মীসকলৰ দুৰ্বলতাসমূহো সময়মতে তুলি ধৰিবলৈ প্ৰয়াস কৰিছিল। সংঘৰ সম্পাদক হিচাপে তেওঁ তাক লুকাই ৰাখি যোৱাৰ পন্থী নাছিল। সংঘৰ অধিবেশনত তেওঁ তাক মুকলি কৈ প্ৰকাশ কৰিছিল। গণনাট্যৰ তৃতীয় অধিবেশনৰ বিশ্লেষণাত্মক সম্পাদকীয় প্ৰতিবেদনত তেওঁ দুৰ্বলতাবোৰ ফঁহিয়াই দেখুৱাই কৈছিল যে— সংঘৰ ডাঙৰ দুৰ্বলতা হৈছে —আদৰ্শগত দুৰ্বলতা। দেশৰ সংস্কৃতিৰ ইতিহাস, ঐতিহ্যৰ ধাৰা, আনকি গণনাট্যৰ ইতিহাস সম্পৰ্কে বহু শিল্পী অজ্ঞ। ঘোষণাপত্ৰখন ভালদৰে পঢ়ি চোৱা সভ্যৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা। গণসেৱা, গণজাগৰণ আৰু গণসংস্কৃতিৰ যি মহান আদৰ্শ গণনাট্য সংঘই দাঙি ধৰিছে অধিকাংশ শিল্পীয়ে তাক

১১ ঐ, পৃঃ ২১, ২২

স্বীকাৰ কৰিছে সঁচা, কিন্তু জীৱন দর্শন হিচাপে এতিয়াও গ্ৰহণ কৰিব পৰা নাই। ১২

শ্ৰদ্ধেয় বিশ্বাসে আত্ম-সমালোচনাৰে নিজকে প্ৰশ্ন কৰিছে : 'আজি অসমৰ গণজীৱন বুলিলে আমি কি বুজোঁ? অসমৰ প্ৰায় ৭২টা বিভিন্ন জাতি উপজাতি মিলি প্ৰায় এক কোটি জনসংখ্যাৰ ৭৫ ভাগেই খেতিয়ক। তাৰ লগত মিলিত হৈছে চাহবনুৱা, কাৰখানাখনি ইত্যাদিৰ শ্ৰমিক শ্ৰেণী। ইয়েই মুখ্য জনতা আমাৰ মুখ্য দর্শক। কিন্তু আমি সঁচাকৈ এই গণজীৱনৰ লগত নিবিড় পৰিচয় যোগাযোগ গাঠিব পাৰিছোনে? আমি আজি সঁচাকৈয়ে কিমান দূৰ নিজকে গণনাট্য সংঘৰ এই নামৰ উপযুক্ত বুলি দাবী কৰিব পাৰোঁ? আজি আমি কিমান দূৰ জনতাৰ সাংস্কৃতিক ক্ষুধাৰ নিৰসন কৰিব পাৰিছোঁ? আজি গাওঁ অঞ্চলৰ পৰা অনেক লোক আমাৰ ওচৰলৈ গণজীৱনৰ নতুন নাটক, ভাওনা, যাত্ৰা আদি বিচাৰি আহে। আমি এই দাবীৰ কিমানকণ অংশকেই বা পূৰণ কৰিব পাৰিছোঁ? আমাৰ সংগঠন মূলতঃ আজি নগৰীয়া মধ্যবিত্ত জীৱনতেই সীমাবদ্ধ। অনাখৰী গাৱঁলীয়া ৰাইজৰ মাজত অনেক শিল্পী প্ৰতিভা সিঁচৰিত হৈ পৰি আছে। আমাৰ সংগঠনৰ মাজলৈ এই শিল্পীসকলক কিমান আনিছোঁ? ....যুদ্ধ আৰু তাৰ লগৰ বিকৃতিমূলক ধাৰাৰ বিৰুদ্ধে অসমৰ শিল্পী আৰু শিল্প প্ৰতিষ্ঠান বোৰ মিলিত কৰি আগুৱাই লৈ যোৱাৰ ঐতিহাসিক দায়িত্ব কিমান পালন কৰিব পাৰিছোঁ? জাতীয় জীৱনত জীৱিকাৰ প্ৰশ্নত জুৰুলা শিল্পীকেই বা কিমানদূৰ সংগঠিত কৰিব পাৰিছোঁ? ১৩

শিল্পী বিশ্বাসে সেয়ে সংঘৰ কর্মীসকলক নিজৰ দুর্ব্বলতা, দোষ ক্ৰটি সমূহ আত্মবিচাৰৰ দৃষ্টিকোণেৰে জুকিয়াই চাবলৈ আহ্বান জনাইছিল। সংঘৰ অধিবেশনত তেওঁ পৰামর্শ দিছিল— আমাৰ সাংস্কৃতিক জীৱনৰ সমস্যাৰ বিচাৰ কৰিবলৈ হলে সংস্কৃতিৰ উৎস

১২ হেমাঙ্গ বিশ্বাস, গণনাট্য ইতিহাসৰ আন এখন প্ৰামাণ্য দলিল (২), সাম্প্ৰতিক সাময়িকী, মে' ১৯৭৯, পৃঃ ২১, ২০

১৩ ঐ পৃঃ ২০

জনতাৰ অৰস্থাত চকু ফুৰাৰ লাগিব। অসমৰ সৰ্ব্বাধিক জনতাই খেতিয়ক। অনাখৰী এই খেতিয়ক শ্ৰেণীৰ উৎপাদনমুখী জীৱনতেই জন্ম লৈছিল বনগীত, বিহুগীত, ওজাপালি আদি যি আমাৰ জাতীয় সংস্কৃতিৰ মূল প্ৰবাহ। আজি এই খেতিয়ক শ্ৰেণী চৰম আৰ্থিক সংকটৰ হেঁচাত। তেওঁলোকে সাতামপুৰুষীয়া মাটি হেৰুৱাই মাটিৰ ভোকত ঘূৰি ফুৰিছে। আমাৰ সমাজৰ আৰ্থিক ভেটি কৃষি। কৃষি আৰু কৃষ্টিৰ যোগসূত্ৰ অবিচ্ছেদ্য। আজি জনসাধাৰণৰ মাটি আৰু জীৱিকাৰ সংগ্ৰামৰ লগত কৃষ্টি আন্দোলনৰ সম্পৰ্ক ঘনিষ্ঠভাবে জড়িত।[১৪]

[তিনি]

অসম গণনাট্যৰ তৃতীয় অধিবেশনত শ্ৰদ্ধেয় বিশ্বাসে এটা উল্লেখযোগ্য মন্তব্য কৰিছিল— যাৰ গুৰুত্ব পৰবৰ্ত্তী কালত আমাৰ চকুত কেবাবাৰো ধৰা দিলে। তেওঁৰ উক্তিটো আছিল : সাম্ৰাজ্যবাদী শাসকে যি বিজতৰীয়া সংস্কৃতি আমদানি কৰিছিল— আমাৰ জাতীয় সংস্কৃতিৰ যি ধ্বংস সাধন কৰিছিল আজিও তাৰ জাল মৰা নাই। সাম্ৰাজ্যবাদী শাসকৰ আটাইতকৈ বিষাক্ত প্ৰক্ৰিয়া—জাতিয়ে জাতিয়ে ভাষাই ভাষাই, সংস্কৃতিয়ে সংস্কৃতিয়ে সংঘৰ্ষ ঘটোৱা— তাৰ বিষক্ৰিয়া এতিয়াও চলি আছে—আনকি দিনক দিনে বাঢ়িছেহে।[১৫]

সাম্ৰাজ্যবাদী চক্ৰান্তই কেওটা জাতীয় আন্দোলনক চুই গৈছিল। '৬০ ৰ ভাষা আন্দোলন, '৭২ ৰ মাধ্যম আন্দোলন কিম্বা '৭৯-'৮৫ ৰ বিদেশী বিতাড়ন— প্ৰতিটোৱে আমাৰ সংহতি বিনষ্ট কৰিছিল।

১৯৬০ চনত ৰাজ্য ভাষাক কেন্দ্ৰ কৰি অসমীয়া আৰু বাংলাভাষী

১৪ ঐ, পৃঃ ২৩

১৫ ঐ, পৃ, ২৩

মানুহৰ মাজত যি ভাতৃঘাতী সংঘৰ্ষৰ সৃষ্টি হৈছিল—যেতিয়া এই সংঘৰ্ষৰ ফলশ্ৰুতিত অসমৰ বিভিন্ন ঠাইত দুয়ো সম্প্ৰদায়ৰ নিৰীহ মানুহ হতাহত হৈছিল, গণনাট্যৰ মহান আদৰ্শৰ সহযাত্ৰী, উদ্যোক্তা হিচাপে হেমাঙ্গ বিশ্বাসে নীৰৱে থাকিব নোৱাৰিলে। গণনাট্যৰ কৰ্মী হিচাপে তেওঁ তাক এক প্ৰত্যাহ্বান হিচাবে গ্ৰহণ কৰি শিলঙত গণনাট্যৰ কিছু সহযোগীৰ সৈতে বৈঠকত মিলিত হৈ উপায় উদ্ভাৱন বাবে চিন্তিলে। সংঘৰ্ষিত অঞ্চলত শান্তি আৰু সংহতিৰ বাণী প্ৰচাৰ কৰিবলৈ হেমাঙ্গ বিশ্বাসৰ উদ্যোগত গঠিত হ'ল এটি সাংস্কৃতিক বাহিনী 'Let us meet cultural trouple'।[১৬] কলিকতাৰ পৰা ভূপেন হাজৰিকাও লৰৰি আহিল বিশ্বাসৰ লগত সহযোগ কৰিবলৈ। দুয়ো-জনৰে নেতৃত্বত বাৰেৰহণীয়া সংস্কৃতিৰ মেটমৰা বোজা লৈ আৰু বহুতো জনগোষ্ঠী ভাষা ভাষীৰ শিল্পী সকলক লৈ ভৈয়ামলৈ নামি আহিছিল এই মিলন আৰু শুভেচ্ছামূলক সাংস্কৃতিক বাহিনীটি। সেই মুহূৰ্ত্তত অসমৰ বহু খ্যাত শিল্পী সাহিত্যিকেও এই বাহিনীত মিলিত হবলৈ মুকলি মনেৰে ওলাই আহিছিল। সহযাত্ৰী হৈছিল বিষ্ণুৰাভা, ফণী শৰ্মা, কমল চৌধুৰী, মঘাই ওজা, নগেন কাকতী, বীৰেন দত্ত, দীপালী বৰঠাকুৰ সহযোগী হৈছিল পৰাগ চলিহা আদি বহু শুভা-কাঙ্ক্ষী শিল্পী-লেখক। সংঘৰ্ষিত বিভিন্ন ঠাইত বাহিনীয়ে নিৰাপদে অনুষ্ঠান পৰিবেশন কৰিছিল। মানুহ উৎসাহিত হৈছিল। মুকলি কৰিছিল তেওঁলোকৰ মনৰ পদুলি। যোৰহাটত ঢোলৰ শিল্পী মঘাই ওজাই নিভাঁজ অনুভূতিৰে ঢোলত চাপৰি মাৰি তৎমুহূৰ্ত্তৰ পৰিবেশকে উত্তোলন কৰিছিল :

'ভায়ে ভায়ে দন কৰে
পৰে পায় আশ

১৬ হেমাঙ্গ বিশ্বাস, 'আহক আকৌ আমি একতাৰ সেতু বান্ধো, সাম্প্ৰতিক সাময়িকী, অক্টোবৰ, ১৯৮০, পৃঃ ৮০-৮৯

মতা মাইকী দন কৰে
ঘৰে বনবাস ।'

গোটেই যাত্ৰাৰ আলোড়নময়ী গানটো আছিল 'হাৰাধন-ৰংমনৰ কথা' । হেমাঙ্গ বিশ্বাস আৰু ভূপেন হাজৰিকাই গাইছিল সেই গান। সুয়োজনৰে লেখা, য'ত আছিল গৃহহাৰা বঙালী কৃষক হাৰাধনৰ হৃদয় বিদাৰক প্ৰশ্ন আৰু তেওঁৰ সমমৰ্মী কৃষক ৰংমনৰ উত্তৰ ঃ ভূপেন হাজৰিকাৰ স্পৰ্শকাতৰ অনুপম কণ্ঠত সেইদিনা হাৰাধনৰ দুখ যেনেকৈ কান্দি উঠিছিল, তেনেকৈ হেমাঙ্গ বিশ্বাসৰ ভাটিয়ালী সুৰতো প্ৰতিধ্বনিত হৈছিল ৰংমনৰ দুখ । সমবেত শ্ৰোতা দৰ্শক আবেগত আপ্লুত হৈ পৰিছিল ।

অসমীয়া কৃষক ৰংমনৰ ভূমিকাত ভূপেন হাজৰিকাই গাইছিল : ১৭

'লুইতৰ চাপৰিত চাকৈয়ে কান্দিলে মানুহৰ নাওখন চাই ।
মানুহৰ দুখতে মানুহ বুৰিব আনকছোন দোষিবৰ নাই ।....

পদ্মাৰ উজানত উটি উদ্বাস্তু বঙালী কৃষক হাৰাধনৰ ভূমিকাত হেমাঙ্গ বিশ্বাসে গাইছিল :

'আমাৰ ভাঙা নাওয়ে বন্ধু তুমি দিলায় পাল ।
আমি ধৰলাম বৈঠা বন্ধু তুমি ধৰলায় হাল ।
ঐ মিলন গানে আনলো বলো কে বিভেদৰ বান
চৰ ভাঙ্গিল ঘৰ ভাঙিল ডুবলো সোণৰ ধান ।'....

শেষ কৰিছিল দুয়োজনে একেলগে :

'তুমি নাচ বিহু নাচ আমি দিব তালি
ঐক্যতানে মিলে যাবে বিহু-ভাটিয়ালী ।'....

গণনাট্য সংঘৰ ই আছিল উজ্বল অধ্যায় । সেই সময়ত অসমৰ বাহিৰৰ বহুতে ইয়াৰ প্ৰতি স্বাগতম জনাইছিল । বংগৰ উৎপল দত্তই লিখিছিল : The most ferverishly discussed topic at the

১৭ হেমাঙ্গ বিশ্বাস, গণনাট্য আন্দোলনে আমাৰ গান, অনীক, হেমাঙ্গ বিশ্বাস সংখ্যা, ১৯৮৮

moment among advanced cultural circles in Calcutta is the strange new away in Assam—an away that sings peace and goodwill, the squad of Assamese, Bengali, Nepali and Khasi singers under the leader ship of Bhupen Hazarika and Hemango Biswas....'১৮

বাংলা দৈনিক 'স্বাধীনতা' কাকতে লিখিছিল : 'আসামে যখন প্রাদেশিকতার হিংস্র আক্রমণে সকল ভারতবাসীর মাথা নত হয়ে গেছে, যখন অসমীয়া বাঙ্গালী বিদ্বেষের বিষকন্যায় একটা সুসভ্য ও স্বাধীন জাতির সম্মান ধূলায় লটিয়ে পড়ার উপক্রম হায়চ্ছে, তখন ধ্বংসের মাঝে শংখধ্বনির মত একটা পবিত্র সংগীতের সুর শোনা গেছে শিলং এর পাহাড়ে '....

....জাতি বিদ্বেষ ও প্রাদেশিক হানাহানির বর্ব্বর শক্তির বিরুদ্ধে তাদের সাংস্কৃতিক অভিযান নিশ্চিত সার্থক হবে। আমরা বিশ্বাস করি আমাদের প্রত্যেক শিল্পী এই অভিযানে অংশগ্রহণ করবেন। কোনো প্রকৃত শিল্পীমনের অধিকারী ব্যক্তি এ দুর্দ্দিনে কেবল দর্শকের ভূমিকা গ্রহণ করতে পারবেন না।'১৯

কিন্তু '৬০ তে শেষ নহল। অবশিষ্ট খিনিকে নিঃশেষ কৰাৰ চক্রান্ত চলিল। '৭২ বে পুনৰ কলে তাক। তাৰ পিছত আহিল বিদেশী বিতাড়ন আন্দোলন। জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনে বিৰাট আকাৰত অসম ছাটি ধৰিলে। এই আন্দোলনে আমাক আক উন্মাদ কৰি তুলিলে। '৬০ ৰ বিষময় অধ্যায়তকৈও এইবাৰ প্ৰৱল ৰূপত অসম থান-বান হোৱাৰ উপক্ৰম হ'ল। কলিকতাত থকা হেমাঙ্গ বিশ্বাস নীৰৱে থাকে কেনেকৈ ? সোঁতৰ বিপৰীতে

১৮ Utpal Dutta, News Age, 16th October, 1960, হেমাঙ্গ বিশ্বাস, 'আহক আমি আকৌ একাৰ সেতু বান্ধো, সাম্প্রতিক সাময়িকী, আক্টোবৰ, ১৯৮০

১৯ স্বাধীনতা, বাংলা দৈনিক, ৯ চেপ্তেম্বৰ, ১৯৬০, হেমাঙ্গ বিশ্বাস, ঐ

থিয় হৈ এই সময়ত শ্ৰদ্ধেয় হীৰেন গোহাঁয়ে উলিয়াছিল 'কলাখাৰ'— যিয়ে আন্দোলনটোৰ ধ্বংসাত্মক দিশটো সাহসেৰে উন্মোচন কৰিছিল। হেমাঙ্গ বিশ্বাসে 'কলাখাৰ'লৈ দিয়া বিবৃতিত আন্দোলনৰ প্ৰকৃত স্বৰূপ দাঙি ধৰি মন্তব্য কৰিছিল, অসমত আবেগৰ যি বিস্ফোৰণ ঘটিছে সি তথ্যনিষ্ঠ আৰু যুক্তি নিৰ্ভৰ নহয়। যিসকলে এই আন্দোলন জাতীয় অভ্যুত্থান বুলিছে তেওঁলোকে বাইজক ভুল ব্যাখ্যা দিছে। জাতীয় অভ্যুত্থানৰ লক্ষ্য হয় সাম্ৰাজ্যবাদী বা দেশীয় শোষকৰ ৰাষ্ট্ৰশক্তি। এই আন্দোলনৰ মূল বৰ্শামুখ "বহিৰাগত"। সাম্ৰাজ্যবাদীৰ লগত আপোচ কামী জাতীয় নেতৃত্বই সাম্প্ৰদায়িক ভিত্তিত ভাৰত বিভাজন মানি লোৱাৰ ফল হ'ল "বহিৰাগত"। 'বহিৰাগত' সকল কেতিয়াও অসমক আক্ৰমণ কৰাৰ বাবে অহা নাই। অধিকাংশই শ্ৰমজীৱী মানুহ, কেতিয়াও তেওঁলোক অসমীয়া জনতাৰ শত্ৰু নহয়। ২০

বিবৃত্তিটোত স্পষ্ট উল্লেখ কৰিছিল :

'এটা আন্দোলনৰ শত্ৰু কোন, মিত্ৰ কোন, ধাৰ্য্য কৰাৰ ওপৰত আন্দোলনৰ চৰিত্ৰ আৰু সাফল্য নিৰ্ভৰ কৰে। ....কাৰ্য্যত: জাতি বিদ্বেষ সুস্থ গণতান্ত্ৰিক আন্দোলনৰ পৰিপন্থী। আন্দোলনে ব্যাপকতা লাভ কৰিলেও জাতি বিদ্বেষে তাক কলুষিত আৰু বিপথগামী কৰে। '২১

কমিউনিষ্ট বিদ্বেষ প্ৰচাৰ কৰা আন্দোলনে যিমানেই ব্যাপকতা লাভ নকৰক সি খাটি গণ আন্দোলন নহয় তাকো বিশ্বাসে বিবৃতিটোত উন্মুকিয়াইছিল। ২২

বিদেশী বিতাৰণ আন্দোলনৰ অমানবীয় দিশসমূহ সাহসিকতাৰে প্ৰকাশ কৰা বাবে ড° হীৰন গোহাঁইক আন্দোলনকাৰীয়ে আক্ৰমণ কৰিছিল। অপমানিত হৈছিল শ্ৰীমতী নিৰুপমা বৰগোহাঞি

২০ অসমৰ সংস্কৃতিক একনিষ্ঠ পূজাৰী শিল্পী, হেমাঙ্গ বিশ্বাসৰ সপ্তাহিক কলাইাৰ, সম্পাদক, ড° হীৰেন গোহাঁই ১৯৮০, ১ম বছৰ, ৮ মে'

২১ ঐ

২২ ঐ

প্ৰমুখ্যে অসমৰ কেবাজনো লেখক বুদ্ধিজীৱী। হেমাঙ্গ বিশ্বাসে কলিকতাৰ পৰা কাকতৰ জৰিয়তে এই ঘটনাৰ তীব্ৰ নিন্দা কৰিছিল। হেমাঙ্গ বিশ্বাসৰ এই বিবৃতিত একমত হৈ স্বাক্ষৰ দিয়ালৈ কলিকতাৰ কেবাজনো বুদ্ধিজীৱী ওলাই আহিছিল। তেওঁলোক—মৈত্ৰেয়ী দেৱী, সমৰ সেন, বীৰেন্দ্ৰ চট্টোপধ্যায়, অৰুণ শ্ৰীবাস্তৱ, সত্যেন বন্দোপাধ্যায়, কালী দাসগুপ্ত, বাবুল নিয়োগী, দীপংকৰ চক্ৰবৰ্ত্তী। ২৩

১৯৮৩ চনত নিৰ্ব্বাচনত সংঘটিত হত্যাৰ তাণ্ডৱ লীলাই হেমাঙ্গ বিশ্বাসৰ কলিকতাকো স্পৰ্শ কৰিছিল। লৰৰি আহিছিল অসমলৈ। মন আছিল এটি সাংস্কৃতিক বাহিনী লৈ শান্তি-সংহতিৰ গীত গোৱাৰ। কিন্তু এইবাৰতো অসম '৭০ ৰ অসমো হৈ থকা নাছিল। শিল্পী সাহিত্যিক সকলৰো মন মুকলি নাছিল। বিশ্বাস বিফল

২৩ অমিতাভ সেনগুপ্ত, হেমাঙ্গদা স্মৃতিতে অনুভূতিতে, অনীক, হেমাঙ্গ বিশ্বাস সংখ্যা, ফেব্ৰুৱাৰী-মাচ্চ, ১৯৮৮,

'....In the Context of this movment a group of intellectuals and cultural workers have been endeavouring to stop the rioting among fraternal communities and to maintain a good relationship with other communities livingin Assam. Unfortunatelly those workers including Nirupama Bargohain and Hiren Gohain, who have expressed a diffeenced of opinion to the leader of the movement have been conlunouslp harassed. On June 6th, 1980 Professor Gohain was so badly beaten that he had to be admitted to hospital... ....we appeal to all people with good sense to protest against such violence'

হৈ উভতি যাব লগা হৈছিল। যোৱাৰ আগতে কাকতলৈ দিয়া এটি বিবৃতিত পুনৰ তেওঁ কৈ গৈছিল :

....অলপতে ঘটি যোৱা অসমৰ ঘটনাৱলীয়ে মোক মৰ্মাহত কৰিছে।

........এই হত্যালীলাই সকলোকে আতংকিত কৰি তোলাৰ লগতে অসমৰ জনসাধৰণৰ ঐতিহ্যমণ্ডিত ঐক্য আৰু সম্প্ৰীতিৰ ভেটি গুৰুতৰ ভাবে কঁপাই তুলিছে। এনেবোৰ ঘটনাই ভবিষ্যতে আমাৰ বাবে সূচনা কৰিছে ভয়ানক অবিশ্বাসৰ দৃশ্য, সংশয় আৰু এক দ্বাৰৰুদ্ধকাৰী সমাজ জীৱন। এজন প্ৰকৃত অসম প্ৰেমী হিচাপে মোৰ কাৰণে ই অসহনীয় ভাবে বেদনাদায়ক।............আজিৰ চামৰ বাবে প্ৰত্যাহ্বান হ'ল— এই ঐক্যৰ পৰিবেশ গঢ়ি তোলা। অন্যথাই অসমভূমি খণ্ড-বিখণ্ড হৈ যোৱাৰ প্ৰবল আশংকা বিদ্যমান।........মই অনুভৱ কৰোঁ বৰ্ত্তমান সময়ত মানসিক পুনৰ্বাসনৰ ক্ষেত্ৰত শিল্পী সাহিত্যিক সকলৰ বিশেষ ভূমিকা আছে। ভাৰতীয় শাসকগোষ্ঠীয়ে নিজৰ নীচ স্বাৰ্থৰ খাটিৰত এনে এক পৰিবেশ গঢ়ি উঠাত বাধা দিবলৈ চেষ্টা চলাই আছে। অসমৰ যুৱক-যুৱতীয়ে শাসক গোষ্ঠীৰ এই কু-অভিসন্ধি বিফল কৰি গণতান্ত্ৰিক, ধৰ্ম্মনিৰপেক্ষ আৰু সমন্বয়ভিত্তিক সমাজৰ বাট কটীয়া হিচাপে নিজৰ গৌৰৱ অৰ্জন কৰক।........'[২৩]

২৩। শিল্পী হেমাঙ্গ বিশ্বাসৰ আহ্বান, অসম বাণী, সম্পাদক তিলক হাজৰিকা, ২০ এপ্ৰিল, ১৯৭৩

★ শ্ৰীপৰমানন্দ মজুমদাৰ গুৱাহাটীৰ প্ৰাগজ্যোতিষপুৰ কলেজৰ প্ৰৱক্তা আৰু এগৰাকী উদীয়মান চিন্তাশীল লেখক।

অঘ্রাণ

শ্রীমৈনাক বিশ্বাস

শেষৰফালে বহুসময় তেওঁ অকলেই থাকিছিল। আমি আটায়ে নিজৰ নিজৰ কামত ওলাই গৈছিলোঁ। ঘৰত থাকিছিল তেওঁই। বাতিপুৱা তেওঁৰ খিৰিকীৰ কাষত বগা শেৱালিৰ গছ, বিবিধ ভাৰতী, সংবাদ, গোটেই দুপৰীয়াৰ কালছোৱা আমাৰ কলোনীপাৰাৰ স্তিমিত গুঞ্জন, কোনোৱে খিৰিকীৰে ভুমুকি মাৰিলে— কিবা কামত অহা মানুহেই হওঁক বা ঘৰৰ কাষৰ শিশুহঁতেই হওক, তেওঁলোকৰ লগত আধা ছিলেটী সংলাপ। সন্ধিয়া সময়ত পঢ়া-শুনা কৰিলে মূৰ বিষায়, গান গাইছিল, আঠুত মূৰ গুজি বহিও থাকিছিল, সময়ে সময়ে এক-তাঁৰা বজাৰ আওৱাজো তেওঁৰ কোঠালিৰ পৰা ভাঁহি অহা শুনি-ছিলোঁ। কোনো দেখা কৰিবলৈ আহিলে চীনা চাহ আৰু আইতাই তৈয়াৰ কৰা কাঁথা গাত লৈ আলাপ কৰিবলৈ ওলাইছিল। ভাটিয়া-লীয়ে তেওঁৰ অন্তৰ জুৰি থাকিছিল, শেষৰ বছৰ কেইটাত আকৌ গভীৰ আগ্ৰহ আৰু শ্ৰদ্ধাৰে লোকসংগীতৰ পিনে ঘূৰি আহিছিল। অজস্ৰ সংগৃহীত গানৰ বহীবোৰ ঘঁটাঘুটা কৰিছিল, ডি-ছাৰ্প, এফ্-মেজৰত ডিঙি ফুলাই তাঁন দিছিল। মুকলি বতাহৰ দৰে তেওঁৰ কণ্ঠ, চহৰৰ সংকীৰ্ণ কংক্ৰীট আৰু দেৱালৰ উদাসীনতা টপকৈ আঁতৰাই দিয়া টান, কাষৰ পৰাও বুকু দুৰু দুৰু কৰিছিল। কিন্তু ধুণাক্ষৰেও কোনো সন্দেহ কৰা নাছিলোঁ। মাত্ৰ ছয়মাহ আগতে শ্বাস প্ৰশ্বাসত ভীষণ কষ্ট পোৱা হ'ল। এক্স-ৰে ৰিপোৰ্টত দেখা গ'ল এটা ফুচফুচ বগা পাথৰত পৰিণত, আনটোৰ এক তৃতীয়াংশই হে কাম কৰিছে, চাৰিওফালে পাথৰৰ শক্তিশালী দেৱাল। পানীত পৰা মানুহৰ দৰে

অৱস্থা। শ্বাসপ্রশ্বাসত পোৱা কষ্টৰ কথা আগেও সময়ে সময়ে কৈছিল, কিন্তু বেছি একো বুজা নাছিলোঁ, কোনোৱে অসুস্থ বুলিলেই খং কৰিছিল।

যোৱা অক্টোবৰত অষ্টমীৰ দিনাও গান গাইছে। 'পদ্মা ক'ত আমাৰে' ত 'আইজ ভেলায় ভাসে বেহুলা বাংলা' ৰ পাছত সপ্তকত সেই বুকু ফাটা তাঁন আৰু 'Ol' man river'ৰ শেষ স্তবকৰ বিস্ফোৰণটোও সেই অনুষ্ঠানত আছিল। শেষলৈকে তেওঁক এই ৰূপত দেখিছোঁ। এনেই আছিল প্ৰাণপ্ৰাচুৰ্য, বাচি থকাৰ সকলো কেইটি প্ৰকোষ্ঠত তেওঁৰ সাবলীল বিচৰণ। তেওঁৰ এজন অনুৰাগীয়ে এদিন কৈছিল, কুৰি বছৰত সংগ্ৰামৰত হোৱা আন এককথা, পঁচিশ-ত্ৰিশত আৰু অন্যকথা, চল্লিশত অন্য বস্তু. এই পসত্তৰ বছৰ যুৰি এই সংগ্ৰাম, সম্পুৰ্ণ সংহতি। এওঁলোকৰ প্ৰজাতি বোধহয় দুস্প্ৰাপ্য হৈ আহিছে।

কত মানুহক দেখিছোঁ, শিল্পী বা নেতা যিয়েই নহওক বাহিৰে ভিতৰে ভীষণ কঠিন, স্বচ্ছ সংগ্ৰাম চলাই ৰখা। পিতাক কিন্তু কোনো মুহূৰ্ত্তত কোনো কথা বা কামৰ কাৰণেই অসুন্দৰ বুলি অনুভৱ হোৱা নাছিল। ত্ৰুটি-বিচ্যুতিৰ কথা কোৱা নাই, কৈছোঁ জীৱন যাপনৰ কথা। সময়ে সময়ে অবাক হৈ গৈছিলোঁ, কেনেকৈ এওঁ ইমান আচৰিত ধৰণে সহজ? ভনীজনীয়ে এদিন সুধিছিল, পিতা কোনো দিন হতাশ নহয়? মনত বেয়া নালাগে? ইমান আনন্দ, ইমান স্ফুৰ্তি তেওঁ ক ৰ পৰা পায়? বয়স যিমানেই বাঢ়িছিল, দেখাত তেওঁ সিমানেই সুন্দৰ হৈ পৰিছিল। হাস্পাতালত দেখা সকলে জানে, মৰাৰ আগে আগে কি অদ্ভুত সোণালী, সুন্দৰ হৈ উঠিছিল। কিছুদিন আগৰ পৰা মৃত্যুৰ কথা ভাবিছিল, পোনপতিয়াকৈ কৈছিলোঁ, মিচিকিয়াই হাঁহি। সম্ভৱতঃ মনে মনে তেওঁ কিবা সম্পূৰ্ণ হৈ উঠিছিল। তেওঁৰ মৃত্যুই আমাক ভীষণ ভাবে অবাক কৰা নাই, এটা বিশাল বৃত্তৰ নিখুঁত সমাপ্তিৰ কাৰণে যেন বহুদিনৰ পৰা মনে মনে টানিছিল।

মদন বাউলৰ গান গাইছিল,—

নিঠুৰ গৰজী
তুই কি মানস-মুকুল ভাজবি আগুনে
তুই কি ফুল ফোটাবি, বাস ছোটাবি
সবুৰ বিহনে .... ।
দেখনা আমাৰ পৰম গুৰু সাঁই
যুগযুগান্তে ফোটায় মুকুল
তড়াহুড়া নাই ।

পৰম গুৰু ঈশ্বৰেই নহয়, শিল্পীও । সহজতা তেওঁৰ শ্ৰমলব্ধ ধন ।

কেতিয়াবা হয়তো ঘৰত অকলে বহি আছে, কথা কোৱাৰ লগ নাই । ভুমুকি মাৰি দেখিছোঁ তলমূৰা কৰি বহি আছে, এমূৰ ৰেছমী কলা চুলিৰ মাজত হাত বুলাই বুলাই গুণগুণ কৰিছে, পঞ্চাশ বছৰ আগে খাছিয়া পাহাৰত অজ্ঞাত বাসৰ সময়ত শুনা সুৰ । এক বিৰাট বিপদসংকুল যুগৰ প্ৰতিটো প্ৰহৰত খোজ ৰাখি আহিছে, কত মানুহ, বিগত দিনৰ বন্ধু, কত অজস্ৰ সুৰ, শ্লোগান, নদী, পাহাৰ, ফচল, ৰাতি দেখিছে, এনে মানুহক স্মৃতিৰ ঋতুই ভাৰাক্ৰান্ত, নিথৰ কৰি তোলেনে ? বাৰ্ধক্যৰ সৈতে বিষন্ন আলাপৰ অৱসৰ তেওঁৰ নাছিল, জীৱনৰ প্ৰতিটো তুচ্ছতাৰ সৈতে তেওঁ বিজৰিত আছিল । চলাৰ ক্ষেত্ৰত আছিল সম্পূৰ্ণ ব্যস্ত । লতা মুঙ্গেশকৰ বা গাভাস্কাৰৰ খবৰো বিচাৰি জানি ৰাখিছিল, মনত নাথাকিব বুলি ভাবিলে বহীত লেখি ৰাখিছিল । স্মৃতি চাৰণ ? থিয় দি অতীতৰ প্ৰতি ঘূৰি চোৱা নহয়, তেওঁৰ জীৱনৰ চলমানতাৰ লগত অতীত আছিল এটা প্ৰবাহৰ দৰে, যেন ক্ষণে ক্ষণে তেওঁক গভীৰ আৰু স্বচ্ছ কৰি তুলি-ছিল । নিজৰ লগত এনেদৰে শান্তিচুক্তি কেইজনে কৰিব পাৰে ?

নিজৰ কোঠালীতে বহি আছে, শেৱালিৰ পাতৰ মাজেদি ৰ'দ পৰিছে । কাষত চাহৰ পিয়লা, পঢ়ি দাগ দিয়া বাতৰি কাকত,

হত্যা, সংঘৰ্ষ, আপোচ, বিশ্বাসঘাতকতা, বিস্মৰণ আৰু পিছুৱাই যোৱাৰ কাহিনী। তেওঁ কেতিয়াও হতাশ বা তিক্ত হোৱা নাছিল নে? নিজৰ মতৰ প্ৰতি আনিবলৈ বা সন্দেহৰ সৃষ্টি কৰিবলৈও দুই এবাৰ চেষ্টা কৰিছিলোঁ। কোনোৱে অলপ পণ্ডিতি কৰি কথা ক'লে ভীষণ জড়সৰ হৈ শুনিছিল। নিজৰ জ্ঞানৰ অভাৱৰ কাৰণে কোনো সন্দেহ বা আক্ষেপ নাছিল। কোনোৱে কিবা জটিল ভাষণ দিলে মনোযোগেৰে শুনাৰ চেষ্টা কৰিছিল। দুই এটা নতুন কথা শুনি আহি তেওঁক শুনাবলৈ চেষ্টা কৰিছিলোঁ। কেতিয়াবা কেতিয়াবা তেওঁৰ বিশ্বাসৰ প্ৰাচীৰত আঘাত হনাৰ কথাও ভাবিছিলোঁ, প্ৰশ্ন কৰি খোঁৱাকোৱা দেখুওৱাৰ কল্পনাও কৰিছিলোঁ। কিন্তু জানিছিলোঁ যে কোনো লাভ নহ'ব। সেই পুথিপত্ৰ, বহী, কলম, একতাঁৰা, চুপাৰিৰ কৌটা, নাৰিকলৰ লাৰু, বজাৰৰ হিচাবৰ বহী, অন্যমনস্ক হৈ চাহৰ কাপৰ সৈতে বহি থকা চৌসত্তৰ বছৰৰ মানুহজনক এওঁৰ চুবুৰীয়াসকলৰ কোনেও যদি খিৰিকীৰে ভুমুকিয়াই প্ৰশ্ন কৰে— 'মানুহৰ মুক্তি আছে?" জানিছিলোঁ উত্তৰ দিব, "অঁ, আছে।"

দৃঢ় বিশ্বাসৰ এই গাঢ় স্পন্দন দেখি মাজে মাজে অস্বস্তি অনুভৱ কৰিছিলোঁ। পলৰবছনক উদ্ধৃত কৰি পিতাই কৈছিল, 'মোৰ গান মোৰ বিশ্বাসৰ সংবাদ।' ক'ৰ পৰা লাভ কৰিছিল বিশ্বাসৰ এই বুটাতোলা স্নিগ্ধতা? ইয়াৰ মাজত গোড়ামিৰ স্থান নাছিল। তেওঁৰ মননত মাৰ্ক্সবাদ কোনো ধৰণৰ যান্ত্ৰিক চাবিকাঠি নাছিল। ষ্টেলিনক কেন্দ্ৰ কৰি তৰ্ক উত্থাপন হলে উত্তেজিত হৈ উঠিছিলো, ভাবিবলৈ বাধ্য হৈছিলোঁ যে তেওঁ একেবাৰে অন্ধ। সমাজতান্ত্ৰিক বাস্তৱবাদৰ বিষয়ে আলোচনা উত্থাপন হলেও আমাৰ প্ৰচণ্ড আপত্তি সত্বেও তেওঁ তাত্বিকৰূপত ফৰ্ম আৰু কণ্টেণ্টৰ বিষয়ে সেই একে বিত্ৰীফৰমুলাৰ কথা উল্লেখ কৰিছিল। কিন্তু প্ৰয়োগত সি সমূলি নাছিল, অন্যান্য প্ৰসঙ্গৰ চিন্তাতো নাছিল।

পার্টিৰ ক্ষেত্ৰত আমোলাতান্ত্ৰিকতা সৰ্ব্বজ্ঞতাৰ কোনো কথাই তেওঁ সমৰ্থন নকৰিছিল, পাৰ্টিৰ কথালৈয়ে নানা ৰকমৰ প্ৰশ্ন তুলিছিল। মাৰ্ক্সবাদ আচলতে তেওঁৰ বিশ্বাসৰ পৰিসীমা নাছিল, অন্তৰ বস্তুৰ সদৃশ হৈ আছিল, আৰু তাৰ আধাৰ ভূমি আছিল গাঁৱলীয়া সমাজ, কৃষি-সমাজৰ সংস্কৃতি আৰু জীৱনচৰ্যাৰ সৈতে 'মিথষ্ক্ৰিয়া'ত গঢ়ি উঠা তেওঁৰ মন। মাৰ্ক্সবাদত দীক্ষিত হোৱা কাৰণে লৌকিক সংস্কৃতিৰ পৰা গ্ৰহণ কৰাতেই এই মন তুষ্ট থকা নাছিল, গ্ৰহণ-বৰ্জনৰ শৃঙ্খলাত ই শিল্পীত হৈও উঠিছিল। এওঁৰ মনত একপ্ৰকাৰ কেন্দ্ৰীয় গ্ৰামীণতা আছিল, সেইটোৰে সৈতে মাৰ্ক্সবাদৰ বুজাপৰা চলিছিল। এই প্ৰক্ৰিয়াক বুজাত কোনো অসুবিধা হোৱা নাছিল। আমি যে তেওঁক বুজা নাছিলোঁ তেনেও নহয়। এনে এটা চেতনাই নাগৰিক-জীৱন যাপনৰ বাস্তৱতাৰ মাজত নিৰ্বাসিতৰ দৰে নিশ্চয় অৱস্থান কৰিছিল। সকলোৱে বুজিব কিয়? সকলোকে বুজিবই বা কেনেকৈ? বহু সময়ত কথা কৈছিল সম্পূৰ্ণ গ্ৰাম্যশৈলীত। এবাৰ এজনী মহিলা আহিছিল গান শিকিবলৈ। পিতাই তেওঁক গান শুনাব ক'লে। মহিলাজনীয়ে বেছ ভাল গালে। গান শুনাৰ পিছত পিতাই ক'লে, 'তোমাৰ দিয়া অইবো না, তুমাৰ গলা খুব মিষ্টি, চিনিৰ মত, মিছৰিৰ মত মিষ্টি। কিন্তু আমি চাই খাজুইৰা গুড়'। এই ভাষা আমাৰ প্ৰজন্মই বুজা টান, কিন্তু যিয়েই তেওঁৰ কাষ চাপি আহিছিল সিয়েই জানিবলৈ পাইছিল নতুনৰ লগত কেনে অবলীলাক্ৰমে তেওঁ যোগাযোগ কৰিছিল, তৰুণসকলৰ লগত মিলোতে আত্মচেতনাত বাজে অকণো অহংকাৰৰ ভাৱ নাৰাখিছিল। এওঁৰ ওচৰলৈ আহি এওঁৰ সৰলতাৰ উত্তাপত গলি নোযোৱা মানুহ কমেই আছিল।

প্ৰকৃত ধাৰ্মিক মানুহৰ জীৱনৰ এটা কেন্দ্ৰীয়তা থাকে। আমাৰ অসম্পূৰ্ণ বিজ্ঞানে আমাৰ বিশ্বাস আৰু কেন্দ্ৰীয়তাক প্ৰায়েই কাঢ়ি লৈ যায়। পিতাই যেতিয়া ভাটিয়ালী গাইছিল, মুৰ্শিদা, মাৰিফতী

গাইছিল বা বাউল, সেই গানৰ আৰ্তি, আবেগ, প্ৰেম আৰু উত্তৰণৰ ধৰ্মীয়ভাবানুষঙ্গ, idiom (ঠাচ), বিশ্বাসৰ প্ৰবাহমানতা আৰু গাম্ভীৰ্যৰ প্ৰতি পুৰাকৈ শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল। তেওঁ যেতিয়া গাই—

গুৰু তোৰে কি ধন দিল, চিনলি না মনা,
ৰাঙ্ দিল কি সোনা দিল, ওতুই
পৰখ কইৰে দেখলি না।

নাইবা,

আমি তোমাৰ লাগিয়া ৰে
ঘৰবাড়ি ছাৰিলাম ৰে,
সাগৰ সিচিলাম ৰে
মানিক পাইবাৰ আশে।

তন্ময় হৈ গৈছিল। জীৱনত নানা উত্থান-পতনৰ আঘাত পোৱা মানুহৰ এই প্ৰেম আৰু কৃতজ্ঞতাই তেওঁক আদিৰে পৰা সান্ত্বনা দিছিল। জীৱনৰ প্ৰতি তেওঁৰ এক গভীৰ কৃতজ্ঞতাবোধো আছিল, সম্ভৱ এই সকলোবোৰ গানৰ পৰায়ে শিকিছিল। কেতিয়াও তিক্ত আৰু বীত-শ্ৰদ্ধ নহৈছিল। তেওঁৰ উচ্চাৰণত এই গানবোৰ শুনিলে বুজিবলৈ কষ্ট নহৈছিল যে এই আবেগ আৰু সুৰে তেওঁৰ অস্তিত্বৰ মুল ছন্দটোকে ৰচনা কৰি দিছিল, যি ইমান মধুৰ ইমান সুকীয়া। soul (প্ৰাণ)ৰ বিষয়ে ধৰ্মীয় মাত্ৰাত বিশ্বাস নাই, সকলো মানুহৰ প্ৰাণ আছে বুলিও বিশ্বাস নাই। কিন্তু কোনো কোনো মানুহৰ নিশ্চয় প্ৰাণ আছে, নথকাহেঁতেন তেওঁ প্ৰতিবেশীক— বন্ধুক কি দি গ'লহেঁতেন? নহলে এটা প্ৰাণে আন এটা প্ৰাণক কিদৰে জ্বলাই গ'লহেঁতেন?

পিতাই বিশ্বাস কৰিছিল যে শিল্পীৰ সত্তা, বিশেষকৈ লোকশিল্পীৰ সত্তা আঞ্চলিকতাৰ লগত ওতঃপ্ৰোতঃ ভাবে জড়িত। কোনো বৈজ্ঞানিক বিশ্বদৃষ্টিয়ে কোনো এটা অঞ্চলৰ মাটিত ওপজা বিশেষ বিশেষ ফচলক যেনে ইচ্ছা তেনেকৈ অস্বীকাৰ কৰা কাৰ্য পিতাই সমৰ্থন নকৰিছিল। আঞ্চলিকতাই যেন শিল্পীৰ সত্তাক অখণ্ডকৈ ৰাখে, শেষলৈকে যেন

ঘাটি যোৱাৰ ৰস সঞ্চাৰ কৰি থাকে। তেওঁ ইয়াতেই গণনাট্যৰ সার্থকতা অনুভৱ কৰিছিল; লৌকিক সংস্কৃতিৰ মাজত শ্ৰমজীৱী মানুহৰ যি সত্যানুসন্ধান, স্বীকাৰোক্তি বা প্ৰতিবাদ মূৰ্ত্ত হৈ আছে, তাক আন্তৰ্জাতিক পৰ্য্যায়লৈ তোলাৰ প্ৰয়াস তেওঁৰ লক্ষ্য আছিল। ছিলেট ময়মনসিংহ এলাকাত এটা বিশেষ জটিল গায়কী আছে; আড়া-চলন আৰু অলংকাৰ বহুলতা যাৰ লক্ষণ, সেই চহৰত সম্ভৱ পিতাই আছিল তাৰ একমাত্ৰ উত্তৰসাধক। শিল্পীৰ আঞ্চলিক সত্তাৰ বিশুদ্ধতা ৰক্ষাৰ ক্ষেত্ৰত তেওঁৰ দুৰ্দম সততা অনুভৱ কৰিছিলোঁ। যি অঞ্চলৰ timbre (বৈশিষ্ট্যপূৰ্ণ সুৰ) তেওঁৰ কণ্ঠই আয়ত্ত কৰিব পৰা নাই বুলি ভাবে, তেনে জাতীয় গান তেওঁ কেতিয়াও প্ৰকাশ্যে নাগাইছিল। তেওঁৰ সংগ্ৰহত ৰংপুৰ, গোৱালপাৰা, মধ্য বংগৰ অজস্ৰ ভাওয়াইয়া আৰু চট্‌কা গান আছিল, যথেষ্ট সংখ্যক টুসু, ঝুমুৰ বা আদিবাসী সুৰো আছিল। সেইবোৰ গাবলৈ চেষ্টা নকৰিছিল।

দুভৰিৰে খোজ দিলেই মূৰ ঘূৰাইছিল, কথা ক'লে শ্বাসত কষ্ট পাইছিল, এটা ফুচফুচে পুৰাকৈয়ে কাম নকৰিছিল। তেওঁ অনুষ্ঠান কৰিবলৈ গলে আমি আতংকিত হৈছিলোঁ। অথচ মঞ্চত উঠিলে অনায়াসে ডেৰ-দুই ঘণ্টাৰ অনুষ্ঠান কৰিব পাৰিছিল, তাৰ পিছত ধৰি ধৰি নমাই অনা হৈছিল মঞ্চৰ পৰা। শেষৰ বছৰ কেইটাত আমি প্ৰায়েই অবাক হৈ চাইছিলোঁ। এওঁৰ মাজত কিহে কাম কৰিছিল? এনে বিলাক মানুহৰ মাজত কিহে কাম কৰে? আমি এটা বিদ্ৰূপৰ যুগত ওপজিছোঁ, ব্যৱহাৰ কৰি ক্ষয় যোৱা কিছু শব্দৰ উত্তৰাধিকাৰ ৰূপে, সন্দেহৰ দায়বদ্ধতাৰে। পিতাৰ দৰে মানুহৰ জীৱনলৈ লক্ষ্য কৰি অনুভৱ কৰিছিলোঁ যে তেওঁলোকৰ মাজত ত্ৰিশৰ পৰা পঞ্চাশৰ দশকৰ বামপন্থী আন্দোলনৰ আৰু বাংলাৰ সাংস্কৃতিক জাগৰণৰ যিখিনি ভাল, বলিষ্ঠ, শুভ সিখিনি অক্ষত আৰু অটুট আছিল। বামপন্থাই এনে ধৰণৰে কিছুমান মানুহক সৃষ্টি কৰিছে, যি কেতিয়াও বেচা যোৱা

নাই, কোনো ক্ষমতা, কোনো পুৰস্কাৰ, কোনো মহিমাৰ কাযত। পিতাৰ মজা আছিল এয়ে যে কেতিয়াও ইয়াৰ কাৰণে কোনো কষ্ট পাইছিল বুলি ধাৰণা হোৱা নাছিল। কোনো প্ৰলোভনে দেখা দিছে, বা কোনো ভাবুকি। দুদণ্ড সময়ো চিন্তা কৰা দেখা নাই। যি বিশ্বাস কৰে তাকেই কৰে, ইয়াকে লৈ চিন্তা-ভাবনাৰ প্ৰয়োজন আছে বুলি নাভাবিছিল।

নিজক লৈ কেতিয়াও কোনো দুৰ্বলতা প্ৰকাশ পোৱা নাছিল। কেৱল ল'ৰা-ছোৱালীৰ কিবা এটা হলেহে তেওঁ শিশুৰ দৰে হৈ পৰিছিল। অৱশ্যে এইবাৰ অসুস্থ হোৱাৰ লগে লগে তেওঁ অলপ বেলেগ হৈ পৰিছিল। সম্ভৱ কিবা এটা বুজি পাইছিল। বাচি থাকিলেও গান গাব নোৱাৰিব, এই কথা ভাবি তেওঁ আটাইতকৈ বেচি অধীৰ হৈছিল। তেওঁক আমি সকলো ল'ৰাৰ দৰে আগছি ৰাখিবলৈ লৈছিলোঁ। জীৱনত এবাৰ কি দুবাৰ কন্দা দেখিছোঁ, মাও ছে তুঙৰ মৃত্যুত এবাৰ—মনত আছে। এইবাৰ হাস্পাতাললৈ গৈ কিন্তু মাজে মাজে চকুলো টুকিছিল। আমি কৈছিলোঁ—"ঘৰলৈ লৈ যাম, ভাল হৈ যাব, ডাক্তৰসকলে কৈছে, বেছি দিন থাকিব নালাগিব। শিশুৰ দৰেই বিশ্বাস কৰিবলৈ চেষ্টা কৰিছিল, মূৰ লড়াই-ছিল, তাৰ পিছত মুখ ঘূৰাই চকু মুদিছিল।

শুক্ৰবাৰে পুৱাৰ পৰা আৰম্ভ হ'ল শেষ সংকট। মুখত অক্সিজেনৰ মাস্ক, একহাতে বেজী, আনখন হাত বান্ধি ৰখা হৈছে। আধা জাগাৰ অৱস্থাতে গ'ল দুদিন। চেতনা কিন্তু আছিল। শনিবাৰে পুৱা গৈ মূৰৰ কাষত মুখ ৰাখি মাতিলোঁ, চকু মেলি ক'লে, "মোক এনেদৰে কষ্ট দিছ কেলেই, মোক ইয়াৰ পৰা তাৰাতাৰি লৈ যা।" টোপনিয়াব বিচাৰিছিল। দুৱাৰৰ বাজত কলিকতাৰ গাৰী-ঘোঁৰাৰ বিকট শব্দ। আৰু এদিন টানাটানিৰ মাজেদি অতিবাহিত হ'ল। ৰবিবাৰে পুৱা তেওঁৰ ওচৰলৈ গলোঁ, মাস্কৰ কাষত হালি পৰি

মাতিলোঁ। ভালেখিনিৰ মুৰত চকু মেলিলে, জোৰেৰে উশাহ লোৱাৰ শব্দ, মুখত বিন্দু বিন্দু ঘামৰ কণিকা। চিনি নাপালে। হতবুদ্ধি হৈ থিয় দি আছোঁ, হঠাৎ কৈ উঠিল— "নানুক অবদ্য নৰ্থ, আমি নানুক অবস্থ নৰ্থ।" স্পষ্টকৈ ছুবাৰ উচ্চাৰণ কৰিলে কথাষাৰ। মই তেওঁৰ কাষৰ পৰা বেগাই ওলাই আহিলোঁ। সেই দিনা ৰাতি ৮-৪৫ ত শেষ নিশ্বাস এৰিলে। তেতিয়া আঘোণ, তেওঁৰ প্ৰিয় মাহ, তেওঁৰ জন্ম, বিবাহ আৰু ধান চপোৱাৰ মাহ।

সেইটোৱেই আছিল তেওঁৰ শেষ কথা। বাঢ়াবাঢ়ি হোৱাৰ ভয়ত খুব ঘনিষ্ঠ দুই এজনত বাজে আনক এই কথা জনোৱা নাই। কিন্তু এই কথাষাৰ পাহৰিব পৰা নাই। কিয় ক'লে এই কথাষাৰ? সম্ভৱ বোলছবিখন চাইছিল আমাৰ কলেজত— যাদবপুৰত। এই বিষয়ে কেতিয়াও আলাপ আলোচনা কৰাও শুনা নাছিলোঁ। হঠাৎ এই ছবিখনৰ কথা ক'লে কিয়? প্ৰলাপৰ দৰে? নে মৃত্যুৰ প্ৰবল শীতলতাৰ লগত তিনদিন তিনৰাতি প্ৰতিটো মুহূৰ্ত্ততে যুঁজ কৰোঁতে ফ্ল্যাহাৰ্টিৰ নায়কৰ কথা তেওঁৰ মনত পৰিছিল। শিলাবৃষ্টি-ধুমুহাৰ মাজত প্ৰকৃতিৰ আদিমতম শক্তিৰ বিৰুদ্ধে সংগ্ৰামৰত হৈছিল এস্কিমো নানুক। এই ছবিখনৰ কথা চেতনা থকালৈকে তেওঁৰ মনত জাগি আছিল? শেষ সীমাৰ এই সংগ্ৰামত কিছু সময় অকলেই আছিল নিশ্চয়। এসময়ত এওঁলোকে অকলেই সংগ্ৰামৰত হ'ব লগা হয়, চেতনা থাকিলে। ★

★ বোলছবিৰ বিশিষ্ট সমীক্ষক কলিকতাৰ শ্ৰীমৈনাক বিশ্বাস প্ৰয়াত হেমাঙ্গ বিশ্বাসৰ একমাত্ৰ ল'ৰা।

গণ-সংগীত-শিল্পী হেমাঙ্গ বিশ্বাস

খালেদ চৌধুৰী

সম্প্ৰতি হেমাঙ্গ বিশ্বাসৰ বিয়োগ ঘটিছে, বাতৰি কাকত, দূৰদৰ্শন আদিৰ মাধ্যমত তেওঁৰ জীৱনী আৰু কৰ্মকাণ্ডৰ বিষয়ে যথেষ্ট আলোচনা হৈছে, নানা ঠাইত তেওঁৰ স্মৃতি সভা অনুষ্ঠিত হৈছে আৰু এতিয়াও হৈয়ে আছে। মোৰ এই লেখা যেনেকৈ তেওঁৰ জীৱনী নহয়, তেনেকৈ তেওঁৰ সৃষ্টিৰ কোনো মূল্যায়নো নহয়। তেওঁৰ সৃষ্টিৰ এটা অনালোচিত দিশৰ বিষয়েহে মই এই আলোচনা কৰিবলৈ লৈছোঁ। কথা প্ৰসঙ্গত তেওঁৰ জীৱনৰ কিছু ঘটনাই ঠাই পাব পাৰে, যিবোৰৰ একমাত্ৰ অবশিষ্ট সাক্ষী মই। গতিকে হেমাঙ্গ বিশ্বাসৰ বিষয়ে কবলৈ গৈ তাৰ মাজত 'মই' নিজেও সোমাই পৰিব পাৰোঁ।

হেমাঙ্গ বিশ্বাসৰ লগত পৰিচয় ঘটে ১৯৪৩ চনত, প্ৰায় কাকতালীয় ভাবেই। তেতিয়া বাংলাদেশত দুৰ্ভিক্ষ চলিছে। সেইসময়ৰ অসমৰ অন্তৰ্গত ছিলেটৰ পৰা বাতৰি কাকত আৰু আকাশবাণীৰ মাধ্যমত তাৰ বিস্তৃত বিৱৰণ পঢ়োঁ আৰু শুনোঁ। বাতৰি কাকতত জয়নাল আবেদীন, চিত্ত প্ৰসাদৰ স্কেচ্, সুনীল জানাৰ ফটোগ্ৰাফ দেখি দুৰ্ভিক্ষৰ ভয়াবহতা অনুমান কৰিব পাৰোঁ। ৪২-ৰ আন্দোলনৰ ঢৌৱে তেতিয়াও মানুহৰ মনত প্ৰভাৱ বিস্তাৰ কৰি আছে। শুনিছোঁ যে যিকোনো সময়ত জাপানীয়ে আক্ৰমণ কৰিব পাৰে। সীমান্তলৈ যোৱাৰ পথত ছিলেট চহৰৰ আশে পাশে আনকি চহৰৰ মাজতো সৈন্যৰ ছাউনি গঢ় লৈ উঠিছে। এনে সময়ত এদিন বিনোদ বন্ধু দাস নামে ভদ্ৰলোক এজনৰ লগত আলাপ আলোচনা হয়, এওঁ প্ৰায়েই

মোৰ ভাস্কৰ মোমাইৰ ঘৰলৈ যায় আৰু মোমাইৰ বৰ ল'ৰাক কিবা কিবি কাগজ পত্ৰ দি আহে। পিছত জানিবলৈ পাইছিলোঁ যে তেওঁ কমিউনিষ্ট আৰু বাংলাৰ দুৰ্ভিক্ষৰ কাৰণে টকা-পইচা সংগ্ৰহ কৰিবলৈ সেই ঘৰলৈ যায়। এদিন তেওঁ মোক এটি বিচিত্ৰানুষ্ঠানলৈ নিমন্ত্ৰণ জনালে, এই অনুষ্ঠানৰো লক্ষ্য আছিল দুৰ্ভিক্ষৰ কাৰণে ধন সংগ্ৰহ কৰা। অনুষ্ঠানলৈ গৈ বিশেষকৈ উদাত্ত আৰু বলিষ্ঠ কণ্ঠৰ তিনিজনৰ গান শুনি মুগ্ধ হৈ গৈছিলোঁ, এই তিনিজনৰ এজন হেমাঙ্গ বিশ্বাস, যৌৱনত তেওঁৰ প্ৰকৃত অৰ্থতে হেমকান্তি আছিল। দ্বিতীয়জন নিটোল স্বাস্থ্যৰ অধিকাৰী নিৰ্ম্মলেন্দু চৌধুৰী আৰু তৃতীয় জনা শ্ৰীমতী শান্তা সেন। গানৰ চৰ্চা মোৰো বাল্য কালৰে পৰা আছিল। কিছু কিছু লোকসঙ্গীত আৰু কিছু কিছু গ্ৰামোফোন ৰেকৰ্ডৰ, কলৰগান শুনি শিকা। কিন্তু এওঁলোকৰ গানৰ বিষয়বস্তু গায়নৰীতিৰ স্বতন্ত্ৰতাত মই বিস্ময়ত অভিভূত হলোঁ। তাৰ কিছুদিনৰ ভিতৰতে বিনোদবন্ধু দাসে মোক কমিউনিষ্ট পাৰ্টিৰ অফিচলৈ লৈ গ'ল আৰু অন্যান্য ভালেকেইজনৰ লগত পৰিচয় কৰি দিয়াৰ পিচত হেমাঙ্গ বিশ্বাসৰ লগতো কথা পতাৰ সুবিধা কৰি দিলে। ক্ৰমে পাৰ্টিৰ লগত জড়িত হৈ পৰিলোঁ। পাৰ্টিৰ অফিচত বহি যেতিয়া দুৰ্ভিক্ষ, মহামাৰী, স্বাধীনতা আন্দোলন, জাপানী আক্ৰমণ, মজুতদাৰ, চোৰাংবজাৰ আদিৰ বিষয়ে পোষ্টাৰ লেখা বা অঁকাত ব্যস্ত থাকোঁ, তেতিয়া কাষৰ ঘৰৰ পৰা সেই একেই বিষয়ে গোৱা গানৰ কলি ভাঁহি অহা শুনোঁ। এদিন হেমাঙ্গ বিশ্বাসে আবিষ্কাৰ কৰিলে যে মই গাব পাৰোঁ, মোকো তেওঁৰ গানৰ দলত ভুক্ত কৰি ললে। গানৰ বিষয় বস্তু নতুন আৰু সমসাময়িক হলেও সুৰবোৰ হলে মোৰ সুন্দৰ পৰিচিত যেন লাগিল। কাৰণ এই গানবোৰ গোৱা হৈছিল লোকসঙ্গীতৰ সুৰত বা লোক-সঙ্গীতৰ সদৃশ সুৰত। জন্মাবধি শুনি অহা সুৰত তেওঁলোকৰ সৈতে কণ্ঠ মিলাই গোৱাত মোৰ একো অসুবিধা হোৱা নাছিল। প্ৰসঙ্গক্ৰমে এটা কথা উল্লেখ কৰা উচিত হ'ব। বিনোদবন্ধু দাসে

হেমাঙ্গ বিশ্বাসৰ লগত পৰিচয় কৰি দিয়াৰ পিছত গোপনীয়ভাৱে মোক সাবধান কৰি দিছিল যাতে হেমাঙ্গ বিশ্বাসৰ তেনেই কাষলৈ নাযাওঁ, কিছু দূৰত্বৰ ব্যৱধান ৰাখি চলোঁ, কাৰণ হেমাঙ্গ বিশ্বাস যক্ষ্মা ৰোগাক্ৰান্ত। সেই সময়ত যক্ষ্মা ৰোগ দুৰাৰোগ্য ব্যাধি আছিল, সেই কাৰণে এই বিষয়ে সকলোৰে মনত ভয় আছিল। কমিউনিষ্ট পাৰ্টিয়ে তেওঁক এটা সম্পূৰ্ণ আলাদা ঘৰত থাকিবলৈ দিছিল, তেওঁৰ সেৱা শুশ্ৰূষাৰ সম্পূৰ্ণ দায়িত্ব বহন কৰিছিল। সেই আলাদা ঘৰত তেওঁ অকলে থাকিছিল, গান ৰচনা কৰিছিল আৰু সুৰো আৰোপ কৰিছিল।

আমি গানৰ আখৰা কৰাৰ সময়ত সেই ঘৰৰে একাষে যথাসম্ভৱ দূৰত্ব ৰক্ষা কৰিহে আখৰা কৰিছিলোঁ। ইয়াৰ ভিতৰতে যেতিয়া তেওঁ কিছু সুস্থ হৈ উঠিছিল, ডাক্তৰে ফুৰাচকা কৰাৰ অনুমতি দিছিল, তেতিয়া নিৰ্মলৰ সৈতে তেওঁ কলিকতালৈ গৈছিল, সম্ভৱ ফেছী বিৰোধী লেখক আৰু শিল্পীৰ সম্মিলনত যোগদান কৰিবলৈ বুলি। তেওঁলোকৰ মুখেই শুনিছিলোঁ, সম্মিলনৰ প্ৰতিনিধিসকলে হেনো হেমাঙ্গ বিশ্বাসৰ এটা গান গাই গাই নিতৌ প্ৰভাতফেৰী কৰিছিল। সেই গানটো হ'ল, 'দুঃখেৰ ৰাতেৰ ঘোৰ তমসা ভেদি, স্বাধীনতা দিৱস এল যে ফিৰে' ইত্যাদি। যিসকল ইয়াৰ সাক্ষী আছিল, সেই সকলৰ এই কথা মনত থাকিব লাগে। নিৰ্মলৰ সৈতে তেওঁ তাত আৰু কেইটামান গান গাইছিল, যেনে.... 'কাস্তেটাৰে দিও জোৰে শান কিষাণ ভাইৰে', আৰু 'শুনছনি সইলো শুনছনি শুনছনি, হৰিতে ৰমণীৰ মান আইলোৰে জাপানী' ইত্যাদি বিশেষ ভাৱে উল্লেখযোগ্য। শেষোক্ত গান দুটাৰ দ্বিতীয়টোৰ আৰু অন্যান্য কেৰাটাও গানৰ সুৰ কিন্তু হেমাঙ্গ বিশ্বাসৰ নহয়। সেইবোৰৰ সুৰ নিৰ্মলেন্দু চৌধুৰীৰ। কিছুমান গানৰ সুৰ তেওঁলোকে যুটীয়া ভাৱেও দিছিল। '৪৩ চনৰ শেষৰফালে ছিলেটৰ মডাৰ্ণ বুকষ্টলে হেমাঙ্গ বিশ্বাসৰ এইবোৰ গানৰ

এটা সংকলন প্ৰকাশ কৰে। সংকলনটোৰ নাম আছিল 'বিষাণ'। এই 'বিষাণ'ৰ প্ৰচ্ছদপটেই হ'ল মই অকা প্ৰথম প্ৰচ্ছদপট।

চাওঁতে চাওঁতে হেমাঙ্গ বিশ্বাস আকৌ অসুস্থ হৈ পৰে আৰু পাৰ্টিয়ে তেওঁক দক্ষিণ ভাৰতৰ মদনাপল্লীৰ এটা ছেনিটেৰিয়ামলৈ পঠাই দিয়ে। সেই সময়ত নিৰ্ম্মল, গোপালনন্দী, প্ৰসূন (বৰ্ত্তমান বাংলা দেশৰ এম, পি আৰু বিখ্যাত কৃষক নেতা কৰুণাসিন্ধু ৰায়ৰ পুত্ৰ) আৰু মই আটায়ে মিলি সৰু সৰু চহৰ আৰু গাওঁ-ভূঁইত গান গাই গাই ঘূৰি ফুৰিব ধৰিলোঁ। এই গানবোৰৰ সৰহ সংখ্যকেই আছিল হেমাঙ্গ বিশ্বাসৰ ৰচনা। আন যি সকলৰ গান আমি অনুষ্ঠানসমূহত পৰিবেশন কৰি ফুৰিছিলোঁ, সেই সকলৰ নাম এই মুহূৰ্ত্তত মোৰ মনত পৰা নাই।

কেইমাহ মানৰ পিছত সুন্দৰ স্বাস্থ্য লাভ কৰি হেমাঙ্গ বিশ্বাস ঘূৰি আহিল আৰু নতুন উদ্যমেৰে গান ৰচনাত ব্ৰতী হ'ল। কিন্তু যিহেতু আমি প্ৰায়েই গানৰ দলৰ সৈতে গাঁৱে ভূঁৱে ঘূৰি ফুৰিব লগাত পৰিছিলোঁ, গতিকে তেওঁৰ লগত দেখা সাক্ষাৎ ঘটিছিল কম। ইয়াৰ মাজেদিয়ে তেওঁ নতুনকৈ ৰচনা কৰা গান আমি দৌৰাদৌৰিকৈ শিকি লৈছিলোঁ আৰু দলৰ সৈতে আকৌ ওলাই গৈছিলোঁ। ১৯৪৪ চনত কলিকতাৰ মহম্মদ আলী পাৰ্কত অনুষ্ঠিত যি সন্মিলনত 'প্ৰগতি লেখক আৰু শিল্পী সংঘ'ৰ নামকৰণ হয়, ঠিক তাৰ লগে লগে চিলেটৰ পাথৰকান্দি নামে ঠাইত এখন কৃষক সন্মিলন হয়। হেমাঙ্গ বিশ্বাস পুনৰ অসুস্থ হৈ পৰা সত্বেও তেওঁক সেই সন্মিলনলৈ লৈ যোৱা হৈছিল, আচলতে তেওঁ স্বেচ্ছাই গৈছিল বুলিহে কোৱা উচিত। তেওঁৰ কাৰণে থকা-মেলাৰ বিশেষ ব্যৱস্থা কৰা হৈছিল। তেওঁ তালৈ গৈ সেই ঠাইৰ সমস্যাৰ লগত বাংলাৰ দুৰ্ভিক্ষৰ সংযোগ কৰি জাৰী গানৰ সুৰত বাতা-বাতি এটা সুন্দৰ দীঘলীয়া গান ৰচনা কৰিলে। গানৰ কথা আছিল

এনে ধৰণৰ—

> ও আৰে কৃষক মৰিলায়,
> ডুবিল ডুবিল তৰী অকূল দৰিয়ায় ।
> ....
>
> পিতা ছাড়ে পুত্ৰ আৰ পতি ছাড়ে সতী,
> মা বেচে দেয় কোলেৰ ছেলে হায়ৰে কি দুৰ্গতি !
> মানুষ যত পশুৰ মত পথে ঘাটে মৰে,
> দিন দুপুৰে টেনে নেয় শিয়াল ও কুকুৰে
>
> হায় কৃষক মৰিলায়........ইত্যাদি ।

জাৰী গানৰ লগত নাচ থাকে, সেই গাওঁৰে এজন কৃষক আহি আমাক নাচটো শিকাই দিলে । পদক্ষেপ অতি সৰল, চতুৰ্মাত্ৰিক, হাতত ৰুমাল লৈ নাচি নাচি গোৱা নিয়ম । এই নাচটো শিকিলৈ পাৰ্টিৰ কৃষক ফ্ৰন্টৰ লগত জড়িত সেই ঠাইৰ মণিপুৰী এলেকালৈ গৈ তাৰ যুৱক সকলক গোট খুৱাই তেওঁলোকক গানৰ লগতে নাচটোও শিকাই দিলোঁ। আৰু যাতে তেওঁলোকৰ নিজস্ব ভাষাত গোৱা হয় তাৰ প্ৰতি লক্ষ্য কৰি সেই সময়ৰ মণিপুৰী পাৰ্টিৰ নেতা আৰু মণিপুৰৰ ৰজাৰ জোঁৱাই ইৰাবত্ সিঙে হেমাঙ্গ বিশ্বাসৰ দুটা গান— 'জাগো. দুখেৰ ৰাতেৰ ঘোৰ তমসা ভেদি, স্বাধীনতা দিবস এল যে ফিৰে' আৰু 'কাস্তেটাৰে দিও জোৰে শান কিষাণ ভাইৰে' যথাক্ৰমে অনুবাদ কৰি দিলে ।

> হৌৰ, আওবা অহিঙ্গি আমাম্বা কুক্নুা,
> স্বাধীনতা নুমিং থৌৰক্লে হন্না ।

আৰু দ্বিতীয়টো—

> থাঙ্গলাহু মাইয়া থাজু থৌনা হে লৌবা........ ইত্যাদি ।

ঘটনাৰ পিছত ঘটনা সংযোগ কৰি হেমাঙ্গ বিশ্বাসে যিটো জাৰী গান

ৰচনা কৰিছিল, এই গানক বিৰক্তিকৰ বৰ্ণনাৰ কাৰণে অবজ্ঞা অৰ্থত ছিলেট অঞ্চলত লাছাৰি গান বোলা হয়। কিন্তু হেমাঙ্গ বিশ্বাসে ৰচনা কৰা গানটোৰ কথা আছিল সম্পূৰ্ণ স্বকীয়া; এই গানটো ইমান সুন্দৰ আৰু সুস্থৰূপত পৰিৱেশন কৰা হৈছিল যে, তেওঁ নিজে অপূৰ্বৰূপত উৎসাহিত হৈ উঠিছিল আৰু পিছত শুনিছিলোঁ। যে সন্মিলনৰ পৰা তেওঁ প্ৰায় সুস্থ হৈয়েই ফিৰিছিল।

গানটোৱে জনসাধাৰণৰ মাজত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল তাক জানিব পৰা নাছিলোঁ, কাৰণ গান শেষ হোৱাৰ লগে লগে কলিকতাত অনুষ্ঠিত প্ৰগতি লেখক আৰু শিল্পী সংঘৰ সন্মিলনত যোগ দিবলৈ বুলি ট্ৰেইনযোগে আমি ৰাওনা হৈছিলোঁ। ইতিমধ্যে নিৰ্মল অসুস্থ হৈ কলিকতাৰ বৌবাজাৰৰ 'ৰেড এইড হস্পিতালত' আছিল আৰু ঘটনাক্ৰমে শান্তা সেন তেতিয়া কলিকতাত আছিল। এই দুজনক আনি শশিভূষণ দে ষ্ট্ৰীট ত থকা বিনয় ঘোষৰ ঘৰত আখৰা কৰি এই সন্মিলনত হেমাঙ্গ বিশ্বাসৰ দুটা গান পৰিবেশন কৰিলোঁ। আঁৰ কাপোৰৰ আঁৰৰ পৰা আমাৰ লগত হাৰমনিয়াম সঙ্গত কৰিছিলে হৰিগঞ্জৰ উচ্চাঙ্গ সংগীতৰ গায়ক অধীৰ চক্ৰৱৰ্ত্তীয়ে। দুয়োটা গানৰেই বিষয়বস্তু আছিল দুৰ্ভিক্ষ আৰু যুদ্ধই নাৰীৰ মান-মৰ্যাদা কেনেদৰে লোপ কৰিলে সেই বিষয়ক। তাৰে এটা হ'ল—

ক্ষুধানলে অঙ্গ জ্বলে গো
মা গো পুড়ে পুড়ে হলেম ছাই,
আমি কুল ছাড়িলাম, মান বেচিলাম
তবু দুঃখের অন্ত নাই।............ইত্যাদি।

আৰু আনটো আছিল ধামাইলৰ সুৰৰ—

বল সখি বল, বল আমাৰে
ওকে ঘৰেৰ বাৰ কুলেৰ বাৰ কৰলো নাৰীৰে
ইত্যাদি।

ইয়াৰ উপৰি আৰু এটা গান আমাৰ অনুষ্ঠান সূচীত আছিল, যিটো '৪৪ চনত কৰিমগঞ্জৰ চা'ঘাট অঞ্চলত চুপাৰিৰ ওপৰত ৰচনা কৰা ব্যঙ্গাত্মক গান :

এ গো সজনি, গুয়াগাছে ট্যাক্‌সো লাগিলনি,
বাটাৰ উপৰ পইলো ঠাটা গালভৰি পান খাইতায় নি।
ইত্যাদি ।

এই গানটো খাঁটি ছিলেটী ভাষাত ৰচিত । ধামাইলৰ সুৰত গোৱা । গানটোৰ ৰচক আন এজন শিক্ষিত ব্যক্তি । নাম আব্দুল গফ্‌ফাৰ দত্ত চৌধুৰী। কোনো এখন স্কুলৰ হেডমাষ্টৰ আছিল । গুৰু সদয় দত্তৰ পূৰ্বপুৰুষৰ কোনো এজনৰ লগত বাজি ৰাখি দবা খেলিবলৈ লৈ হাৰমানি ধৰ্মত্যাগ কৰি মুছলমান হৈছিল এওঁৰ পূৰ্বপুৰুষৰ কোনো এজন, এওঁ তাৰেই বংশধৰ। মোৰ লগত তেওঁৰ আগৰে পৰা পৰিচয় আছিল । আমাৰ গণসংগীত শুনি অভিভূত হৈয়ে তেওঁ এই গানটো ৰচনা কৰি আমাক দিছিল, সুৰো শিকাই দিছিল । হেমাঙ্গ বিশ্বাসৰ লগত তেওঁক পৰিচয় কৰিও দিছিলোঁ আৰু গানটোও শুনাইছিলোঁ। হেমাঙ্গ বিশ্বাসে এই গানটো শুনি ভাল পায়। তাৰ পিছৰ পৰা আমাৰ অনুষ্ঠানত এই গানটো যথা নিয়মে পৰিবেশন কৰা হৈছিল। পিছৰ কালে বহুতৰ ধাৰণা হৈছিল যে এই গানটোও হেমাঙ্গ বিশ্বাসৰেই ৰচনা, কাৰণ বিশ্বাসৰ ভালেমান গানত চিলেটী উপভাষা মিহলি হৈ আছিল ।

কলিকতাৰ সন্মিলনৰ সামৰণিৰ লগে লগে আমি পোনে পোনে মৈমনসিংহৰ নেত্ৰকোণাত অনুষ্ঠিত কৃষক সন্মিলনলৈ যাত্ৰা কৰিছিলোঁ। আমাৰ স্কোৱাদৰ সৈতে মোৰ আৰু নিৰ্ম্মলৰ হে যোৱা কথা আছিল। নেত্ৰকোণা গৈ পোৱাত দেখিলোঁ অসুস্থ শৰীৰেৰে স্বয়ং হেমাঙ্গ বিশ্বাস উপস্থিত। নানা ঠাইৰ পৰা অহা গানৰ স্কোৱাদ আৰু বিশেষকৈ চট্টগ্ৰামৰ কবিয়াল ৰমেশ শীলৰ দলৰ সৈতে আমাক একেলগে থাকিব দিছিল । আমি সকলোৱে একেলগে গাই গাই আৰু কবিয়ালৰ দলে ঢোল বজাই বজাই নিতৌ গৈ সন্মিলনৰ পেণ্ডেল পাইছিলোঁ আৰু কাৰ্য্যক্ৰম শেষ হলে পূৰ্বৰ দৰে গাই-বজাই ঘূৰি আহিছিলোঁ। সিকালে

নীৰদ মজুমদাৰ আৰু বংশী চন্দ্ৰগুপ্তই অনবৰত স্কেচ্ কৰাত লাগিছিল, সুনীল জানা ব্যস্ত আছিল কেমেৰাৰ ছাটাৰ টিপাত। আমি হেমাঙ্গ বিশ্বাসক প্ৰধান গায়ক হিচাবে মাজতে ঠিয় কৰাই নিজে নিজে নাও বাইচা হিচাবে ট্যাবলো কৰিলোঁ। আৰু সুনীল জানাই এটাৰ পিছত এটা ছবি তুলিব ধৰিলে। মুকলি সভাৰ দিনা সভা চলি থকা সময়ত প্ৰায় এঘণ্টা যুৰি মুষলধাৰে বৰষুণ হ'ল। প্ৰায় একলাখ মানুহ থিয় দি দি তিতিছে। পেণ্ডেলৰ ছাল ফাটিও টোপাটোপে উৰুখিব ধৰিলে। এতিয়া বিশ্বাসো তিতে। আমি দৌৰা দৌৰিকৈ হেমাঙ্গ বিশ্বাসক দহ-বাৰফুট মান ওখ ডায়চৰ তললৈ লৈ গলোঁ। আৰু যাতে চেঁচা নালাগে তাঁৰ কাৰণে ট্যাবলোত ব্যৱহাৰ কৰা পৰচুলকে (ছিগা চুলি) তেওঁৰ চোলাৰ ভিতৰেদি বুকুত ঠাহি ঠাহি সুমুৱাই দি সেই যাত্ৰাত ৰক্ষা কৰিলোঁ। গোটেই জীৱন যুৰি আমি তেওঁক এনেদৰে অসুস্থ অৱস্থাতেই দেখিছোঁ, আৰু দেখিছোঁ যে এনে অসুস্থ শৰীৰেৰেই তেওঁ ক্ৰমে গান ৰচনা কৰি গৈছিল। '৪৫ চনত মই পুৰাপুৰিকৈ কলিকতালৈ গুচি অহাত হেমাঙ্গ বিশ্বাসৰ লগত ঘনিষ্ঠ সম্পৰ্কত ছেদ পৰিল। আৰু দুটা বছৰ পাৰ হ'ল, দেশ স্বাধীন হ'ল—বিভাজনো হ'ল। হেমাঙ্গ বিশ্বাস তেতিয়া অসমৰ গুৱাহাটীলৈ গৈছে গণনাট্য সংঘৰ দায়িত্ব বহন কৰি। ঠিক '৪৮ চনত ৰচনা কৰিছে তেওঁৰ সুবিখ্যাত চেটায়াৰ 'মাউণ্টব্যাটেন মঙ্গল কাব্য'। তাৰ পিছত ৰচনা কৰিলে :

জালিনাবাগেৰ
জালালাবাদেৰ
এসেছে আদেশ
চল চল বীৰ
পৰ পৰ বীৰ
সৈনিকেৰ বেশ। ইত্যাদি।

যিমানদূৰ মনত পৰে, এই গীতটোৰ সুৰ দিছিল জৰ্জদাই, দেবব্ৰত বিশ্বাস।

দেশৰ আৰু বিদেশৰো সমসাময়িক প্ৰতিটো গুৰুত্বপূৰ্ণ ঘটনাক লৈ তেওঁ সমগ্ৰ জীৱন যুৰি গান ৰচনা কৰিলে। তেওঁ যিবোৰ গান ৰচনা কৰিলে, সেইবোৰ সাধাৰণতে গণসংগীত নামেই পৰিচিত। জ্যোতিৰিন্দ্ৰ মৈত্ৰ বা সলিল চৌধুৰীয়ে সেই সময়ত যিবোৰ গান ৰচনা কৰিছিল, সিবোৰে গণসংগীত, পিছে হেমাঙ্গ বিশ্বাসৰ গানৰ ৰচনা শৈলী আৰু ভিত্তিভূমি আছিল ভিন্ন। হেমাঙ্গ বিশ্বাসৰ দুই চাৰিটা গানত বাজে আটাইবোৰ লোকসংগীতৰ সঁাচত ঢলা। তেওঁৰ প্ৰতিটো গানৰ সুৰলৈ লক্ষ্য কৰিলেও দেখা যায় যে লোকসংগীতৰ পৰিচিত সুৰত বন্ধা। যেনে—

লঙ্গৰ ছাড়িয়া নাওয়েৰ দে দুখী নাইয়া,
বাদাম উড়াইয়া নাওয়েৰ দে।
ঢেউ-এৰ তালে তালে তালে কৰতালি দে,
নয়াদিনেৰ বাইলোৰে বাও উজান গাঙ্গে।

এই গানটোৰ সদৃশ গান হল ছিলেট অঞ্চলৰ জনপ্ৰিয় নৌকা-বাইচৰ গান :

জাইলায় পাগল কইলো তোৰে
বাভনেৰ মাইয়া গো,
জাইলায় পাগল কইলো তোৰে। ইত্যাদি।

বানিয়াচঙত যেতিয়া মেলেৰিয়াই মহামাৰীৰ ৰূপত দেখা দিলে আৰু কিছুদিনৰ ভিতৰত দহহাজাৰ মানুহে প্ৰাণ হেৰুৱালে, তেতিয়া তেওঁ ছিলেট অঞ্চলত প্ৰচলিত ভাটৰ গানৰ সুৰত ৰচিলে—

বানিয়াচঙেৰ প্ৰাণবিদাৰী ম্যালেৰিয়া মহামাৰী
হাজাৰ হাজাৰ নৰনাৰী মৰছে অসহায়।

ভাৰতবৰ্ষেৰ সেবাগ্ৰাম চল্লিশ হাজাৰ লোকেৰ ধাম
তাহাৰ আজকি পৰিণাম দুঃখে মৰি হায়।

হবিগঞ্জৰ কোনো এখন গাওঁৰ 'কুইনা' নামে এজন লোকশিল্পীয়ে এজন

সোতাৰা বাদকক লগত লৈ ছিলেটৰ প্ৰগতি লেখক আৰু শিল্পী সংঘৰ সভাপতি বিনোদ চক্ৰবৰ্ত্তী মহাশয়ৰ ঘৰলৈ আহি কেইটামান গান গাইছিল ; তাৰ মাজৰ এটা গান আছিল বাংলাৰ দুৰ্ভিক্ষ সংক্ৰান্ত বিষয়ক :

দুৰ্গতি নাশিনী মা দুৰ্গে
দুঃখহৰা নাম তোমাৰ,
কি দুৰ্গতি ঘটালে এবাৰ। ইত্যাদি।

গানটো মূলতঃ ভাটিয়ালী সুৰৰ হলেও তাত কবিগানৰ প্ৰচণ্ড প্ৰভাব আছিল আৰু জ্ঞানবো আৱশ্যক আছিল প্ৰচুৰ। হেমাঙ্গ বিশ্বাসে ঠিক একে সুৰতে ৰচিলে—

ক্ষুধানলে অঙ্গ জ্বলে গো
মাগো পুড়ে পুড়ে হলেম ছাঁই,
আমি কুল ছাড়িলাম, মান বেচিলাম
তবু দুঃখেৰ অন্ত নাই। ইত্যাদি।

এই গানটোৰ কথা এবাৰ উল্লেখ কৰিয়ে আহিছোঁ। '৪৫ চনত কলিকতাৰ মহম্মদ আলী পাৰ্কত অনুষ্ঠিত প্ৰগতি লেখক আৰু শিল্পী সংঘৰ সম্মিলনত মই আৰু নিৰ্ম্মলে গাইছিলোঁ।

নেত্ৰকোণা কৃষক সম্মিলনলৈ যি সকল লোকশিল্পী আহিছিল তেওঁলোকৰ নাম আজি আৰু মনত নাই, কাৰণ '৪৭ চনৰ ১৬ চেপ্টেম্বৰত কলিকতাত যি অভূতপূৰ্ব বানপানী হৈছিল তাত অন্যান্য যাবতীয় বস্তুৰ লগতে মোৰ গানৰ সংগ্ৰহবোৰো পানীৰ তলত বিনষ্ট হয়। মই তেতিয়া 'শহিদেৰ ডাক'ৰ লগত অসম বঙ্গত ঘূৰি ফুৰিছিলোঁ। যিয়েই নহওক, নেত্ৰকোণাত লোকশিল্পী সকলে যিবোৰ গান গাইছিল তাৰ দুটা গানৰ প্ৰথম কলি দুটা মোৰ মনত পৰিছে। তাৰে এটা হ'ল—

দুঃখেৰ সীমা নাই দুঃখ কাৰ কাছে জানাই,
সুখেৰ স্বপন ভাঙলোৰে ঢোৰাই বাজাৰে।

হেমাঙ্গদাই এই সুৰত ৰচিলে পূবপাকিস্তান তথা বৰ্ত্তমান বাংলাদেশৰ ভাষা আন্দোলনক বিষয় বস্তু কৰি—

শুন দেশের ভাই ভগিনী, শুন আচানক কাহিনী,
কান্দে বাংলাজননী ঢাকা শহরে।

দ্বিতীয় গানটো আছিল—

দেশের ভাব দেখিয়া মরি, দেশের ভাব দেখিয়া মরি,
ভাবের অভাব হইল দেশে ভাইয়ে ভাইয়ে বিবাদ করি
ভাব দেখিয়া মরি........... । ইত্যাদি।

হেমাঙ্গদাই প্ৰথম কলি হুবহু একে ৰাখি পাছৰ অংশত লেখিলে,

দেশের ভাব দেখিয়া মরি, দেশের ভাব দেখিয়া মরি,
ভাবের অভাব হইল দেশে; ভায়ে ভায়ে বিবাদ করি।
ভাব দেখিয়া মরি........ ।
....

শুন কংগ্রেছ নেতাগণ, মুছলমানের আত্মশাসন
নামানিলে হয়না মিলন দেখ চিন্তা করি,
ছোট ভায়ের উচিত দাবী, নয়ত বাড়াবাড়ি
ভাইরে যদি ঝগড়া করি তবেই হবে ছাড়াছাড়ি
ভাব দেখিয়া মরি। ইত্যাদি।

প্ৰচলিত হোৰি গান :

আজ হোৰি খেলবৰে শ্যাম তোমাৰি সনে,
একেলা পাইয়াছি দেখা নিধুবনে।

এই সুৰতে ৰচিলে,

বাঁচব বাঁচবৰে আমৰা বাঁচবৰে বাঁচব,
ভাঙা বুকেৰ পাঁজৰ দিয়া নয়া বাংলা গড়ব।

বিখ্যাত ব্যঙ্গাত্মক গান 'মাউন্ট ব্যাটেন মঙ্গলকাব্য'ও এই একে সুৰতে বন্ধা, কিন্তু ৰচনা কৰিছিল ঊনবিংশ শতিকাৰ এটি অতি প্ৰচলিত

গানৰ অমুকৰণত :

বাবু গোবিন্দ চন্দ্র ৰায়,

সোণাৰ পুৰী আন্ধাৰ কইৰা লুকাইলায় কোথায় ।

পুয়ায় কান্দে পুড়িয়ে কান্দে কান্দে বাবুৰ মায়,

দোতালাৰ উপৰে কান্দে ৰাসমণি বেশ্যায় । ইত্যাদি ।

অৰ্থাৎ কোন যায় আৰু কোনে কান্দে । মাউণ্টব্যাটেনে ভাৰতৰ স্বাধীনতা ঘোষণা কৰাৰ আগ মুহূৰ্ত্তৰ ভাৰতীয় নেতা চৰ্দাৰ, পণ্ডিত, মৌলানা ইত্যাদিৰ আক্ষৰিক বিৱৰণক ব্যঙ্গ কৰিছিল এই গানত । এই গানটোত তেওঁ ভাটিয়ালী, জাৰী, কবিৰ পাঁচালী, পদকীৰ্তন, ইত্যাদি নানা লোকসংগীতৰ সুৰ সংযোগ কৰিছে । ময়মনসিংহৰ শৰৎ দাসে লেখা গান :

ব্ৰজ হতে লইদেয় এসে লাগল ইষ্টিমাৰ

জুটলৰে চৈতন্যেৰ হাতে, অসংখ্য পাইকাৰ ।

হেমাঙ্গ বিশ্বাসে এই গানৰ সুৰত ৰচিলে, 'ঘোৰ কলিকাল আইল আকাল সোনাৰ বাংলায় ।' ১৯৪৪ চনৰ কোনো এসময়ত, সম্ভৱ শেষৰ ফালে, তাৰাশঙ্কৰ বন্দোপাধ্যায় ছিলেটলৈ গৈছিল, প্ৰগতি লেখক আৰু শিল্পী সংঘৰ সভাত সভাপতিত্ব কৰিবলৈ । তেওঁক খাঁটি লোক সংগীত শুনোৱাৰ কাৰণে গাওঁৰ পৰা এজন শিল্পীক অনোৱা হৈছিল । সেই শিল্পীয়ে যুদ্ধৰ সময়ত অহৰহ আকাশী যানৰ উৰা-উৰিত আতংকিত হৈ গান ৰচনা কৰিছিল :

একি লীলা আজব খেলা কুনো যুগে শুনছনি সজনি,

জগৎজুড়ি উড়ৰপলইন দেখছনি ।

১৯৪৭ চনত যেতিয়া ছিলেটত সৰিয়হৰ তেলৰ সংকটে দেখা দিলে, তেতিয়া হেমাঙ্গদাই লোক শিল্পীজনৰ গানৰ প্ৰথম কলিটো অবিকল একেই ৰাখি ৰচনা কৰিলে,

একি লীলা আজব খেলা কোন যুগে শুনছনি সজনি

হইৰৰ তেল কোন দেশে গেল খবৰ জাননি ।

মোৰ সংগ্ৰহ ধ্বংস হৈ নোযোৱাহেঁতেন এনেদৰে আৰু বহুত উদাহৰণ দিব পাৰিলোঁহেঁতেন। মই এনেবোৰ উদাহৰণ দাঙি ধৰাৰ মূল কাৰণ হ'ল এয়ে যে হেমাঙ্গ বিশ্বাসৰ সঙ্গীতমনস্কতা বা সঙ্গীত শিক্ষাৰ প্ৰেৰণাৰ মূলত আছিল জন্মলাভ কৰি লালিত-পালিত হোৱা গাঁও মিৰাশী, সেই কাৰণেই তেওঁৰ গানত লোকসঙ্গীতৰ প্ৰভাৱ স্বাভাৱিক ধৰণেই প্ৰকট। তেওঁ গান ৰচনা কৰি সুৰ আৰোপ কৰাৰ সময়ত স্বাভাৱিক ভাবেই যেন লোকসঙ্গীতৰ সুৰে ধৰা দিছিল। চীনৰ পৰা ঘূৰি অহাৰ পিছত তেওঁৰ ৰচনা আৰু সুৰত ভিন্ন সুৰৰ প্ৰভাৱ পৰিলক্ষিত হ'ব ধৰিলে। এই সময়তে তেওঁ বিয়া কৰাই আৰু চাকৰি লৈ অঘৰী জীৱনৰ পৰিসমাপ্তি ঘটাইছিল আৰু তেওঁৰ মুখেই শুনিছিলোঁ হেনো কোনো সঙ্গীতজ্ঞৰ ওচৰত তেওঁ উচ্চাঙ্গ সংগীতো চৰ্চা কৰিবলৈ লৈছিল। তেওঁৰ দ্বিতীয় কাব্যগ্ৰন্থ 'সীমান্তপ্ৰহৰী' তাৰেই ফচল। তেওঁৰ 'শঙ্খচিলেৰ গান' ৰ সুৰ আছিল ভিন্ন। কিন্তু ইও আছিল ক্ষণস্থায়ী। পৰবৰ্ত্তী কালত দেখিছোঁ, তেওঁ বিভিন্ন দেশৰ লোক-সংগীত আৰু গণসংগীত ভিত্তিক গান ৰচনা কৰিছে বা অনুবাদ কৰিছে। মোৰ মনত পৰে, '৬৫ চনৰ কোনো এসময়ত ইন্দোচীন বিষয়ক এখন নাটক মঞ্চস্থ হৈছিল। তেতিয়া তেওঁ হাস্পাতালত। মই প্ৰায়েই এছ, এছ, কে, এম হস্পিতালত তেওঁক দেখা কৰিবলৈ গৈছিলোঁ। হঠাৎ তেওঁৰ পৰা এখন চিঠি পালোঁ। লিখিছে, মই যেন বেহালাটো লৈ যেনেতেনে তেওঁৰ বহালৈ যাওঁ। পিছদিনা তেওঁ হাস্পাতালৰ পৰা আহিব। যথাৰীতি মই গৈ তেওঁৰ ওচৰ পোৱাৰ লগে লগে তেওঁ ইন্দোচীনৰ মুক্তি আন্দোলনৰ এটা গানৰ পাশ্চাত্য স্বৰলিপি মোৰ পিনে আগ বঢ়াই দি ক'লে, গানৰ সুৰটো তুলি দিয়া। স্বৰলিপিৰ তলত গানৰ ভাষা দুৰ্বোধ্য। সম্ভৱ ফৰাচী ভাষাত তাৰ সাৰমৰ্ম লেখা আছিল; তাৰ পৰা কিছু কিছু অনুমান কৰিব পাৰিছিলোঁ। যিয়েই নহওক, কথা এৰিব মই সুৰ বজাৰ

ধৰিলোঁ। আৰু তেওঁ সেই সুৰৰ লগে লগে কথা বহুৱাই যাব ধৰিলে। মোৰ মনত আছে যে সুৰটো আছিল অদ্ভুত। আমাৰ দেশীয় সংগীতত যাক স্থায়ী বা অস্থায়ী কোৱা হয়, পূৰা গানটো এটা স্থায়ীতেই আছিল কোনো অন্তৰা নাছিল। গানটোৰ শেষত স্বৰলিপিৰ মূৰত এটা সাংকেতিক চিন আছিল— Da capo (ডা ক্যাপো) অৰ্থাৎ From the beginning (শুৰিৰে পৰা), আমি যাক বোলোঁ— 'ফেৰ বামসে'। হেমাঙ্গ বিশ্বাসৰ সৈতে সংগীত বিষয়ক সহযোগিতাৰ এই গানটোতে অন্ত পৰিছিল যেন পাওঁ। '৬৫ চনত হেমাঙ্গ বিশ্বাসৰ উদ্যোগ আৰু শ্ৰীমতী নীহাৰ বৰুৱাৰ সহযোগত আমাৰ কেইজন মানক লৈ সংগঠিত হ'ল— Folk Music and Folklore Research Institute (লোক সংগীত আৰু লোকতত্বৰ গৱেষণা অনুষ্ঠান)। এই নামকৰণ তেওঁৰেই। উদ্দেশ্য ঃ লোক সংগীতৰ সংগ্ৰহ আৰু সংৰক্ষণ। '৬৭ চনত এই অনুষ্ঠানে এটা লোকসংগীতৰ সংকলন প্ৰকাশ কৰে— Folk Music & Folklore : An Anthology (লোক সংগীত আৰু লোকতত্ব: এটি সংকলন) এই নামত। হেমাঙ্গ বিশ্বাসে এই সংকলনৰ প্ৰধান সম্পাদকৰ দায়িত্ব পালন কৰে।

কোনো কোনোৱে মতে হেমাঙ্গ বিশ্বাস লোক শিল্পী। সম্ভৱ কোনো কথা গমি নোচোৱাকৈয়ে এই আখ্যা প্ৰয়োগ কৰে। এই অংশ লোকে লোকসংগীত আৰু গণসংগীতক এক কৰি পেলায়। হেমাঙ্গ বিশ্বাস কিন্তু নিশ্চিত ভাবেই গণসংগীত শিল্পী। তেওঁ কোনো সময়তেই লোকসংগীত শিল্পী নাছিল। তেওঁ লোকসংগীত গোৱা আমি দেখাও নাই, শুনাও নাই। লোকসংগীতৰ পৰা উপাদান সংগ্ৰহ কৰি নিজস্ব সামাজিক, ৰাজনৈতিক আৰু নৈল্পিক চেতনাৰে তেওঁ সংগীত ৰচনা কৰিছিল। তেওঁৰ ৰচনাৰ বিষয়বস্তু আছিল সমসাময়িক ঘটনা। কিছু সমসাময়িক সৃষ্টি কালজয়ী ৰূপে উন্নীত বা প্ৰতিপন্ন হ'ব পাৰে, কিন্তু সমসাময়িক সকলো-বোৰ কৃতিয়েই যে কালজয়ীৰূপে প্ৰতিপন্ন হ'ব পাৰে তাক কেৱল

কালেহে ক'ব পাৰিব। হেমাঙ্গ বিশ্বাসৰ কাব্যৰ গুণাগুণ বিচাৰৰ অধিকাৰী মই নহয়। মই কিন্তু দেখিছিলোঁ। যে শাৰীৰিক অসুস্থতা আছিল তেওঁৰ জীৱন-সঙ্গী আৰু তাৰ কাষে কাষে আছিল অনিৰ্বাণ সৃষ্টি প্ৰয়াস।

হাস্পাতাললৈ যোৱাটো তেওঁৰ কাৰণে প্ৰায় নিত্যনৈমিত্তিক ব্যাপাৰ যেন হৈ পৰিছিল। সেয়ে আগদিনাখন যেতিয়া শুনিলোঁ। যে তেওঁ হস্পিতালত ভৰ্ত্তি হৈছে, তেতিয়া স্বাভাৱিক ধৰণেই ধৰি লৈছিলোঁ। কেইদিনমান ভোগাৰ পিছত আকৌ ঘূৰি আহিব, যেনেকৈ অতীতত বাৰে বাৰে ঘূৰি আহিছিল। কিন্তু পিছদিনা সঁচাই তেওঁ ঘূৰি নাহিল। ★

★ বৰ্ত্তমান কলিকতাৰ খালেদ চৌধুৰী বিশিষ্ট চিত্ৰ শিল্পী, গণ শিল্পী আৰু লেখক-সমালোচক।

লোককণ্ঠ আৰু গণকণ্ঠৰ মিলন সাধক হেমাঙ্গ বিশ্বাস

ড° মালিনী ভট্টাচাৰ্য

"সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানৰ কাৰণে দৰ্শক আহিব ধৰিছে। মঘাই ওজা কিন্তু এতিয়াও আহি পোৱা নাই। মোৰ মন অস্থিৰ হৈ উঠিছে। আমি দেখুৱাব বিচাৰোঁ যে অসমৰ শিল্পীসকলে সদৌ ভাৰতৰ শিল্পীৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। কিন্তু ওজা গৈছে তেজপুৰৰ ৰাজনৈতিক সন্মিলনলৈ, য'লৈ আহিছে স্বয়ং কংগ্ৰেছৰ সভাপতি ইউ, এন, ধেবৰ। মই হতাশ অনুভৱ কৰিছিলোঁ। এনে সময়তে হঠাৎ অদ্ভুত ব্যাপাৰ। স্বয়ং মঘাই ওজা তেওঁৰ সংগীৰ সৈতে আহি মোৰ ওচৰত উপস্থিত। মোৰ ধাৰণা হ'ল যেন তেওঁ স্বৰ্গৰ পৰাহে আহি ওলাল হি। পৰ মুহূৰ্তে দুয়ো দুয়োকো সাবোটি ধৰিলোঁ। ....এজন কৃষকৰ সৰলতা আৰু আবেগৰ উত্তাপ প্ৰকাশ পালে মঘাই ওজাৰ কথাত, "হয়, তেজপুৰৰ সন্মিলনলৈয়ে গৈছিলোঁ, কিন্তু মাজতে সৰ্ব বাদ দি দিলোঁ। দেহটোহে তাত আছিল, মনটো পৰি আছিল ইয়াৰ এই সন্মিলনত। তাত টকা পোৱা যায়, ইয়াৰ দৰে আদৰতো আৰ পোৱা নাযায়।

এই কথাখিনি পোৱা গৈছে ১৯৫৫ চনত গুৱাহাটীত অনুষ্ঠিত ভাৰতীয় গণনাট্য সংঘৰ অসম শাখাৰ তৃতীয় ৰাজ্যিক সন্মিলনৰ এখন দলিলত। দলিলখনৰ লেখক অসম গণনাট্য সংঘৰ তেতিয়াৰ সাধাৰণ সম্পাদক হেমাঙ্গ বিশ্বাস। আৰু যাৰ কথা লেখিছে তেওঁ হ'ল ঢোলৰ যাদুকৰ অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ এজন কৃষক শিল্পী; ইয়াৰ আগতে নিজৰ গাৱঁলীয়া পৰিমণ্ডলৰ বাহিৰত যাৰ প্ৰতিভা আছিল অজ্ঞাত।

গ্ৰাম্যভাৰতৰ আৰু ভাৰতীয় শ্ৰমিক শ্ৰেণীৰ মাজত থকা অজ্ঞাতনামা কিন্তু প্ৰতিভা সম্পন্ন শিল্পীসকলক বিচাৰি উলিওৱাৰ কাম চল্লিশৰ দশকত গণনাট্য সংঘৰ কৰ্মী সকলেই সংঘবদ্ধ ভাবে আৰম্ভ কৰিছিল। ১৯৪৭ চনত জাতীয় কংগ্ৰেছৰ হাতলৈ ক্ষমতা হস্তান্তৰৰ পাছত নৱ-গঠিত জাতীয় চৰকাৰে ক্ৰমে জাতীয় সংগীত নাটক অকাডেমী প্ৰভৃতিৰ মাধ্যমত লোকশিল্পক তাৰ শক্তিশালী পৃষ্ঠপোষকতাৰ ছত্ৰছাঁলৈ অনাৰ চেষ্টা কৰে। তেজপুৰৰ সম্মিলনলৈ মঘাই ওজাই যি আমন্ত্ৰণ পাইছিল সি এই নতুন পৃষ্ঠপোষকতাৰেই নিদৰ্শন। কিন্তু তথাপি তেওঁ প্ৰাণৰ টান অনুভৱ কৰিছিল গণনাট্য সংঘৰ সম্মিলনৰ প্ৰতিহে। গণনাট্য সংঘৰ সম্মিলনত কমিউনিষ্ট আৰু কমিউনিষ্ট সমৰ্থক সকলেই আছিল চালিকা শক্তি। মঘাই ওজা কিন্তু কমিউনিষ্ট নাছিল। তথাপি গণনাট্য সংঘৰ সম্পাদক হেমাঙ্গ বিশ্বাসৰ আহ্বানলৈ সঁহাৰি নজনাই নোৱাৰিলে।

হেমাঙ্গ বিশ্বাসে জন্মসূত্ৰে পোৱা সামাজিক পৰিবেশ আছিল সম্পূৰ্ণ সুকীয়া। অসমৰ হবিগঞ্জ মহকুমাৰ মিৰাশী গাঁৱত তেওঁলোকৰ জমিদাৰী আছিল, অৱস্থাও আছিল সচ্ছল। কিন্তু তেওঁ শৈশৱৰ পৰা শ্ৰেণীগত গণ্ডীৰ বাহিৰৰ আকৰ্ষণ অনুভৱ কৰিছিল আৰু এই আকৰ্ষণৰ অন্যতম প্ৰধান মাধ্যম আছিল গান-বাজনা, যাত্ৰা পালা ইত্যাদি। গ্ৰাম্য অভিনেতা গোবৰ্দ্ধন নমঃশূদ্ৰ, মনসা মঙ্গলৰ গায়ক ঘৰামি 'মীৰদাদা', পেশী সুঠাম দেহ'ৰ গগন ঢুলীয়া— যি পিছত ডকাইতিৰ মোকৰ্দমাত ধৰা পৰিছিল, প্ৰভৃতিয়ে তেওঁলোকৰ শিল্প প্ৰতিভাৰ দ্বাৰা কিশোৰ হেমাঙ্গ বিশ্বাসক আকৰ্ষণ কৰিব পাৰিছিল। অথচ ঘৰত এওঁলোকৰ হাতৰ পানীটোপাও আছিল অচল-অপৱিত্ৰ। এনে ঘটনাৰ মাজত যে পৰস্পৰ বিৰোধিতাৰ সম্পৰ্ক আছিল সেই বিষয়ে শৈশৱৰে পৰা তেওঁ সচেতন আছিল। পৰৱৰ্তী কালত কিষাণ সভা বা গণনাট্য আন্দোলনত তেওঁৰ যোগদান আছিল এই সচেতনতাৰে যুক্তিপূৰ্ণ পৰিণতি। এই সচেতনতাৰ যুক্তি

অনুসৰিয়ে এই আন্দোলনবিলাকৰ পটভূমিত তেওঁ নিজক এজন কৰ্মী ৰূপে গঢ় দিবলৈ সমৰ্থ হৈছিল। তেনে নোহোৱাহেঁতেন মথাই ওজা, নৰহৰি বুঢ়াভকত, ব্ৰজেন বৰুৱা, ফণী দাস আৰু তেওঁলোকৰ দৰে অন্যান্য বহুতকেই গণনাট্য সংঘলৈ আকৰ্ষণ কৰি অনা তেওঁৰ পক্ষে সম্ভৱপৰ ন'হলহেঁতেন।

ত্ৰিশ আৰু চল্লিশৰ দশকত কমিউনিষ্ট আদৰ্শৰ প্ৰতি যি সকল আকৃষ্ট হৈছিল তেওঁলোকৰ মাজৰ বহুতৰ দৰে হেমাঙ্গ বিশ্বাসেও হাতত ৰাজনীতিৰ খৰিমাটি লৈছিল স্বদেশী অসহযোগ আন্দোলনৰ মাধ্য-মেদিয়েই। এই আন্দোলনৰো এটা সাংস্কৃতিক দিশ আছিল, আছিল ৰবীন্দ্ৰনাথ, দ্বিজেন্দ্ৰলাল ৰায়, নজৰুল আৰু বহুতো সামান্যভাবে খ্যাত গীতিকাৰৰ দেশাত্মবোধৰ গান, মুকুন্দ দাসৰ যাত্ৰাও আছিল। হেমাঙ্গ বিশ্বাসে মুকুন্দ দাসৰ যাত্ৰাৰ উপৰি শৈশৱতে শুনিছিল কৰিমগঞ্জৰ 'নতুন মুকুন্দ' কুমুদ শীলৰ যাত্ৰা, তেওঁৰ আত্মীয় জয়নাথ নন্দীৰ কবিয়াল গান 'চাষী জীৱনেৰ দুঃখ দুৰ্দশা'ও শুনিছিল। 'অত্যাচাৰ-প্ৰতাড়না'ৰ ভেঁটিত ৰচিত সেই গান পঢ়ি নিৰ্মলেন্দু চৌধুৰীৰ সৈতে গণনাট্য সংঘৰ নৈহাটিৰ প্ৰাদেশিক সন্মিলনলৈ নিজেও গৈছিলো। ইয়াৰ উপৰি ১৯২১-২২ চনৰ অসহযোগ আন্দোলনৰ বিষয়ে লেখা ছোৱালী কবিয়াল মনোমোহিনীৰ 'গানৰ আবেদন শিৰাই শিৰাই' অনুভৱ কৰিছিল। লোণ-সত্যাগ্ৰহৰ আগতে হেমাঙ্গ বিশ্বাস আৰু তেওঁৰ সংগীবিলাকে বহু সভা-সমিতি আৰু শোভাযাত্ৰাত যোগ দি যিবোৰ গান গাইছিল তাৰ গীতিকাৰ আছিল হবিগঞ্জৰ স্থানীয় মোক্তাৰ ৰোহিণী ৰায় (হৰি বাবু)। এওঁৰ কথা আৰু সুৰত দ্বিজেন্দ্ৰলালৰ প্ৰভাৱ আছিল। গান্ধী-আৰউইন চুক্তি ব্যৰ্থ হোৱাৰ পিছত হেমাঙ্গ বিশ্বাস যেতিয়া দ্বিতীয়বাৰ জেললৈ যায়, তেতিয়া অসমীয়া ৰাজনৈতিক বন্দী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ পৰা তেওঁ শোণিতকুঁৱৰী' নাটকৰ গীতো শিকিছিল। তেওঁৰ ৰাজনৈতিক জীৱনৰ এই পৰ্ব্বৰ পৰা তেওঁ সংগীতক হাতিয়াৰ হিচাবেই গ্ৰহণ কৰিছিল আৰু

এই বিষ্ণুটো আয়ত্ত কৰিব পৰা কাৰণেই তেওঁ ভাৰতীয় গণনাট্য সংঘত প্ৰৱেশ কৰিছিল। এই বিষ্ণুৰ কেৱল গায়ক হিচাবেই নহয়, সংগঠক হিচাবেও তেওঁ সংক্ৰিয় ভূমিকা বহন কৰিছিল।

তেওঁৰ অসমাপ্ত আত্মজীৱনী অনুসৰি ১৯৩১-৩৩ চনত যেতিয়া তেওঁ দ্বিতীয়বাৰ কাৰাবৰণ কৰে, তেতিয়া জেলত থকা কালতে গান্ধী-বাদী আইন অমান্য আন্দোলনৰ বিষয়ে ৰাজনৈতিক বন্দীসকলৰ মাজত মতৰ বিৰোধিতাই দেখা দিয়ে, তেওঁৰ নিজৰ মনতো এই পথৰ বিষয়ে সন্দেহ জাগি উঠে; সিফালে কাৰাগাৰৰ প্ৰাচীৰ ভেদ কৰি মিৰাট ষড়যন্ত্ৰ মোকৰ্দমাৰ বাতৰিও তেওঁলোকৰ মাজত প্ৰচাৰ হৈছিল। এই সময়ৰ পৰাই তেওঁ কমিউনিষ্ট ভাবাদৰ্শৰ প্ৰতি আকৃষ্ট হ'ব ধৰে। তেওঁৰ শেষ জীৱনৰ ৰাজনীতিৰ বিষয়ে, তেওঁ কোনটো দলৰ পৰা কিমান আঁতৰি গৈছিল বা কোনটো দলৰ কিমান ওচৰ চাপি গৈছিল, ঐতিহাসিক বিচাৰত সি সঠিক আছিল নে নাই, ইত্যাদিৰ বিষয়ে নানা বিতৰ্কৰ সৃষ্টি হৈছে, হয়তো আৰু হ'ব। কিন্তু দ্বিধাহীন ভাবে এটা কথা কোৱা যায় যে অনেক ভূতপূৰ্ব কমিউনিষ্টৰ দৰে তেওঁ ৰাজনীতিৰ প্ৰতি উদাসীনো হোৱা নাছিল বা কমিউনিজ্‌ম— বিদ্বেষী ৰূপেও পৰিণত হোৱা নাছিল; আৰু ভুলেই হওক বা শুদ্ধই হওক তেওঁৰ সকলোবোৰ ৰাজনৈতিক সিদ্ধান্তৰ পিছত আছিল দেশৰ দৰিদ্ৰ জনগণৰ প্ৰতি তেওঁৰ মমতাবোধ। চল্লিশ আৰু পঞ্চাশৰ দশকত ভাৰতীয় গণনাট্য সংঘৰ সংগঠক আৰু শিল্পী হিচাবে তেওঁ সফলতা লাভ কৰিছিল, তাৰ মূলতো আছিল এই একে কথাই।

তেওঁৰ দ্বিতীয়বাৰ কাৰাবাসৰ ম্যাদ আছিল আঢ়ৈ বছৰ। কিন্তু গুৰুতৰ ভাবে অসুস্থ হোৱা কাৰণে তেৰ মাহৰ পিছত বিনা চৰ্তে মুক্তি লাভ কৰি হাস্পাতালত ভৰ্ত্তি হয় আৰু কিছু সুস্থ হৈ উঠি হবিগঞ্জলৈ ঘূৰি আহি পাৰ্টিৰ সংশ্ৰৱলৈ আহে, সুৰমা উপত্যকাৰ কৃষক আন্দোলনৰ মাধ্যমত। ঘৰৰ লগত সম্পৰ্ক আগৰ পৰাই ক্ষীণ হৈ পৰিছিল। এইবাৰ তাক সম্পূৰ্ণৰূপে ছিৰি পেলাই আশ্ৰয় ললে

পাৰ্টিৰ কমিউনত। ইতিমধ্যে ১৯৩৬ চনত সংগঠিত হৈছিল ভাৰতীয় প্ৰগতি লেখক সংঘ। এই সাংস্কৃতিক গণসংগঠনৰ আঁৰত মূল চালিকা শক্তি আছিল কমিউনিষ্ট আৰু কমিউনিষ্ট সমৰ্থক বুদ্ধিজীৱীসকল। ১৯৪২ চনত ঢাকাত সোমেন চন্দৰ হত্যাৰ পিছত প্ৰগতিলেখক সংঘ পুনৰ উজ্জীৱিত হয় ফেছী বিৰোধী লেখক শিল্পী সংঘ নামে; এই সংঘৰ মাধ্যমতে গান আৰু নাটকৰ দল অংকুৰিত হয়, মোহিত বন্দ্যোপাধ্যায় ৰচিত আৰু অনুদিত গান গাবলৈ আৰম্ভ কৰে, বিনয় ৰায়ৰ অবাধ কণ্ঠও শুনিবলৈ পোৱা গ'ল। ১৯৪৩ চনত এই গান আৰু নাটকৰ দলবোৰৰ পৰাই এটি স্বতন্ত্ৰ সংগঠিত ৰূপ লাভ কৰে ভাৰতীয় গণনাট্য সংঘই। কবি আৰু গীতিকাৰৰ প্ৰতিভা সম্পন্ন হেমাঙ্গ বিশ্বাস শুৰিৰে পৰা এই সংগঠনৰ লগত সংযুক্ত আছিল: গণনাট্য সংঘ প্ৰতিষ্ঠাৰ আগৰে পৰা তেওঁ ফেছী বিৰোধী লেখক শিল্পী সংঘৰ হকে অসমত কাম কৰিছিল।

এই সমযত আন্দোলনৰ সফলতাৰ কাৰণে তেওঁ যে অজস্ৰ গানেই কেৱল ৰচনা কৰিছিল তেনে নহয়, প্ৰতিভাশালী শিল্পীও বিচাৰি উলিয়াইছিল আৰু এই সকলক আকৰ্ষণ কৰাৰ ক্ষেত্ৰতো আচৰিত দক্ষতাৰ পৰিচয় দিছিল। এই সুদক্ষ ক্ষমতা নথকা হলে অসমৰ গণনাট্য সংঘৰ মূল প্ৰতিষ্ঠাতা তেওঁ হ'ব নোৱাৰিলেহেঁতেন। ১৯৪৫ চনত যেতিয়া প্ৰগতি লেখক সংঘৰ পক্ষৰ পৰা বিভূতিভূষণ বন্দোপাধ্যায়ক সম্বৰ্ধনা জনাবলৈ বুলি ছিলেটলৈ আমন্ত্ৰণ কৰি নিয়ে, তেতিয়া ছিলেটৰ বিখ্যাত কবিয়াল ফণী দাসৰ দ্বাৰা হেমাঙ্গ বিশ্বাসৰ উদ্যোগতে কবিগান ৰচনা কৰোৱা হৈছিল। ভাৰতীয় গণনাট্য সংঘৰ অন্যতম লক্ষ্য আছিল নগৰীয়া মধ্যবিত্তৰ সংস্কৃতিৰ লগত গাঁৱলীয়া লোক সংস্কৃতিৰ মিলনৰ পথ খুলি দিয়া, আদান-প্ৰদানৰ সেতু গঢ়ি তোলা। বিভূতিভূষণৰ সম্বৰ্ধনা সভাত ফণী দাসৰ দ্বাৰা এই কামৰেই সূত্ৰপাত কৰোৱা হৈছিল। অসমৰ গণনাট্য সংঘ আনুষ্ঠানিক ভাবে সংগঠিত কৰাৰ আগতে ফণী দাসৰ দৰে লোকশিল্পী সকলক এনেদৰেই

ওচৰ চপাই অনা হৈছিল। পঞ্চাশৰ দশকতো এই ঘনিষ্ঠতা অটুট থাকে। কেৱল কবিয়াল হিচাবেই নহয়, নাট্যকাৰ হিচাবেও ফনী দাসে অসম গণনাট্য সংঘক সমৃদ্ধ কৰিছিল।

মুৰ্ছিদাবাদ জিলাৰ গণনাট্য আন্দোলনৰ প্ৰধান পথিকৃৎ সুধীন সেনে এটা সাক্ষাৎকাৰত জানিবলৈ দিছে যে ১৯৪৩-৪৪ চনত ফেছী বিৰোধী লেখক -শিল্পী সংঘৰ জিলা প্ৰতিনিধি হিচাবে যেতিয়া তেওঁ কলিকতালৈ যায়, তেতিয়া তেওঁ হেমাঙ্গ বিশ্বাসক লগ পাইছিল। সুধীন বাবু তেতিয়া মফছলৰ লাজুক আৰু অখ্যাত তৰুণ। ৪৬ নং ধৰ্মতলা ষ্ট্ৰীটত আটায়ে একেলগে নিশা যাপন কৰিছে। সুধীন সেনে আপোন মনে গুনগুনাই থকা শুনি হেমাঙ্গ বিশ্বাস আকৃষ্ট হয়। তেওঁক ন-ন গান শিকাই যি গানৰ দল লৈ তেওঁ আহিছিল সেই দলৰ অন্তৰ্ভুক্ত কৰি ললে। মানুহৰ মাজত নিহিত থকা গোপন প্ৰতিভাক বিচাৰি উলিয়াই সেই প্ৰতিভাক সন্মান যোগ্য স্থান দিয়া, এই দুটা কথাত কমিউনিষ্ট হেমাঙ্গ বিশ্বাস এক হৈ পৰিছিল। গণনাট্য সংঘৰ ইস্তাহাৰৰ শীৰ্ষত এটা ধ্বনি আছিল— 'People's theatre stars the people.' অৰ্থাৎ 'জনগণৰ নাটকত জনগণেই তাৰকা'। কম বয়সিয়াল সহকৰ্মী সকলৰ মাজৰ পৰাই হওক বা গাঁৱলীয়া লোক-শিল্পী সকলৰ মাজৰ পৰাই হওক, প্ৰতিভাশালী তাৰকাক সম্ভাৱনাৰ মুক্ত আকাশত জিলিকাই তোলাৰ মন্ত্ৰ গণনাট্য সংঘৰ ঐতিহাসিক চেতনাৰেই প্ৰকাশ ; গণনাট্য সংঘৰ যিসকল কৰ্মীয়ে এই মন্ত্ৰৰ দীক্ষা লৈছিল, হেমাঙ্গ বিশ্বাস সেই সকলৰেই এজন।

লোক সংগীতৰ কিছুমান ধাৰাৰ লগত তেওঁৰ শৈশৱৰে পৰা পৰিচয় আছিল। সেই কাৰণেই তেওঁ অনুভৱ কৰিব পাৰিছিল যি সকলে এই গান গাই, তেওঁলোকৰ শিক্ষা অপটু নহয়। এই ধাৰাবোৰৰ প্ৰত্যেকৰে নিজস্ব আঙ্গিক আছে, স্বতন্ত্ৰ গায়কীও আছে। মাৰ্গসংগীতৰ শিক্ষাপদ্ধতিৰ পৰা সুকীয়া হলেও লোকসংগীতৰ নিজস্ব শিক্ষাপদ্ধতি আছে, মাৰ্গসংগীতৰ বিভিন্ন 'ঘৰানা' ৰ লগত তুলনা

কৰি যি শিক্ষাপদ্ধতিক তেওঁ নিজে 'ৰহিবানা' বুলি বৰ্ণনা কৰিছিল। লোক সংগীতৰ বিশিষ্ট ধাৰাৰ বিশিষ্ট 'ৰহিবানা'ত শিক্ষা লাভ নকৰিলে কোনেও তাক গাব নোৱাৰে, লাগে সি ভাটিয়ালিয়েই হওঁক বা ভাওৱাইয়ে হওক, জাৰিয়ে হওক বা কবি গানেই হওক। লোক সংগীতৰ প্ৰতিভাক এই বিশিষ্ট ধৰণে শিক্ষিত প্ৰতিভা বুলিয়ে জানিছিল। এই কাৰণেই লোক সংগীতৰ শিল্পীক নিজস্ব তেজত গোৱা দেখিলে তেওঁ উল্লাসিত হৈ উঠিছিল, সেই উল্লাসত পিঠি চপৰিওৱাৰ দৰে উন্নাসিকতাৰ লেশমানো স্থান নাছিল। ইউনিটি (unity) পত্ৰিকাত নিবাৰণ পণ্ডিতৰ বিষয়ে তেওঁ এটা প্ৰবন্ধ লিখিছিল (জুলাই ১৯৫৩)। সেই প্ৰবন্ধত ১৯৪৫ চনত নেত্ৰকোণাত অনুষ্ঠিত সৰ্ব্বভাৰতীয় কৃষক সভাৰ সম্মিলনত জাৰি গানৰ মুছলমান শিল্পীসকলৰ লগত মঞ্চত নিবাৰণ পণ্ডিতৰ উপস্থিতিৰ বিৱৰণ প্ৰসংগত প্ৰতিবেদকৰ নিখাদ উল্লাসৰ অনুৰণন শুনা যায়: 'পদুমৰ শোভা যেনেকৈ পুখুৰীত, লোক কবিৰ শোভা তেনেকৈ প্ৰকাশ পায় উত্তাল জনসমুদ্ৰৰ মাজত হে। দেখিলোঁ। লুঙি পৰিহিত, কঙ্কালত গামোছা বন্ধা মুছলমান জাৰি নাচৰ দলৰ মাজত থিয় দি গাইছে নিবাৰণ পণ্ডিতে। লোক কবি নিবাৰণ পণ্ডিতক যেন সেই মুহূৰ্ত্ততে চিনিব পাৰিলোঁ'।

ভাৰতীয় গণনাট্য সংঘৰ মাজলৈ আহি যি কেইজন ইতিহাস-সচেতন তথা ৰাজনীতি সচেতন লোক-কবিয়ে তেওঁলোকৰ চিৰাচৰিত আঙ্গিকত নতুন সচেতনতাৰ মাত্ৰা সংযোগ কৰিছিল, কবিয়াল নিবাৰণ পণ্ডিত সেই সকলৰ মাজৰ অন্যতম অগ্ৰণী। গণকণ্ঠৰ সচেতন প্ৰতিবাদৰ সুৰ লোক কণ্ঠত আৰোপ কৰি এটা নতুন ৰূপ দান কৰিছিল। হেমাঙ্গ বিশ্বাসে যেতিয়া নিবাৰণ পণ্ডিতক 'চিনি' পালে, তেতিয়া যেন তেওঁ নিজৰ প্ৰতিৰূপকে চিনি পালে, যেন দুজন অভিযাত্ৰীয়ে দুই ভিন্ন দিশৰ পৰা একে লক্ষ্যৰ অভিমুখে যাত্ৰা কৰি ক্ৰমে এজন আন জনৰ ওচৰ চাপিছে। চটকলৰ শ্ৰমিক ভূতপূৰ্ব

মৃৎ শিল্পী পৰিয়ালৰ গুৰুদাস পালেও তৰজাৰ ৰীতি ব্যৱহাৰ কৰিয়ে গণসঙ্গীতত প্ৰৱেশ কৰিছিল। আনহাতে নগৰ-চহৰৰ গণ-সঙ্গীত শিল্পীয়েও পৰম্পৰাগত সুৰ আৰু ৰসৰ কাঠামো ভাঙি নানা পৰীক্ষা-নিৰীক্ষাৰ মাজেদি আগ বাঢ়িব লগাত পৰে। অৰ্থাৎ যিবোৰ আদল তেওঁ ভাঙিছে সেই সকলোবোৰৰ ওপৰত তেওঁৰ কর্তৃত্বৰ আৱশ্যক। ভাটিয়ালিত হেমাঙ্গ বিশ্বাসৰ দখল আছিল কাৰণে তাৰ সুৰক তেওঁ গণসঙ্গীতৰ গায়কীৰ উপকৰণ হিচাবে ব্যৱহাৰ কৰিব পাৰিছিল। এই প্ৰসংগত তেওঁ নিজেই মুকুন্দ দাসৰ গানৰ কথা কবলৈ গৈ যি বিশ্লেষণ কৰিছে তাক সকলোৱে মনত ৰখা উচিত। তেওঁৰ মতে 'মধ্য বংগৰ বাউলধাৰা'ক ভাঙি আৰু মাৰ্গ-সংগীতৰ নানা ৰূপক নিজৰ 'ষ্টাইল'ত পুনৰ গঠন কৰি মুকুন্দ দাসে তেওঁৰ স্বদেশী যাত্ৰাৰ গায়কী প্ৰতিষ্ঠিত কৰিছিল। সঙ্গীত শিল্পত হেমাঙ্গ বিশ্বাসেও সেই একে কামকে কৰিছিল, তেওঁ প্ৰচলিত ৰীতিবিলাক ভাঙি তাৰ বিভিন্ন উপকৰণক সংবেদনৰ এক নতুন কাঠামো গঢ়াৰ কামত লগাইছিল। পাৰ্টিৰ নেতা আৰু সহকৰ্মী সকলে যেতিয়া তেওঁৰ গানৰ সমালোচনা কৰি ক'বলৈ ধৰিলে যে 'কেৱল বিৰক্তিকৰ, কৰুণ কান্দোনৰ সুৰ— মানুহক জগাই তুলিব নোৱাৰে', তেতিয়া সেই সমালোচনা মানি লৈ নতুন উদ্দীপক সুৰ বিচাৰি ললে স্থানীয় 'হোৰী' গীতৰ পৰা আৰু সেই সুৰত গীত বান্ধি গালে 'বাঁচবো ৰে বাঁচবো ভাঙা বুকেৰ পাঁজৰ দিয়ে নয়া বাংলা গড়ব।' 'মাউণ্টবেটেন মংগল কাব্য'ত আকৌ একাধিক গীত ধাৰাৰ পৰীক্ষামূলক সংমিশ্ৰণ ঘটাই নতুন শাসকসকলৰ প্ৰতি ব্যংগ, বিদ্ৰূপ আৰু ধিক্কাৰ গমগমীয়াকৈ উদ্ৰেক কৰিব পাৰিছিল। নিবাৰণ পণ্ডিতেও ঠিক একে ৰূপতে নানা লোক আংগিকক প্ৰতি-বাদীকণ্ঠ স্পষ্ট কৰি তোলাৰ অৰ্থে ব্যৱহাৰ কৰিছে। হেমাঙ্গ বিশ্বাসে নিবাৰণ পণ্ডিতৰ বিষয়ে লেখা প্ৰবন্ধত এই বিষয়ে আলোচনা

কৰি কৈ গৈছে যে পণ্ডিতৰ গানত জাৰি, পটৰ গান আৰু ভাও-ৱাইয়াৰ আংগিকৰ সমাবেশ ঘটিছে।

১৯৫৩ চনত লেখা এই প্ৰবন্ধটোতে এই কথাও কোৱা হৈছে যে চল্লিশৰ দশকৰ গণনাট্যৰ এনে দুৰ্ব্বলতা আছিল যে নগৰ-চহৰৰ গায়ক আৰু কবিসকলৰ লগত লোক কবিসকলক একগোট কৰি কোনো সংযুক্ত সাংস্কৃতিক আন্দোলনৰ মঞ্চলৈ আনিব পৰা হোৱা নাছিল এই দুৰ্ব্বলতাক সংশোধন কৰাৰ প্ৰয়োজন তেওঁ স্পষ্ট ভাষাত প্ৰকাশ কৰিছে। ১৯৫৫ চনৰ অসম গণনাট্য সংঘৰ তৃতীয় সম্মিলনত গৃহীত মূল প্ৰস্তাৱত একাধিকবাৰ কোৱা হৈছে কৃষক, মজদুৰ, চাহ বাগিছাৰ শ্ৰমিক, চাকৰিজীৱী মধ্যবিত্ত, ছাত্ৰ আৰু বুদ্ধিজীৱীসকলৰ মাজত ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তোলাৰ আৱশ্যকতাৰ কথা, তেওঁলোকৰ মাজত লুকাই থকা প্ৰতিভাক প্ৰকাশ কৰাৰ আৱশ্যকতাৰ কথা, যাত্ৰা, ভাওনা, ওজাপালি, ঢুলীয়া আদি কৰি অসমৰ মুমূৰ্ষু লোক আঙ্গিকবোৰৰ উৎসত নতুন জীৱন ৰস সিঁচি দিয়াৰ আৱশ্যকতাৰ কথা। অৰ্থাৎ হেমাঙ্গ বিশ্বাসৰ দৰে কৰ্মীসকলৰ প্ৰচেষ্টাৰ ফলত ভাৰতীয় গণনাট্য সংঘৰ ঘোষিত লক্ষ্যৰ যি প্ৰতিফলন আমি পাওঁ তাৰ লগত সংসাধিত কামৰ কিছু ফাঁক আছে, যাৰ বিষয়ে এই সকল কৰ্মী নিজেই সচেতন। বিশেষকৈ উত্তৰ-স্বাধীনতাৰ পৰিবৰ্তিত জটিল পৰিস্থিতিত সংসাধিত কামৰ পৰিমাণ বৰ বেছি নহয়, ইয়ে গণনাট্য সংঘক তাৰ নিজস্ব ধাৰাতে ক্ৰমে আগবঢ়াই নিব পাৰিব বুলিও আশা কৰিব নোৱাৰি। প্ৰকৃততে ১৯৫৭-৫৮ চনতে ভাৰতীয় গণনাট্য সংঘৰ গতিবেগ লেহেম হৈ পৰে, আনকি সৰ্ব্বভাৰতীয় অস্তিত্বই লোপ পায়। ইয়াৰ ফলত হেমাঙ্গ বিশ্বাসৰ সদৃশ যিসকল শিল্পী গণনাট্য সংঘৰ বিকাশৰ লগত অঙ্গাঙ্গি ভাবে জড়িত আছিল, তেওঁলোকো সংকটাপন্ন হ'ল। কিন্তু হেমাঙ্গ বিশ্বাসৰ ভাষাত গণনাট্য

সংঘই যি গণনাট্য আন্দোলনৰ সৃষ্টি কৰিছিল তাৰ অস্তিত্ব আছিল সংঘতকৈও ব্যাপক। চল্লিশ আৰু পঞ্চাশৰ দশকত জনগণৰ সমূহীয়া সংগ্ৰামৰ মঞ্চত বিভিন্ন আঙ্গিকৰ আদান-প্ৰদানৰ মাধ্যমত গণসংগীতৰ যি ঐতিহ্যৰ সৃষ্টি হ'ল, তাৰ ভাৱ সেই কাৰণেই সুদূৰ প্ৰসাৰী। এই জীৱন্ত ঐতিহ্যক আকোৱালি লৈয়ে হেমাঙ্গ বিশ্বাস জীয়াই আছিল আৰু জীয়াই থাকিবও। ★

সূত্ৰ

হেমাঙ্গ বিশ্বাস : 'উজান গাঙ্ বাইয়া,' অনুষ্টুপ, শাৰদীয় সংখ্যা, ১৩৯৩ (বাংলা), শাৰদীয় ১৩৯৪ (বাংলা)।

হেমাঙ্গ বিশ্বাস . 'গণনাট্য আন্দোলন ও লোকসংগীত', এক্ষণ, শাৰদীয়, ১৩৮০ (বাংলা)।

'লোক সংগীতেৰ ৰাগ ৰূপ ও নাগৰিক বিকৃতি,' এক্ষণ শাৰদীয়, ১৩৮১ (বাংলা)।

'Marxist Cultural Movement in India . Chronicles and Documents.' Vol II & III, Ed, Sudhir Pradhan, Calcutta.

★ কলিকতাৰ যাদৱপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিষয়ৰ অধ্যাপিকা ডঃ মালিনী ভট্টাচাৰ্য সম্প্ৰতি গণনাট্য সংঘৰ গৱেষণাত নিয়ুক্তা।

গণকাব্য—"কুলখুবাৰ চোতাল"

শ্ৰীতোমেশ্বৰ চেতিয়া

লোককাব্যৰ বিপ্লবী অংশই যদি গণকাব্য তেনেহলে গণশিল্পী হেমাঙ্গ বিশ্বাসৰ "কুলখুৰাৰ চোতাল" তাৰ উজ্জ্বল নিদৰ্শন। অসমৰ লোকজীৱনৰ আত্মাক চিনি পোৱা আৰু অসমৰ লোক সংস্কৃতি তথা গণকলাকাৰ সকলৰ প্ৰকৃতমোল বুজা শিল্পী কবি হেমাঙ্গ বিশ্বাস হ'ল এক নিৰ্মোহ বিপ্লবী সত্তা। বিশুদ্ধ পণ্ডিত আৰু বিদগ্ধ সমালোচক সকলৰ দৃষ্টিত হেমাঙ্গ বিশ্বাস নপৰাতোৱেই স্বাভাবিক যিহেতু বিপ্লবী হেমাঙ্গ বিশ্বাস আছিল প্ৰচাৰ-প্ৰতিষ্ঠা-স্বীকৃতি আদি সকলো মোহৰ পৰা বিদূৰত। অসম তথা ভাৰতৰে লোক সংস্কৃতিৰ গৱেষক-সমীক্ষকৰূপে অগ্ৰগণী আৰু অসমৰ গণনাট্য সংঘৰ বাটকটীয়া এই গৰাকী কবি শিল্পীয়ে অসম আৰু বংগক সমানে ভাল পাইছিল আৰু দুয়োটা জাতিৰ তেওঁ আছিল সমন্বয়ৰ মূৰ্ত্ত প্ৰতীক। এইজনা গণকবিৰ গীত-মাত-কাব্য-নাট-অভিনয় সকলোতেই প্ৰকাশ পাইছে মানবতাবাদ, সম্প্ৰীতিৰ সাঁকো, শ্ৰেণী দৃষ্টিভঙ্গী আৰু প্ৰকৃত কমিউনিষ্টৰ সমাজতন্ত্ৰ প্ৰীতি, শ্ৰেণী সংগ্ৰামৰ প্ৰেৰণা আৰু তাৰ বিপ্লবী শৈল্পীকৰূপ।

বিভিন্ন কাকত আলোচনীত প্ৰকাশ পোৱা নিৰ্ব্বাচিত কবিতাৰ ক্ষুদ্ৰ সংকলন "কুলখুৰাৰ চোতাল" প্ৰকাশ পায় ১৯৭০ চনত। কবিতা পুথিখন কবি হেমাঙ্গ বিশ্বাসে উসৰ্গা কৰিছে অসমৰ গণসংস্কৃতিৰ আন্দোলনত কবিৰ লগৰীয়া আৰু অসমীয়া ভাষা-সংস্কৃতিৰ সেউজীয়া পথাৰত কবিক বাট দেখুৱাওতা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদলৈ। কাব্যক ৰূপান্তৰৰ হাতিয়াৰজ্ঞান কৰা বিপ্লৱী কবি হেমাঙ্গ বিশ্বাসে পাতনিতেই

যি খৰংখজ বক্তব্য দাঙি ধৰিছে, তেনে সাহসী বক্তব্য অন্যান্য কবিৰ বাবে সম্ভব নহয়। কবিৰ বাবে কুলখুৰাৰ চোতাল হ'ল কবি-সাহিত্যকৰ বিপ্লবী প্লেটফৰ্ম। আত্মকেন্দ্ৰিক কবিৰ বন্ধ্যাত্বই তাতেই মুক্তি পাব লাগিব।

বিদগ্ধ পণ্ডিত সকলৰ প্ৰতি কবি বিশ্বাসৰ সামান্যও দুৰ্বলতা নাই। তেওঁৰ কাব্যৰ প্ৰকৃত বিচাৰক হ'ল শ্ৰমজীৱী সংগ্ৰামী কুলখুৰা আৰু ৰঙ্গেশ্বৰ বাভাৰ দল। তেওঁলোকে যদি কবিৰ কবিতা বুজি পায় আৰু বিপ্লবী চেতনাৰে উদ্বুদ্ধ অসমৰ অগণিত ডেকা-গাভৰুৱে যদি তেওঁৰ কাব্যৰ পৰা অকণমানো প্ৰেৰণা পায় তেন্তে কবি হেমাঙ্গই তেওঁৰ কবিতা সাৰ্থক হোৱা বুলি ভাবিব। জনতাৰ পৰা বিচ্ছিন্ন বিদগ্ধ সমালোচক সকলে কবিৰ কবিতা ভাল পালে নে নাই আৰু তেওঁলোকৰ কোনো কাব্য পৰিক্ৰমাত বা সংকলনত বিশ্বাসৰ কবিতাৰ ঠাই হ'ল নে নাই তাৰ বাবে হেমাঙ্গ বিশ্বাসৰ সামান্যতমো ভ্ৰূক্ষেপ নাই। এনে পোনপতীয়া বক্তব্য সম্পন্ন কবিৰ কোনো মধ্যবিত্তীয় মোহ থকাৰ প্ৰশ্ন উঠিবই নোৱাৰে।

কবি হেমাঙ্গ বিশ্বাসৰ কাব্যৰ ঠাচ আৰু আঙ্গিক ইমান সৰল অথচ কাব্যিকব্যঞ্জনাপূৰ্ণ যে ৱৰ্ডচৱৰ্থে কোৱাৰ দৰে কাব্য আৰু গদ্যৰ ভাষাৰ কোনো মৌলিক পাৰ্থক্য নাইবোলা মন্তব্য ৰজিতা খাট পৰে। সেয়ে তেওঁৰ কবিতাক গদ্যৰূপেও সজায় যাব পাৰি। যথা, শিৰোনামাৰ কবিতা "কুল খুৰাৰ চোতাল"ৰ প্ৰথম স্তবকটো 'জোনাক-কুঁৱলীঘেৰা, বেলতলা পথাৰৰ বাতিৰ ধানশ্ৰী পাৰ হৈ, লাহে লাহে গৈ পালোঁ নিকা ফৰকাল, কুলখুৰাৰ চোতাল, এই চোতালত, কৃষি-বিপ্লৱৰ মন্ত্ৰণা, খুৰা তাৰেই সভাপতি'।

আজীৱন সংগ্ৰাম কৰি এন্ধাৰজুপুৰিৰ টিমিক-টামাক লেমৰ পোহৰত কুলখুৰা আজি মৃত্যু পথৰ যাত্ৰী। ডিঙি চেপি ওলোৱা এষাৰ অস্পষ্ট মাতেৰে যেন আজি খুৰাই সমগ্ৰ শোষিত-বঞ্চিত-লাঞ্ছিত মানুহকেই কব খুজিছে শোষণভিত্তিক সমাজত জীৱন বৰ কষ্টকৰ

কমৰেড। তথাপি খুৰাহঁতৰ সংগ্ৰাম অপৰাজেয়। সেয়ে—

যুগে যুগে শোষিতৰ কণ্ঠপান কৰি, নীলকণ্ঠ খুৰা;
যুগে যুগে বসুমাতাৰ গৰ্ভ বিদাৰি, লখিমী উলিয়াই,
খুৰা হ'ল বসুমাতাৰী,
নাঙলৰ শিৰলুত মাণিকী-মাধুৰী কাব্য, যুগে যুগে ৰচি,
মহাকবি খুৰা।
বাৰে বাৰে শোষকৰ পালখেদি বীৰ বসুমাতাৰী ৰণক্লান্ত
আজি।—ঐ

জগতৰ সকলো বিপ্লৱী জনতাৰ প্ৰাণে প্ৰাণে, ৰাইজৰ হিয়াই হিয়াই আৰু নেলেখা ইতিহাসৰ পাতে পাতে থকাৰ দৰেই জীৱন সংগ্ৰামী কুল খুৰাও অমৰ। অথচ শাসক শোষক বুৰ্জোৱাৰ প্ৰচাৰ মাধ্যত নিশ্চয় কুল খুৰাহঁতৰ মৃত্যুৰ বাতৰি নোলায়—

খুৰা নাই, বাতৰি কাকতত খবৰ নোলাল।
আজিৰ বাতৰিত শিৰোনামা নাপায় খুৰাই।
কুলখুৰা, সপ্তাহৰ মানুহ যে নহয়, নহয় বছৰৰ,
কুলখুৰা শত শতিকাৰ।
কমৰেড বসুমাতাৰী, বাতৰি নহয়, ইতিহাস। (কুলখুৰাৰ চোতাল)

লোক বিশ্বাসৰ সমলৰ প্ৰতীকেৰে কবিতা ৰচনা কৰাৰ এক উৎকৃষ্ট নিদৰ্শন হ'ল হেমাঙ্গ বিশ্বাসৰ 'বৰদৈচিলাৰ চিঠি।' বহাগ বিহুত বসন্তৰ ধুমুহাত অসমী আইৰ ঘৰলৈ অহা মৰমী জী বৰদৈচিলাৰ মাধ্যমেদি আন্তৰ্জাতিক আদৰ্শৰ কৰিয়ে এচিয়াৰ মুক্তি সংগ্ৰামৰ ৰক্তাক্ত বাৰ্তা দিব খুজিছে এনেদৰে—

পঠিয়াব খোজা যদি মোৰ বিহুৱান, ঠিকনা বিচাৰি ল'বা—
দানাং হুৱে নাইবা, মেকঙৰ অৱৰাহিকাত—
ৰ-দ্বীপ বননিৰ আঁৰে আঁৰে গেৰিলাৰ সতে
নাইবা অৱৰুদ্ধ খেছাঙৰ আগ পৰিখাত।

ববদৈ চিলাকলী কৰিব আৰু এতিয়া বিহুৰ আনন্দ ফূৰ্ত্তি উপভোগ কৰিবলৈ আহৰি নাই। কাৰণ বি-৫২ বোমাৰুৰ 'হিংস্ৰতা আৰু মাতৃৰ গৰ্ভ ফালি কেছুৱাৰ তেজপিয়া পিশাচৰ সতে এয়া কৰিব অন্তিম সংগ্ৰাম। গতিকে তেওঁৰ ঠিকনা হ'ব—

ঠিকনা বিচাৰি মোৰ, ফুৰিব নেলাগে খেপিয়াই আই,
কেৱল লেখিবা মোৰ নাম, 'কেয়াৰ অৱ' হো চি, মিন,
ভিয়েটনাম।

তুকেজি খাদ্যৰ আশাত ৰেচনৰ লাইনত থিয় হৈ খাদ্যৰ পৰিবৰ্ত্তে পাষাণ বুলেটত বিদ্ধ হৈ উদং মোনাটিৰে ভৰদুপৰীয়া নৰ্দমাৰ দাঁতিত বোকা সানি পৰি থকা লʼৰাটোলৈ ভেলেঙী চকুৰে নিঃসহায় মাক-জনীয়ে আহিব আহিব বুলি অধীৰ অপেক্ষা কৰি থকা আধুনিক সমাজৰ করুণ ছবি কবি বিশ্বাসে আঁকিছে তেওঁৰ "ওভতনি" নামৰ কবিতাটিত। এজাক বৰষুণে ৰাজআলিৰ তেজ ধুই নিকা কৰিলে। মদাৰত, বসন্তৰ ফুলত ডোঙাডোঙে তেজ ফুল হৈ ফুলিল, কিন্তু সেই গুলিবিদ্ধ সন্তান উভতি নহা সন্তানহাৰা মাতৃ হলে স্তব্ধ হৈ পৰিল—

ৰঙা-নিচানৰ হেন্দোলনি / দূৰণিত মিচিলৰ ধ্বনি
তাই ওলাই আহিল। আৰু মিচিলৰ মাজতেই বিক্ত মাতৃয়ে অনুভৱ কৰিলে মৃতপুত্ৰৰ অস্তিত্ব— সি আহিব ধৰিছে'। (ওভতনি)

ৰোমাণ্টিক ভাবানুভূতি প্ৰতি ব্যক্তি, যুগ আৰু সমাজতেই নিহিত হৈ থাকে। পিছে তেনে ভাবাদৰ্শৰ প্ৰয়োগ সৰহবোৰৰ ক্ষেত্ৰতেই হয় ব্যক্তিবাদী খামখেয়ালী। অথচ উন্নত চেতনাৰ বৌদ্ধিকতাত সি পায় সংগ্ৰামী ৰূপ। ৰোমাণ্টিক প্ৰেম আৰু প্ৰেমিকা বহুতৰ বাবেই ভোগ উপভোগৰ সামগ্ৰী। কিন্তু প্ৰগতিশীল চেতনা সম্পন্ন সকলৰ বাবে সি হয় সবল বীৰ্য্যৰ সমাজবদ্ধ সম্বল। গণকবি হেমাজ বিশ্বাসেও তেওঁৰ 'এটি অ-ৰোমাণ্টিক কবিতা'ত প্ৰেয়সীক তেনে অৰ্থতেই গ্ৰহণ

কৰিছে। কবি নৱকান্তৰ প্ৰেয়সী 'অলকানন্দাজনী, আৰু কবি মহেন্দ্ৰ বৰাৰ প্ৰেমিকা হ'ল ''আইভিৰ লতা 'কলেজ কুইন'। পিচে কবি বিশ্বাসে ভাবে 'নাইলন উৰ্বশী'ৰহে কথা। অৰ্থৎ আধুনিক কৃত্ৰিমতা আৰু জটিলতাৰ কথাহে তেওঁ চিন্তা কৰে। কিন্তু হঠাতে তেনে কৃত্ৰিম চিন্তাৰ ছন্দপতন ঘটি সংগ্ৰামী কবি কঢ় বাস্তৱলৈ নামি আহে। সেয়ে ধুমুহা বিধ্বস্ত জনসমাজত প্ৰেয়সীক দেখা পায় এনেদৰে—

> সিদিনা তোমাক দেখা পালোঁ। ক্ষুধাৰ্ত্ত জনতাৰ শাৰীত
> ৰাজধানীৰ ধূলি-ধুমুহাত। বিক্ষুব্ধ শোভাযাত্ৰাৰ অগ্ৰা-নায়িকা,
> তেজোদ্দীপ্ত নগাযাঠি মুখ। মুকলি খোপাৰ চুলি আউল বাউল
> কঁপালত জুই-ফোঁট।

যি দেশত ভোক বে-আইনী, প্ৰপীড়িত, য'ৰ পুথি পঢ়াশালীত ভোক নিষিদ্ধ-লাঞ্ছিত, মাথোঁন শ্মশানৰ মৃত্যুবাণী- 'ছাত্ৰানাং অধ্যয়নং তপঃ' আৰু পৰীক্ষা পাচ কৰা কংসৰাজৰ 'গুড়বয়' হোৱাৰ বাৰ্ত্তা কঢ়িয়াই, যি দেশত বিট্‌নিক হ'বলৈ, ড্ৰেইন পাইপ লবলৈ আৰু বিটলছৰ গান গাবলৈ শিকায় অথচ লঘোনৰ শ্লোগান অশ্লীল আৰু তেনে শ্লোগান দিলে পায় অহিংসৰাজৰ গৰম চিচাৰ গুলী, সেই দেশ, সেই সমাজত 'ডিব্ৰুগড় ''নামৰ কবিতাত ক্ষুব্ধ কবি হেমাঙ্গ বিশ্বাসে ৰঁমাৰঁলাৰ সেই বিশ্ববিখ্যাত ধ্বনি" যত শৃঙ্খলাই অন্যায় ত'ত বিশৃ-ঙ্খলাই ন্যায়ৰ আৰম্ভণী' বোলা আপ্তবাকাষাৰ উদ্ধৃতি দিছে। এনে অন্যায় ব্যৱস্থাৰ বিপৰীতে বিপ্লৱী কবি বিশ্বাসে ন চানেকীৰ ন পাঠ্য চুপাৰিশ কৰিছে এইদৰে—

> মই যদি হওঁ জনতাৰ কবি। কৈ যাওঁ ৰিঙিয়াই
> ৰাজপথে পথে বিদ্যাৰ্থীৰ। পদৰেণু কঢ়িয়াই—
> ....দুৰণিত সৌ শুনিছানে নাই। ক্ষুধাতুৰ উত্তাল ?
> লগত বাজিছে তাল ? খুটিতাল নহয়, ভোৰতাল—
> হৰতাল ! হৰতাল !
> বসুৰাৰ বুকু ভোকৰ বয়লাৰ। বলৰাম খেতিয়ক।

হাতত ধৰিছে তীক্ষ্ণ ওলোটা ফাল।

কবি মই তাৰেই, হাতে হাতে দিম। ছন্দ প্ৰকৰণ

সময়ৰ ঘড়ী প্ৰহৰ গণিছে। ভূগৰ্ভ বিস্ফোৰণ। (ডিব্ৰুগড়লৈ)

অনেক ধুমুহা আৰু বা-মাৰলী, অজস্ৰ বজ্ৰপাত ভূইকঁপেও বিচলিত কৰিব নোৱাৰা গ্ৰেনাইট দৃঢ় শাল গছ স্বৰূপ স্থিতপ্ৰজ্ঞ কমৰেড ৰত্নেশ্বৰ ৰাভাই বাপতিসাহোন একঠা মাটিৰ বাবে ভয়ঙ্কৰ মাটিৰ মহাজনৰ লগত যুঁজ কৰে। তথাপি—

বলিয়া হাতীৰ পাল আহে। শুঁৰত মেৰাই তাৰ উচ্ছেদ-নোটিছ

আলফুল কেঁচুৱা কুহিটি, টানি ছিঙি গছকি মোহাৰি।

(ৰত্নেশ্বৰ ৰাভা)

কিন্তু কবি বিশ্বাসে উজ্জ্বল আশাবাদী সংগ্ৰামী ৰাভাক দেখিছে—

মুখত দেখিছোঁ তাৰ দাৰিদ্ৰ্যৰ চেকা

চকুত জিলিকি উঠে ভবিষ্যতৰ আভা

নাম তাৰ— কমৰেড ৰত্নেশ্বৰ ৰাভা। (ঐ)

জ্যোতিপ্ৰসাদৰ উন্নত চেতনা আৰু গণশিল্পীৰ ভূমিকা সমদৰ্শী হেমাঙ্গ বিশ্বাসেহে প্ৰথমে চিনি পাই গণনাট্য সংঘৰ প্ৰথম সভাপতি পাতি জাতীয়তাবাদী দৃষ্টিভঙ্গীৰ পৰা সমাজতান্ত্ৰিক দৃষ্টিভঙ্গী লৈ অগ্ৰসৰ হোৱাত উদ্‌গনি যোগায়। হেমাঙ্গই জ্যোতিপ্ৰসাদক শান্তিৰ সেনানী, অভিনেতা, গণনাট্যৰ সম্ভেদ দিওঁতা বুলি বখানি লেখিছে—

দেশপ্ৰেম প্ৰবাহক বন্ধা নাই। জাতীয়তাৰ ঠেক পুখুৰীত,

বিহুৰ পেঁপাৰ সতে গাঁথি দিলা। স্পেনিছ গীটাৰ।

(জ্যোতিপ্ৰসাদ)

কবিয়ে জ্যোতিপ্ৰসাদৰ অস্তিত্ব সৰ্ব্বত্ৰতে অনুভৱ কৰে—

তুমি আছা / কঠিয়াতলীত / কৃষকৰ সেউজী স্বপ্নত

ধান য'ত মূৰ দাঙি গান হৈ জাগে।

চাহ বনুৱাৰ ঝুমুৰৰ / মাদলে মাদলে / তেজৰ বুলনি সনা ৰাগিছাৰ

পাতে পাতে

বিদ্ৰোহৰ কঁপনি তোলা / ৰুদ্ৰ সঙ্গীতত /
ধনতন্ত্ৰী দুস্কৃতিৰ / ধ্বংসকামী / তুমি আছা
সাম্যবাদী সংস্কৃতিৰ / ৰঙা দিগন্তত । (ঐ)

এতেকে কবি বিশ্বাসৰ মতে – “জ্যোতি তুমি চিৰ জ্যোতিষ্মান ।”

“আই তই বেগেতে আহিবি দেই....” কবি হেমাঙ্গ বিশ্বাসৰ এটি অতি কৰুণ কাহিনীৰ কাব্যৰূপ । চিলং পাহাৰত বেপাৰ কৰি ফুৰা খাছীয়া গাভৰু ইবন বাইদেউ কবিৰ অতিকৈ চিনাকি । বেপাৰলৈ আহোঁতে চুমা এটি খাই অহা অকণি পোনাটিয়ে বুঢ়ী মাকৰ কোলাৰ পৰা হাত বাউলদি থুনুক থানাক মাতেৰে যেন কয় “আই তই বেগতে আহিবি দেই” । কিন্তু এদিন হঠাৎ বাজি উঠিল চাইৰেণৰ বিকট চিঞৰ । মাৰ্কিন সৈনিকৰ উদ্ধত ইয়াংকী গামবুটবোৰ আৰু কামাতুৰ ছিগাৰেট বোৰৰ বাহুবেষ্টনীত পিষ্ট হ’ল ইবন বাইদেউ । এনেদৰেই মাৰ্কিন সৈন্যৰ পশুত্ব আৰু নাৰী আৰু শিশুৰ পিষ্ট-মনুষ্যত্বৰ নিকৰুণ ছবি এই কবিতাটিত হেমাঙ্গ বিশ্বাসে অঙ্কন কৰিছে ।

গ্ৰাম্যজীৱনৰ বোকাৰ পৰা বুটলি অনা পদুমস্বৰূপ মঘাই ওজা চহাপ্ৰাণ হেমাঙ্গ বিশ্বাসৰ শ্ৰেষ্ঠতম আবিস্কাৰ বুলি গণশিল্পীজনে নিজেই স্বীকাৰ কৰিছে । ঢোলক কবিয়ে “সুৰ-সংগতিৰ আশ্চৰ্য্য অৰ্কেষ্ট্ৰা” আখ্যা দিছে । ঢোলক কবিয়ে প্ৰতীকী অৰ্থত গ্ৰহণ কৰি আহ্বান জনাইছে—

ওজা ভাই, আকৌ লাগে আজি আৰণ্যক ঢোলৰ মাত
নিস্ফলা মাটিৰ কইনাৰ / গৰ্ভকোষ উদ্দীপিত কৰি
সঞ্জীৱিত সৃষ্টিৰ ভ্ৰূণক / বজ্ৰৰ গৰ্জনে অনা ধুমুহাৰ তালে ।
ভীষণ মধুৰ তোমাৰ ঢোলৰ চাপৰ / ভীষণ মধুৰ ।
(মঘাই ওজাৰ ঢোল)

ঢোল হ’ল সৃষ্টি আৰু জাগৰণৰ প্ৰতীক, বিপ্লবৰ উদ্গাতা—

বিপ্লৱৰ ঢোলৰ মাৰিয়ে- কৰা জাৰী নতুন চমন,
পথাৰে পথাৰে উৰক ৰঙা নিচান—

ধান নিদিওঁ ধান নিদিওঁ নিদিওঁ আমাৰ ধান। (ঐ)

বিপ্লবী কবিৰ কাপত গঙাচিলনীজনীও বিপ্লবৰ আন্তৰ্জাতিক প্ৰতীক হৈ পৰে। কবিৰ গঙাচিলনী থিৰাচিমা দ্বীপৰ। তাই আনবিক, দানবিক, মৃত্যু ধ্বংসৰ নৃত্যৰ বাৰ্ত্তা পাই প্ৰতিবাদত ভয়ঙ্কৰ হৈ পৰে, দুপাখিত ধুমুহাৰ গীতলৈ, চিৰউড্ডীন, অক্লান্ত হৈ দুৰ্নিবাৰ হৈ পৰে, তাই হয় —

প্ৰশান্তৰ পৰা অটলান্ত / প্ৰতিৰোধ-প্ৰতিশোধ, চিৰক্ষমাহীন।
মোৰ ডেউকাৰ গানে, বিদ্ৰোহবান আনে/এফ্ৰো-এচিয়া-আমেৰিকাত
........প্ৰতিদিন সানি দিওঁ ৰক্তৰ ৰঙ/মইহে ভিয়েৎকং,
মইহে ভিয়েৎকং/মইহে ভিয়েৎকং। (গঙাচিলনীৰ গীত)

বিষ্ণুৰাভাৰ মৃত্যুত সহযোদ্ধা কবি হেমাঙ্গ বিশ্বাসে পৰ্ব্বতৰ চূড়া খহি পৰা; লুইতত ভূঁইকঁপ উঠা, অসম মূৰ্চ্ছিতা হোৱা আৰু কেউফালে উচুপনি ভৰা বুলি অনুভৱ কৰিছিল। অৱশ্যে কবি হতাশাত ভাগি পৰা নাছিল। আশাবাদী কবিয়ে তাৰ মাজেদিও বোৱতী সুঁতিত যৌৱনৰ মৃত্যুহীন গীতৰ ফেনেফুটুকাৰে বৈ যোৱা দেখিবলৈ পাইছিল। সেয়ে আত্মবিশ্বাসৰে লেখিছে—

শোষিতৰ কলিজাৰ ৰঙা পোৱালেৰে গথাঁ, আলোক মিনাৰ
চিৰ অনিৰ্বাণ জ্বলে মুক্তি দেউল'ত।
তাৰে খনিকৰ, ৰূপৰ শিকলি বন্ধা/অমিয়া সুৰক মুক্তি দিলা
ধাননিত।
সাম্যবাদী চেতনাৰে সুদীপ্ত সুন্দৰ/ৰাখি গ'লা হেঙুলীয়া তোমাৰ
স্বাক্ষৰ। (বিষ্ণুদালৈ)

"উটি যোৱা ন" বেউলা" কবি হেমাঙ্গ বিশ্বাসৰ এক সুন্দৰ ব্যঙ্গ কবিতা। লোক গাঁথাৰ বেউলাই ভেলাত উটি স্বামীৰ জীৱন লাভ কৰে। কিন্তু আজিৰ বিমানত উঠি নেতাই ভণ্ডামী কৰে আৰু ৰাইজ লাউফুল ওপঙা দিয়ে।

জীৱনৰ বহু বছৰ মহাচীনত কটোৱা সঁচা অভিজ্ঞ কবি হেমাঙ্গ

বিশ্বাসে হোৱাংহোৰ পাৰে পাৰে ফুৰি আশ্বস্ত হয়, দুখৰ ঠাইত সুখ আৰু অনিশ্চয়তাৰ ঠাইত নিৰাপত্তা দেখে। দেখে এসময়ৰ বনৰীয়া বাইছন আজি ঘৰচীয়া কামধেনু। দুঃখৰ দুকুল ওপচায় দুধাৰ প্ৰৱাহে, বাৰিষাত উটিযোৱা মানুহৰ দুঃখৰ বিননি আৰু শুনিবলৈ নেপায়। চৌপাৰৰ জনতাৰ মথাউৰি আৰু কোনো ক্ৰুৰ মহাকালে ভাঙিব নোৱাৰে। কিন্তু যেতিয়া কবিয়ে লুইতৰ পাৰৰ দুৰ্গতিৰ কথা মনত পেলায় তেতিয়া মনৰ চকুৰে দেখা পায় অসংখ্য লুইতপৰীয়াৰ হোৱাং-হোৰ নিষ্কৃতি বিচৰাৰ নিবীড় আকৃতি—

কেতিয়াবা মনে জুমি চায় বঢ়া লুইতলৈ
কিমানদিন মাজৰাতি মহতো শুনিছোঁ / উচুপনিতাৰ।
নীলাচল, উমানন্দৰ শিলে শিলে ক্ষত-বিক্ষত বুকুত তাৰ
অসংখ্য হোৱাংহোৰ নিৰুদ্ধ আকৃতি ॥ (মই ফুৰোঁ হোৱাংহোৰ
পাৰে পাৰে)

অসমীয়া কবি হেমাঙ্গ বিশ্বাসৰ মাতৃভাষা নহলেও জন কবিৰ কাব্যত কাব্যিক সৌন্দৰ্য্য ব্যাহত হোৱা নাই। বৰঞ্চ "শোষিতৰ কষ্টপান কৰা নীলকণ্ঠ খুৰা," "সীৰলুত মাণিকী মাধুৰী কাব্য," "লঘোনীয়া মাকজনীৰ ভেলেঙী চকুৰে," "কোৱাভাতুৰীয়া হাঁহি," মুকলি খোপাৰ চুলি আউল বাউল," 'কাণ খোৱাই কাঢ়ি লয়," "একঠা আদিম মাটি ৰাপতিসাহোন," "আই তই বেগেতে আহিবি দেই," "যেন বনভোমোৰাৰ ভোন ভোন,," "জনতাৰ বিহুটি আহিব ৰমকে-জমকে ঐ,": আদি কাব্য চিত্ৰ নিভাঁজ অসমীয়া জনজীৱনৰ। অসমৰ লোকজীৱন আৰু সংস্কৃতিক আত্মাৰে ভালপোৱা বাবেই গণকবি হেমাঙ্গ বিশ্বাসে প্ৰতিবেশী ভাষাৰ জিগীনি আয়ত্ব কৰিব পাৰিছিল।

অসম ভাৰত তথা আন্তৰ্জাতিক বিপ্লবী সত্তাৰ এক প্ৰাজ্বল কাব্যৰূপ হিচাপে 'ফুল খুৰাৰ চোতাল" গণশিল্পী হেমাঙ্গ বিশ্বাসৰ এক ক্ষুদ্ৰ কাব্য মীনাৰ। কবিয়ে আন্তৰিক কামনা কৰাৰ দৰেই ফুলখুৰা-

ৰঙ্গেশ্বৰ ৰাভাৰ জীৱন সংগ্ৰামী দলে এই কাব্যৰ মোল বুজিবলৈ লৈছে আৰু গণজীৱনৰ বিবৰ্ত্তনৰ ধুমুহাপথত এই কাব্যৰ চাহিদা অধিক বৃদ্ধি পাব, তেহেলৈ বিশুদ্ধ-বিদগ্ধ পণ্ডিত সমালোচক সকলে যি বুলিয়েই নলওক লাগে বিশ্বাসৰ সঙ্গীদলে কবিৰ দৰেই তালৈ কোনো ভ্ৰূক্ষেপ নকৰিব। ★

★ লেখক শ্ৰীতোষেশ্বৰ চেতিয়া (থিলামৰা : লক্ষীমপুৰ) অসমৰ এগৰাকী বিশিষ্ট মাৰ্ক্সবাদী কবি, কথা সাহিত্যিক, সমালোচক।

হোৱাংহোৰ পাৰত সুৰমাৰ গঙাচিলনী

শ্ৰীনলিনীধৰ ভট্টাচাৰ্য

ছোভিয়েট বিপ্লৱৰ পিছত যিখন দেশত সমাজতন্ত্ৰৰ বৃহত্তম জয় হৈছিল সেইখন দেশেই হ'ল বৰ্ত্তমানৰ লোকচীন। চীনৰ কমিউনিষ্ট পাৰ্টিয়ে জাপানী আক্ৰমণ ওফৰাই দি নিজক প্ৰতিষ্ঠা কৰে। ইযাৰ পিছত পাৰ্টিৰ নেতৃত্বত পিপোলচ্ লিবাৰেচন আৰ্মিয়ে কুওমিণ্টাং চৰকাৰক পৰাস্ত কৰি ক্ষমতা লাভ কৰে। মাওৰ দৰে বিপ্লৱী আছিল এইখন দেশৰ কৰ্ণধাৰ, তেওঁৰ নেতৃত্বতে চীনৰ কৃষক ৰাইজে সমাজবাদৰ পথ লৈ আজিৰ পৃথিবীৰ ভিতৰতে অন্যতম শক্তিশালী জাতি হিচাবে থিয় দিব পাৰিছে। এইখন সমাজতান্ত্ৰিক চীনৰ বিষয়ে আমাৰ মানুহৰ মাজত কিছুমান ভুল-ধাৰণাই বাঁহ লৈছিল। ভুৱা প্ৰচাৰো ইযাৰ এটা কাৰণ। মাও-চে-তুঙে চীন দেশৰ আভ্যন্তৰীণ দ্বন্দ্বসমূহ নিৰসন কৰি মানুহক কেনেকৈ আগুৱাই নিব পাৰি তাৰ পথ আৰু কৌশল নিৰ্ণয় কৰি দিছিল। লিও-চাও-চিৰ দৰে ব্যক্তিৰ বিৰোধিতা সত্বেও মাওৰ লাইনেই শুদ্ধ বুলি বিবেচিত হৈছিল। চীনত বিৰাট কৰ্মযজ্ঞ আৰম্ভ হৈছিল। চীনৰ এই বিৰাট কৰ্মযজ্ঞৰ বিষয়ে জানিবলৈ আমাৰ কৌতূহল উপজিলেও, তাক নিৰাসন কৰাৰ উপায় কম। হেমাঙ্গ বিশ্বাসৰ আকৌ চীন চাই আহিলোঁ। (১ম আৰু ২য় খণ্ড) পুথিখনেই পোন প্ৰথমে অসমীয়া মানুহক চীনৰ আভ্যন্তৰীণ পৰিস্থিতিৰ উমান লবলৈ সুবিধা দিয়ে। হেমাঙ্গ বিশ্বাস মাৰ্ক্সবাদী, তেওঁ মনে-প্ৰাণে বিশ্বাস কৰে যে মাৰ্ক্সবাদেহে মানুহক কল্যাণৰ প্ৰকৃত পথৰ সন্ধেদ দিয়ে। তেওঁ শেষৰ জীৱনত ছোভিয়েট দেশৰ সম্বন্ধে হতাশ হৈছিল, বিশেষকৈ খ্ৰুশ্চেভ-ব্ৰেজনেভৰ দিনবোৰত ঘটা ছোভিয়েটৰ

কাৰ্যকলাপে ক্ষুব্ধ কৰি তুলিছিল। অৱশ্যে লেনিনৰ প্ৰতি শেষলৈয়ে অশেষ শ্ৰদ্ধা পোষণ কৰিছিল। লেনিনৰ জন্ম শতবাৰ্ষিকীৰ সময়ত তেওঁ গান ৰচনা কৰিছিল। ছোভিয়েটৰ নীতিত অসন্তুষ্ট হৈ তেওঁ নতুন চীনৰ প্ৰতি আকৃষ্ট হৈছিল। এই আকৰ্ষণৰ ফলশ্ৰুতিয়েই হ'ল চীন-ভ্ৰমণ-কাহিনী।

হেমাঙ্গ বিশ্বাসৰ নিজৰ ভাষাত— "সুৰমা নদীৰ গাংচিল আমি, শূন্যে দিলাম উৰা।"— তেওঁ সুৰমাৰ গঙাচিলনী। তেওঁ এটা কবি মনৰ অধিকাৰী আছিল, কিন্তু কেৱল কল্পনাৰ মাজত আশ্ৰয় লোৱা কবি তেওঁ নাছিল। দেশ-বিদেশৰ নানা ঘটনাই তেওঁৰ মনত ঘনাই ভুমুকি মাৰিছিল আৰু সেইবোৰে তেওঁক চিন্তিত কৰি তুলিছিল। এই প্ৰবণতাৰ কাৰণেই তেওঁ শ্ৰীহট্টৰ পৰা অসম আৰু অসমৰ পৰা কলিকতালৈকে নিজৰ সংগ্ৰামী সত্তাক বিয়পাই দিছিল। এহাতে ৰাজনীতি আৰু আনহাতে সংস্কৃতিৰ জোৰ-বস্তি লৈ তেওঁ দেশৰ আৰু দহৰ বাবে কাম কৰিছিল। অসমৰ গণনাট্য সংঘ, বঙালী-অসমীয়া সম্প্ৰীতি, সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে যুঁজ, এনেবোৰ কামত সংস্কৃতিকেই তেওঁ অস্ত্ৰ কৰি লৈছিল। এজন দৰদী সংগীত শিল্পীৰ সকলো গুণ তেওঁৰ আছিল। মানব প্ৰেমেৰে সিক্ত এখন হৃদয়েৰে তেওঁ গীত ৰচনা কৰিছিল, গাইছিল, সেইবোৰে চুই গৈছিল সাধাৰণ মানুহৰ মন। তেওঁৰ দিনৰ মূল্যবোধ আজি নাই; আজিৰ মানুহ বন্দুক-তকৈও ভয়ানক। ত্যাগ আৰু সেৱাৰ মূল্য কোনেও নুবুজে। হেমাঙ্গ বিশ্বাসৰ অসাধাৰণ ব্যক্তিত্ব এই দিশত পথ প্ৰদৰ্শক হ'ব পাৰে। সেইবাবে আজি তেওঁৰ চৰ্চা যিমানেই বেচিকৈ হয়, সমাজৰ কাৰণে সিমানেই মঙ্গল বুলি আমাৰ ধাৰণা।

কাৰাবৰণ, অনিয়ম আৰু অতিপাত পৰিশ্ৰমৰ ফলত কাৰাবাসতেই তেওঁ যক্ষ্মা ৰোগত ভুগিবলগীয়াত পৰিছিল। এই ৰোগৰ চিকিৎসাৰ বাবে ১৯৫৭ চনত প্ৰথম চীনদেশলৈ গৈছিল। তাত প্ৰায় তিনি বছৰ কাল থাকি তেওঁ চীনা ভাষা শিকিলে আৰু চীনা লোকসংগীত অনুবাদ কৰিলে। ১৯৭৪ আৰু ১৯৭৯ চনতো তেওঁ চীনদেশ ভ্ৰমণৰ সুযোগ পাইছিল। ১৯৭৪ চনত কোট-

নীচ কমিটিৰ সদস্য হিচাপে আৰু ১৯৭৯ চনত চীনদেশৰ চৰকাৰৰ পৰা নিমন্ত্ৰণ পাই তেওঁ সস্ত্ৰীক চীন দেশ ভ্ৰমণ কৰি আহিছিল। সৰ্ব-মুঠ তিনিবাৰ চীনদেশ ভ্ৰমণ কৰি তাৰ লোকসংগীতৰ জ্ঞান আহৰণ কৰাৰ উপৰি ৰাজনৈতিক আৰু আৰ্থ সামাজিক বিকাশ, সেই দেশৰ সংস্কৃতি আৰু কলাৰ বিষয়েও মনযোগেৰে অধ্যয়ন কৰিলে। 'আকৌ চীন চাই আহিলোঁ' গ্ৰন্থত এনে অধ্যয়নৰ স্বাক্ষৰ আছে।

সুৰমাৰ পাৰৰ গঙাচিলনী উৰি গৈছিল হোৱাংহোৰ পাৰলৈ। হোৱাংহোৰ পাৰত তেওঁ কি বিচাৰিছিল? এখন প্ৰাচীন সমাজ বিপ্লৱৰ সহায়ত কিদৰে ক্ৰমে উন্নততৰ অৱস্থালৈ গতি কৰিছে, তাৰ বিষয়ে জানিবৰ বাবেই এই গঙাচিলনীটিয়ে হোৱাংহোৰ পাৰলৈ উৰা মাৰিছিল। লগতে উদ্দেশ্য আছিল সুৰমা আৰু হোৱাংহোৰ পাৰৰ মানুহৰ মাজৰ এনাজৰীডাল কটকটীয়া কৰা। 'পাটকাইৰ সিপাৰৰ এই নতুন সাধুকথাৰ দেশখনৰ লগত আমাৰ সম্পৰ্ক বহুকলীয়া; এই সম্পৰ্ক ১৯৬২ চনৰ কলংকিত অধ্যায়ৰ কথা পাহৰি আমি সমুজ্জ্বলকৈ ৰক্ষা কৰিব লাগিব। বিশ্বাসৰ মতে তৃতীয় বিশ্বৰ স্বাধিকাৰ, স্বাধীনতা আৰু সাৰ্ব্বভৌমত্বৰ বাবেই এই দুই উপমহাদেশৰ মাজত মৈত্ৰীৰ বিশেষ আৱশ্যক। চীন বিৰোধী অপপ্ৰচাৰ নিৰ্মূল কৰি সকলো ভ্ৰান্ত ধাৰণা দূৰ কৰিব পাৰিলেহে মৈত্ৰী সম্ভৱপৰ হ'ব। এই আশাৰেই তেওঁ লিখিছে: "এই কিতাপখনে যদি সেইবোৰ ভ্ৰান্ত ধাৰণা কিছুপৰিমাণেও আঁতৰাব পাৰে তেনেহলে মই ধন্য মানিম।" প্ৰথম খণ্ডত তেওঁ চীনৰ গাওঁৰ কথা কৈছে, কিয়নো, তাৰ মুঠ জন সংখ্যাৰ আশী শতাংশ এতিয়াও গাৱঁতে থাকে। তেওঁ লিখা গণকমিউন সম্বন্ধীয় কথাখিনিয়ে গ্ৰামাঞ্চলৰ ৰূপান্তৰৰ আভাস দিয়ে। সাংস্কৃতিক বিপ্লৱ আৰু শিক্ষা-সংস্কৃতিৰ বৰ্ণনাও এই গ্ৰন্থত আছে। পিকিং অপেৰাৰ মাজত যি পৰিবৰ্ত্তন আহিছে, তাৰ কথাও আলোচনাৰ ভিতৰত আছে। দ্বিতীয় খণ্ডত

সাংস্কৃতিক বিপ্লৱৰ পটভূমিত শিক্ষা, সংস্কৃতি, শিল্প, লিনপিয়াও, কনফুছিয়াচ আদিৰ পৰিচয় আছে।

প্ৰথমখণ্ড আৰম্ভ কৰিছে পাৰ্লিয়ামেণ্টত দিয়া তেওঁৰ ভাষণেৰে। কোঁটনীছ কমিটিৰ সদস্যৰূপে দ্বিতীয়বাৰ চীনলৈ যাওঁতে তেওঁ আৰু কমিটিৰ অন্যান্য সদস্য সকলে তাত কেনে আদৰ-যতন পাইছিল তাৰ কথা এই ভাষণত উল্লেখ কৰিছে। সেই সময়ৰ ভাৰতীয় চাৰ্জ দি এফেয়াৰ মেহৰোত্ৰাই দিয়া মন্তব্যটো প্ৰণিধান যোগ্য। বিশ্বাসে এই মন্তব্যটো উধৃত কৰি দিছে। মেহৰোত্ৰাই কৈছিল: "কোঁটনীছ কমিটিৰ সদস্য সকলৰ এই চীন-ভ্ৰমণ ভাৰত-চীন মৈত্ৰী সম্পৰ্কৰ দিগন্তত এক নতুন উষাৰ আবিৰ্ভাৱ বুলি মই ভাবোঁ।" এই ভাষণত তেওঁ তেওঁ চীনত যে অন্ন চিন্তা চমৎকাৰা হৈ থকা নাই সেই কথাও তথ্য-পাতিৰে দাঙি ধৰিছে। ডাঃ কোঁটনীছ সম্পৰ্কে চীনৰ মানুহৰ শ্ৰদ্ধা দেখি তেওঁ অভিভূত হৈছে আৰু আন্তৰ্জাতিকতাবাদী দৃষ্টি ভঙ্গীৰে চীনৰ মুক্তি যুঁজত প্ৰাণ আহুতি দি দুয়োখন দেশৰ মাজত যি মৈত্ৰী বন্ধনৰ সূচনা কৰি গ'ল, সেইজন কোঁটনীছৰ চৰিত্ৰৰ ভালেমান নজনা কথাও জানি আহিছে। সেই বিলাকৰ পৰা আমাৰ পাঠক সকলো নিশ্চয় উপকৃত হ'ব।

মাও চে তুঙৰ চিন্তাধাৰাৰ লগত বিশ্বাস পৰিচিত হৈছিল ১৯৪৫ চনতে। ইয়েনানত মাওৱে ১৯৪২ চনত শিল্প সাহিত্যৰ বিষয়ে যি ঐতিহাসিক প্ৰতিবেদন দাখিল কৰিছিল, সেই প্ৰতিবেদনখন ভাৰতবৰ্ষ আহি পাইছিলহি ১৯৪৫ চনত। এই প্ৰতিবেদনখনে সেই সময়ত প্ৰগতিশীল শিল্পী সাহিত্যিক মহলত নতুন প্ৰাণ-প্ৰবাহৰ সৃষ্টি কৰিছিল। বিশ্বাসে এই কথা উনুকিয়াই কৈছে যে সেই দলিলখন ভাৰতীয় পৰিস্থিতিত বিশ্লেষণ বা প্ৰয়োগ কৰিবলৈ তেওঁবিলাক সক্ষম হৈছিল বুলিব নোৱাৰি; কিন্তু সেই সময়ৰ ফেছী বিৰোধী যুদ্ধৰ পটভূমিত নতুন সংস্কৃতিৰ জোঁৱাৰ তুলিবলৈ দলিলখনে তেওঁলোকক প্ৰেৰণা যোগাইছিল। ইয়েনানৰ লু-খুন আৰ্ট অকাডেমীৰ বিষয়ে সেই

সময়ত এড্‌গাৰ স্নো আদিয়ে যিবোৰ কথা লিখিছিল, তাৰ পৰাও ভাৰতীয় গণনাট্যৰ প্ৰতিষ্ঠাপক সকলে প্ৰথম প্ৰেৰণা লাভ কৰিছিল। ইয়েনানত ভাৰতীয় মেডিকেল মিছনে সকলো বাধা-বিঘিনি অতিক্ৰম কৰি চিকিৎসা শাস্ত্ৰতো বিপ্লৱ ঘটাইছিল। 'চিকিৎসা শাস্ত্ৰত বিপ্লৱ' মানে চীনৰ প্ৰাচীন চিকিৎসা পদ্ধতিৰ লগত পাশ্চাত্য চিকিৎসা পদ্ধতিৰ সমন্বয় সাধন। আকুপাংচাৰ পদ্ধতিৰ চৰ্চা তাৰেই ফল। বিশ্বাসে এনেবোৰ কথা উল্লেখ কৰি অকল কোঁটনীছ আৰু তেওঁৰ সংগীবৃন্দৰ মেধা আৰু ত্যাগ স্বীকাৰৰ কথাকে কোৱা নাই, প্ৰকাৰান্তৰে, আমাৰ দেশত প্ৰাচীন চিকিৎসা পদ্ধতিৰ আধুনিকীকৰণ যে আজিও হোৱা নাই সেই প্ৰসঙ্গলৈ আঙুলিয়াই দিছে।

ইয়েনানতে মাও আৰু তেওঁৰ সতীৰ্থ সকল গুহাবাসী হৈছিল। এই গুহাবোৰত মাও ছবছৰমান আছিল। বিপ্লৱী সকলৰ কৰ্ম্মসূচীৰ স্নায়ুকেন্দ্ৰ স্বৰূপ এই গুহাবোৰ এতিয়া চীনৰ তীৰ্থস্থান। হেমাঙ্গ বিশ্বাসে মাওৰ স্মৃতি বিজৰিত এই গুহাবোৰ আৰু ওচৰৰ গাওঁবাসীৰ সতে মাওৰ ঘনিষ্ঠতাৰ কথা বৰ শ্ৰদ্ধাৰে উল্লেখ কৰিছে। দাৰিদ্ৰ্য অশিক্ষা, কুসংস্কাৰৰ পৰা মুক্ত হৈ ইয়েনান এতিয়া খৰখোজেৰে আধুনিক নগৰৰ সন্মান আৰ্জিবলৈ আগবাঢ়ি গৈছে। এই ইয়েনানৰ আকৰ্ষণৰ মূল হ'ল মাওৰ স্মৃতিৰ সুৰভি। তেওঁ কৈছে— "মোৰ ঘৰ সকলোতে। ইয়েনান তীৰ্থত যদি বাঁহ সাজিব পাৰোঁ—মোৰেই সৌভাগ্য।" অৱশ্যে ইয়েনানত তেওঁৰ বাবে আৰু আকৰ্ষণীয় বস্তু আছিল। চুঙ্‌ সম্ৰাটসঁতৰ দিনত গঢ়া প্ৰাচীন পেগোডা আৰু সেই অঞ্চলৰ স্বকীয়া বৈশিষ্ট্যপূৰ্ণ ব্যঞ্জনাময় লোক-গীতবোৰ তেওঁৰ অনুসন্ধানৰ বিষয় আছিল।

উহানত তেওঁ এসপ্তাহ কটাইছিল। ছান-ইয়াৎ চেনৰ নেতৃত্বত চীনৰ সৰ্বপ্ৰথম গণতান্ত্ৰিক বিপ্লৱ এই উহান নগৰতেই আৰম্ভ হৈছিল। এই বিপ্লৱক 'ছিনহাই' বিপ্লৱ বোলা হয়। ইয়াৰ পিছত চীনৰ সংগঠিত ৰেল শ্ৰমিক ধৰ্মঘটো এই নগৰতেই আৰম্ভ কৰা হৈছিল।

এই ধৰ্ম্মঘটে মুক্তি আন্দোলনত এক মহান অধ্যায়ৰ সূচনা কৰে। চিয়াংকাইশ্বেকৰ শাসন কালত ইয়াৰ অৱস্থা আছিল অনুন্নত। বিপ্লৱী চৰকাৰৰ দিনত ই তীখা উদ্যোগৰ ঘাই কেন্দ্ৰ হৈ পৰিল। বিশ্বাসৰ মতে ইয়াৰ ঘাই কাৰণ, সমাজতন্ত্ৰ গঢ়াৰ কৰ্ম্মপ্ৰেৰণা আৰু যান্ত্ৰিক উদ্ভাৱনা, সাধাৰণ মানুহেই যে সুযোগ-সুবিধা পালে ন ন উপায় উদ্ভাৱন কৰিব পাৰে, তাৰ পৰিচয় ইয়াত আছে। 'মেচিন-টুল-ফেক্টৰী' ত উদ্‌ভাৱন নিপুণ এজন সাধাৰণ শ্ৰমিকেই তেওঁক কল কব্জাৰ সকলো গুণাগুণৰ কথা বুজাই দিছিল। বুৰ্জোৱা জগতত মানুহ যন্ত্ৰৰ দাস। চীনৰ সমাজতান্ত্ৰিক পৰিস্থিতিত ইয়াৰ ওলোটাটোহে হৈছে বুলি তেওঁৰ উপলব্ধি হৈছে। 'ধনতান্ত্ৰিক সমাজত যিবোৰ মানুহ আছিল মেচিনৰ লগুৱা, আজি মেচিন হ'ল তেওঁলোকৰ লগুৱা।' এই প্ৰত্যয় লৈয়ে তেওঁ চীনৰ পৰা ঘূৰিছিল।

সমাজতন্ত্ৰ প্ৰতিষ্ঠা হলেই আকাংক্ষিত স্বৰ্গ লাভ নহয়, তেতিয়াও জনগণৰ মাজত দ্বন্দ্ব থাকে, নানা বিৰোধিতা উদ্ভৱ হয়। প্ৰাচীন সংস্কাৰে আৰু চিন্তা-চেতনাই অগ্ৰগতিত বাধা দিয়ে। এই বাবেই বিপ্লৱী মাওৱে শিক্ষকৰ ভূমিকা লব লগীয়া হৈছিল। চীনৰ কৃষি বিপ্লৱত তেওঁৰ ভূমিকাই আছিল গুৰুত্বপূৰ্ণ। কৃষিক ভেঁটি কৰি শিল্পক তাৰ পৰিচালিকা শক্তি হিচাবে লোৱা নীতি তেওঁৰেই আৰু এই নীতি সৰোগত কৰিয়েই চীনত সমাজতান্ত্ৰিক গঠন চলিছিল। হেমাঙ্গ বিশ্বাসে গণকমিউন সমূহৰ কাৰ্য-কলাপ বৰ্ণনা কৰি কৈছে যে এইবোৰত সামূহিক পৰিচালনাৰ ভিত্তিত শিল্প (শ্ৰমিক), কৃষি (খেতিয়ক), বিনিময় (ব্যৱসায়ী), শিক্ষা আৰু সংস্কৃতি (ছাত্ৰ), সামৰিক বিষয় (মিলিচিয়া) একেলগে সংন্নিবিষ্ট হৈছে। গণ কমিউন সমূহে সমাজতন্ত্ৰ গঢ়াৰ গতিক খৰতকীয়া কৰিব বুলি চীনৰ কমিউনিষ্ট পাৰ্টিয়ে যি সিদ্ধান্ত আছিল, তাৰ লগত বিশ্বাস একমত। এই সিদ্ধান্তৰো বিৰোধিতা নোহোৱাকৈ থকা নাছিল, তথাপি কমিউন-বোৰৰ কাৰ্য-কলাপত বাধা নপৰিল। আগ্ৰহী পাঠকে 'এখন কমি-

উনৰ ৰেখাচিত্ৰ' নামৰ অধ্যায়টো পঢ়িলে এই কথাৰ উমান পাব। 'তা-চাইৰ বাটে'ৰে বিপ্লৱোত্তৰ চীনৰ কৃষিত কিদৰে বৈপ্লৱিক পৰিৱৰ্ত্তন আহিছিল তাৰ কথা বিশ্বাসে আন্তৰিকতাৰে বৰ্ণনা কৰিছে, আৰু এনে স্বাৰ্থত কৰ্ত্তৃপক্ষই বল প্ৰয়োগ কৰি মানুহক কামত লগাইছিল বুলি কৰা প্ৰচাৰ সঁচা নহয় বুলি মন্তব্য কৰিছে। তেওঁ দেখুৱাইছে যে জনসাধাৰণৰ স্বতঃস্ফূৰ্ত্ত উদ্যোগে আন্দোলনৰ ৰূপত মনৰ মুক্তি সাধন কৰাৰ লগে লগে চীনৰ প্ৰাচীন কাৰিকৰী বিদ্যাৰ সতে পাশ্চাত্য-বিজ্ঞানৰ সাৰ্থক সংমিশ্ৰণ সাধিবলৈও সমৰ্থ হৈছে। দুই ভৰিৰ খোপনি লৈ আগবঢ়া নীতিৰে কৃষি, শিল্পৰ ক্ষেত্ৰত নতুন দিগন্ত সৃষ্টি কৰাত চীনৰ জনসাধাৰণ সফল হৈছে। চীনৰ কৃষক এতিয়া, তেওঁৰ ভাষাত, 'নৱ যুগৰ ভগীৰথ'। বান্ধ আৰু জলাধাৰবোৰ নিৰ্ম্মাণত চীনৰ কৃষকৰ অৱদান তেওঁ নিজ চকুৰেই দেখিছে আৰু অভিভূত হৈছে। হোৱাংহোৰ দৰে, চকুলোৰ নৈক, আনন্দৰ নিজৰা কৰি তোলাত চীনৰ মানুহৰ চিন্তা আৰু কৰ্ম্মনিপুণতা নিশ্চয় এটি স্মৰণীয় ঘটনা। আমাৰ দেশত ঘটনাতকৈ ৰটনা হয় বেছি, বৈজ্ঞানিক গৱেষণাৰে উৎপাদন বৃদ্ধি কৰাৰ পৰিকল্পনা আৰু আগ্ৰহ এই দুয়োটাই আমাৰ নাই। হোৱাংহোৰ বৰ্ত্তমান দশা সুঁৱৰি সেই নদীৰ পাৰতে বিশ্বাসে কবিতা ৰচিছিল :

মই ফুঁৰো হোৱাংহোৰ পাৰে পাৰে। দেখোঁ
অতীতৰ বনৰীয়া বাইছন আজি ঘৰচীয়া কামধেনু
দুখৰ দুকুল ওপচায় দুধৰ প্ৰবাহে। শুনিব নেপাওঁ আৰু
ভৰ বাৰিষাত উটি যোৱা মানুহৰ দুখৰ বিননি।

হোৱাংহোৰ এই কল্যাণময়ী ৰূপ দেখি তেওঁৰ মনলৈ আমাৰ লুইতৰ ভয়ংকৰ ৰূপৰ কথা আহিছে :

কেতিয়াবা মনে জুমি চায় লুইতলৈ
কিমান দিন মাজৰাতি মইতো শুনিছোঁ
উচুপনি তাৰ। নীলাচল, উমানন্দৰ

শিলে শিলে ক্ষত-বিক্ষত বুকুত তাৰ
অসংখ্য হোৱাংহোৰ নিৰুদ্ধ আকৃতি ।

হোৱাংহোৰ নিৰুদ্ধ আকৃতিযে ব্ৰহ্মপুত্ৰ দেৱতায়ো যেন 'ঘৰচীয়া কামধেনুহৈ দুধৰ প্ৰবাহ বোৱাই দিয়াৰ কল্যাণকৰ ভূমিকা ল'বৰ বাবে সাজু হৈছে- কিন্তু সেই কামত সহায় কৰিবলৈ মগজু আৰু হৃদয় ক'ত ? বিশ্বাসৰ কবিতাই যেন আমাক সেই ইঙ্গিতকে দিছে । তেওঁ লিখিছে যে উ, কে, এল, ৰাওৱে জলসিঞ্চন আৰু নদী নিয়ন্ত্ৰণত চীনৰ দৰে জন-শক্তিক ব্যৱহাৰ কৰিবলৈ চৰকাৰক পৰামৰ্শ দিছিল । কিন্তু জন-সাধাৰণক উদ্বুদ্ধ কৰিব পৰা নেতৃত্ব আমাৰ দেশত আছে জানো ? মাওৱে বিপ্লৱী তত্বৰে মনৰ মুক্তি ঘটাই উৎপাদন বৃদ্ধিৰ প্ৰশ্নটো মানুহৰ মনত যেনেকৈ সুমুৱাই দিছিল, আমাৰ দেশত সি সম্ভৱপৰ হৈ উঠা নাই । ইয়াৰ লগত শোষণৰ অৱসানৰ সমস্যাও জড়িত । মানুহৰ সুপ্ত প্ৰতিভাক জগাই তোলাৰ এই অদ্ভূত ক্ষমতাৰেই চীনক খাদ্যত স্বাবলম্বী কৰি তোলা হৈছে । এই কথা বিশ্বাসে ভালদৰে ফঁহিয়াই দেখুৱাব পাৰিছে ।

প্ৰথম খণ্ডৰ শেহৰ ফালে চীনৰ অপেৰা নাট্য-কলা, প্ৰতীকী অভিনয়, সংগীত আদিৰ বিষয়ে বহল আলোচনা সংযোগ কৰিছে । অপেৰা, ক্লাচিকেল নাট, আৰু লোক-নাটৰ কথা উল্লেখ কৰি তেওঁ কৈছে যে চীনত অপেৰাৰে প্ৰাধান্য । ইয়াত প্ৰতীকী অভিনয়ৰ ৰীতি আছে । নৃত্য-সংগীতৰো ব্যৱহাৰ হয় । মঞ্চসজ্জা সাধাৰণ ধৰণৰ, আধুনিক কালৰ মঞ্চসজ্জাৰ লগত ইয়াক বিজাব নোৱাৰি । সাংস্কৃতিক বিপ্লৱৰ পাচত অপেৰাবিলাকৰ বিষয় বস্তুৰ পৰিবৰ্ত্তন ঘটিল । বিশেষকৈ পিকিং অপেৰাৰ ক্ষেত্ৰত এই কথা মনকৰিবলগীয়া । লিউ-শ্বাও-চিহঁতে অপেৰাৰ ঐতিহ্যক ৰক্ষা কৰিব বিচাৰিছিল । চিয়াং চিঙ প্ৰভৃতিয়ে তাক নতুন বৈপ্লৱিক বক্তব্যৰ আধাৰ হিচাপে নতুন মঞ্চ ৰূপ দি ব্যৱহাৰ কৰিবলৈ বিচাৰিছিল । এই দুই লাইনৰ দ্বন্দ্ব তীব্ৰ হৈ উঠিছিল 'নাৰীসকলৰ ৰঙা বাহিনী' মঞ্চস্থ

কৰাৰ সময়ত। পৰিবৰ্ত্তনকামী সকলৰ মতে বৈপ্লৱিক বিষয় বস্তুৱেই যথেষ্ট নহয়, ইয়াৰ চৰিত্ৰায়ণৰ সমস্যাও আৱশ্যকীয় কথা। ইতিবাচক চৰিত্ৰ সমূহক অধিক গুৰুত্ব প্ৰদান কৰাটো এই প্ৰসংগত অপৰিহাৰ্য বুলি কোৱা হ'ল। বিৰোধীসকলৰ মতে মডেল চৰিত্ৰও ভাল বেয়াৰ উৰ্ধ'ত নহয়। কিন্তু এই মত খণ্ডন কৰি কোৱা হ'ল যে সকলো বিপদ-আপদৰ মাজত অবিচল, সকলো দ্বন্দ্বৰ সমাধান দিয়াত পাৰদৰ্শী আৰু সামৰিক বিচক্ষণতাত অব্যৰ্থ যি একোটা মডেল চৰিত্ৰক মানুহৰ বাবে আদৰ্শস্থানীয় স্বৰূপে দাঙি ধৰা হয়, তাক অবাস্তৱ বুলিলে ভুল হ'ব। এই প্ৰসংগত মাওৰ এষাৰ কথা বিশ্বাসে দাঙি ধৰিছে :

জীৱনক শিল্প-সাহিত্যত যি ধৰণে প্ৰতিফলিত কৰা হয়, সি অধিক উচ্চস্তৰৰ হ'ব পাৰে বা হোৱা উচিত, সি আৰু গভীৰ, অধিক কেন্দ্ৰীভূত আৰু প্ৰতিনিধি স্থানীয় আদৰ্শৰ অধিক সমীপবৰ্ত্তী আৰু সেই বাবেই প্ৰকৃত প্ৰাত্যহিক জীৱনতকৈ অধিক সাৰ্ব্বজনীন হোৱাটো বাঞ্ছনীয়।

বিশ্বাসে অপেৰাৰ এই বৈপ্লৱিক ৰূপান্তৰৰ কথা বহলাই আলোচনা কৰিছে। তেওঁৰ মতে তাৰকা নহয়, আদৰ্শ চৰিত্ৰহে আজিৰ চীনৰ মানুহৰ বিচাৰ্য বিষয়। এতিয়া প্ৰতীকী অভিনয়ৰ লগত নতুন দৃশ্য আৰু আলোক-সজ্জাৰ সুন্দৰ সমন্বয় সাধন কৰি, সংগীতৰ ক্ষেত্ৰতো ৰূপান্তৰ আনি আৰু কাব্য আৰু ছন্দৰ সুষমা ৰক্ষা কৰিও ভাষাক পূৰ্বৰ দুৰ্ব্বোধ্যতাৰ পৰা মুক্ত কৰি অপেৰাৰ যি পৰিবৰ্ত্তন সাধন কৰা হৈছে তাত জনগণৰ শিল্পী বিশ্বাস মুগ্ধ হৈ পৰিছে। আমাৰ ডেকা নাট্য শিল্পী সকলে বিশ্বাসৰ বৰ্ণনাৰ পৰা আমাৰ নাটৰ ভাষা, সংগীত, দৃশ্য, পোহৰ সম্পৰ্কে নতুন চিন্তা কৰিবলৈ সুযোগ পাব ; কিয়নো আমাৰ ইয়াতো সাধাৰণ মানুহৰ প্ৰাচীন জড়তা ভাঙিবলৈ এনে ধৰণে লোক-কলা আৰু পাশ্চাত্য, ধ্যান-ধৰণাৰ সাৰ্থক সমন্বয়ৰ আৱশ্যক হৈ পৰিছে। পাশ্চাত্যৰ অনুকৰণ নহয়, পাশ্চাত্যক

আমাৰ স্বাৰ্থত লগাব পৰা ক্ষমতা আমি অৰ্জন কৰিব লাগিব।

বিশ্বাসে মাওৰ পত্নী চিয়াঙক লৈ প্ৰথম খণ্ডত (আৰু দ্বিতীয় খণ্ডতো) শিল্প-সাহিত্যৰ বৈপ্লৱিক ৰূপান্তৰৰ ক্ষেত্ৰত তেওঁৰ অৱদান শ্ৰদ্ধাৰে স্বীকাৰ কৰিছিল। দ্বিতীয় খণ্ড প্ৰকাশ কৰাৰ সময়ত চীনৰ ইতিহাসত বহুতো ঘটনা ঘটিল, যিবোৰৰ বিশ্লেষণ চীনা বিশেষজ্ঞৰ পক্ষেও সহজ নহয়। বিশেষকৈ চিয়াঙ্ প্ৰমুখ্যে 'চাৰিজনীয়া চক্ৰ' ৰ বিৰুদ্ধে চীনৰ কমিউনিষ্ট পাৰ্টি আৰু জণগন জকি উঠাটো এটা উল্লেখ যোগ্য ঘটনা যিটো হয়টো বিশ্বাসৰ দৰে মানুহে কল্পনাই কৰা নাছিল। এই কথা তেওঁ দ্বিতীয় খণ্ডৰ পাতনিত উল্লেখো কৰিছে আৰু স্বীকাৰ স্বীকাৰ কৰিছে যে এই সম্পৰ্কে এটা অভিমত দাঙি ধৰা সহজ নহয়। তথাপি তেওঁৰ বিশ্বাস যে মাও প্ৰদৰ্শিত পথেদিয়েই চীন সদায় আগ বাঢ়িব, কাৰণ ইতিহাসবোধ, পৰিস্থিতি জ্ঞান, সংগ্ৰামী অভিজ্ঞতাৰ বলত মাওৱে জাতিটোক যি শিক্ষা দি থৈ গৈছে সি অতুলনীয়। বিপ্লৱক আকোৱালি লৈ আগ বঢ়াৰ নীতিৰ ওপৰত তেওঁ যি গুৰুত্ব দিছিল, তাক চীনে পৰিত্যাগ কৰিব নোৱাৰে। বিশ্বাসৰ এই ধাৰণা সঁচা যেনেই লাগে, কিয়নো, চীনত 'চাৰিজনীয়া চক্ৰক' হে নেওচা দিয়া হৈছে, মাওক নহয়। অৱশ্যে সাম্প্ৰতিক চীনত আধুনিকী কৰণৰ নামত ডেঙৰ নেতৃত্বত যি তত্ব আৰু কাৰ্যসূচী দাঙি ধৰা হৈছে, সি কিমানদূৰ মাওৱে সমৰ্থন কৰিলেহেঁতেন, কোৱা টান। এনেবোৰ ঘটনা জাতীয় চৰিত্ৰ আৰু সমস্যাৰ পটভূমিত ঘটাটো হয়টো আচৰিত নহয়। চীনৰ জটিল ইতিহাসৰ ধাৰাক এনেবোৰ পৰিস্থিতিয়ে কোন দিশে লৈ যায়, আমাৰ দৰে সাধাৰণ মানুহৰ পক্ষে কোৱা মুঠেই সহজ নহয়। তথাপিও, বিশ্বাসৰ দৰেই আমি শুভদৰ্শী হোৱাই উচিত। কাৰণ, ইতিহাসে সদায় মানুহক যি সত্য আৰু সুন্দৰ তাৰ পিনে যাবলৈকে সকিয়াই দিয়ে। সেই বাবে ৰুচদেশত লেনিনৰ দৰেই, চীনতো মাওৰ আদৰ্শ জীয়াই থকাৰ সম্ভাৱনাই বেছি।

দ্বিতীয় খণ্ডত চৌত্রিশটা অধ্যায় আছে। প্ৰথম অধ্যায়ত তেওঁ ৰবীন্দ্ৰ নাথলৈ শ্ৰদ্ধাঞ্জলি যাচিছে, কিয়নো তেৱেঁই চীনৰ মানুহ সম্পৰ্কে এনে এক ভৱিষ্যৎবাণী কৰিছিল, যি পাচত সঁচা ৰূপে প্ৰতিপন্ন হৈছিল। 'ৰবীন্দ্ৰ নাথ আৰু চীনদেশ' শীৰ্ষক এটি প্ৰবন্ধ তেওঁ চীন ভাষাত লেখিছিল আৰু সেইটো চীনৰ 'পিপোলচ ডেইলি' ত প্ৰকাশ হৈছিল। ১৯১৬ চনত জাপানলৈ যাওঁতে ৰবীন্দ্ৰ নাথে চীনা ডকশ্ৰমিক সকলৰ মাজত কৰ্মশক্তি নৈপুণ্য আৰু আনন্দ একেলগে দেখি অভিভূত হৈ যিখিনি কথা কৈছিল, তাৰ একাংশ বিশ্বাসে তেওঁৰ প্ৰবন্ধটোত উধৃত কৰি দিছিল। ৰবীন্দ্ৰ নাথে কৈছিল—

ইমান ডাঙৰ শক্তিয়ে যেতিয়া আমাৰ আধুনিক কালৰ বাহনক কৰায়ত্ত কৰিব, অৰ্থাৎ বিজ্ঞান যেতিয়া তাৰ আয়ত্তলৈ আহিব, তেতিয়া পৃথিবীৰ কোন শক্তিয়েনো বাধা দিব পাৰিব?

আজি চীনৰ সেই বলিষ্ঠ হাতবোৰে দাসত্বৰ পৰা মুক্তি লাভ কৰি হাৰকিউলিছৰ শক্তি লাভ কৰিছে! শ্ৰমৰ দুটা ৰূপ আছে, এটাৰ উৎস বৈষয়িক আৰু আনটো হ'ল আত্মিক প্ৰেৰণা। মাওৰ 'লাও তুং' আন্দোলনে শ্ৰমক আত্মিক আনন্দৰ বিষয় কৰি তুলিছিল বাবেই তাৰ হাজাৰ বিজাৰ লোকে ধনকো তুচ্ছ কৰি কাম কৰিবলৈ ওলাইছিল। প্ৰথম স্তৰত 'লাও তুং' আন্দোলন আশানুৰূপ ভাবে আগবঢ়া নাছিল সঁচা কিন্তু লাহে লাহে আত্মিক প্ৰেৰণালব্ধ শ্ৰমে চীনৰ অবিশ্বাস্য ৰূপান্তৰ আনিলে। জনসাধাৰণৰ সৃজনী শক্তিৰ উন্মোচন ঘটালে, সাংস্কৃতিক বিপ্লৱেই। ই একপ্ৰকাৰৰ চাৰিত্ৰিক বিপ্লৱ। বিশ্বাসৰ মতে চীন দেশৰ শক্তিৰ সিয়েই সঁচাৰকাঠি। জনসাধাৰণৰ এই সৃজনী শক্তিৰ প্ৰাচুৰ্য দেখিয়েই যে বিশ্বাস মুগ্ধ হৈছিল সেই কথা সহজে অনুমেয়।

দ্বিতীয় খণ্ডৰ ভিন ভিন অধ্যায়ত ভিন ভিন বিষয়ৰ পিছত বিস্তৃত আলোচনা কৰা হৈছে। তাৰ ভিতৰত কেইটিমান বিষয় সহজেই আমাৰ দৃষ্টি আকৰ্ষণ কৰে। চীনৰ চিকিৎসা বিপ্লৱ, নতুন

চীনৰ নাৰী, মুক্তদ্বাৰ শিক্ষা প্ৰণালী, শিল্প বিপ্লৱত নতুন ধাৰা, শ্ৰেণী সংগ্ৰাম আদি বিভিন্ন বিষয়ৰ ওপৰত যি আলোকপাত কৰা হৈছে, সেইবোৰে আমাৰ দেশৰ বুদ্ধিজীৱীকো উদ্বুদ্ধ কৰা উচিত। চীনৰ চিকিৎসা বিপ্লৱো যে সামগ্ৰিক বিপ্লৱ-তত্বৰ অঙ্গ সেই কথা দোহাৰিবৰ সকাম নাই। তাত প্ৰাচীন পদ্ধতিৰ বিকাশ কেনেকৈ সাধন কৰোৱা হৈছে তাৰ বহল আলোচনা কৰা হৈছে। পাশ্চাত্য বিজ্ঞানৰ সহায়ত আকুপাংচাৰ এনাস্থেচিয়াৰ প্ৰয়োগ এটা স্মৰণীয় সাফল্য বুলি ক'ব পাৰি। আকুপাংচাৰ কি তাৰ বিষয়েও তেওঁ বিষদভাবে বৰ্ণনা কৰিছে। আমাৰ দেশত আকুপাংচাৰ পদ্ধতিৰ প্ৰচলন হৈছে যদিও, যি আন্তৰিকতাৰে হ'ব লাগিছিল, তেনে আন্তৰিকতা ক'তো দেখা পোৱা নেযায়।

'অৰ্দ্ধ আকাশ নাৰীৰ হাতত' মাও-চে-তুঙৰ এই কথাষাৰ চীন দেশত বৰ জনপ্ৰিয়। অফিচ, কাৰখানা, কমিউন, শিক্ষালয়, বিজুলী উৎপাদন কেন্দ্ৰ, গৱেষণা প্ৰতিষ্ঠান —এই আটাইবোৰতে নাৰীৰ ভূমিকা মন কৰিবলগীয়া। ৰাজনৈতিক চিন্তাতো তেওঁবিলাক পাচ পৰা নহয়। মাৰ্ক্স-লেনিন-মাওক অনুসৰণ কৰাৰ ফল স্বৰূপেই চীনত এনে সম্ভৱ হৈছে বুলি বিশ্বাসে মন্তব্য কৰিছে। শ্ৰেণী সংগ্ৰামৰ দৃষ্টিত তত্ব আৰু কৰ্মৰ সমন্বয় সাধনৰ যি লক্ষ্য চীনত লোৱা হৈছে, তাত পূৰ্ণ অংশ গ্ৰহণ কৰিছে চীনৰ নাৰীসকলে। এই বাবেই কনফুচিয়াছো তাত সমালোচনাৰ সন্মুখীন। তেওঁৰ প্ৰতি কোনো অশ্ৰদ্ধাত নহয়, বৰং তেওঁৰ চিন্তা চৰ্চ্চাৰ ভালেখিনি আজিৰ পৰিস্থিতিত খাপ নেখায় বুলিয়েই এনে সমালোচনা হৈছে। নাৰী সম্পৰ্কে কনফুচিয়াছৰ মত আমাৰ মনুৰ নিৰ্দ্দেশৰ নিচিনা। সেইবোৰ সমালোচনা কৰিও তেওঁবিলাক কিন্তু পাশ্চাত্যৰ আধুনিকাৰ দৰে অসংযতা হোৱা নাই। সংযম তেওঁবিলাকৰ চৰিত্ৰৰ ভূষণ। আগৰ গণিকাবৃত্তিও তাত নাই। সাজ-পাৰ বা প্ৰসাধনৰ ক্ষেত্ৰতো বিশ্বাসে তেওঁলোকৰ সংযম লক্ষ্য কৰিছে। ইয়াৰ ঘাই কাৰণ আদৰ্শগত সংগ্ৰামেই তেওঁবিলাকৰ

জীৱন আৰু মননক নিয়ন্ত্ৰিত কৰাত সহায় কৰিছে। অৱশ্যে নাৰী সকলৰ এনে ধৰণৰ মুক্তিৰ ধাৰণাৰো বিৰোধিতা কৰি লিও শাও চি পন্থীয়ে কনফুছিয়াছৰ ঐতিহ্য সংৰক্ষণ কৰাটোহে সমৰ্থন কৰিছিল। এনে বিৰোধিতা সত্বেও চীনত নাৰীৰ মুক্তি সম্ভৱ হৈছে। এই কথাত বিশ্বাস পতিয়ন গৈছে।

শিক্ষাৰ ক্ষেত্ৰতো সেই সময়ত দুই লাইনৰ দ্বন্দ্ব আছিল। মাওৰ শিক্ষানীতি আছিল বৈপ্লৱিক। তেওঁৰ মতে, যিসকলে ব্যক্তিগত স্বাৰ্থান্বেষী নহৈ, জাতিৰ আৰু সমাজৰ মুক্তি কামনা কৰিব, যিসকলে গৰ্বোদ্ধত বা ব্যক্তিগত খ্যাতিকামী নহৈ বিবেকবান আৰু বাস্তৱবুদ্ধি সম্পন্ন হ'ব, সেই সকলৰ সংখ্যা বাঢ়িলেহে চীনত বিপ্লৱৰ কাম সফলতাৰে সম্পন্ন হ'ব। সাংস্কৃতিক বিপ্লৱৰ পাচত চীনৰ শিক্ষালয় সমূহত তাণ্ডৱ পৰিবৰ্ত্তন হ'ল। বুৰ্জোৱা প্ৰভাৱৰ পৰা মুক্ত কৰি শিক্ষকৰ সৈতে ছাত্ৰ, শ্ৰমিক আৰু কৃষকৰ সৈতে সংহতি স্থাপনৰ নীতি গ্ৰহণ কৰা হ'ল। শিক্ষা পদ্ধতিক কৃষি আৰু শিল্পৰ অগ্ৰগতিৰ লগত জড়িত কৰি উচ্চ মানৰ বৈজ্ঞানিক গৱেষণাৰ কেন্দ্ৰ তৈয়াৰ কৰাত নতুন মুক্তদ্বাৰ শিক্ষা-নীতি সফল হৈছে বুলিয়েই বিশ্বাসে নানা তথ্য পাতিৰে প্ৰমাণ কৰি দেখুৱাইছে। কৃষি আৰু শিল্প বিপ্লৱৰ কথাও ইয়াত কোৱা হৈছে। কৃষিত তা-চাই আৰু শ্ৰমশিল্পত তা-চিনৰ পৰা শিক্ষা লাভ কৰা মাওৰ এই উক্তিয়ে সকলো বিৰোধিতা মষিমূৰ কৰি চীনৰ জনসাধাৰণৰ মাজত অপূৰ্ব উৎসাহ যোগালে আৰু কৃষি আৰু শিল্পৰ ক্ষেত্ৰত ভালেমান উন্নতি সাধিলে। 'তা-চিন'ত তেলৰ উৎপাদন কেনেকৈ সম্ভৱ হৈছিল তাৰ বৰ্ণনা বিশ্বাসে ইয়াত দাঙি ধৰিছে। লিউ লাইন আৰু মাও লাইনৰ পাৰ্থক্যনো কি তাকো তেওঁ ভালকৈ ফঁহিয়াই দেখুৱাইছে।

এই বিলাকৰ উপৰিও, লিন পিয়াওৰ ৰহস্যজনক ভূমিকা, মাও হত্যাৰ ষড়যন্ত্ৰ, সামৰিক প্ৰশ্নক ৰাজনৈতিক প্ৰশ্নৰ পৰা বেলেগ কৰাৰ প্ৰস্তাৱ এই সম্পৰ্কে বিশ্বাসে তথ্য গধুৰ ৰসাল বিৱৰণ দিছে। ইয়াৰ বাহিৰেও, চীনৰ দুই এখন অপেৰাৰ কাহিনী দাঙি ধৰি বিশ্বাসে

দেখুৱাইছে যে শ্ৰেণী সংগ্ৰাম সহজে শেষ নহয়, সমাজতন্ত্ৰতো সমাজতন্ত্ৰ বিৰোধী চিন্তাৰ জন্ম হয়। চীনৰ সাংস্কৃতিক বিপ্লৱৰ নিৰ্দেশাৱলীও ইয়াত সন্নিবিষ্ট কৰা হৈছে। আগ্ৰহী পাঠকে সেইবোৰ পঢ়ি বিপ্লৱৰ লক্ষ্য আৰু আদৰ্শ সম্বন্ধে বহুকথা জানিব পাৰিব। মাওৰ 'শতফুল ফুলক' নীতিৰ অৰ্থও তেওঁৰ মতে, ব্যক্তিৰ স্বেচ্ছাচাৰিতা নহয়, ই জনগণৰ সাহিত্যৰ বৈচিত্ৰ্যহে। কলাকাৰ স্বাধীন স্চা, কিন্তু সেই স্বাধীনতা আপেক্ষিক।

'আকৌ চীন চাই আহিলোঁ ?' সাংস্কৃতিক বিপ্লৱোত্তৰ চীনৰ অগ্ৰগতিৰ নিৰ্ভৰযোগ্য দলিল। এজন সংগ্ৰামী, শিল্পী আৰু মানৱীয় গুণ সম্পন্নলোকৰ অন্তৰ জীৱনবো ই আভাস দিয়ে। সমাজ পৰিবৰ্ত্তনত সাধাৰণ মানুহৰ ভূমিকা কি বিশাল আৰু চমকপ্ৰদ হ'ব পাৰে তাৰ চিত্ৰও অনুসন্ধিৎসু পাঠকে পাব। 'বিদগ্ধজনেই আটাইতকৈ অজ্ঞ'—মাওৰ এই উক্তিৰ তাৎপৰ্য চীনৰ জনগণৰ ভূমিকাৰ মাজত কেনেকৈ নিহিত হৈ আছে তাৰ কথাও ইয়াত পোৱা যায়। পৰিবৰ্ত্তনৰ বাবে জনগণৰ এই বিস্ময়জনক প্ৰস্তুতিৰ ভেঁটিতহে মাওৰ দৰে এজন নেতা ওলাইছিল ; এই কথাও আকাৰে ইঙ্গিতে বিশ্বাসে আমাক ইয়াত কৈছে যেন অনুভৱ হৈছে। জনগণৰ এই প্ৰচণ্ড শক্তি আৰু নেতৃত্বৰ মহত্বইহে বিশ্বাসক চীন দেশলৈ টানি নিছিল। সুৰমাৰ পাৰৰ এই নিৰীহ গভাচিলনী হোৱাংহোৰ পাৰৰ কৰ্মযজ্ঞ দেখি বিস্ময়ত অভিভূত হৈছিল, তাত বাৰে বাৰে মনত পৰিছিল নিজৰ লুইত আৰু সুৰমালৈ— হয়তো ভাবিছিল, এদিন লুইত-সুৰমাও সংযত, হ'ব, এখন নতুন পৃথিৱীত মুক্ত ভাবে উৰিব পাৰিব। কিন্তু জীৱন শিল্পীৰ সেই আশা এতিয়ালৈকে পূৰণ নহ'ল।

আজিৰ চীনত নতুন শ্লোগান ৰচিত হৈছে। 'এন্দুৰ ধৰিব পৰা মেকুৰীহে আমাক লাগে, তাৰ ৰং বগাই হওক বা কলাই হওক, তাক লৈ মূৰ ঘমাম কিয় ? ডেঙৰ এই মন্তব্যই অৰ্থনৈতিক আৰু ৰাজনৈতিক সংস্কাৰৰ কাম হাতত লোৱাৰ কথালৈকে সম্ভৱতঃ ইঙ্গিত

দিছে। সেই বুলি বহুদলীয় গণতন্ত্ৰৰ পৰিকল্পনা নাই। কমিউনিষ্ট পাৰ্টিৰ প্ৰভাৱ আৰু ক্ষমতা খৰ্ব্ব কৰাৰ কথাও উত্থাপন হোৱা নাই। বৰং পাৰ্টিৰ গুৰি শকত কৰাৰ চেষ্টাহে কৰা হৈছে। আনহাতে পশ্চিমৰ লগত সম্পৰ্ক উন্নয়নৰ পৰিকল্পনা, চীন-ছোভিয়েট সম্পৰ্ক পুনৰ মধুৰ কৰাৰ প্ৰচেষ্টাও দেখা গৈছে।

কৃষি প্ৰধান চীনক শিল্প সমৃদ্ধ কৰাৰ স্বপ্ন মাওৰো আছিল। তাৰ বাবে তেওঁ গ্ৰহণ কৰা নীতি পৰ্যাপ্ত নহয় বুলি ধৰিয়েই আজিৰ নতুন আঁচনি লোৱা হৈছে। সি যিকি নহওক, মাওৰ দৰেই ডেঙ্ জিয়াও পিঙৰো পাচত আছে সেই দেশৰ জনসাধাৰণ। তাৰ জন সাধাৰণৰ অসাধাৰণ চৰিত্ৰবল, অতুলনীয় নিষ্ঠা আৰু পৰিশ্ৰমৰ বলতে যে ডেঙ্ আজি উচ্চ শিখৰত বহিব পাৰিছে— এই কথাও আমি মানি ল'ব লাগিব। ডেঙ্ ক্ষমতাৰ মঞ্চৰ পৰা আঁতৰি গলেও, তেওঁৰ প্ৰভাৱ পাৰ্টি আৰু প্ৰশাসনত নোহোৱা নহয়। ডেঙৰ লাইন কিমান দিন টিকি থাকে সেই কথা এতিয়াই আমি ক'ব নোৱাৰোঁ। চীন দেশত পটভূমি পৰিবৰ্ত্তনৰ মূলত জনসাধাৰণৰ ভূমিকায়ো কাম কৰিছে। আমি সাধাৰণতে কাঞ্চনজঙ্ঘালৈকেহে চকু দিওঁ, যি হিমালয়ৰ বুকুত কাঞ্চনজঙ্ঘা বৰ্তি আছে, তালৈ সাধাৰণতে আমি চকু নিদিওঁ। এই ভেঁটিটোৰ চাৰিত্ৰিক বিপ্লৱ ঘটিছে চীনত আৰু তাৰেই চমজদাৰ দৰ্শক আছিল আমাৰ সুৰমাৰ পাৰৰ এই গঙা চিলনীটি। সাধাৰণতে গঙাচিলনীৰ গান করুণ, কিন্তু আমাৰ গঙাচিলনীটি হোৱাংহোৰ পাৰৰ ড্ৰেগনৰ দৰেই আশাবাদী, এটা উজ্জ্বল ভবিষ্যতৰ গান তাৰ কণ্ঠত আমি অহৰহ শুনোঁ: বাঁচবোঁ, বাঁচবোঁ বাঁচবো ৰে আমৰা বাঁচবোঁ। ★

★ বিশিষ্ট বুদ্ধিজীৱী অধ্যাপক শ্ৰীনলিনীধৰ ভট্টাচাৰ্য অসমৰ এগৰাকী আগশাৰীৰ কবি আৰু সমালোচক।

গ্ৰন্থ-পঞ্জী

[হেমাঙ্গ বিশ্বাসে অসম আৰু বঙ্গৰ নানা কাকত-আলোচনীত নানা কথা লেখিছিল। সেই সকলোবোৰ বিচাৰি পোৱাই সম্প্ৰতি টান কথা হৈছে। তেওঁৰ একমাত্ৰ জীয়াৰী শ্ৰীমতী ৰঙিলা আহটীয়ে বহু কষ্ট কৰি এইখন গ্ৰন্থ-পঞ্জী প্ৰস্তুত কৰি দিছে। তেওঁ নিজেই স্বীকাৰ কৰিছে ই অসম্পূৰ্ণ। অনুসন্ধিৎসু পঢ়ুৱৈৰ কাৰণে এই গ্ৰন্থ-পঞ্জীখনকে আগবঢ়োৱা হ'ল। —সম্পাদক]

১। সীমান্ত প্ৰহৰী : বাংলাত ৰচিত কবিতা সংকলন, প্ৰকাশ কাল : ১৯৬১ : প্ৰান্তিক প্ৰকাশনী।

২। কুলখুৰাৰ চোতাল : অসমীয়া কবিতা সংকলন, প্ৰথম প্ৰকাশ : ১৯৭০ : শ্ৰীভূমি পাব্লিচিং কোম্পানী : ২য় প্ৰকাশ, ১৯৮৫ : জাৰ্ণাল এম্প'ৰিয়াম।

৩। লোক সঙ্গীত সমীক্ষা : বাংলা ও আসাম : ১৩৯৫ (বাংলা) : এ, মুখাৰ্জী এণ্ড কোম্পানী প্ৰাঃ লিঃ।

৪। আবাৰ চীন দেখে এলাম : ১৯৭৫ : শ্ৰীভূমি পাবলিচিং কোম্পানী।

৫। চীন থেকে ফিৰে : ১৩৮৪ (বাংলা) : গ্ৰন্থ প্ৰকাশ।

৬। জীৱন শিল্পী জ্যোতিপ্ৰসাদ : ১৯৮৩ : জাৰ্ণাল এম্প'ৰিয়াম।

৭। আকৌ চীন চাই আহিলোঁ : ১ম—২য় খণ্ড : ১৯৭৫ : শ্ৰীভূমি পাবলিচিং কোম্পানী।

৮। হেমাঙ্গ বিশ্বাসেৰ গান : ১৯৮০ : মাছ ছিঙ্গাৰ্হৰ হকে চন্দন সেন, পৰিবেশক : শ্ৰীভূমি পাবলিচিং কোম্পানী।

৯। শঙ্খ চিলেৰ গান : ১৩৮১ (বাংলা) উত্তৰণী প্ৰকাশনী।

১০। বিষাণ : ১৯৪৩ : ১ম সংস্কৰণ : মডাৰ্ণ বুক ডিপো, শ্ৰীহট্ট।

১১। গণগীতি : হেমাঙ্গ বিশ্বাস ও সলিল চৌধুৰী : ১৯৫২ : নয়া সংস্কৃতি প্ৰকাশনী।

১২। নতুন দিনেৰ গান : হেমাঙ্গ বিশ্বাস ও সলিল চৌধুৰী : ১ম প্ৰকাশ, ১৯৫২।

[এই পুথি কেইখনৰ ৩ –৭ লৈ প্ৰবন্ধ সংকলন আৰু ৮—১২ লৈ গানৰ সংকলন]

সংকলন আৰু আলোচনী আদিত প্ৰকাশিত নিবন্ধ

১। অসমীয়া সাহিত্যেৰ 'জোনাকী যুগ' ও সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, ১৯৬৮ কলিকতা তথ্য কেন্দ্ৰৰ পৰা প্ৰকাশিত বেজবৰুৱা জন্মশতবাৰ্ষিকী উৎসৱৰ স্মৃতিগ্ৰন্থত প্ৰকাশিত।

২। আসামেৰ শিল্পী সৈনিক —বিষ্ণুপ্ৰসাদ ৰাভা, ১৯৬৯ 'আসামেৰ কলাগুৰু বিষ্ণুৰাভাৰ স্মৃতি তৰ্পণ' ত প্ৰকাশিত।

৩। আসামেৰ নটসূৰ্য ফণী শৰ্মা : ১৯৭০ : 'এপিক থিয়েটাৰ' ত প্ৰকাশিত।

৪। সাংস্কৃতিক যুক্তফ্ৰণ্টেৰ স্বৰূপ ও সমস্যা মোহন মুৰ্মু-ছদ্ম নামত প্ৰকাশিত—অনীক পত্ৰিকাত, ১ম খণ্ড চেপ্তেম্বৰ-নভেম্বৰ ১৯৭৩, ২য় খণ্ড : ডিচেম্বৰ / ১৯৭৩

৫। The open door education in china—১৯৭৭-India china Friendship Association ৰ স্মৃতি গ্ৰন্থত প্ৰকাশিত।

৬। স্মৃতিৰ ছিন্নপত্ৰে ঋত্বিক : 'চিত্ৰভাষ' : ১৯৭৬—ঋত্বিক স্মৰণ সংখ্যাত প্ৰকাশিত।

৭। অসম ও বাংলাৰ সঙ্গীত জগতেৰ এক নক্ষত্ৰ : ১৯৮৭ : ভূপেন হাজৰিকা বিশেষ সংখ্যা 'প্ৰসাদ' ত প্ৰকাশিত।

৮। লোকসংগীতেৰ দৃষ্টিকোণ : ১৯৭৭ . এখন স্মৃতিগ্ৰন্থত প্ৰকাশিত।

৯। গণনাট্য আন্দোলনে আমাৰ গান, : ১৯৭৬ : প্ৰস্তুতিপৰ্বত প্ৰকাশিত।

১০। শতাব্দীৰ মূল্যায়নে ৰঙ্গমঞ্চ : ১৯৭২ : চাৰণ পত্ৰত প্ৰকাশিত।

১২। Folk Music—Some Modern Trends : ১৯৭৮ : কলিকতাৰ Assam House Recreation Club ৰ আলোচনীত প্ৰকাশিত।

১৩। Peoples' Music :— A few Questions : ১৯৮৬ : ভাৰতীয় গণসংস্কৃতি সংঘ, পশ্চিমবঙ্গ ৰাজ্য সম্মিলনৰ স্মৃতিগ্ৰন্থত প্ৰকাশিত।

১৪। ৫৭ থেকে ৭৪—সংস্কৃতি ক্ষেত্রে চীনের অব্যাহত সংগ্রাম : ১৯৭৪ : প্ৰস্তুতিপৰ্ব্বত প্ৰকাশিত, (প্ৰস্তুতি পৰ্ব্বৰ সম্পাদক মণ্ডলীৰ লগত মিলি আলোচনাক্ৰমে ৰচিত)।

১৫। চীনেৰ গণ কমিউন : ১৯৭৪ : অনীকত প্ৰকাশিত।

১৬। কল্লোল নাটকেৰ ওপৰ একটি লেখা : ১৩৭২ (বাংলা), : নতুন পৰিবেশত প্ৰকাশিত।

১৭। জৰ্জদাৰ সঙ্গে কথাবাৰ্ত্তা : ১৯৮০ : স্পন্দনত প্ৰকাশিত-নবেম্বৰ।

১৮। চিন্তা ও চৰিত্রে জৰ্জদা - ১৩৮৯ (বাংলা) এষণাত প্ৰকাশিত (পৌষ)

১৯। আমাৰ জবানবন্দী : ১৯৭৭ : প্ৰস্তুতিপৰ্বত প্ৰকাশিত (অক্টোবৰ)

২০। গণনাট্য সংঘ বনাম গণনাট্য আন্দোলন : ১৯৭৭ : প্ৰস্তুতি পৰ্ব্বত প্ৰকাশিত (এপ্ৰিল)

২১। নাট্যশালা শতবৰ্ষপূৰ্তি : ১৯৭৩/ চেপ্তেম্বৰ, বঙ্গ ৰঙ্গমঞ্চ শতবৰ্ষ পূৰ্ত্তি স্মৃতিগ্ৰন্থত প্ৰকাশিত (অনুলিখন বিষ্ণু দাস)

২২। চীনেৰ নাট্য বিপ্লব- আমাদেৰ গণনাট্য আন্দোলন, : ১৯৭৭ : 'চাৰণপত্ৰ' পত্ৰিকাত প্ৰকাশিত।

২৩। লড়াইটা সুগন্ধ ফুল বনাম বিষাক্ত আগাছাৰ : ১৯৭৯ : পূৰ্বাচী পত্ৰিকাত প্ৰকাশিত।

২৪। শ্ৰমিক শ্ৰেণী আৰু সংস্কৃতি : ১৯৮৬ : জনজীৱন।

২৫। বিজন সম্বন্ধে—সংস্কৃতি সংসদ (জ্যোতিৰিন্দ্ৰ মৈত্ৰ, বিজন ভট্টাচাৰ্য সংখ্যা) বিজন ভট্টাচাৰ্যৰ স্মৰণ সভাত দান কৰা বক্তৃতাৰ বাণী বদ্ধ ৰূপৰ পৰা ১৯৭৮।

★২৬। গণনাট্য আন্দোলন ও লোকসঙ্গীত : ১৩৮০ (বাংলা) এক্ষণ পত্ৰিকাত প্ৰকাশিত।

★২৭। পল্লী সমাজের সঙ্গীত ও সংঘাত : ১৩৭৮ : (বাংলা)
এক্ষণ পত্রিকাত প্ৰকাশিত ।

★২৮। পল্লী সমাজের সঙ্গীত ও সংঘাত : ১৩৭৮ (বাংলা)
এক্ষণ পত্রিকাত প্ৰকাশিত ।

★২৯। লোক সঙ্গীতের কয়েকটি আধুনিক সমস্যা : ১৩৭২ (বাংলা)
এক্ষণ পত্রিকাত প্ৰকাশিত ।

★৩০। বাংলা লোক সঙ্গীতের সংকটের স্বরূপ : ১৩৭৭ (বাংলা)
সাহিত্য পত্র পত্রিকাত প্ৰকাশিত ।

★ (চিন থকা প্ৰবন্ধ কেইটা, 'লোক সঙ্গীত সমীক্ষা : বাংলা ও আসাম' গ্ৰন্থত সন্নিবিষ্ট ।)

৩১। পল্লী বাংলার লোক কবিঃ নিবাৰণ পণ্ডিত— থিয়েটাৰ শাৰদীয় সংখ্যা, প্ৰকাশকাল অজ্ঞাত ।

৩২। আমাৰ বন্ধু দেবু—মুখৰ (দেবব্ৰত মুখোপাধ্যায় সংখ্যাত) প্ৰকাশিত ।

৩৩। সাংস্কৃতিক আন্দোলন প্ৰসঙ্গ ১৯৮৭/এপ্ৰিল : অৰণি পত্রিকাত প্ৰকাশিত ।

৩৪। Liu Shau Chi Rehabilated, ১৯৮০/এপ্ৰিল : Frontier ত প্ৰকাশিত ।

৩৫। In China Again : ১৯৮০/জুলাই : Frontierত প্ৰকাশিত

৩৬। An Interview in China : ১৯৮০/ডিচেম্বৰ, Frontierত প্ৰকাশিত ।

৩৭। গণনাট্য সংঘ : শিলচৰ সন্মেলন ১৯৮৩ : দিশাৰীৰ স্মৃতিগ্ৰন্থত প্ৰকাশিত ।

৩৮। ন অসমৰ ন প্ৰতীক বিষ্ণুপ্ৰসাদ ৰাভা : ১৯৭০/জুন, তেজপুৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সংঘৰ মুখপত্ৰত প্ৰকাশিত ।

৩৯। কুয়ো মো জো : একটি স্মৰণ কথা : ১৯৭৮, স্পন্দন পত্রিকাত প্ৰকাশিত ।

৪০। মাৰ্ক্সবাদেৰ আলোকে লোক সংস্কৃতি : ১৩৭৬ (বাংলা), 'লেখাও ৰেখা' ত প্ৰকাশিত ।

৪১। কাৰো কাছে সাৰ্থক, কাৰো কাছে বা অসাৰ্থক : (কল্লোল নাটক প্ৰসঙ্গত লেখা), ১৩৭২ (বাংলা) : নতুন পৰিবেশ পত্ৰিকাত প্ৰকাশিত ।

৪২। সাংস্কৃতিক বিপবোত্তৰ চীনেৰ অপেৰা : ক্যাণ্টনেৰ চিঠি : ১৩৮১ (বাংলা), অনুষ্টুপ পত্ৰিকাত প্ৰকাশিত ।

৪৩। চীনা চলচ্চিত্ৰৰ ধাৰা : ১৯৬২ : আমাৰ প্ৰতিনিধি ।

৪৪। ধান যখন গান হয় : ১৩৭২ (বাংলা) : ধূসৰমাটি পত্ৰিকাত (সম্ভৱতঃ) প্ৰকাশিত ।

৪৫। ভাটিয়ালীৰ উজান বাই বিহুৰ পথাৰত : প্ৰকাশ কাল অনিৰ্দিষ্ট : আমাৰ প্ৰতিনিধিত প্ৰকাশিত ।

৪৬। আমাৰ নাট্য আন্দোলনৰ এটি দূষিত ধাৰা : আমাৰ প্ৰতি-নিধিত প্ৰকাশিত, কাল অনিৰ্দিষ্ট ।

৪৭। তামোল অকণ খুজিলোঁ কেতেৰাই দিলা মোক (ৰস ৰচনা) : ১৯৬৭ : বিহু সংখ্যা, অসম বাণীত প্ৰকাশিত ।

৪৮। ৰঙালী বিহু : ১৩৭৩ (বাংলা) : যুগান্তৰ পত্ৰিকাত প্ৰকাশিত ।

৪৯। অজেয় ভিয়েটনাম : ১৯৬৬ : মণিদীপত প্ৰকাশিত ।

৫০। ছোভিয়েট সাহিত্যত তুৰগেনিভৰ স্থান : ১৯৬৯/২৭ জুলাই : দৈনিক অসমত প্ৰকাশিত ।

৫১। মহাকবি আলেকজেণ্ডাৰ পুশকিন : ১৯৬৮/জুন : দৈনিক অসমত প্ৰকাশিত ।

৫২। বিশ্বৰ বিবেক ভিয়েটনাম : ১৯৬৬, নতুন প্ৰতিনিধি পত্ৰিকাত প্ৰকাশিত ।

৫৩। লোকসঙ্গীতত যুদ্ধ আৰু শান্তি : আমাৰ প্ৰতিনিধিত প্ৰকাশিত : কাল অনিৰ্দিষ্ট ।

*৫৪। বিহুৰ মূল্যায়ন আৰু বিহুৰ ভৱিষ্যত : ১৯৬৯ ৰ বিহু সংখ্যা :

অসমবাণীত প্ৰকাশিত আৰু 'লোকসঙ্গীত সমীক্ষা : বাংলা ও আসাম'ত সন্নিবিষ্ট ।

৫৫। অসমীয়া বোল ছবিৰ নতুন পদক্ষেপ : মণিৰাম দেৱান : ১৯৬৩/ ডিচেম্বৰ : আমাৰ প্ৰতিনিধিত প্ৰকাশিত ।

৫৬। গণনাট্যেৰ পটভূমি : ১৯৬১ : ভাৰতীয় গণনাট্য সংঘৰ স্মৃতি-গ্ৰন্থত প্ৰকাশিত ।

৫৭। চীনেৰ ভাৰতীয় চলচ্চিত্ৰ : ১৯৬১ : জলসা পত্ৰিকাত প্ৰকাশিত ।

৫৮। বাংলা সঙ্গীতে গণনাট্য সংঘ : ১৯৬০ : ৰাজ্যিক উৎসৱৰ স্মৃতি-গ্ৰন্থত প্ৰকাশিত ।

৫৯। সঙ্গীত আৰু স্বাদেশিকা : আমাৰ প্ৰতিনিধিত প্ৰকাশিত ।

৬০। লেনিন আৰু ভাৰত : আমাৰ প্ৰতিনিধিত প্ৰকাশিত ।

৬১। চল্‌ন আবাৰ মিলি (অসম গণনাট্য আন্দোলনৰ এটা স্মৰণীয় ঘটনা) : ১৯৮০ : এপিক থিয়েটাৰত প্ৰকাশিত ।

৬১। কুৎসাৰ জবাবে ১৯৭৯-৮০ : এপিক থিয়েটাৰত প্ৰকাশিত ।

৬৩। Kuo-Mo-Jo : ১৯৭৮/৫ আগষ্ট : Frontierত প্ৰকাশিত ।

৬৪। লোকসঙ্গীতেৰ একাল বা আকাল : মূৰ্শিদ-ছদ্ম নামত ১৯৬৮ ৰ ডিচেম্বৰৰ পৰা ১৯৭০ৰ চেপ্তেম্বৰলৈ সাপ্তাহিক বসুমতীত ধাৰা-বাহিক ভাবে প্ৰকাশিত ।

৬৫। লাটিন আমেৰিকাৰ লোক গীতি : ১৯৭১ : মধ্যাহ্ন পত্ৰিকাত প্ৰকাশিত ।

*৬৬। আসামেৰ জাতীয় উৎসৱ বিহু : ১৩৭৮ (বাংলা) : অমৃত পত্ৰিকাত প্ৰকাশিত, পিছত 'লোকসঙ্গীত সমীক্ষা : বাংলা ও আসাম' গ্ৰন্থত সন্নিবিষ্ট ।

৬৭। লোকসঙ্গীতেৰ নগৰায়ন : ১৯৭৬ : শাৰদীয় সংখ্যা : সত্যযুগত প্ৰকাশিত ।

৬৮। কলকাতাৰ দেহাতীগীত : ১৯৬৭ : শাৰদীয় সংখ্যা : বসুমতীত প্ৰকাশিত ।

৬৯। লোক সঙ্গীতে সাঙ্গীতিকী : ১৯৬৮ : শাৰদীয় সংখ্যা বসুমতীত প্ৰকাশিত।

৭০। মহান গণশিল্পী দেবব্ৰত বিশ্বাস : ১৯৮০ : ত্ৰিকোণ পাৰ্ক পূজা স্মৃতিগ্ৰন্থত প্ৰকাশিত।

৭১। জনতাৰ প্ৰাণ উপভাষায় : ১৯৭৭ : Limelight স্মৃতিগ্ৰন্থত প্ৰকাশিত।

৭২। গণ সংস্কৃতি গড়া নিয়ে ছুটি কথা : ১৯৮১ : শাৰদ সংখ্যা ঐক্যতানত প্ৰকাশিত।

★৭৩। বাংলাৰ লোকসঙ্গীতে হিন্দু-মুছলিম ঐক্যেৰ সাধনা : ১৩৭৩ : মাঘ—পয়গাম সাহিত্য সাময়িকীত প্ৰকাশিত আৰু 'লোকসঙ্গীত সমীক্ষা : বাংলা ও আসাম' ত সন্নিবিষ্ট।

৭৪। একটি গানেৰ জন্ম : ১৩৮৫ : (বাংলা) শাৰদীয় সংখ্যা কাগজ পত্ৰিকাত প্ৰকাশিত।

৭৫। সুকান্ত আবির্ভাবেৰ পটভূমি : ১৯৭৮ : বোধন সঙ্গীত গোষ্ঠীৰ পত্ৰিকাত প্ৰকাশিত।

৭৬। শ্ৰদ্ধাঞ্জলি : দেবব্ৰত বিশ্বাস : ১৯৮০ : বাৰোমাস পত্ৰিকাত প্ৰকাশিত।

★৭৭। আসামেৰ বোল মঘাই ওজাৰ ঢোল . ১৯৬৫ : কম্পাচ পত্ৰিকাত প্ৰকাশিত আৰু 'লোকসঙ্গীত সমীক্ষা : বাংলা ও আসাম' গ্ৰন্থত সন্নিবিষ্ট।

৭৮। প্ৰগতি নাট্য আন্দোলনেৰ একটি দূষিত ধাৰা : ১৩৭৩ : (বাংলা) শাৰদীয় গণনাট্যত প্ৰকাশিত।

৭৯। লোক সঙ্গীতেৰ দৰদী সমাজদাৰ ঋত্বিক : ঋত্বিক চলচিত্ৰ উৎসব, সালকিয়া ভাৰত সংঘৰ পত্ৰিকাত প্ৰকাশিত।

৮০। সংগীত সেনানায়ক পল ৰোবসন : ১৯৭৬ : জুলাই, প্ৰস্তুতিপৰ্ব পত্ৰিকাত প্ৰকাশিত।

৮১। ষ্টালিন যুগ ও ভাৰতেৰ নবসংস্কৃতি আন্দোলন : ১৯৬৮ : মে অনুষ্টুপ পত্ৰিকাত প্ৰকাশিত, প্ৰবীণ বৰুৱা- ছদ্ম নামত।

৮২। পিপলস্ কমিউন থেকে—স্বাধীনতাত প্ৰকাশিত—কাল অজ্ঞেয়।

★৮৩। The Art of Uday Shankar – 25/Dec. 53/Jan.-Unityত প্ৰকাশিত।

★৮৪। Hints for a New Manifesto—ভাৰতীয় গণনাট্য সংঘৰ ১৯৫৭ চনত দিল্লীত অনুষ্ঠিত সৰ্বভাৰতীয় অধিৱেশনত উপস্থাপিত।

★৮৫। Side lights and Snap Shots . ১৯৫৫ : Unity ত প্ৰকাশিত।

★৮৬। Nibaran Pandit—a Folk Poet of Bengal : ১৯৫৩ জুলাই : Unity ত প্ৰকাশিত।

★(৮৩—৮৭ লৈ পাঁচটা নিবন্ধ পিচত সুধী প্ৰধান সম্পাদিত Marxist Cultural Movement in India বোলা গ্ৰন্থৰ ৩য় খণ্ডত সন্নিবিষ্ট হৈছে)।

৮৮। উঠিল সমুদ্ৰ কল্লোল : ১৯৭৫ : এপিক থিয়েটাৰ পত্ৰিকাত প্ৰকাশিত।

৮৯। গণনাট্য সম্মেলন : ১৩৫৫ (বাংলা)/ ফাগুন—পৰিচয় পত্ৰিকাত প্ৰকাশিত আৰু পিচত ধনঞ্জয় দাস সম্পাদিত মাৰ্কসবাদী সাহিত্য বিতৰ্কত পুনৰ মুদ্ৰিত।

৯০। বাউল মহানন্দ দাস : ১৯৫২ : থিয়েটাৰত প্ৰকাশিত।

৯১। দেশেই আমাৰ নাটঘৰ বাইজেই ভাওৰীয়া অসম ৰাজ্যিক গণনাট্য সংঘৰ তৃতীয় ৰাজ্যিক সম্মিলন (গুৱাহাটী) ৰ সম্পাদকীয় প্ৰতিবেদন বাংলা অনুবাদত ১৯৭৯ চনত এপিক থিয়েটাৰ পত্ৰিকাত প্ৰকাশিত।

৯২। Irawat Singh—As I know him : ৩।৯।৮২ ত লেখা, সম্ভৱ অপ্ৰকাশিত হৈ ৰ'ল।

৯৩। ৰবীন্দ্ৰ সংগীতেৰ বিচাৰ, বিশ্লেষণ ও ব্যৱহাৰ ১৩৮৪ (বাংলা) লোক লৌকিকত প্ৰকাশিত।

৯৪। প্ৰগতি সাহিত্য আন্দোলন ও বিনয় ঘোষ : ১৯৮০ : লোক লৌকিকত প্ৰকাশিত।

৯৫। পাতনি : ডাঃ দীননাথ শৰ্মা ৰচিত 'ছোভিয়েত বিপ্লৱ আৰু অসমীয়া সাহিত্য' গ্ৰন্থৰ, ১৮৯৪ শকত প্ৰকাশিত।